ULB

# Assamese Unlocked Literal Bible

## যিহিষ্কেল ভাববাদীৰ পুস্তক ।

### সংস্কৰণ 4

[as]

No warranties are given. The license may not give you all of the permissions necessary for your intended use. For example, other rights such as publicity, privacy, or moral rights may limit how you use the material.

# সুচিপত্ৰ


**যিহিষ্কেল ভাববাদীৰ পুস্তক। ..... 6**
Chapter 1 ..... 6
Chapter 2 ..... 7
Chapter 3 ..... 7
Chapter 4 ..... 8
Chapter 5 ..... 8
Chapter 6 ..... 9
Chapter 7 ..... 10
Chapter 8 ..... 10
Chapter 9 ..... 11
Chapter 10 ..... 12
Chapter 11 ..... 12
Chapter 12 ..... 13
Chapter 13 ..... 14
Chapter 14 ..... 15
Chapter 15 ..... 16
Chapter 16 ..... 16
Chapter 17 ..... 18
Chapter 18 ..... 19
Chapter 19 ..... 19
Chapter 20 ..... 20
Chapter 21 ..... 22
Chapter 22 ..... 23
Chapter 23 ..... 24
Chapter 24 ..... 25
Chapter 25 ..... 26
Chapter 26 ..... 27
Chapter 27 ..... 27
Chapter 28 ..... 28
Chapter 29 ..... 29
Chapter 30 ..... 30
Chapter 31 ..... 31
Chapter 32 ..... 31
Chapter 33 ..... 33
Chapter 34 ..... 34
Chapter 35 ..... 35
Chapter 36 ..... 35
Chapter 37 ..... 37
Chapter 38 ..... 38
Chapter 39 ..... 38
Chapter 40 ..... 39
Chapter 41 ..... 41
Chapter 42 ..... 42
Chapter 43 ..... 42
Chapter 44 ..... 43
Chapter 45 ..... 44

Chapter 46 45
Chapter 47 46
Chapter 48 47

**অবদানকাৰী** **49**
Assamese Unlocked Literal Bible অবদানকাৰী 49
Tischendorf Greek New Testament 8th edition অবদানকাৰী 49

# যিহিষ্কেল ভাববাদীৰ পুস্তক ।

## Chapter 1

### যিহিষ্কেলক কাৰ্য্যত নিযুক্ত কৰাৰ দৰ্শন।

1ত্ৰিশ বছৰৰ বছৰি চতুৰ্থ মাহৰ পঞ্চম দিনা, মই কবাৰ নদীৰ পাৰত দেশান্তৰিত লোকবিলাকৰ মাজত থাকোঁতে, স্বৰ্গ মেলা হ'ল, আৰু মই
ঈশ্বৰীয় দৰ্শন পালোঁ। 2যিহোয়াখীন ৰজা দেশান্তৰিত হোৱাৰ পঞ্চম বছৰৰ সেই মাহৰ পঞ্চম দিনা, 3কল্দীয়াবিলাকৰ দেশত, কবাৰ নদীৰ পাৰত,
বুজীৰ পুত্ৰ যিহিষ্কেল পুৰোহিতৰ ওচৰলৈ যিহোৱাৰ বাক্য স্পষ্টকৈ আহিল, আৰু সেই ঠাইত যিহোৱাৰ হাত তেওঁৰ ওপৰত অৰ্পিত হ'ল।

4আৰু মই চাই দেখিলোঁ, উত্তৰ দিশৰ পৰা ধুমুহা বতাহ আহিছে, চিকমিকোৱা অগ্নি আৰু চাৰিওফালে থকা দীপ্তিৰে সৈতে এখন ডাঙৰ মেঘ
আহিছে; আৰু তাৰ মাজত, সেই জুইৰ মাজত উজ্জল ধাতু যেন লগা গ'ল। 5আৰু তাৰ মাজত চাৰিজন জীয়া প্ৰাণীৰ নিচিনা কোনো এক
পদাৰ্থ দেখা গ'ল। তেওঁবিলাকৰ আকৃতি এনেকুৱা; তেওঁবিলাকৰ ৰূপ মানুহৰ নিচিনা। 6প্ৰতিজনৰ চাৰিখন চাৰিখন মুখ, আৰু চাৰিখন চাৰিখন
ডেউকা; 7তেওঁবিলাকৰ ভৰি পোন, তেওঁবিলাকৰ ভৰিৰ তলুৱা দামুৰিৰ খুৰাৰ তলুৱাৰ নিচিনা; সেইবোৰে চকা পিতলৰ নিচিনা চকমক
কৰিছিল; 8তেওঁবিলাকৰ চাৰিওকাষে ডেউকাৰ তলত মানুহৰ হাতৰ নিচিনা হাত আছিল। তেওঁবিলাক চাৰিওজনৰ মুখ আৰু ডেউকা এইৰূপ
আছিল, 9তেওঁবিলাকৰ ডেউকা পৰস্পৰে লগালগি, যোৱা সময়ত তেওঁবিলাক কোনো ফালে নুঘূৰে, তেওঁ বিলাক প্ৰতিজনে পোনে পোনে যায়।
10তেওঁবিলাকৰ মুখৰ আকৃতিৰ বিষয়ে হ'লে, তেওঁবিলাকৰ মুখ মানুহৰ নিচিনা, আৰু সোঁফালে তেওঁবিলাক চাৰিওজনৰে সিংহৰ মুখ, আৰু
বাওঁফালে চাৰিওজনৰে গৰুৰ মুখ, আকৌ চাৰিওজনৰে কুৰৰ পক্ষীৰ মুখ আছিল। 11তেওঁবিলাকৰ মুখ আৰু ডেউকা ওপৰৰফালে বেলেগ
বেলেগ; প্ৰতিজনৰ দুখন দুখন ডেউকা পৰস্পৰে লগালগি, আৰু দুখন দুখন ডেউকাই তেওঁবিলাকৰ গা ঢাকে। 12তেওঁবিলাক প্ৰতিজনে পোনে
পোনে যায়; যি ফালে আত্মা যাব খোজে, তেওঁবিলাক সেই ফালেই যায়; যোৱা সময়ত তেওঁবিলাক নুঘূৰে। 13সেই জীৱিত প্ৰাণী কেইজনৰ ৰূপৰ
বিষয়ে হ'লে, তেওঁবিলাকৰ আভা জ্বলি থকা জুইৰ আঙঠা আৰু আৰিয়াবোৰৰ নিচিনা; সেই জুই প্ৰাণী কেইজনৰ মাজত ওপৰলৈ তলৈ অহা-
যোৱা কৰে; সেই জুই উজ্জ্বল, আৰু সেই জুইৰ পৰা বিজুলী ওলায়। 14সেই জীৱিত প্ৰাণী কেইজনৰ গমনা-গমন বিজুলীৰ চমকৰ নিচিনা দেখা
যায়।

15মই জীৱিত প্ৰাণী কেইজনলৈ চাই তেওঁবিলাকৰ চাৰিখন মুখৰ প্ৰতিখনৰ প্ৰতিখনৰ নিমিত্তে তেওঁবিলাকৰ কাষত মাটিত এটা এটা চক্ৰ
দেখিলোঁ। 16সেই চক্ৰ কেইটাৰ আভা বৈদূৰ্য্য মণিৰ নিচিনা, আৰু সেইবোৰ বৈদূৰ্য্য মণিৰে কৰা যেন দেখ যায়; সেই চাৰিওটা একে ৰকমৰ;
সেইবোৰৰ আভা, আৰু সেইবোৰৰ গঠন দেখিলে, চক্ৰৰ মাজত চক্ৰ থকা যেন দেখা যায়। 17যোৱা সময়ত সেইবোৰ চাৰিওকাষে যায়; যোৱা
সময়ত সেইবোৰ কোনো ফালে নুঘূৰে। 18সেইবোৰৰ পুঠিৰ বিষয়ে হ'লে, সেইবোৰ ওখ আৰু ভয়ঙ্কৰ; আৰু সেইবোৰৰ পুঠিবোৰ চাৰিওফালে
চকুৰে ভৰা। 19আৰু প্ৰাণী কেইজন যোৱা সময়ত, চক্ৰ কেইটা তেওঁবিলাকৰ কাষে কাষে চলে; আৰু যেতিয়া প্ৰাণী কেইজন মাটিৰ পৰা দাং
খায়, তেতিয়া চক্ৰ কেইটাও দাং খায়। 20য'লৈকে আত্মা যাব খোজে, ত'লৈকে তেওঁবিলাকো যায়; কোনো ঠাইলৈ আত্মা যাব খুজিলেই চক্ৰ
কেইটা তেওঁবিলাকৰ কাষত দাং খায়; কিয়নো প্ৰাণী কেইজনৰ আত্মা চক্ৰ কেইটাত আছিল। 21তেওঁবিলাক গ'লে, সেইবোৰো যায়;
তেওঁবিলাক ৰ'লে, সেইবোৰো ৰয়; আৰু তেওঁবিলাক মাটিৰ পৰা দাং খালে, চক্ৰ কেইটাও তেওঁবিলাকৰ কাষত দাং খায়; কিয়নো প্ৰাণী
কেইজনৰ আত্মা চক্ৰ কেইটাত আছিল।

22আৰু প্ৰাণী কেইজনৰ মূৰৰ ওপৰত, ভয়ানক স্ফটিকৰ বৰণৰ, তেওঁবিলাকৰ মূৰৰ ওপৰত ওখত তৰা এখন চন্দ্ৰতাপৰ নিচিনা এক বস্তু
আছিল। 23চন্দ্ৰতাপখনৰ তলত তেওঁবিলাকৰ ডেউকা পৰস্পৰৰ ফালে পোন, আৰু গা ঢাকিবৰ নিমিত্তে প্ৰতিজনৰ এফালে দুখন আনফালে
দুখন ডেউকা আছিল। 24তেওঁবিলাক যোৱা সময়ত, মহাজলসমূহৰ শব্দৰ নিচিনা, সৰ্ব্বশক্তিমান জনাৰ ধ্বনিৰেই নিচিনা মই তেওঁবিলাকৰ
ডেউকাৰ শব্দ শুনিলোঁ, সৈন্যসামন্তৰ ধ্বনিৰ নিচিনা কোলাহলৰ শব্দ শুনিলোঁ; তেওঁবিলাক ৰোৱা সময়ত তেওঁবিলাকে নিজ নিজ ডেউকা
চপায়। 25তেওঁবিলাকৰ মূৰৰ ওপৰত থকা চন্দ্ৰতাপখনৰ ওপৰৰ পৰা এক ধ্বনি শুনা যায়; তেওঁবিলাক ৰোৱা সময়ত, তেওঁবিলাকে নিজ নিজ
ডেউকা চপায়।

26তেওঁবিলাকৰ মূৰৰ ওপৰৰ চন্দ্ৰতাপখনৰ ওপৰত নীলকান্ত বাখৰৰ আকৃতিৰে এখন সিংহাসন যেন এক বস্তু আছিল; সেই সিংহাসন যেন
বস্তুটোৰ ওপৰত ওখত, এজনা মানুহৰ আকৃতি যেন এক মুৰ্ত্তি তাৰ ওপৰত আছিল। 27আৰু তেওঁৰ কঁকাল যেন বস্তুটোৰ পৰা ওপৰলৈ, মই
ভিতৰে চাৰিওফালে উজ্জ্বল ধাতুৰ নিচিনা জুইৰ আকৃতি যেন দেখিলোঁ; আৰু তেওঁৰ কঁকাল যেন বস্তুটোৰ পৰা তলতৈ জুইৰ আকৃতি যেন
দেখিলোঁ, আৰু তেওঁৰ চাৰিওফালে দীপ্তি আছিল। 28বৃষ্টিৰ নিচিনা মেঘত থকা ধনুখনৰ আকৃতি যেনে, তেওঁৰ চাৰিওফালৰ দীপ্তিৰ আকৃতি
তেনে। যিহোৱাৰ গৌৰৱ যেন পদাৰ্থটোৰ এই ৰূপ দেখা গ'ল। তাক দেখামাত্ৰে মই উবুৰি হৈ পৰিলোঁ, আৰু বাক্য কওঁতা এজনাৰ মাত মোৰ
কাণত পৰিল।

## Chapter 2

1তেওঁ মোক কলে, হে মনুষ্য-সন্তান, ভৰিত ভৰ দি থিয় হোৱা, মই তোমাৰে সৈতে কথা হওঁ। 2তেওঁ মোক কথা কওঁতেই আত্মাই মোৰ অন্তৰত
সোমাই মোক থিয় কৰিলে, আৰু মোক কোৱা জনাৰ বাক্য মই শুনিলোঁ। 3তেওঁ মোক কলে, হে মনুষ্য সন্তান, আহাঁ, মই তোমাক ইস্রায়েলৰ
সন্তানবিলাকৰ গুৰিলৈ, মোৰ অহিতে বিদ্রোহ কৰা বিদ্রোহী জাতিবিলাকৰ গুৰিলৈ পঠাওঁ; তেওঁবিলাকে আৰু তেওঁবিলাকৰ পূৰ্ব্ব-পুৰুষবিলাকে
আজিলৈকে মোৰ অহিতে অপৰাধ কৰি আহিছে। 4সেই সন্তানবিলাক নিলাজ আৰু অবাধ্য; মই তেওঁবিলাকৰ গুৰিলৈ তোমাক পঠাওঁ; তুমি
তেওঁবিলাকক ক'বা, প্ৰভু যিহোৱাই এই কথা কৈছে। 5তেওঁবিলাকে শুনক বা নুশুনক,(কিয়নো তেওঁবিলাক বিদ্রোহী বংশ), তেওঁবিলাকৰ মাজত
যে এজন ভাববাদী উপস্থিত হ'ল, তাক তেওঁবিলাকে জানিব। 6যদিও কাঁইটীয়া বন আৰু কাঁইট গছৰ হাবি তোমাৰ লগত আছে, আৰু যদিও
কেঁকোৰা-বিছাবোৰৰ মাজত তুমি বাস কৰিছা, তথাপি হে মনুষ্য-সন্তান তুমি তেওঁবিলাকলৈ ভয় নকৰিবা, বা তেওঁবিলাকৰ কথালৈ নকৰিবা;
যদিও তেওঁবিলাক বিদ্রোহী বংশ, তথাপি তেওঁবিলাকৰ কথালৈ ভয় নকৰিবা, বা তেওঁবিলাকৰ মুখ দেখি ব্যাকুল নহ'বা। 7তেওঁবিলাকে শুনক
বা নুশুনক, তুমি মোৰ বাক্য তেওঁবিলাকক ক'বা; কিয়নো তেওঁবিলাক অত্যন্ত বিদ্রোহী।

8কিন্তু হে মনুষ্য-সন্তান, তুমি হ'লে, মই কোৱা কথা শুনা, সেই বিদ্রোহী বংশৰ নিচিনা তুমিও বিদ্রোহী নহ'বা; মুখ মেলা, মই তোমাক যি দিওঁ তাক
খোৱা। 9তেতিয়া মই চাই দেখিলোঁ, এখন হাত মোলৈ মেলা হৈছে; আৰু চোৱা, সেই হাতত এখন নুৰিওৱা পুথি আছে। 10তেওঁ মোৰ আগত তাক
মেলিলে; সেই পুথিখন ইলুটিয়ে সিলুটিয়ে দুই লুটিয়ে লিখা আছিল, আৰু তাত বিলাপ, শোক, আৰু সন্তাপৰ কথা লিখা আছিল।

## Chapter 3

1পাছে তেওঁ মোক কলে, হে মনুষ্য-সন্তান, তোমাৰ আগত যি আছে তাক খোৱা; এই নুৰিওৱা পুথিখন খাই পেলাই, গৈ ইস্রায়েল বংশক কথা
কোৱা। 2তাতে মই মুখ মেলিলত, তেওঁ মোক সেই পুথিখন খুৱাই দিলে। 3তেওঁ মোক কলে, হে মনুষ্য-সন্তান, মই তোমাক দিয়া নুৰিওৱা পুথিখন
পেটলৈ নি, তাৰে তোমাৰ উদৰ পূৰ কৰা। তাতে মই তাক খোৱাত, সেয়ে মোৰ মুখত মৌ-জোলৰ নিচিনা মিঠা লাগিল।

4পাছে তেওঁ মোক কলে, হে মনুষ্য-সন্তান, ইস্রায়েলৰ বংশৰ ওচৰলৈ গৈ তেওঁবিলাকক মোৰ বাক্য কোৱা। 5কিয়নো অস্পষ্ট কথা আৰু কঠিন
ভাষা কোৱা জাতিৰ ওচৰলৈ তোমাক নপঠাই ইস্রায়েল-বংশৰ ওচৰলৈ পঠোৱা হৈছে। 6যি জাতিবিলাকৰ বাক্য তুমি বুজিব নোৱাৰা, অস্পষ্ট
কথা আৰু কঠিন ভাষা কোৱা এনে অনেক জাতিৰ ওচৰলৈ তোমাক পঠোৱা নাই। মই যদি তোমাক সিহঁতৰ ওচৰলৈ পঠালোঁহেঁতেন, তেন্তে
নিশ্চয়ে সিহঁতে তোমাৰ কথা শুনিলেহেঁতেন। 7কিন্তু ইস্রায়েল বংশই তোমাৰ কথা শুনিবলৈ সন্মত নহ'ব, কিয়নো তেওঁবিলাকে মোৰ কথা
শুনিবলৈ সন্মত নহয়। কাৰণ ইস্রায়েলৰ গোটেই বংশ টান-কপলীয়া আৰু কঠিন চিত্তীয়া। 8চোৱা, মই তেওঁবিলাকৰ মুখৰ আগত তোমাৰ মুখ
কঠিন, আৰু তেওঁবিলাকৰ কপালৰ আগত তোমাৰ কপাল টান কৰিলোঁ। 9মই তোমাৰ কপাল চকমকি পাথৰতকৈ কঠিন হীৰা যেন কৰিলোঁ;
তেওঁবিলাক বিদ্রোহী বংশ হলেও, তেওঁবিলাকলৈ ভয় নকৰিবা, বা তেওঁবিলাকৰ মুখ দেখি ব্যাকুল নহ'বা। 10তেওঁ মোক আৰু কলে, হে মনুষ্য-
সন্তান, মই তোমাৰ আগত যি যি কথা কওঁ, সেই আটাই কথা অন্তৰত গ্ৰহণ কৰা, আৰু কাণত ঠাই দিয়া। 11আৰু তোমাৰ দেশান্তৰিত স্বজাতীয়
সন্তানবিলাকৰ গুৰিলৈ গৈ তেওঁবিলাকক কথা কোৱা; তেওঁবিলাকে শুনক বা নুশুনক, প্ৰভু যিহোৱাই এই কথা কৈছে, এই বুলি তেওঁবিলাকক
কোৱা।

12তেতিয়া আত্মাই মোক দাঙি ললত, " নিজ ঠাইৰ পৰা ওলাই যোৱা যিহোৱাৰ গৌৰৱ ধন্য", এই বাক্য, অতি বেগেৰে যোৱা শব্দেৰে মোৰ
পাছৰ পৰা শুনিলোঁ; 13আৰু প্ৰাণী কেইজনৰ ডেউকা পৰস্পৰে লগালগি হোৱাত, সেইবোৰৰ শব্দ, এনেকি অতি বেগেৰে যোৱাৰ মহাশব্দ
শুনিলোঁ। 14এইদৰে আত্মাই মোক দাঙি লৈ গ'ল; আৰু মই বেজাৰত, আৰু মোৰ অন্তৰৰ তাপত গ'লো, আৰু যিহোৱাৰ হাত মোৰ ওপৰত
প্ৰবল আছিল। 15পাছে কবাৰ নদীৰ পাৰত থকা তেল-আবীব-নিবাসী দেশান্তৰিত লোকবিলাকৰ গুৰিত মই উপস্থিত হলোঁ, আৰু তেওঁবিলাক
বহি থকা ঠাইলৈ গৈ, মই আচৰিত হৈ তেওঁবিলাকৰ মাজত সাত দিন বহি থাকিলোঁ।

16সাত দিনৰ মূৰত যিহোৱাৰ বাক্য মোৰ গুৰিলৈ আহিল, বোলে, 17হে মনুষ্য সন্তান, মই তোমাৰ ইস্রায়েল বংশৰ নিমিত্তে প্ৰহৰী নিযুক্ত কৰিলোঁ;
এই কাৰণে মোৰ মুখৰ পৰা বাক্য শুনি মোৰ নামেৰে তেওঁবিলাকক সতৰ্ক কৰা। 18তুমি নিশ্চয়ে মৰিবা, এই বুলি মই দুষ্টক কোৱা সময়ত তুমি
তাক সতৰ্ক নকৰিলে, বা তাৰ প্ৰাণ নিস্তাৰ কৰিবৰ নিমিত্তে তাৰ মন্দ পথৰ পৰা তাক সাৱধান হ'বলৈ নক'লে, সেই দুষ্ট লোক নিজ অপৰাধত
মৰিব: কিন্তু মই তোমাৰ হাতৰ পৰা তাৰ ৰক্তৰ প্ৰতিশোধ ল'ম। 19কিন্তু তুমি তাক সতৰ্ক কৰাতো সি নিজ দুষ্টতাৰ পৰা বা নিজ কু পথৰ পৰা
নুঘূৰিলে, সি নিজ অপৰাধত মৰিব; কিন্তু তুমি হ'লে, তোমাৰ প্ৰাণ ৰক্ষা কৰিবা। 20আকৌ ধাৰ্ম্মিক লোকে নিজ ধাৰ্ম্মিকতাৰ পৰা ঘূৰি অপৰাধ
কৰিলে, আৰু মই তোমাৰ আগত উজুটি খোৱা মূঢ়া ৰাখিলে, তেওঁ মৰিব; কিন্তু তুমি তেওঁক সতৰ্ক নকৰিলে তেওঁ নিজ পাপত মৰিব, আৰু তেওঁ
কৰা ধৰ্ম্ম-কৰ্ম্মবোৰ সোঁৱৰণ কৰা নাযাব; কিন্তু তেওঁৰ ৰক্তৰ প্ৰতিশোধ মই তোমাৰ হাতৰ পৰা ল'ম। 21আৰু ধাৰ্ম্মিকলোকে পাপ নকৰিবৰ
নিমিত্তে তুমি যদি তেওঁক সতৰ্ক কৰা, আৰু তেওঁ পাপ নকৰে, তেন্তে তেওঁ সতৰ্ক হোৱাৰ কাৰণে অৱশ্যে জীয়াই থাকিব; আৰু তুমিও নিজ প্ৰাণ
ৰক্ষা কৰিবা।

### ভাববাদীৰ মুখ বন্ধ হোৱা।

22আৰু সেই ঠাইতে যিহোৱাৰ হাত মোৰ ওপৰত অৰ্পিত হ'ল, আৰু তেওঁ মোক কলে,উঠা, উপত্যকালৈ ওলাই যোৱা, মই সেই ঠাইত তোমাৰ লগত কথা হ'ম। 23তাতে মই উঠি উপত্যকালৈ ওলাই গ'লো, আৰু দেখিলোঁ, কবাৰ নদীৰ ওচৰত মই দেখা গৌৰৱৰ নিচিনা যিহোৱাৰ গৌৰৱ তাত ৰৈ আছে; তাতে মই উবুৰি হৈ পৰিলোঁ। 24পাছে আত্মাই মোৰ অন্তৰত সোমাই মোক থিয় কৰিলে, আৰু তেওঁ মোৰ লগত কথা হৈ মোক, তুমি গৈ তোমাৰ ঘৰ বন্ধ কৰি ভিতৰত থাকা। 25হে মনুষ্য সন্তান, মানুহবিলাকে তোমাক লেজু লগাই তাৰে তোমাক বান্ধিব, তাতে তুমি বাহিৰ হৈ তেওঁবিলাকৰ মাজলৈ যাব নোৱাৰিবা; 26আৰু মই তোমাৰ জীভা তালুত লগাম, তাতে তুমি বোবা হ'বা, আৰু তেওঁবিলাকৰ আগত অনুযোগ কৰোঁতা নহ'বা; কিয়নো তেওঁবিলাক বিদ্ৰোহী বংশ। 27কিন্তু মই তোমাৰ লগত কথা হোৱা সময়ত তোমাৰ মুখ মেলিম' তাতে প্ৰভূ যিহোৱাই এই কথা কৈছে বুলি তুমি তেওঁবিলাকক ক'বা। যি জনে শুনে, তেওঁ শুনক, আৰু যি জনে নুশুনে, তেওঁ নুশুনক; কিয়নো তেওঁবিলাক বিদ্ৰোহী বংশ।

### যিৰূচালেমক অৱৰোধ কৰাৰ বিষয়ে দেখুউৱা কেইটামান চিন।

## Chapter 4

1হে মনুষ্য সন্তান, তুমি এটা ইটা লৈ, তাক নিজৰ আগত ৰাখি তাৰ ওপৰত এখন নগৰৰ অৰ্থাৎ যিৰূচালেমৰ নক্সা আঁকা; 2আৰু তাক অৱৰোধ কৰা, তাৰ অহিতে কোঁঠা সাজা, তাৰ অহিতে হাদাম বান্ধা, তাৰ অহিতে চাৰিওফালে ছাউনি পাতা,আৰু তাৰ অহিতে চাৰিওফালে গড় ভঙা যন্ত্ৰ স্থাপন কৰা। 3আৰু তুমি এখন লোহাৰ তাওৱা লৈ, তোমাৰ আৰু নগৰৰ মাজত লোহাৰ গড়স্বৰূপে তাক স্থাপন কৰা, আৰু তাৰ ফালে কঠিন দৃষ্টি কৰা, তাতে সেয়ে অৱৰোধৰ অৱস্থাত পৰিব, আৰু তুমি তাক অৱৰোধ কৰিবা; ইস্ৰায়েল-বংশৰ নিমিত্তে এয়ে চিন হ'ব।

4তাৰ বাহিৰে তুমি বাওঁকাষে শুই তাৰ ওপৰত ইস্ৰায়েল-বংশৰ অপৰাধৰ ভাৰ ৰাখা; তুমি সেই কাষে শোৱা দিনৰ সংখ্যা অনুসাৰে তুমি তেওঁবিলাকৰ অপৰাধ ববা। 5কিয়নো মই তেওঁবিলাকৰ অপৰাধৰ বছৰৰ সংখ্যা তোমাৰ নিমিত্তে কেতবোৰ দিনৰ সংখ্যা কৰিলোঁ, অৰ্থাৎ তিনিশ নব্বৈ দিন কৰিলোঁ; এইদৰে তুমি ইস্ৰায়েল বংশৰ অপৰাধ ববা। 6আৰু তুমি এইবোৰ সম্পূৰ্ণ কৰি আকৌ সোঁকাষে শুবা, আৰু চল্লিশ দিনলৈকে যিহূদা-বংশৰ অপৰাধ ববা; মই এক এক বছৰ তোমাৰ নিমিত্তে এক এক দিন কৰিলোঁ। 7তুমি বাহু উদং কৰি যিৰূচালেমৰ অৱৰোধলৈ স্থিৰ দৃষ্টি কৰি তাৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰিবা। 8চোৱা, মই ৰছীৰে তোমাক বান্ধিম; তাতে তোমাৰ অৱৰোধৰ দিন তুমি সম্পূৰ্ণ নকৰালৈকে এক কাষৰ পৰা আন কাষলৈ বাগৰিব নোৱাৰিবা। 9আৰু তুমি নিজৰ নিমিত্তে ঘেঁহু,যৱ, মাহ, মচূৰ বজৰা, আৰু জনৰা লৈ এটা পাত্ৰত ৰাখি তাৰে পিঠা বনোৱা; তুমি কাতি হৈ শুই থকা দিনৰ সংখ্যা অনুসাৰে তিনিশ নব্বৈ দিন তাক ভোজন কৰিবা। 10তোমাৰ খোৱা আহাৰ জোখ কৰি দিনে দিনে বিশ চেকল খাবা; তুমি বিশেষ বিশেষ দিনত তাক খাবা। 11আৰু তুমি পানীও জোখ কৰি হীনৰ ছয় ভাগৰ এভাগ পান কৰিবা। 12আৰু তুমি যৱৰ পিঠাৰ নিচিনাকৈ তাক তৈয়াৰ কৰি ভোজন কৰিবা; আৰু তেওঁবিলাকৰ চকুৰ আগতে, মানুহৰ পৰা বাহিৰ হোৱা বিষ্ঠাৰে তাক তাও দিবা। 13যিহোৱাই আৰু কলে, যি জাতিবিলাকৰ মাজলৈ মই এই ইস্ৰায়েল সন্তানবিলাকক খেদিম, সেই জাতিবিলাকৰ মাজত তেওঁবিলাকে নিজ নিজ আহাৰ এইদৰে অশুচিকৈ খাব। 14তেতিয়া মই কলোঁ, হায় হায় প্ৰভূ যিহোৱা, চোৱা, মোৰ প্ৰাণ অশুচি কৰা নাই; কিয়নো মই ল'ৰা কালৰে পৰা আজিলৈকে নিজে নিজে মৰা বা জন্তুৰে ছিৰা একোকে খোৱা নাই, নাইবা ঘিণলগীয়া মাংস মোৰ মুখত কেতিয়াও সোমোৱা নাই। 15তেতিয়া তেওঁ মোক কলে, মই মানুহৰ বিষ্ঠাৰ সলনি তোমাক গোবৰ খুটি দিলোঁ; তুমি তাৰে নিজৰ পিঠা তাও দি তৈয়াৰ কৰিবা। 16তাৰ বাহিৰে, তেওঁ মোক কলে, হে মনুষ্য সন্তান, চোৱা, মই যিৰূচালেমত অন্নৰূপ লাখুটি ভাঙিম; তেওঁবিলাক পিঠা আৰু পানীৰ অভাৱত পৰিবৰ নিমিত্তে, আৰু পৰস্পৰে আচৰিত হৈ তেওঁবিলাকৰ অপৰাধত ক্ষীণাই যাবৰ নিমিত্তে, 17তেওঁবিলাকে সাৱধানেৰে জুখি জুখি পিঠা খাব আৰু আচৰিত হৈ জুখি জুখি পানী পান কৰিব।

## Chapter 5

1আৰু হে মনুষ্য সন্তান, তুমি এখন চোকা তৰোৱাল লোৱা; তুমি তাক নাপিতৰ খুৰস্বৰূপে লৈ নিজ মূৰৰ চুলি আৰু ডাঢ়িৰ ওপৰত চলোৱা। পাছে এখন তৰ্জ্জু লৈ, সেই ডাঢ়ি চুলিবোৰ জুখি ভাগ ভাগ কৰিবা। 2নগৰ অৱৰোধ কৰা দিন সম্পূৰ্ণ হ'লে, তুমি তাৰ তিনি ভাগৰ এভাগ নগৰৰ মাজত জুইত পুৰিবা; তুমি দ্বিতীয় ভাগ লৈ, নগৰৰ চাৰিওফালে তাক তৰোৱালেৰে প্ৰহাৰ কৰিবা; আৰু তুমি তৃতীয়ভাগ বায়ুত উড়ুৱাই দিবা, আৰু মই ফাকৰ পৰা তৰোৱাল উলিয়াই তেওঁবিলাকৰ পাছে পাছে খেদি যাম। 3আৰু তুমি তাৰে অলপ লৈ, তোমাৰ কাপোৰৰ আঁচলত বান্ধিবা। 4পাছে তুমি তাৰে অলপ লৈ, জুইৰ মাজত পেলাই জুইত পুৰিবা; তাৰ পৰা জুই ওলাই গোটেই ইস্ৰায়েল-বংশত সোমাব।

5প্ৰভূ যিহোৱাই এই কথা কৈছে, এয়ে যিৰূচালেম; মই ইয়াক জাতিবিলাকৰ মাজত স্থাপন কৰিলোঁ, আৰু ইয়াৰ চাৰিওফালে দেশবোৰ আছে। 6আৰু ই জাতিবিলাকতকৈয়ো অধিক দুষ্কৰ্ম্ম কৰি মোৰ শাসন-প্ৰণালীবোৰৰ বিৰুদ্ধে, আৰু ইয়াৰ চাৰিওফালে থকা দেশৰ লোকবিলাকতকৈয়ো মোৰ বিধিবোৰৰ বিৰুদ্ধে অধিক বিদ্ৰোহ কৰিলে; কিয়নো ইবিলাকে মোৰ শাসন-প্ৰণালীবোৰ অগ্ৰাহ্য কৰিলে, আৰু মোৰ বিধিবোৰৰ বিৰুদ্ধে হ'লে ইবিলাকে সেইবোৰত নচলিলে। 7এই নিমিত্তে প্ৰভূ যিহোৱাই এই কথা কৈছে, তোমালোকৰ চাৰিওফালে থকা জাতিবিলাকতকৈ

তোমালোকে অধিক অত্যাচাৰ কৰিলা, মোৰ বিধিবোৰত নচলিলা, মোৰ শাসন-প্ৰণালীবোৰ পালন নকৰিলা আৰু তোমালোকৰ চাৰিওফালে
থকা জাতিবিলাকৰ শাসন-প্ৰণালী অনুসাৰেও কাৰ্য্য নকৰিলা। 8এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, মই ময়েই তোমাৰ বিপক্ষ;
আৰু মই জাতিবিলাকৰ সাক্ষাতে তোমাৰ মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিম। 9যিহক মই কেতিয়াও কৰা নাই, আৰু যিহৰ নিচিনা কেতিয়াও নকৰিম,
তোমাৰ আটাই ঘিণলগীয়া কাৰ্য্যবোৰৰ নিমিত্তে তাকেই তোমাৰ মাজত কৰিম। 10এই কাৰণে তোমাৰ মাজত বাপেকহঁতে পুতেকহঁতক খাব,
আৰু পুতেকহঁতে বাপেকহঁতক খাব; এই প্ৰকাৰে মই তোমাৰ মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিম, আৰু তোমাৰ আটাই অৱশিষ্ট ভাগ চাৰিওফালে বায়ুত
উড়ুৱাই দিম। 11এই হেতুকে প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, তোমাৰ আটাই ঘিণলগীয়া বস্তুৰে, আৰু তোমাৰ আটাই ঘৃণনীয় কাৰ্য্যেৰে
তুমি মোৰ পবিত্ৰস্থান অশুচি কৰা বাবে, মই নিশ্চয়ে তোমাক হ্ৰাস কৰিম, তোমালৈ কৃপাদৃষ্টি নকৰিম, আৰু তোমাক দয়াও নকৰিম। 12তোমাৰ
তিনি ভাগৰ এভাগলোক তোমাৰ মাজত মহামাৰীত মৰিব আৰু আকালৰ দ্বাৰাই নষ্ট হ’ব; দ্বিতীয় ভাগ তোমাৰ চাৰিওফালে তৰোৱালত পতিত
হ’ব; আৰু তৃতীয় ভাগ মই চাৰিওফালে বায়ুত উড়ুৱাই দিম, আৰু ফাকৰ পৰা তৰোৱাল উলিয়াই তেওঁবিলাকৰ পাছে পাছে খেদি যাম।

13এইদৰে মোৰ ক্ৰোধ সিদ্ধ হ’ব, আৰু মই তেওঁবিলাকৰ ওপৰত মোৰ কোপ বৰষাই ক্ষান্ত হ’ম; মই তেওঁবিলাকৰ ওপৰত মোৰ ক্ৰোধ সিদ্ধ
কৰাৰ পাছত, তেওঁবিলাকে জানিব, যে, মই যিহোৱাই মই মৰ্য্যাদা ৰখাৰ উৎসাহতে এই কথা কলোঁ। 14ইয়াৰ বাহিৰে, আটাই পথিকবিলাকৰ
দৃষ্টিত তোমাৰ চাৰিওফালে থকা জাতিবিলাকৰ মাজত মই তোমাক ধ্বংসস্থান আৰু ধিক্কাৰৰ বিষয় কৰিম। 15তাতে, মই ক্ৰোধত, কোপত, আৰু
কোপযুক্ত ধমকিত তোমাৰ মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিলে, তোমাৰ চাৰিওফালে থকা সেই জাতিবিলাকৰ নিমিত্তে সেই নগৰ ধিক্কাৰ, বিদ্ৰোপ,
শিক্ষা আৰু আচৰিতৰ বিষয় হ’ব; মই যিহোৱাই এই কথা কলোঁ। 16মই সেই সময়ত তেওঁবিলাকৰ মাজলৈ আকালস্বৰূপ বিনাশাৰ্থক
অনিষ্টকাৰী বাণ মাৰিম, তোমালোকক বিনষ্ট কৰিবৰ অৰ্থেই সেইবোৰ মাৰিম; মই তোমালোকৰ ওপৰত আকাল বঢ়াম, আৰু তোমালোকৰ
অন্নৰূপ লাখুটি ভাঙিম। 17মই তোমালোকৰ অহিতে আকাল আৰু হিংসক জন্তুবোৰ পঠাম, সিহঁতে তোমাক সন্তানহীন কৰিব; মহামাৰী আৰু
ৰক্তপাত তোমাৰ মাজেদি যাব, আৰু মই তোমাৰ অহিতে তৰোৱাল অনাম। মই যিহোৱাই এই কথা কলোঁ।

### ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ বিৰুদ্ধে কোৱা ভাববাণী।

## Chapter 6

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ফাললৈ মুখ কৰি সেইবোৰৰ বিৰুদ্ধে ভাববাণী
প্ৰচাৰ কৰা, আৰু কোৱা, 3হে ইস্ৰায়েলৰ পৰ্ব্বতবিলাক,প্ৰভু যিহোৱাৰ বাক্য শুনা; প্ৰভু যিহোৱাই পৰ্ব্বতবোৰক, উপপৰ্ব্বত –বোৰক, জুৰি বৈ
যোৱা ঠাইবোৰক, আৰু উপত্যকাবোৰক এই কথা কৈছে, চোৱা, মই, ময়েই তোমাৰ অহিতে তৰোৱাল অনাম, আৰু তোমালোকৰ ওখ ঠাইবোৰ
বিনষ্ট কৰিম। 4তাতে তোমালোকৰ যজ্ঞ-বেদিবোৰ ধ্বংস কৰা হ’ব, আৰু তোমালোকৰ সূৰ্য্য-প্ৰতিমাবোৰ ভঙা হ’ব, আৰু মই তোমালোকৰ হত
লোকবিলাকক তোমালোকৰ মুৰ্ত্তিবোৰৰ আগত পেলাম। 5আৰু মই ইস্ৰায়েলৰ সন্তানবিলাকৰ শৱ তেওঁবিলাকৰ মুৰ্ত্তিবোৰৰ আগত ৰাখিম,
আৰু তোমালোকৰ যজ্ঞ-বেদিবোৰৰ চাৰিওফালে তোমালোকৰ হাড়বোৰ সিচৰিত কৰিম। 6তোমালোকৰ যজ্ঞ-বেদিবোৰ উচ্ছন্ন আৰু ধ্বংস
কৰাৰ হ’বৰ নিমিত্তে, আৰু তোমালোকৰ হাতৰ কাৰ্য্যবোৰ লোপ পাবৰ নিমিত্তে তোমালোকৰ আটাই বাসস্থানত, নগৰবোৰ উচ্ছন্ন আৰু ওখ
ঠাইবোৰ ধ্বংস কৰা হ’ব, 7আৰু তোমালোকৰ মাজত লোক হত হৈ পৰিব; তাতে মই যে যিহোৱা, তাক তোমালোকে জানিবা।

8তাপি, যেতিয়া দেশবোৰৰ মাজত তোমালোক ছিন্ন-ভিন্ন হ’বা, তেতিয়া তৰোৱালৰ পৰা ৰক্ষা পোৱা তোমালোকৰ কেতবিলাক লোক যেন
জাতিবিলাকৰ মাজত হ’ব, এই নিমিত্তে মই এক অৱশিষ্ট ভাগ এৰিম; 9আৰু মোৰ পৰা আঁতৰ হোৱা তেওঁবিলাকৰ বেশ্যালী মন আৰু
তেওঁবিলাকৰ মুৰ্ত্তিৰ পাছে পাছে ব্যভিচাৰী হৈ যোৱা তেওঁবিলাকৰ চকু যেতিয়া মই দমন কৰিম, তেতিয়া তোমালোকৰ ৰক্ষা পোৱা লোকবিলাকে
তেওঁলাকক বন্দী কৰি নিয়া জাতিবিলাকৰ মাজত মোক সোঁৱৰণ কৰিব, আৰু তেওঁবিলাকৰ আটাই ঘিণলগীয়া বস্তুৰ সম্পৰ্কে তেওঁবিলাকে
কৰা মন্দ কাৰ্য্যৰ নিমিত্তে নিজৰ দৃষ্টিত নিজক ঘিণ কৰিব। 10আৰু মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব; মই যে তেওঁবিলাকলৈ এই
অমঙ্গল কৰিম, ইয়াক মই বৃথা কোৱা নাই। 11প্ৰভু যিহোৱাই এই কথা কৈছে, তুমি হাত তালি দি, আৰু মাটিত ভৰি মাৰি ইস্ৰায়েলৰ-বংশৰ আটাই
ঘিণলগীয়া কাৰ্য্যৰ নিমিত্তে হায় হায় কৰা; কিয়নো তেওঁবিলাক তৰোৱাল, আকাল,আৰু মহামাৰীত পতিত হ’ব। 12দূৰৈত থকা লোক মহামাৰীত
মৰিব, ওচৰত থকা লোক তৰোৱালত পতিত হ’ব, আৰু নগৰত অৱশিষ্ট থাকি অৱৰুদ্ধ হোৱা লোক আকালত মৰিব; এইদৰে মই তেওঁবিলাকৰ
ওপৰত মোৰ ক্ৰোধ সিদ্ধ কৰিম। 13য’ত তেওঁবিলাকে নিজ নিজ দেৱতাৰ উদ্দেশ্যে সুগন্ধি দ্ৰব্য উৎসৰ্গ কৰিছিল, সেই ওখ গিৰিত, আটাই
পৰ্ব্বতৰ টিঙত, প্ৰত্যেক কেঁচাপতীয়া গছৰ তলত, আৰু প্ৰত্যেক জোপোহা এলোন গছৰ তলত, তেওঁবিলাকৰ যজ্ঞ-বেদিৰ চাৰিওফালে নিজ
নিজ মুৰ্ত্তিৰ মাজত যেতিয়া তেওঁবিলাকৰ হত লোকবিলাক পৰি থাকিব, তেতিয়া মই যে যিহোৱা, তাক তোমালোকে জানিবা। 14আৰু মই
তেওঁবিলাকৰ অহিতে মোৰ হাত মেলি, অৰণ্যৰ পৰা দিব্লালৈকে তেওঁবিলাকৰ দেশৰ আটাই বাসস্থান ধ্বংস আৰু উচ্ছন্ন কৰিম; তাতে, মই যে
যিহোৱা, তাক তেওঁবিলাকে জানিব।

### যিহূদাৰ পতনৰ বিষয়ৰ বিলাপ।

## Chapter 7

1পাছে, যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, প্ৰভু যিহোৱাই ইস্ৰায়েল দেশক এই কথা কৈছে, অন্ত পৰিল, দেশৰ চাৰি
চুকলৈ অন্ত আহিল। এতিয়া তোমাৰ অন্ত উপস্থিত; 3মই তোমাৰ ওপৰলৈ মোৰ ক্ৰোধ পঠাম, তোমাৰ আচাৰ-ব্যৱহাৰ অনুসাৰে বিচাৰ কৰিম,
আৰু তোমাৰ আটাই ঘিণলগীয়া কাৰ্য্যৰ ফল তোমালৈ ফলিওৱাম। 4মই তোমালৈ কৃপাদৃষ্টি নকৰিম, আৰু তোমাক দয়াও নকৰিম; কিন্তু মই
তোমাৰ আচৰণৰ ফল তোমালৈ ফলিওৱাম, আৰু তোমাৰ ঘিণলগীয়া কাৰ্য্যৰ ফল তোমাক মাজত থাকিব, তাতে মই যে, যিহোৱা, তাক
তোমালোকে জানিবা।

5প্ৰভু যিহোৱাই এই কথা কৈছে, অমঙ্গল, কেৱল একেটা অমঙ্গল; চোৱা, সেয়ে পালেহি। 6অন্ত উপস্থিত, সেই অন্তই উপস্থিত; সেয়ে তোমাৰ
অহিতে জাগিল; চোৱা সেয়ে পালেহি। 7হে দেশ নিবাসী লোক, তোমাৰ দণ্ডাজ্ঞা তোমালৈ আহিল; সময় উপস্থিত, দিন ওচৰ চাপিছে
পৰ্ব্বতবোৰৰ ওপৰত আনন্দ-ধ্বনিৰ দিন নহয়, কোলাহলৰহে দিন! 8এতিয়া অলপতে মই তোমাৰ ওপৰত মোৰ ক্ৰোধ বৰষাম, তোমাৰ অহিতে
মোৰ কোপ সিদ্ধ কৰিম, আৰু তোমাৰ আচাৰ-ব্যৱহাৰ অনুসাৰে তোমাৰ বিচাৰ কৰিম; মই তোমাৰ সকলো ঘিণলগীয়া কাৰ্য্যৰ ফল তোমালৈ
ফলিওৱাম। 9মই কৃপাদৃষ্টি নকৰিম, আৰু দয়াও নকৰিম, মই তোমাৰ আচাৰ-ব্যৱহাৰৰ ফল তোমালৈ ফলিওৱাম, আৰু তোমাৰ ঘিণলগীয়া
কাৰ্য্যৰ ফল তোমাৰ মাজত থাকিব; তাতে মই যিহোৱায়েই যে প্ৰহাৰ কৰোঁ,তাক তোমালোকে জানিবা।

10চোৱা, সেই দিন সৌৱা; চোৱা, সেয়ে পালেহি; তোমাৰ দণ্ডাজ্ঞা প্ৰকাশিত হ'ল; দণ্ডডালি ফুলিল, অহঙ্কাৰে কলি ধৰিলে। 11দৌৰাত্ম্য দুষ্টতাৰ
দণ্ড হৈ উঠিল; তেওঁবিলাকৰ, আৰু তেওঁবিলাকৰ লোক সমূহৰ মাজৰ কোনো বা তেওঁবিলাকৰ ধন-সম্পত্তিৰ একো অৱশিষ্ট নাথাকিব;
তেওঁবিলাকৰ মাজত প্ৰাধান্যও নাথাকিব। 12সময় উপস্থিত, দিন ওচৰ চাপিছে; কিনোতাই আনন্দ, কি বেচোঁতাই বেজাৰ নকৰক; কাৰণ তাৰ
আটাই লোকসমূহৰ ওপৰত ক্ৰোধ উপস্থিত। 13কিয়নো তেওঁবিলাক সেই সময়লৈকে জীয়াই থাকিলেও, বেচোঁতাই বেচা বস্তুলৈ নুলটিব; কাৰণ
সেই দৰ্শন তাৰ আটাই লোকসমূহৰ সম্পৰ্কীয়; কোনেও নুলটিবচ বা নিজ নিজ অপৰাধত কোনেও জীৱন ধাৰণ কৰিব নোৱাৰিব।

14তেওঁবিলাকে শিঙা বজাই সকলোকে যুগুত কৰিলে, কিন্তু যুদ্ধলৈ কোনো নাযায়; কিয়নো মোৰ ক্ৰোধ তাৰ আটাই লোকসমূহৰ ওপৰত পৰিল।
15বাহিৰত তৰোৱাল, ভিতৰত মহামাৰী আৰু আকাল; যি মানুহ পথাৰত আছে, তেওঁ তৰোৱালত মৰিব, আৰু যি মানুহ নগৰত আছে তেওঁক
আকাল আৰু মহামাৰীয়ে গ্ৰাস কৰিব। 16কিন্তু তেওঁবিলাকৰ মাজৰ যিবোৰ সাৰিব, তেওঁবিলাক সাৰি আটাইবিলাকে নিজ নিজ অপৰাধত
শোক কৰি, উপত্যকা বাসী কপৌৰ দৰে পৰ্ব্বতত থাকিব। 17সকলোৰে হাত দুৰ্ব্বল হ'ব, আৰু সকলোৰে আঁঠু পানীৰ নিচিনা অস্থিৰ হ'ব।
18তেওঁবিলাকে কঁকালত চট বান্ধিব, আৰু মহাত্ৰাস তেওঁবিলাকৰ আৱৰণস্বৰূপ হ'ব; আটাইৰে মুখ বিবৰ্ণ হ'ব, আৰু তেওঁবিলাক আটাইৰে মূৰ
টকলা কৰা হ'ব। 19তেওঁবিলাকে নিজ নিজ ৰূপ বাটত পেলাই দিব, আৰু তেওঁবিলাকৰ সোণ অশুচি বস্তু যেন হ'ব; যিহোৱাৰ ক্ৰোধৰ দিনা
তেওঁবিলাকৰ সোণ আৰু ৰূপে তেওঁবিলাকক ৰক্ষা কৰিব নোৱাৰিব; সেইবোৰে তেওঁবিলাকৰ প্ৰাণ তৃপ্ত বা তেওঁবিলাকৰ উদৰ পূৰ কৰিব
নোৱাৰিব, কিয়নো সেয়ে তেওঁবিলাকৰ অপৰাধজনক বিঘিনি। 20তেওঁৰ সুন্দৰ ভূষণৰ বিষয়ে হ'লে, তেওঁ তাক গৌৰৱযুক্ত কৰি স্থাপন
কৰিছিল, কিন্তু তেওঁবিলাকে তাত তেওঁবিলাকৰ ঘিণলগীয়া দেৱতাৰ মূৰ্ত্তি, আৰু তেওঁবিলাকৰ ঘৃণনীয় বস্তু স্থাপন কৰিলে, এই কাৰণে মই তাক
তেওঁবিলাকলৈ অশুচি বস্তু যেন কৰিলোঁ। 21মই তাক চিকাৰস্বৰূপে বিদেশীবিলাকৰ হাতত, আৰু লুটদ্ৰব্যস্বৰূপে পৃথিৱীৰ দুষ্টবোৰৰ হাতত
শোধাই দিম; তাতে সিহঁতে তাক অপবিত্ৰ কৰিব। 22আৰু মই মোৰ মুখ তেওঁবিলাকৰ পৰা ঘূৰাম; তাতে সিহঁতে মোৰ গুপ্তস্থান অশুচি কৰিব,
আৰু ডকাইতবোৰে তাত সোমাই তাক অপবিত্ৰ কৰিব।

23তুমি এডাল শিকলি গঢ়োৱা; কিয়নো দেশ ৰক্তপাতৰ অপৰাধেৰে পৰিপূৰ্ণ, আৰু নগৰ অত্যাচাৰেৰে ভৰিল। 24এই নিমিত্তে মই জাতিবিলাকৰ
মাজৰ অতি দুষ্টবোৰক আনিম, আৰু সিহঁতে তেওঁবিলাকৰ ঘৰবোৰ অধিকাৰ কৰিব, মই বলৱানবিলাকৰ গৰ্ব্ব খৰ্ব্ব কৰিম, আৰু তেওঁবিলাকৰ
পবিত্ৰ স্থানবোৰ অপবিত্ৰ কৰা হ'ব। 25সংহাৰ আহিব লাগিছে; তেওঁবিলাকে শান্তি বিচাৰিব, কিন্তু নাপাব। 26আপদৰ ওপৰি আপদ হ'ব, আৰু
জনৰৱৰ উপৰি জনৰৱ হ'ব, সেই কালত তেওঁবিলাকে ভাববাদীৰ দৰ্শন বিচাৰিব, কিন্তু পুৰোহিতৰ পৰা ব্যৱস্থা আৰু বৃদ্ধবিলাকৰ পৰা মন্ত্ৰণা
লোপ পাব। 27ৰজাই শোক কৰিব, মন্ত্ৰীয়ে ধ্বংসৰূপ বস্ত্ৰ পৰিধান কৰিব, আৰু দেশৰ প্ৰজাবিলাকৰ হাত কঁপিব; মই তেওঁবিলাকৰ আচাৰ-
ব্যৱহাৰ অনুসাৰে তেওঁবিলাকৰ বিচাৰ কৰিম; তাতে মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব।

### যিহূদীবিলাকৰ নানাবিধ দেৱপূজাৰ দৰ্শন।

## Chapter 8

1ষষ্ঠ বছৰৰ ষষ্ঠ মাহৰ পঞ্চম দিনা, মোৰ ঘৰত মই বহি থাকোঁতে, আৰু যিহূদাৰ বৃদ্ধ-বিলাক মোৰ আগত বহি থাকোঁতে, সেই ঠাইত প্ৰভু
যিহোৱাৰ হাত মোৰ ওপৰত অৰ্পিত হ'ল। 2তেতিয়া মই চাই অগ্নি যেন এক মূৰ্ত্তি দেখিলোঁ; তেওঁৰ কঁকাল যেন বস্তুটোৰ পৰা তলৈ অগ্নি যেন
দেখা গ'ল, আৰু কঁকালৰ পৰা ওপৰলৈ দীপ্তি যেন, উজ্জ্বল ধাতু যেন দেখা গ'ল। 3পাছে তেওঁ হাত যেন বস্তুটো মেলি মোৰ মূৰৰ একোচা চুলিত
ধৰিলে, আৰু আত্মাই মোক দাঙি, ঈশ্বৰীয় দৰ্শনত যিৰূচালেমলৈ অন্তৰ্জ্বালাজনক অন্তৰ্জ্বালা-মূৰ্ত্তি স্থাপিত হোৱা, ভিতৰ-চোতালৰ উত্তৰ ফালৰ

বাট-চৰাৰ দুৱাৰমুখলৈ পৃথিৱী আৰু আকাশৰ মাজেদি মোক লৈ গ'ল। 4আৰু মই দেখিলোঁ, উপত্যকাত দৰ্শনত দেখা বস্তুটোৰ দৰে ইস্ৰায়েলৰ
ঈশ্বৰৰ গৌৰৱ তাত আছিল।

5তেতিয়া তেওঁ মোক কলে, হে মনুষ্য সন্তান, তুমি চকু তুলি উত্তৰ ফাললৈ চোৱা। তাতে মই উত্তৰ ফাললৈ চকু তুলি চাই যজ্ঞ-বেদিৰ বাট-চৰাৰ
উত্তৰফালে প্ৰৱেশস্থানত সেই অন্তৰ্জ্বালা-মুৰ্ত্তি দেখিলোঁ। 6পাছে তেওঁ মোক কলে, হে মনুষ্য সন্তান, লোকবিলাকে কি কৰিছে তাক তুমি দেখিছা
নে? মোৰ পবিত্ৰস্থানৰ পৰা মই আঁতৰ হ'বৰ নিমিত্তে ইস্ৰায়েল-বংশই যিবোৰ বৰ বৰ ঘিণলগীয়া কাৰ্য্য কৰিছে, সেইবোৰ তুমি দেখিছা নে? কিন্তু
তুমি ইয়াতকৈয়ো আৰু বৰ ৰব ঘিণলগীয়া কাৰ্য্য দেখিবলৈ পাবা; 7এই বুলি তেওঁ মোক চোতালৰ বাট-চৰাৰ দুৱাৰৰ ভিতৰলৈ লৈ গ'লত, মই
চাই দেৱালত এটা বিন্ধা দেখিলোঁ।

8তেতিয়ে তেওঁ মোক কলে, হে মনুষ্য সন্তান, দেৱাল খানা; তাতে মই দেৱাল খানিলত এখন দুৱাৰ দেখিলোঁ। 9তেওঁ মোক আৰু কলে, তুমি
ভিতৰলৈ গৈ তেওঁবিলাকে তাত কৰা ঘিণলগীয়া দুষ্কৰ্ম্মবোৰ চোৱা। 10তাতে মই ভিতৰলৈ গৈ চাই দেখিলোঁ, সকলোবিধ উৰগ জন্তুৰ আৰু
ঘিণলগীয়া পশুৰ প্ৰতিমূৰ্ত্তি, আৰু ইস্ৰায়েল বংশৰ প্ৰতিমাবোৰ চাৰিওফালে দেৱালত কটা আছে; 11আৰু সেইবোৰৰ আগত ইস্ৰায়েল বংশৰ
বৃদ্ধবিলাকৰ সত্তৰজন পুৰুষ আৰু তেওঁবিলাকৰ মাজত চাফনৰ পুতেক যাজনিয়া থিয় হৈ আছে, প্ৰতিজনৰ হাতত এটা এটা ধূপৰ পাত্ৰ; আৰু
ধূপৰ সুগন্ধযুক্ত ধোঁৱা ওপৰলৈ উঠিছে। 12তেতিয়া তেওঁ মোক কলে, হে মনুষ্য সন্তান, ইস্ৰায়েল-বংশৰ বৃদ্ধবিলাকে দেৱালত মুৰ্ত্তি কটা নিজ নিজ
কোঁঠালিত আন্ধাৰত কি কৰিছে তাক তুমি দেখিছা নে? তেওঁবিলাকে কয়, যিহোৱাই আমাক দেখা নাপায়, যিহোৱাই পৃথিৱী ত্যাগ কৰিলে।
13তেওঁ মোক আৰু কলে, তুমি আকৌ তেওঁবিলাকে কৰা ইয়াতকৈয়ো আৰু বৰ বৰ ঘিণলগীয়া কাৰ্য্য দেখিবলৈ পাবা।

14পাছে তেওঁ যিহোৱাৰ গৃহৰ উত্তৰফালৰ বাট-চৰাৰ দুৱাৰমুখলৈ মোক নিলত, মই দেখিলোঁ, সেই ঠাইত তিৰোতাবোৰে বহি তম্মুজৰ নিমিত্তে
কান্দি আছে। 15তেতিয়া তেওঁ মোক কলে, হে মনুষ্য সন্তান, তুমি দেখিছা নে? তুমি এইবোৰতকৈয়ো আৰু বৰ বৰ ঘিণলগীয়া কাৰ্য্য দেখিবলৈ
পাবা।

16পাছে তেওঁ মোক যিহোৱাৰ গৃহৰ ভিতৰ চোতাললৈ নিলত, মই দেখিলোঁ, যিহোৱাৰ মন্দিৰৰ দুৱাৰমুখত, বাৰাণ্ডা আৰু যজ্ঞ-বেদিৰ মাজত
যিহোৱাৰ মন্দিৰৰ ফাললৈ পিঠি দি, আৰু পূৱফাললৈ মুখ কৰি পঞ্চাশজন মান মানুহে সূৰ্য্যৰ আগত প্ৰণিপাত কৰিছে। 17তেতিয়া তেওঁ মোক
কলে, হে মনুষ্য সন্তান, তুমি ইয়াক দেখিছা নে? ইয়াত যিহুদা বংশই যি যি ঘিণলগীয়া কাৰ্য্য কৰিছে, সেই সকলো কাৰ্য্য জানো তেওঁবিলাকলৈ
লঘূ বিষয়? কিয়নো তেওঁবিলাকে দেশ অত্যাচাৰেৰে পূৰ কৰিলে, আৰু মোক বেজাৰ দিবৰ নিমিত্তে পুনৰায় ঘূৰিছে; আৰু চোৱা, তেওঁবিলাকে
ডালবোৰ নাকত লগাইছে। 18এই হেতুকে ময়ো কোপেৰে কাৰ্য্য কৰিম, কৃপাদৃষ্টি নকৰিম; আৰু দয়াও নকৰিম; আৰু তেওঁবিলাকে বৰ মাতেৰে
মোৰ কাণত কাতৰুক্তি কৰিলেও, মই তেওঁবিলাকৰ কথা নুশুনিম।

### যিৰূচালেম-নিবাসীবিলাকক বধ কৰাৰ দৰ্শন।

## Chapter 9

1পাছে তেওঁ বৰ মাতেৰে কোৱা এই বাক্য মোৰ কাণত পৰিল, যে, নগৰখনৰ দণ্ড দিব লগীয়াবিলাকক চপোৱা; প্ৰতিজনে হাতত বিনাশক অস্ত্ৰ
লৈ আহক। 2তাতে মই দেখিলোঁ, উত্তৰ দিশৰ ওপৰ বাট-চৰাৰ বাটেদি নিজ নিজ হাতত গদা লৈ ছয় জন মানুহ আহিল; তেওঁবিলাকৰ মাজত
শণ সূতাৰ বস্ত্ৰ পিন্ধা, আৰু কঁকালত লিখকৰ মৈলাম থকা এজন পুৰুষ আছিল। তেওঁবিলাক সোমাই পিতলৰ যজ্ঞ-বেদিৰ কাষত থিয় হ'ল।

3এনেতে, যি কৰূব কেইজনৰ ওপৰত ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱ আছিল, সেই গৌৰৱ সেই কৰূব কেইজনৰ পৰা উঠি গৃহটিৰ দুৱাৰডলিলৈ গ'ল।
পাছে শণ সূতাৰ বস্ত্ৰ পিন্ধা, আৰু কঁকালত মৈলাম থকা সেই পুৰুষজনক যিহোৱাই মাতি কলে, 4পাছে মই শুনাকৈ তেওঁ আনকেইজনক মাতি
কলে, তোমালোকে এইজনৰ পাছে পাছে নগৰৰ মাজেদি গৈ, তাৰ মাজত কৰা সকলো ঘিণলগীয়া কাৰ্য্যৰ নিমিত্তে হুমুনিয়াহ পেলোৱা আৰু
চিঞৰি কন্দা মানুহৰ কপালত চিন দিয়া। 5পাছে মই শুনাকৈ তেওঁ আনকেইজনক কলে, তোমালোকে এই জনৰ পাছে পাছে নগৰৰ মাজেদি
গৈ, প্ৰহাৰ কৰা, কৃপাদৃষ্টি কি দয়াও নকৰিবা; 6বুঢ়া, ডেকা, যুৱতী, শিশু আৰু তিৰোতা আদি সকলোকে নিঃশেষে বধ কৰা; কিন্তু চিন থকা
কোনো মানুহৰ ওচৰলৈ নাযাবা; আৰু মোৰ পবিত্ৰস্থানৰ পৰা আৰম্ভ কৰা। তেতিয়া তেওঁবিলাকে গৃহৰ সন্মূখত থকা সেই বৃদ্ধ কেইজনৰ পৰা
আৰম্ভ কৰিলে। 7পাছে তেওঁ তেওঁবিলাকককক কলে, গৃহটি অশুচি কৰা, চোতাল কেইখন হত লোকেৰে পূৰ কৰা তোমালোক ওলাই যোৱা। তাতে
তেওঁবিলাকে ওলাই গৈ নগৰৰ মাজত প্ৰহাৰ কৰিলে। 8তেওঁবিলাকে প্ৰহাৰ কৰোঁতে মই অৱশিষ্ট থাকিলত,উবুৰি হৈ পৰি চিঞৰি কান্দি কলোঁ,
হায় হায় প্ৰভু যিহোৱা, তুমি যিৰূচালেমৰ ওপৰত তোমাৰ ক্ৰোধ বৰষাই ইস্ৰায়েলৰ আটাই অৱশিষ্ট ভাগ বিনষ্ট কৰিবা নে?

9তেতিয়া তেওঁ মোক কলে, ইস্ৰায়েল আৰু যিহুদা বংশৰ অপৰাধ অতিশয় বৰ, আৰু দেশ তেজেৰে পৰিপূৰ্ণ, আৰু নগৰখন অন্যায় বিচাৰেৰে
ভৰা; কিয়নো তেওঁবিলাকে কয়, যিহোৱাই পৃথিৱী ত্যাগ কৰিলে, যিহোৱাই দেখা নাপায়। 10মই হ'লে কৃপাদৃষ্টি কি দয়াও নকৰিম; কিন্তু
তেওঁবিলাকৰ কাৰ্য্যৰ ফল তেওঁবিলাকৰ মূৰত ফলিওৱাম। 11পাছে চোৱা, শণ সূতাৰ বস্ত্ৰ পিন্ধা, আৰু কঁকালত মৈলাম থকা সেই পুৰুষজনে,
তুমি মোক হুকুম দিয়ামতে মই কৰিলোঁ, এই বুলি বাৰ্ত্তা দিলেহি।

### ঈশ্বৰীয় অগ্নি যিৰূচালেমৰ ওপৰত পৰাৰ দৰ্শন।

## Chapter 10

1তেতিয়া মই চাই দেখিলোঁ, কৰুব কেইজনৰ মূৰৰ ওপৰত থকা চন্দ্ৰতাপ যেন বস্তুটোত, তেওঁবিলাকৰ ওপৰত, এটি নীলকান্ত মণিৰ নিচিনা,
এখন সিংহাসনৰ মূৰ্ত্তিৰ নিচিনা এক পদাৰ্থ প্ৰকাশ পাইছিল। 2পাছে তেওঁ শণ সূতাৰ বস্ত্ৰ পিন্ধা পুৰুষজনক কলে, তুমি ঘূৰি থকা চক্ৰবোৰৰ
মাজলৈ, কৰুব কেইজনৰ তললৈ গৈ তেওঁবিলাকৰ মাজৰ পৰা অঞ্জলী ভৰাই জুইৰ আঙঠা লৈ নগৰখনত সেইবোৰ সিচৰিত কৰি পেলোৱা;
তাতে সেই পুৰুষজন মোৰ চকুৰ আগতে তাত সোমাল। 3সেই পুৰুষজন সোমোৱা সময়ত, কৰুব কেইজন গৃহৰ সোঁফালে থিয় হৈ আছিল, আৰু
ভিতৰ চোতালখন মেঘডোখৰেৰে পৰিপূৰ্ণ আছিল। 4তেতিয়া যিহোৱাৰ গৌৰৱ কৰুব কেইজনৰ পৰা উঠি গৈ গৃহৰ দুৱাৰ ডলিৰ ওপৰত আছিল,
আৰু গৃহটি মেঘডোখৰেৰে, আৰু চোতালখন যিহোৱাৰ গৌৰৱৰ দীপ্তিৰে পৰিপূৰ্ণ হৈছিল; 5আৰু সৰ্ব্বশক্তিমান ঈশ্বৰে কথা কোৱা সময়ৰ শব্দৰ
নিচিনাকৈ কৰুব কেইজনৰ ডেউকাৰ শব্দ বাহিৰ-চোতাললৈকে শুনা গৈছিল। 6পাছে, তুমি ঘূৰি থকা চক্ৰবোৰৰ মাজৰ পৰা কৰুব কেইজনৰ
মাজ ঠাই পৰা জুই লোৱা বুলি তেওঁ শণ সূতাৰ বস্ত্ৰ পিন্ধা পুৰুষজনক আজ্ঞা দিলত, তেওঁ সোমাই গৈ এটা চক্ৰ কাষত থিয় হ’ল। 7তেতিয়া
কৰুবজনে কৰুব কেইজনৰ মাজৰ পৰা তেওঁবিলাকৰ মাজত থকা জুইলৈ হাত মেলি তাৰ কিছু লৈ শণ সূতাৰ বস্ত্ৰ পিন্ধা পুৰুষজনৰ হাতত
দিলে; তেওঁ তাক লৈ বাহিৰ হ’ল। 8আৰু কৰুব কেইজনৰ গাত, তেওঁ বিলাকৰ নিজ নিজ ডেউকাৰ তলত মানুহৰ হাতৰ নিচিনা এক বস্তু দেখা
গ’ল।

9পাছে মই চাই দেখিলোঁ, এজন কৰুবৰ কাষত এটা চক্ৰ, আৰু আন কৰুবৰ কাষত আন চক্ৰ, এইদৰে চাৰিজন কৰুবৰ কাষত চাইটা চক্ৰ
আছিল; আৰু সেই চক্ৰ কেইটাৰ আভা বৈদূৰ্য্য মণিৰ নিচিনা। 10আৰু সেইবোৰৰ আকৃতি হ’লে, চাৰিওটা একে ৰকমৰ, যেন চক্ৰৰ মাজতহে
চক্ৰ আছে। 11যোৱা সময়ত সেইবোৰ চাৰিকাষে যায়; যোৱা সময়ত সেইবোৰ কোনো ফালে নুঘূৰে, কিন্তু যি ঠাই মূৰটোৰ সন্মুখ, সেইবোৰ সেই
ঠাইৰ ফাললৈ পাছে পাছে যায়, যোৱা সময়ত কোনো ফালে নুঘূৰে। 12আৰু তেওঁবিলাকৰ গোটেই গা, আৰু তেওঁবিলাকৰ পিঠি, হাত, ডেউকা,
আৰু চক্ৰ চাৰিওফালে চকুৰে ভৰা, তেওঁবিলাক চাৰিওজনৰেই চক্ৰ চকুৰে ভৰা। 13সেই চক্ৰকেইটাৰ বিষয়ে হ’লে, মই সেইবোৰক ঘূৰি থকা
চক্ৰ বুলি মতা শুনিলোঁ। 14প্ৰতিজনৰ চাৰিখন চাৰিখন মুখ; প্ৰথমখন কৰুবৰ, দ্বিতীয়খন মানুহৰ, তৃতীয়খন সিংহৰ, আৰু চতুৰ্থখন কুৰৰ পক্ষীৰ
মুখ।

15পাছে কৰুব কেইজন ওপৰলৈ উঠি গ’ল। কবাৰ নদীৰ পাৰত মই দেখা প্ৰাণী এইবিলাক। 16কৰুব কেইজডন যোৱা সময়ত চক্ৰকেইটাও
তেওঁবিলাকৰ কাষে কাষে যায়; আৰু কৰুব কেইজনে পৃথিৱীৰ পৰা ওপৰলৈ উঠিবলৈ ডেউকা দঙা সময়ত, চক্ৰকেইটায়ো তেওঁবিলাকৰ কাষ
নেৰে। 17তেওঁবিলাক ৰ’লে, সেইবোৰো ৰয়, আৰু তেওঁবিলাক ওপৰলৈ উঠা সময়ত সেইবিলাকো তেওঁবিলাকৰ লগত উঠে; কিয়নো প্ৰাণী
কেইজনৰ আত্মা সেইবোৰত আছিল। 18পাছে যিহোৱাৰ গৌৰৱ দুৱাৰডলিৰ ওপৰৰ পৰা প্ৰস্থান কৰি কৰুব কেইজনৰ ওপৰত ৰ’ল। 19কৰুব
কেইজনে প্ৰস্থান কৰোঁতে, ডেউকা দাঙি মোৰ আগতে পৃথিৱীৰ পৰা ওপৰলৈ উঠি গ’ল আৰু তেওঁবিলাকৰ কাষে কাষে চক্ৰকেইটাও চলিল;
আৰু তেওঁবিলাক যিহোৱাৰ গৃহৰ পূৱফালৰ বাট-চৰাৰ দুৱাৰমুখত থিয় হ’ল আৰু তেওঁবিলাকৰ ওপৰত ওখত ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱ
আছিল। 20কবাৰ নদীৰ ওচৰত ইস্ৰায়েলৰ ঈশ্বৰৰ তলত মই দেখা প্ৰাণী এইবিলাক; তাত এইবিলাক যে কৰুব, তাক মই জানিলোঁ। 21প্ৰতিজনৰ
চাৰিখন চাৰিখন মুখ, আৰু চাৰিখন চাৰিখন ডেউকা, আৰু নিজ নিজ ডেউকাৰ তলত মানুহৰ হাতৰ নিচিনা এক বস্তু আছিল। 22তেওঁবিলাকৰ
মুখৰ আকৃতিৰ বিষয়ে হ’লে, মই কবাৰ নদীৰ ওচৰত দেখা মুখেই মুখ, আৰু একে আকৃতি, একে বস্তু; তেওঁবিলাক প্ৰতিজনে পোনে পোনে
যায়।

### বাবিলৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব খোজা লোকবিলাকৰ অহিতে কোৱা ভাববাণী।

## Chapter 11

1পাছে আত্মাই মোক দাঙি যিহোৱাৰ গৃহৰ পূৱফালে মুখ কৰা পূৱ ফালৰ বাট-চৰাৰ ওচৰলৈ নিলে; আৰু চোৱা, সেই বাট-চৰাৰ দুৱাৰ মুখত
পঁচিশজন পুৰুষ আছিল; আৰু তেওঁবিলাকৰ মাজত অজ্জুৰৰ পুতেক যাজনিয়া আৰু বনায়াৰ পুতেক পলটিয়া প্ৰজাবিলাকৰ এই দুজন
অধ্যক্ষক মই দেখিলোঁ। 2তেতিয়া তেওঁ মোক কলে, হে মনুষ্য সন্তান, এই নগৰত কু-কল্পনা কৰোঁতা কু-মন্ত্ৰণা দিওঁতা লোক এইবিলাক।
3ইবিলাকে কয়, ঘৰ সাজিবৰ সময় ওচৰ চপা নাই; এই নগৰখন কেৰাহী, আৰু আমি মাংস-স্বৰূপ। 4এই হেতুকে ইবিলাকৰ বিৰুদ্ধে ভাববাণী
প্ৰচাৰ কৰা, হে মনুষ্য সন্তান, ভাববাণী প্ৰচাৰ কৰা।

5তাতে যিহোৱাৰ আত্মা মোত স্থিতি হ’লত, তেওঁ মোক কলে, তুমি কোৱা, যিহোৱাই এই কথা কৈছে, হে ইস্ৰায়েল-বংশ, তোমালোকে এই এই
ৰূপ কথা কৈছা; কিয়নো তোমালোকৰ মনত উদয় হোৱা কথা মই জানিছোঁ; 6তোমালোকে এই নগৰত তোমালোকৰ হত লোকবিলাকৰ সংখ্যা
বৃদ্ধি কৰিলা, আৰু ইয়াৰ আলিবোৰ হত লোকেৰে পৰিপূৰ্ণ কৰিলা। 7এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে, ইয়াৰ মাজত তোমালোকে

পেলোৱা, তোমালোকৰ হত লোকবিলাকহে মাংস, আৰু নগৰখন কেৰাহী; কিন্তু তোমালোকক ইয়াৰ মাজৰ পৰা বাহিৰ কৰা হ'ব। 8তোমালোকে তৰোৱাললৈ ভয় কৰিছা, মই তোমালোকৰ ওপৰলৈ তৰোৱালকহে আনিম, ইয়াক প্ৰভু যিহোৱাই কৈছে। 9আৰু মই তোমালোকক ইয়াৰ মাজৰ পৰা উলিয়াই পেলাম, আৰু বিদেশীবিলাকৰ হাতত সমৰ্পণ কৰি, তোমালোকৰ মাজত দণ্ডাজ্ঞা সিদ্ধ কৰিম। 10তোমালোক তৰোৱালত পতিত হ'বা, মই ইস্ৰায়েলৰ সীমাতেই তোমালোকক দণ্ড দিম; তাতে মই যে যিহোৱা, তাক তোমালোকে জানিবা। 11এই নগৰখন তোমালোকৰ কেৰাহী নহ'ব, আৰু তোমালোক ইয়াৰ মাজত থকা মাংস নহ'বা; মই ইস্ৰায়েলৰ সীমাতেই তোমালোকক দণ্ড দিম; 12তাতে, মই যে যিহোৱা তোমালোকে জানিবা। কিয়নো তোমালোকে মোৰ বিধিবোৰত চলা নাই, বা মোৰ শাসন প্ৰণালীবোৰ পালন কৰা নাই, কিন্তু তোমালোকৰ চাৰিওফালৰ জাতিবিলাকৰ শাসন প্ৰণালী অনুসাৰে কাৰ্য্য কৰিলা।

13পাছে মই ভাববাণী প্ৰচাৰ কৰা সময়ত বনায়াৰ পুতেক পলটিয়া মৰি গ'ল; তাতে মই উবুৰি হৈ পৰি চিঞৰি কলোঁ, হায় হায় প্ৰভু যিহোৱা, তুমি ইস্ৰায়েলৰ অৱশিষ্ট ভাগক নিঃশেষে বিনষ্ট কৰিবা নে? 14পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল বোলে, 15হে মনুষ্য সন্তান, তোমাৰ ভাইবিলাক, তোমাৰেই ভাইবিলাক, তোমাৰ জ্ঞাতি-কুটুম্ববিলাক, ইস্ৰায়েলৰ গোটেই বংশ, এই আটাইবিলাককে যিৰূচালেম নিবাসীবিলাকে কয়, তোমালোক যিহোৱাৰ পৰা আঁতৰ হোৱা, অধিকাৰৰ অৰ্থে এই দেশ আমাকহে দিয়া হ'ল। 16এই হেতুকে তুমি কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, মই যদিও তেওঁবিলাকক জাতি-বিলাকৰ মাজলৈ দূৰ কৰিলোঁ, আৰু যদিও মই দেশবোৰৰ মাজত তেওঁবিলাকক ছিন্ন-ভিন্ন কৰিলোঁ, তথাপি তেওঁবিলাক যি যি দেশলৈ গ'ল, সেই সেই দেশত মই অলপকাল তেওঁবিলাকৰ ধৰ্ম্মধাম হ'ম। 17এই হেতুকে তুমি কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, মই জাতিবিলাকৰ মাজৰ পৰা তোমালোকক চপাম, আৰু তোমালোক ছিন্ন-ভিন্ন হোৱা দেশৰবোৰৰ পৰা তোমালোকক গোটাম, আৰু তোমালোকক ইস্ৰায়েল দেশ দিম। 18তেওঁবিলাকে সেই দেশলৈ যাব, আৰু তাৰ আটাই গৰ্হিত আৰু ঘিণলগীয়া বস্তু তাৰ মাজৰ পৰা দূৰ কৰিব। 19তেওঁবিলাকে মোৰ বিধিত চলিবৰ, আৰু মোৰ শাসন-প্ৰণালী পালন কৰি সেই অনুসাৰে কাৰ্য্য কৰিবৰ নিমিত্তে মই তেওঁবিলাকক একেটা চিত্ত দান কৰিম, 20আৰু তোমালোকৰ অন্তৰত এক নতুন আত্মা স্থিতি কৰিম, আৰু তেওঁবিলাকৰ শৰীৰৰ পৰা শিলৰূপ মন গুচাই তেওঁবিলাকক মাংসৰূপ মন দিম; তাতে তেওঁবিলাক মোৰ প্ৰজা হ'ব, আৰু মই তেওঁবিলাকৰ ঈশ্বৰ হ'ম। 21কিন্তু প্ৰভু যিহোৱাই কৈছে, যিবোৰৰ হৃদয় সিহঁতৰ গৰ্হিত আৰু ঘিণলগীয়া বস্তুবোৰৰ হৃদয়ৰ পাছত চলে, সিহঁতৰ বিষয়ে হ'লে, মই সিহঁতৰ নিজৰ নিজৰ মূৰতে সিহঁতৰ কাৰ্য্যৰ ফল ফলিওৱাম।

22পাছে কৰূব কেইজনে নিজ নিজ ডেউকা দাঙিলে; তেওঁবিলাকৰ কাষে কাষে চক্ৰকেইটাও আছিল, আৰু তেওঁবিলাকৰ ওপৰত ওখত ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱ আছিল। 23আৰু যিহোৱাৰ গৌৰৱ নগৰৰ মাজৰ পৰা ওপৰলৈ উঠি গৈ নগৰৰ পূৱফালে থকা পৰ্ব্বতখনৰ ওপৰত ৰ'ল। 24পাছে আত্মাই মোক দাঙি দৰ্শনক্ৰমে ঈশ্বৰৰ আত্মাৰ শক্তিৰে কল্দীয়া দেশলৈ দেশান্তৰিত লোকবিলাকৰ ওচৰলৈ আনিলে। এইদৰে মই দেখা দৰ্শন মোৰ পৰা ওপৰলৈ উঠি গ'ল। 25পাছে যিহোৱাই মোক দেখুওৱা সকলো বিষয় মই দেশান্তৰিত লোকবিলাকক কলোঁ।

### ৰজা আৰু প্ৰজাক দেশান্তৰলৈ নিয়া বুজাবৰ দৃষ্টান্ত।

## Chapter 12

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি বিদ্ৰোহী বংশৰ মাজত বাস কৰিছা; দেখিবলৈ চকু থকাতো তেওঁবিলাকে নেদেখে, শুনিবলৈ কাণ থকাতো তেওঁবিলাকে নুশুনে; কিয়নো তেওঁবিলাক বিদ্ৰোহী বংশ। 3এই হেতুকে হে মনুষ্য সন্তান, তুমি নিজৰ নিমিত্তে দেশান্তৰৰ সামগ্ৰী যুগুত কৰা, আৰু দিনতে তেওঁবিলাকৰ চকুৰ আগতে নিজ দেশান্তৰলৈ প্ৰস্থান কৰা; তুমি তেওঁবিলাকৰ চকুৰ আগতে নিজ ঠাইৰ পৰা আন ঠাইলৈ যোৱা; তেওঁবিলাক বিদ্ৰোহী বংশ হ'লেও কিজানি বিবেচনা কৰিব। 4তুমি দিনতে তেওঁবিলাকৰ চকুৰ আগতে দেশান্তৰৰ সামগ্ৰীৰ নিচিনাকৈ তোমাৰ সামগ্ৰী বাহিৰ কৰি নিবা, আৰু দেশান্তৰলৈ ওলোৱা লোকৰ নিচিনাকৈ তুমি তেওঁবিলাকৰ চকুৰ আগতে গধূলি নিজে ওলাবা। 5তুমি তেওঁবিলাকৰ চকুৰ আগতে গড় খানি তাৰ মাজেদি সামগ্ৰী উলিয়াবা। 6তেওঁবিলাকৰচকুৰ আগতে তুমি তাক কান্ধত তুলি আন্ধাৰত বাহিৰলৈ লৈ যাবা; তুমি ভূমি নেদেখিবৰ নিমিত্তে তোমাৰ মুখ ঢাকিবা; কিয়নো মই ইস্ৰায়েল বংশৰ নিমিত্তে এক চিনস্বৰূপে তোমাক প্ৰস্থান কৰিলোঁ।

7তাতে মই আজ্ঞামতে কাম কৰিলোঁ; মই দিনতে দেশান্তৰৰ সামগ্ৰীৰ নিচিনাকৈ মোৰ সামগ্ৰী উলিয়াই নিলোঁ, আৰু গধূলি মোৰ হাতেৰেই গড় খানিলোঁ; মই আন্ধাৰত তাক উলিয়াই তেওঁবিলাকৰ চকুৰ আগতে কান্ধত লৈ গ'লো।

8পাছে ৰাতিপুৱাতে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 9হে মনুষ্য সন্তান, তুমি কি কৰিছা? এইবুলি বিদ্ৰোহী বংশ ইস্ৰায়েল বংশই তোমাক জানো কোৱা নাই? 10তুমি তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, এই ভাৰে যিৰূচালেমত থকা অধিপতিজনক, আৰু তাৰ মাজত থকা ইস্ৰায়েলৰ আটাই বংশক বুজায়। 11তুমি কোৱা, মই তোমালোকৰ পক্ষে চিনস্বৰূপ; মই কৰা নিচিনাকৈ তেওঁবিলাকলৈ কৰা হ'ব; তেওঁবিলাক দেশান্তৰলৈ বন্দী-অৱস্থালৈ যাব। 12আৰু তেওঁবিলাকৰ মাজত থকা অধিপতিজনে নিজ কান্ধত বোজা লৈ আন্ধাৰত ওলাই যাব; তেওঁবিলাকে সামগ্ৰী উলিয়াবৰ নিমিত্তে গড় খানিব; তেওঁ নিজৰ মুখ ঢাকিব,কাৰণ তেওঁ চকুৰে ভূমি নেদেখিব। 13মোৰ জালো, মই তেওঁৰ ওপৰত মেলিম, তেওঁ মোৰ ফান্দত পৰিব; আৰু মই তেওঁক কলদীয়াবিলাকৰ দেশলৈ বাবিললৈ নিম; তথাপি তেওঁ তাক নেদেখিব; অথচ তেওঁ তাতেই মৰিব। 14আৰু তেওঁৰ চাৰিওফালে থকা তেওঁৰ আটাই সহায়কাৰীক আৰু তেওঁৰ সকলো সৈন্যক মই আটাই বায়ুত উড়ুৱাই দিম; আৰু

মই ফাকৰ পৰা তৰোৱাল উলিয়াই তেওঁবিলাকৰ পাছে পাছে খেদি যাম। 15যেতিয়া মই তেওঁবিলাকক জাতিবিলাকৰ মাজত ছিন্ন-ভিন্ন কৰিম,
আৰু দেশবোৰৰ মাজত তেওঁবিলাকক গোট গোট কৰিম, তেতিয়া মই যে যিহোৱা তাক তেওঁবিলাকে জানিব। 16কিন্তু তেওঁবিলাক যি
জাতিবিলাকৰ মাজলৈ যাব, সেই জাতিবিলাকৰ মাজত তেওঁবিলাকে নিজৰ ঘিণলগীয়া কাৰ্য্য প্ৰকাশ কৰিবৰ নিমিত্তে, তৰোৱালৰ পৰা,
আকালৰ পৰা, আৰু মহামাৰীৰ পৰা তেওঁবিলাকৰ কেতবিলাক লোকক মই অৱশিষ্ট ৰাখিম; তাতে, মইযে যিহোৱা তাক তেওঁবিলাকে জানি।

17পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 18হে মনুষ্য সন্তান, তুমি কঁপি কঁপি নিজৰ আহাৰ ভোজন কৰা, কম্পন আৰু সাৱধানেৰে
নিজৰ জল পান কৰা; 19আৰু তুমি দেশৰ লোকবিলাকক কোৱা, ইস্ৰায়েল দেশত থকা যিৰূচালেম-নিবাসীবিলাকৰ বিষয়ে প্ৰভূ যিহোৱাই এই
কথা কৈছে, তাৰ নিবাসী আটাইবোৰৰ অত্যাচাৰৰ কাৰণে তাত থকা সকলো নষ্ট হৈ তেওঁবিলাকৰ দেশ উচ্ছন্ন হ’বৰ নিমিত্তে, তেওঁবিলাকে
সাৱধানেৰে তেওঁবিলাকৰ আহাৰ ভোজন কৰিব, আৰু বিস্ময়েৰে তেওঁবিলাকৰ জল পান কৰিব। 20আৰু বাস কৰা নগৰবোৰ উচ্ছন্ন কৰা হ’ব,
আৰু দেশ ধ্বংসস্থান হ’ব; তাতে, মই যে, যিহোৱা তাক তোমালোকে জানিবা। 21পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 22হে মনুষ্য
সন্তান, “দিন পলম হৈছে, প্ৰত্যেক দৰ্শন বিফল হৈছে”,ইস্ৰায়েল দেশত প্ৰচলিত হোৱা তোমালোকৰ এইটো কি কথা? 23এই হেতুকে
তেওঁবিলাকক কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, মই এই প্ৰচলিত কথা লুপ্ত কৰিম, আৰু ই ইস্ৰায়েলৰ মাজত আৰু নচলিব; কিন্তু
তেওঁবিলাকক কোৱা, দিন আৰু প্ৰত্যেক দৰ্শনৰ সফলতা ওচৰ। 24কিয়নো ইস্ৰায়েল বংশৰ ভিতৰত অনৰ্থক দৰ্শন, বা মানুহে ভাল পোৱা মঙ্গল
চোৱা কথা আৰু নহ’ব। 25কাৰণময়েই যিহোৱা; মই ক’ম, আৰু মই কোৱা বাক্য সিদ্ধ হ’ব; তাক আৰু আগলৈ থোৱা নহ’ব; কিয়নো হে
বিদ্ৰোহী বংশ, প্ৰভূ যিহোৱাই কৈছে, তোমালোকৰ দিনতেই মই বাক্য ক’ম, আৰু তাক সিদ্ধও কৰিম।

26আকৌ যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 27হে মনুষ্য সন্তান, চোৱা, ইস্ৰায়েল-বংশই কয়, তেওঁ পোৱা দৰ্শনৰ কথা ঘটিবলৈ বহুদিন
আছে; তেওঁ অতি দীৰ্ঘকালৰ বিষয়ে ভাববাণী প্ৰচাৰ কৰে। 28এই হেতুকে তুমি তেওঁবিলাকক কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, মোৰ বাক্য
কোনোটোৱেই ফলিয়াবলৈ পলম নহ’ব; কিন্তু মই যি বাক্য ক’ম, সেয়ে সিদ্ধ হ’ব, এয়ে প্ৰভূ যিহোৱাৰ বচন।

### ইস্ৰায়েলৰ মিছা ভাববাদী আৰু ভাববাদিনীবোৰৰ বিৰুদ্ধে কোৱা ভাববাণী।

## Chapter 13

1পাছে, যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, ভাববাণী প্ৰচাৰ কৰোঁতা ইস্ৰায়েলৰ ভাববাদীবোৰৰ বিৰুদ্ধে ভাববাণী
প্ৰচাৰ কৰা, আৰু নিজ নিজ হৃদয়ৰ পৰা ভাববাণী প্ৰচাৰ কৰোঁতাবোৰক কোৱা, তোমালোকে যিহোৱাৰ বাক্য শুনা; 3প্ৰভূ যিহোৱাই এই কথা
কৈছে, নিজ নিজ আত্মাৰ আৰু নোপোৱা দৰ্শনৰ অনুগামী হোৱা মুৰ্খ ভাববাদীবোৰৰ সন্তাপ হ’ব। 4হে ইস্ৰায়েল, তোমাৰ ভাববাদীবোৰ উচ্ছন্ন
ঠাইৰ শিয়ালৰ নিচিনা। 5যিহোৱাৰ যুদ্ধৰ দিনা থিৰে থাকিবলৈ, তোমালোকে গড়ৰ ভঙা বাটত উঠা নাই, বা ইস্ৰায়েলৰ বংশৰ চাৰিওফালে গড়
নিৰ্ম্মান কৰা নাই। 6যিহোৱাই নপঠোৱাকৈয়ে যিহোৱাই কৈছে বুলি কওঁতাবোৰে অনৰ্থক দৰ্শন পায়, মিছা মঙ্গল চায়, আৰু বাক্য সিদ্ধ হ’ব বুলি
বাট চাই থাকে। 7তোমালোকে জানো অনৰ্থক দৰ্শন পোৱা নাই? আৰু মিছা মঙ্গলৰ কথা জানো কোৱা নাই? তথাপি মই নোকোৱাকৈয়ে
যিহোৱাই কৈছে বুলি তোমালোকে কোৱা।

8এই হেতুকে প্ৰভূ যিহোৱাই এই কথা কৈছে, তোমালোকে অনৰ্থক বাক্য কৈছা, আৰু মিছা দৰ্শন পাইছা; এই কাৰণে, প্ৰভূ যিহোৱাই কৈছে,
চোৱা, মই তোমালোকৰ বিপক্ষ। 9মোৰ হাত অনৰ্থক দৰ্শন পোৱা, আৰু মিছা মঙ্গল চোৱা ভাববাদীবোৰৰ বিপক্ষ হ’ব; সিহঁত মোৰ
প্ৰজাবিলাকৰ সভাত নাথাকিব, বা ইস্ৰায়েল-বংশৰ নামৰ তালিকাত সিহঁতৰ নাম লিখা নহ’ব, বা সিহঁত ইস্ৰায়েল দেশত নোসোমাব; তাতে মই
যে প্ৰভূ যিহোৱা, তাক তোমালোকে জানিবা। 10শান্তি নোহোৱাকৈয়ে সিহঁতে শান্তি বুলি কৈ মোৰ প্ৰজাবিলাকক ভুলায়; আৰু যেতিয়া কোনোৱে
দেৱাল সাজে, তেতিয়া সিহঁতে তাক চূণেৰে লিপে। 11এই হেতুকে চূণেৰে লিপাবোৰক তুমি কোৱা, ই পৰিব; প্লাবন কৰোঁতা মহাবৃষ্টি আহিব; হে
বৃষ্টিৰ মহাশিলবিলাক, তোমালোক পৰিবা; আৰু মহা বতাহে তাক ভাঙিব। 12চোৱা, যেতিয়া দেৱাল পৰিব, তেতিয়া, তোমালোকে যি লেও দিলা,
সেই লেও ক’ত? এইবুলি তোমালোকক কোৱা নাযাব নে? 13এই হেতুকে প্ৰভূ যিহোৱাই এই কথা কৈছে, মই মোৰ ক্ৰোধত মহা বতাহেৰে তাক
ভাঙিম, প্লাবন কৰোঁতা মহাবৃষ্টি মোৰ কোপত আহিব, আৰু মোৰ ক্ৰোধত নষ্ট কৰিবলৈ মহাশিলাবৃষ্টি হ’ব। 14এইদৰে, তোমালোকে চূণেৰে লিপা
দেৱাল মই ভাঙিম, আৰু ভিত্তিমূল ওলাই পৰাকৈ মই তাক মাটিৰে সমান কৰিম; সেয়ে পৰিব, আৰু তোমালোকে তাৰ মাজত বিনষ্ট হ’বা; তাতে
মই যে যিহোৱা, তাক তোমালোকে জানিবা। 15মোৰ ক্ৰোধ দেৱালৰ ওপৰত, আৰু চূণেৰে লিপাবোৰৰো ওপৰত, মই এইদৰে সিদ্ধ কৰিম, আৰু
মই তোমালোকক ক’ম, সেই দেৱাল আৰু নাই, আৰু তাক লিপাবোৰো, 16অৰ্থাৎ যিৰূচালেমৰ বিষয়ে ভাববাণী প্ৰচাৰ কৰা, আৰু শান্তি
নথকাতো তাৰ নিমিত্তে দৰ্শন পোৱা ইস্ৰায়েলৰ ভাববাদীবোৰো নাই, ইয়াক প্ৰভূ যিহোৱাই কৈছে।

17আৰু হে মনুষ্য সন্তান, তোমাৰ জাতিৰ যি জীয়াৰীবোৰে নিজ নিজ হৃদয়ৰ পৰা ভাববাণী প্ৰচাৰ কৰে, সিহঁতৰ অহিতে তুমি মুখ কৰা, আৰু
সিহঁতৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰি কোৱা, 18প্ৰভূ যিহোৱাই এই কথা কৈছে, লোকৰ প্ৰাণ মৃগয়া কৰিবলৈ, আটাইবোৰ কিলাকুটিত গাঁৰু
সিয়াই দিওঁতা, আৰু ওখ অনুসাৰে প্ৰত্যেকৰ মূৰৰ নিমিত্তে ওৰণি তৈয়াৰ কৰোঁতা তিৰোতাবোৰৰ সন্তাপ হ’ব; তোমালোকে মোৰ প্ৰজাবিলাকৰ
প্ৰাণ মৃগয়া কৰি তোমালোকৰ নিমিত্তে প্ৰাণবোৰ জীয়াই ৰাখিবা নে? 19মিছা কথালৈ কাণ দিওঁতা মোৰ প্ৰজাবিলাকৰ আগত তোমালোকে মিছা
কথা কৈ, মৰিব নলগাবিলাকৰ প্ৰাণ বধ কৰিবলৈ আৰু জীয়াই থাকিব নলগাবিলাকৰ প্ৰাণ জীয়াই ৰাখিবলৈ কেই-খামোচমান যৱৰ আৰু

কেইডোখৰ মান পিঠাৰ নিমিত্তে মোৰ প্ৰজাবিলাকৰ মাজত মোক অপবিত্ৰ কৰিলা। 20এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, যি
গাঁৰুবোৰে পক্ষী-চিকাৰৰ নিচিনাকৈ তোমালোকে প্ৰাণবোৰ মৃগয়া কৰা, তোমালোকৰ সেই গাঁৰুবোৰৰ মই বিপক্ষ, আৰু মই তোমালোকৰ বাহুৰ
পৰা সেইবোৰ ছিঙি পেলাম আৰু পক্ষী-চিকাৰৰ নিচিনাকৈ তোমালোকে মৃগয়া কৰা প্ৰাণবোৰ এৰি দিম। 21মই তোমালোকৰ ওৰণিও ফালিম,
আৰু তোমালোকৰ হাতৰ পৰা মোৰ প্ৰজাবিলাকক উদ্ধাৰ কৰিম, মৃগয়া কৰিবলৈ তোমালোকৰ হাতত তেওঁবিলাক আৰু নাথাকিব; তাতে মই
যে, যিহোৱা, তাক তোমালোকে জানিবা। 22মই দুখ নিদিয়া ধাৰ্ম্মিকবিলাকৰ হৃদয়ত তোমালোকে মিছা কথাৰে দুখ দিয়াৰ কাৰণে, আৰু দুষ্টই
নিজ প্ৰাণ জীয়াই ৰাখিবলৈ নিজ কু-পথৰ পৰা নুঘূৰিবৰ নিমিত্তে সেই দুষ্টৰ হাত সবল কৰাৰ কাৰণে, 23তোমালোকে অনৰ্থক দৰ্শন আৰু
নেদেখিবা, আৰু মঙ্গল চাবলৈ নাপাবা; কিন্তু মই তোমালোকৰ হাতৰ পৰা মোৰ প্ৰজাবিলাকক উদ্ধাৰ কৰিম; তাতে, মই যে, যিহোৱা, তাক
তোমালোকে জানিবা।

### যিহোৱাক সোধা দেৱপূজকবোৰৰ বিষয়।

## Chapter 14

1পাছে ইস্ৰায়েলৰ বৃদ্ধবিলাকৰ মাজৰ জনদিয়েক পুৰুষ মোৰ ওচৰলৈ আহি মোৰ আগত বহিলত, 2যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল,
বোলে, 3হে মনুষ্য সন্তান, এই মানুহবিলাকে নিজ নিজ মুৰ্ত্তিক হৃদয়ত ঠাই দিছে, আৰু নিজৰ নিজৰ সন্মুখত নিজৰ নিজৰ অপৰাধ জন্মাওঁতা
বিঘিনি ৰাখিছে; মই জানো তেওঁবিলাকক কোনোমতে মোক সুধিবলৈ দিম? 4এই নিমিত্তে তুমি তেওঁবিলাকক এই বুলি কোৱা প্ৰভু যিহোৱাই এই
কথা কৈছে ইস্ৰায়েল-বংশৰ যি কোনো মানুহে নিজ মুৰ্ত্তিবোৰক হৃদয়ত ঠাই দিব, আৰু নিজৰ সন্মুখত নিজৰ অপৰাধ জন্মাওঁতা বিঘিনি ৰাখিব,
আৰু কোনো এজন ভাববাদীৰ ওচৰলৈ আহিব, 5ইস্ৰায়েলৰ গোটেই বংশ তেওঁবিলাকৰ মুৰ্ত্তিবোৰৰ দ্বাৰাই মোৰ পৰা আঁতৰ হোৱাৰ কাৰণে মই
তেওঁবিলাকৰ নিজ নিজ হৃদয়ৰূপ ফান্দত তেওঁবিলাকক ধৰিবৰ নিমিত্তে, সেই অহা মানুহৰ মুৰ্ত্তিবোৰৰ বাহুল্য অনুসাৰে মই যিহোৱাই নিজেই
তাক উত্তৰ দিম। 6এই হেতুকে তুমি ইস্ৰায়েল বংশক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, তোমাললোক ওলোটা, তোমালোকৰ মুৰ্ত্তিবোৰৰ পৰা
ঘূৰা, আৰু তোমালোকৰ আটাই ঘিণলগীয়া বস্তুলৈ পিঠি দিয়া। 7কিয়নো, ইস্ৰায়েল বংশৰ মাজত, আৰু ইস্ৰায়েলত প্ৰবাস কৰা বিদেশীবোৰৰ
মাজত যি কোনোৱে মোৰ পৰা নিজকে বেলেগ কৰিব, নিজৰ মুৰ্ত্তিবোৰক হৃদয়ত ঠাই দিব, আৰু নিজৰ সন্মুখত নিজৰ অপৰাধ জন্মাওঁতা
বিঘিনি ৰাখিব, আৰু নিজৰ নিমিত্তে মোক সুধিবলৈ কোনো এজন ভাববাদীৰ ওচৰলৈ আহিব, মই যিহোৱাই নিজেই তাক উত্তৰ দিম। 8আৰু মই
সেই মানুহৰ বিৰুদ্ধে মুখকৰি চিন আৰু দৃষ্টান্ত হ’বলৈ তাক আচৰিতৰ বিষয় কৰিম আৰু মোৰ প্ৰজাবিলাকৰ মাজৰপৰা তাক উচ্ছন্ন কৰিম,
তাতে মই যে যিহোৱা, তাক তোমালোকে জানিবা। 9আৰু যদি কোনো ভাববাদীয়ে ভ্ৰান্ত হৈ কোনো বাক্য কয়, তেন্তে মই যিহোৱাই সেই ভাব –
বাদীক ভ্ৰান্ত কৰিলোঁ, আৰু মই তাৰ ওপৰলৈ হাত মেলি মোৰ প্ৰজা ইস্ৰায়েলৰ মাজৰ পৰা তাক উচ্ছন্ন কৰিম। 10এইদৰে তেওঁবিলাকে নিজ
নিজ অপৰাধৰ দণ্ড ভুগিব। ভাববাদীৰ গুৰিলৈ যোৱাটোৰ অপৰাধ আৰু ভাববাদীৰ অপৰাধ দুয়ো সমান হ’ব; 11ইয়াৰ অভিপ্ৰায় এই, যেন
ইস্ৰায়েল-বংশই মোৰ পৰা বিপথে নাযায়; আৰু তেওঁবিলাকৰ অপৰাধবোৰৰ কোনো অপৰাধেৰে নিজক আৰু অশুচি নকৰে, কিন্তু তেওঁবিলাক
যেন মোৰ প্ৰজা হয়, আৰু মই তেওঁবিলাকৰ ঈশ্বৰ হওঁ, ইয়াক প্ৰভু যিহোৱাই কৈছে।

12পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 13হে মনুষ্য সন্তান, যদি এখন দেশে সত্য লঙ্ঘন কৰি মোৰ বিৰুদ্ধে পাপ কৰে, আৰু মই
তাৰ অহিতে মোৰ হাত মেলি তাৰ অন্নৰূপ লাখুটি ভাঙো, আৰু তালৈ আকাল পঠাই তাৰ পৰা মানুহ আৰু পশু সকলোকে উচ্ছন্ন কৰোঁ,
14তেন্তে, নোহ, দানিয়েল আৰু ইয়োব, এই তিনিজন লোক তাত থাকিলেও, তেওঁবিলাকে নিজ নিজ ধাৰ্ম্মিকতাৰ দ্বাৰাই কেৱল নিজ নিজ
প্ৰাণহে ৰক্ষা কৰিব, এয়ে প্ৰভু যিহোৱাৰ বচন। 15বা যদি সেই দেশৰ সকলো ফাললৈ হিংসক জন্তু পঠাই দিওঁ, আৰু সেইবোৰে তাক সন্তানহীন
কৰে, আৰু সেই জন্তুবোৰৰ কাৰণে কোনো মানুহ তাৰ মাজেদি যাব নোৱাৰাকৈ সেয়ে উচ্ছন্ন হয়, 16তেন্তে সেই তিনিজনলোক তাত থাকিলেও,
প্ৰভূ যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, তেওঁবিলাকে পো বা জীহঁতক উদ্ধাৰ নকৰিব, কেৱল তেওঁবিলাকেইহে ৰক্ষা পাব, কিন্তু দেশ হ’লে
উচ্ছন্ন হ’ব। 17বা যদি মই সেই দেশৰ বিৰুদ্ধে এখন তৰোৱাল আনি, হে তৰোৱাল, দেশৰ মাজেদি যা, এই বুলি কৈ মই তাৰ পৰা মানুহ আৰু পশু
সকলোকে উচ্ছন্ন কৰোঁ, 18তেন্তে সেই তিনিজন লোক তাত থাকিলেও, প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, তেওঁবিলাকে পো বা জীহঁতক
উদ্ধাৰ নকৰিব, কেৱল তেওঁবিলাকেইহে ৰক্ষা পাব। 19বা যদি মই সেই দেশলৈ এক মহামাৰী পঠাওঁ, আৰু তাৰ পৰা মানুহ আৰু পশু সকলোকে
উচ্ছন্ন কৰিবলৈ তাৰ ওপৰত মোৰ ক্ৰোধ বৰষাই তেজ বোৱাওঁ, 20তেন্তে, নোহ, দানিয়েল, আৰু ইয়োব তাত থাকিলেও, প্ৰভু যিহোৱাই কৈছে,
মোৰ জীৱনৰ শপত, তেওঁবিলাকে পো কি জীক উদ্ধাৰ নকৰিব, নিজ নিজ ধাৰ্ম্মিকতাৰ দ্বাৰাই কেৱল নিজ নিজ প্ৰাণহে ৰক্ষা কৰিব।

21কিয়নো প্ৰভূ যিহোৱাই এই কথা কৈছে,সেই দেশৰ পৰা মানুহ আৰু পশু সকলোকে উচ্ছন্ন কৰিবলৈ মই যেতিয়া তৰোৱাল, আকাল, হিংসক
জন্তু আৰু মহামাৰী মোৰ এই চাৰিওটা মহা-আপদ যিৰূচালেমৰ বিৰুদ্ধে পঠাম, তেতিয়া আৰু কিমান অসাধ্য হ’ব! 22তথাপি চোৱা, তাৰ মাজত
ৰক্ষা পোৱা কেতবিলাক পুতেক আৰু জীয়েকক বাহিৰলৈ অনা যাব; চোৱা তেওঁবিলাক তোমালোকৰ ওচৰলৈ ওলাই আহিব, আৰু তোমালোকে
তেওঁবিলাকৰ আচাৰ-ব্যৱহাৰ আৰু তেওঁবিলাকৰ কাৰ্য্য দেখিবলৈ পাবা; তাতে যিৰূচালেমলৈ মই ঘটোৱা অমঙ্গলৰ বিষয়ে, তালৈ মই ঘটোৱা
সকলোৰে বিষয়ে তোমালোকে শান্তনা পাবা। 23তোমালোকে তেওঁবিলাকৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য্য দেখিলে, তেওঁবিলাকে তোমালোকক
শান্তনা দিব; কিয়নো তোমালোকে বুজিবা, যে, মই তাৰ মাজত কৰা একোকে বিনাকাৰণে কৰা নাই, এয়ে প্ৰভূ যিহোৱাৰ বাক্য।

**দ্ৰাক্ষালতাৰ কাঠৰ উপমা।**

## Chapter 15

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, দ্ৰাক্ষালতাৰ কাঠ, কাঠনিৰ গছবোৰৰ মাজৰ দ্ৰাক্ষালতাৰ ডাল আন
সকলো গছৰ কাঠতকৈ কিহত শ্ৰেষ্ঠ? 3কোনো কাৰ্য্য কৰিবলৈ মানুহে জানো তাৰ পৰা কাঠ ল'ব? বা কোনো পাত্ৰ আঁৰি থবলৈ জানো তাৰ পৰা
এটি খুঁটি আনিব? 4চোৱা, তাক পুৰিবলৈ জুইত দিয়াৰ পাছত জুয়ে তাৰ দুই মূৰ ভস্ম কৰিলে আৰু তাৰ মাজ ভাগ ডেই গ'লে সেয়ে জানো
কোনো কাৰ্য্যৰ যোগ্য হ'ব? 5চোৱা, সেয়ে সম্পৰ্ণ থাকোঁতেও কোনো কাৰ্য্যৰ উপযুক্ত নহয়; তেন্তে জুয়ে তাক ভস্ম কৰিলে আৰু সেয়ে ডেই গ'লে
কোনো কামৰ নিমিত্তে সেয়ে আৰু কিমান কম উপযুক্ত হ'ব? 6এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে,কাঠনিৰ গছবোৰৰ মাজৰ
দ্ৰাক্ষালতাক যেনেকৈ লোকে পুৰিবলৈ জুইত দিয়ে, তেনেকৈ মই যিৰূচালেম নিবাসীবিলাকেকো কৰিম। 7মই তেওঁবিলাকৰ বিৰুদ্ধে মুখ কৰিম;
তেওঁবিলাক জুইৰ পৰা ওলাই যাব, কিন্তু আন জুয়ে তেওঁবিলাকক ভস্ম কৰিব; আৰু যেতিয়া মই তেওঁবিলাকৰ বিৰুদ্ধে মুখ কৰিম, তেতিয়া মই
যে, যিহোৱা, তাক তোমালোকে জানিবা। 8আৰু তেওঁবিলাকে সত্য লঙ্ঘন কৰা বাবে, মই দেশ উচ্ছন্ন কৰিম, ইয়াক যিহোৱাই কৈছে।

**যিৰূচালেমক অসতী তিৰোতাৰ লগত তুলনা কৰা।**

## Chapter 16

1পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি যিৰূচালেমক তাইৰ নিজৰ ঘিণলগীয়া কাৰ্য্যবোৰ বুজুউৱা, আৰু
কোৱা, 3প্ৰভু যিহোৱাই যিৰূচালেমক কৈছে, তোমাৰ উৎপত্তি আৰু জন্মৰ ঠাই কনানীয়াবিলাকৰ দেশ; তোমাৰ বাপেৰা ইমোৰীয়া আৰু তোমাৰ
মাৰা হিত্তীয়া আছিল। 4তোমাৰ জন্মবৃত্তান্ত এই, তোমাৰ জন্ম দিনা তোমাৰ নাড়ী কটা নাছিল, বা তোমাক পৰিষ্কাৰ কৰিবলৈ তোমাক পানীত
ধুউৱা নাছিল, তোমাক সমূলি লোণ ঘঁহা কি কাপোৰেৰে মেৰোৱা নাছিল। 5তোমাক দয়া কৰি তোমালৈ এইবোৰৰ কোনো এটাকে কৰিবৰ অৰ্থে
তোমালৈ কোনেও কৃপাদৃষ্টি নকৰিছিল; কিন্তু তোমাৰ জন্মদিনা, তোমাৰ গা ঘিণলগীয়া হোৱাৰ কাৰণে তোমাক মুকলি পথাৰত পেলাই দিয়া
হৈছিল।

6সেই সময়ত মই তোমাৰ ওচৰেদি গৈ তোমাৰ তেজত তোমাক ধৰফৰোৱা দেখি তোমাক কলোঁ যে, যদিও তুমি নিজ তেজত পৰি আছা, তথাপি
জীয়াই থাকা, হয়, মই তোমাক কলোঁ, যে, যদিও তুমি নিজ তেজত পৰি আছা, তথাপি জীয়াই থাকা। 7পাছে পথাৰত গজা তৃণৰ নিচিনাকৈ মই
তোমাক অধিককৈ বঢ়ালোঁ, আৰু তুমি বাঢ়ি ডাঙৰ-দীঘল হ'লা,আৰু অতি সুন্দৰী হ'লা; তোমাৰ স্তন পূৰ্ণ হ'ল, আৰু কেশ দীৰ্ঘ হ'ল, তথাপি
তুমি বিবস্ত্ৰা আৰু উলঙ্গিনী আছিলা। 8তেতিয়া মই তোমাৰ ওচৰেদি গৈ তোমাক দেখিলোঁ, চোৱা, তোমাৰ সময় প্ৰেমৰ সময়; এই নিমিত্তে মই
তোমাৰ ওপৰত বস্ত্ৰৰ আঁচল মেলি দি তোমাৰ উলঙ্গতা ঢাকিলোঁ; আৰু প্ৰভু যিহোৱাই কৈছে মই তোমাৰ আগত শপত কৰি তোমাৰে সৈতে এটি
নিয়ম বান্ধিলোঁ, তাতে তুমি মোৰ হ'লা। 9পাছে মই তোমাক পানীৰে ধুলোঁ, এনে কি, তোমাৰ গাৰ পৰা তোমাৰ তেজ সম্পূৰ্ণকৈ ধুই তেল ঘঁহিলোঁ।
10মই তোমাক কাৰচিপি বন কৰা কাপোৰো পিন্ধালোঁ, তোমাৰ ভৰিত তহচ জন্তুৰ ছালৰ জোতা দিলোঁ, তোমাৰ কঁকালত মিহি শণ সূতাৰ টঙালি
বান্ধিলোঁ, আৰু তোমাক পাতৰ বস্ত্ৰেৰে বিভূষিত কৰিলোঁ। 11মই তোমাক অলঙ্কাৰেৰেও সঁজালোঁ, তোমাৰ হাতত খাৰু, আৰু ডিঙিত হাৰ দিলোঁ।
12মই তোমাৰ নাকত নথ, কাণত কুণ্ডল, আৰু তোমাৰ মূৰত সুন্দৰ কিৰীটি দিলোঁ। 13এইদৰে সোণ আৰু ৰূপেৰে তোমাক সজোৱা হ'ল; তোমাৰ
বস্ত্ৰ মিহি শণ সূতাৰ পাতৰ আৰু কাৰচিপি বন কৰা; তুমি মিহি আটা, মৌ-জোল, আৰু তেল খাইছিলা; তুমি অতি সুন্দৰী হৈ উন্নতি-লাভ কৰি
ৰাণী পদ পালা। 14আৰু তোমাৰ সৌন্দৰ্য্যৰ কাৰণে তোমাৰ যশস্যা জাতিবিলাকৰ মাজত ব্যাপিল; কিয়নো প্ৰভু যিহোৱাই কৈছে, মই তোমাৰ
ওপৰত স্থাপন কৰা মোৰ শ্ৰীৰ নিমিত্তে তোমাৰ সৌন্দৰ্য্য সম্পূৰ্ণ হ'ল।।

15কিন্তু তুমি নিজ সৌন্দৰ্য্যত নিৰ্ভৰ কৰি নিজৰ যশস্যাৰ কাৰণে বেশ্যাবৃত্তি ধৰিলা, আৰু প্ৰত্যেক বাটৰুৱাৰ লগত অধিক পৰিমাণে বেশ্যাকৰ্ম্ম
কৰিলা; তাৰহে ভোগ হ'ল। 16আৰু তুমি নিজৰ কেইখনমান কাপোৰ ললৈ, তাৰে নিজৰ নিমিত্তে চিত্ৰবিচিত্ৰ ওখ ঠাই কৰি তাৰ ওপৰত
বেশ্যাকৰ্ম্ম কৰিলা; এনে কথা হোৱা নাই, আৰু নহ'বও। 17মই তোমাক দিয়া মোৰ সোণ, আৰু ৰূপেৰে কৰা তোমাৰ সুন্দৰ অলঙ্কাৰ তুমি লৈ,
তোমাৰ নিমিত্তে তাৰে পুৰুষাকৃতিৰ মুৰ্ত্তি কৰি সেইবোৰে সৈতে বেশ্যাকৰ্ম্ম কৰিলা। 18আৰু তোমাৰ কাৰচিপি বন কৰা কাপোৰ লৈ তাৰে
সেইবোৰ ঢাকিলা, আৰু সেইবোৰৰ আগত মোৰ তেল আৰু ধূপ থলা। 19প্ৰভু যিহোৱাই কৈছে, মই তোমাক দিয়া মোৰ আহাৰ, মই তোমাক
খাবলৈ দিয়া মিহি আটা, তেল, আৰু মৌ-জোল তুমি সুঘ্ৰাণৰ অৰ্থে সেইবোৰৰ আগত থলা, আৰু সেইদৰেই হ'ল। 20ইয়াৰ বাহিৰে তুমি মোলৈ
জন্মোৱা তোমাৰ ল'ৰা-ছোৱালীবিলাক লৈ, গ্ৰাস কৰিবৰ নিমিত্তে সেইবোৰৰ আগত বলিস্বৰূপে দিলা; তোমাৰ বেশ্যাকৰ্ম্মবোৰ সামান্য বিষয়
আছিল নে, 21যে তুমি মোৰ সন্তানবিলাকক বধ কৰিলা, আৰু সেইবোৰৰ উদ্দেশ্যে সিহঁতক জুইৰ মাজেদি গমন কৰাই উৎসৰ্গ কৰিলা?
22তোমাৰ আটাই ঘিণলগীয়া কাৰ্য্যত আৰু বেশ্যাকৰ্ম্মত তুমি আসক্ত থকাত, বিবস্ত্ৰা আৰু উলঙ্গিনী হোৱা আৰু তোমাৰ তেজত ধৰফৰোৱা
তোমাৰ সেই যৌৱন কালৰ দিন তুমি সোঁৱৰণ নকৰিলা। 23আৰু তোমাৰ আটাই দুষ্টতাৰ পাছত(প্ৰভু যিহোৱাই কৈছে, তোমাৰ সন্তাপ হ'ব,
তোমাৰ সন্তাপ হ'ব), 24তুমি নিজৰ নিমিত্তে এক বেশ্যালয় সাজিলা, আৰু প্ৰত্যেক চকত নিজৰ নিমিত্তে এডোখৰ ওখ ঠাই কৰিলা। 25তুমি

প্ৰত্যেক আলিৰ মূৰত তোমাৰ ওখ ঠাই সাজি তোমাৰ সৌন্দৰ্য্য ঘৃণাৰ বিষয় কৰিলা, প্ৰত্যেক বাটৰুৱালৈ তোমাৰ ভৰি দুখন মেলি দিলা, আৰু
তোমাৰ বেশ্যালি অধিককৈ বঢ়ালা। **26**তোমাৰ ওচৰ-চুবুৰীয়া স্থুলকায় মিচৰীয়াবিলাকৰ লগতো তুমি বেশ্যাকৰ্ম্ম কৰিলা; আৰু তুমি মোক
বেজাৰ দিবলৈ তোমাৰ বেশ্যালি অধিককৈ বঢ়ালা। **27**এই হেতুকে চোৱা,মই তোমাৰ ওপৰলৈ মোৰ হাত মেলি তোমাৰ দৈনিক খোৰাক কমালোঁ,
আৰু তোমাৰ বেশ্যা চাবৰ নিমিত্তে লাজ পোৱা, তোমাক ঘিণ কৰা পলেষ্টীয়াহঁতৰ জীয়াৰীবোৰৰ ইচ্ছাত তোমাক সমৰ্পণ কৰিলোঁ। **28**তুমি তৃপ্ত
নোহোৱাত অচূৰীয়াহঁতে সৈতেও বেশ্যাকৰ্ম্ম কৰিও তৃপ্ত নহ’লা। **29**তুমি বাণিজ্যদেশ কলদীয়ালৈকে তোমাৰৰ বেশ্যালি বঢ়ালা; তথাপি তুমি
তাৰেও তৃপ্ত নহ’লা।

**30**প্ৰভূ যিহোৱাই কৈছে, তোমাৰ অন্তৰ কেনে কামাতুৰ! কাৰণ তুমি স্বেচ্ছাচাৰিণী বেশ্যা তিৰোতাৰ দৰে এই আটাইবোৰ কাৰ্য্য কৰিছা; **31**তুমি
প্ৰত্যেক আলিৰ মূৰত তোমাৰ বেশ্যালয় সাজিছা, প্ৰত্যেক চকত তোমাৰ ওখ ঠাই নিৰ্ম্মান কৰিছা, আৰু তুমি বেশ্যা কৰ্ম্মৰ বেচ তুচ্ছ কৰাত
বেশ্যাৰ নিচিনা নোহোৱা। **32**তুমি ব্যভিচাৰিণী, তোমাৰ পতিৰ সলনি পৰক গ্ৰহণ কৰোঁতা ঘৈণী। **33**আটাই বেশ্যাক লোকে ধন দিয়ে; কিন্তু
তোমাৰ আটাই প্ৰেমকাৰীক তুমিহে ধন দিয়া, আৰু তোমাৰ লগত বেশ্যাকৰ্ম্ম কৰিবলৈ, চাৰিওফালৰ পৰা তোমাৰ প্ৰেমকাৰীবোৰ আহিবৰ
নিমিত্তে সিহঁতক ভেঁটী দিয়া। **34**বেশ্যাকৰ্ম্ম কৰিবলৈ কোনেও তোমাৰ পাছে পাছে নাযায়, তোমাৰ বেশ্যাকৰ্ম্মৰ এই কথাত আন তিৰোতাতকৈ
তুমি বিপৰীত; তুমি বেচ দিয়া, কিন্তু তোমাক কোনেও বেচ নিদিয়ে, এই দেখি তুমি বিপৰীত।

**35**এই হেতুকে হে বেশ্যা, যিহোৱাৰ বাক্য শুনা; **36**প্ৰভূ যিহোৱাই এই কথা কৈছে, তুমি প্ৰচুৰ পৰিমাণে অশুচি কাৰ্য্য কৰা বাবে, আৰু তোমাৰ
প্ৰেমকাৰীবোৰৰ লগত কৰা তোমাৰ বেশ্যাকৰ্ম্মৰ দ্বাৰাই তোমাৰ বিবস্ত্ৰতা প্ৰকাশ পোৱা বাবে, আৰু তোমাৰ ঘিণলগীয়া আটাই মূৰ্ত্তিবোৰৰ, আৰু
তুমি সেইবোৰৰ আগত দিয়া তোমাৰ সন্তানবিলাকৰ ৰক্তপাতৰ কাৰণে, চোৱা, **37**তুমি যিবোৰৰ লগত আমোদ-প্ৰমোদ কৰিলা, তোমাৰ সেই
আটাই প্ৰেমকাৰীক, আৰু তুমি প্ৰেম কৰা ও ঘিণ কৰা আটাইকে মই গোটাম; মই তোমাৰ বিৰুদ্ধে চাৰিওফালৰ পৰাই সিহঁতক গোটাম, আৰু
সিহঁতে তোমাৰ সমস্ত বিবস্ত্ৰতা দেখিবলৈ সিহঁতৰ আগত তোমাৰ বিবস্ত্ৰতা প্ৰকাশ কৰিম। **38**আৰু সতীত্ব লঙ্ঘন কৰা ও ৰক্তপাত কৰা
তিৰোতাক দণ্ড দিয়াৰ দৰে মই তোমাক দণ্ড দিম; মই ক্ৰোধ আৰু অন্তৰ্জ্বালাত তোমাৰ ৰক্তপাত কৰিম। **39**মই সিহঁতৰ হাতত তোমাক সমৰ্পণ
কৰিম; তাতে সিহঁতে তোমাৰ বেশ্যালয় নষ্ট কৰিব, তোমাৰ ওখ ঠাইবোৰ ভাঙি পেলাব, তোমাক বিবস্ত্ৰা কৰিব, আৰু তোমাৰ সুন্দৰ অলঙ্কাৰবোৰ
লৈ যাব; সিহঁতে তোমাক বিবস্ত্ৰা আৰু উলঙ্গিনী কৰি এৰিব। **40**সিহঁতে তোমাৰ অহিতে এক সমাজ পাতি তোমাক শিল দলিয়াই মাৰিব,
তৰোৱালেৰে ডোখৰ ডোখৰকৈ কাটিব আৰু তোমাৰ ঘৰবোৰ জুই দি পুৰিব, **41**এইদৰে অনেক তিৰোতাৰ আগত তোমাক দণ্ড দিব; এইদৰে মই
তোমাক বেশ্যাকৰ্ম্ম কৰাৰ পৰা এৰুৱাম, তুমি বেশ্যাৰ বেচ আৰু নিদিবা। **42**মই এইদৰে তোমাৰ ওপৰত মোৰ ক্ৰোধ মাৰ নিয়াম; তাতে তোমাৰ
পৰা মোৰ অন্তৰ্জ্বালা দূৰ হ’ব, আৰু মই শান্তিৰে থাকিম, পুনৰায় ক্ৰোধ নকৰিম। **43**তুমি তোমাৰ যৌৱন কাল মনত নকৰিলা, কিন্তু এই
আটাইবোৰ কাৰ্য্যত মোক বেজাৰ দিলা, এই হেতুকে চোৱা, প্ৰভূ যিহোৱাই কৈছে, ময়ো তোমাৰ আচাৰ-ব্যৱহাৰৰ ফল তোমাৰ মূৰত ফলিওৱাম;
আৰু তুমি তোমাৰ আটাই ঘিণলগীয়া কাৰ্য্যৰ উপৰিও, এই ব্যভিচাৰ আৰু কৰিবলৈ নাপাবা।

**44**চোৱা, যোজনা দিয়া প্ৰতিজনে, মাক যেনে জীয়েক তেনে, এই বুলি তোমাৰ বিৰুদ্ধে যোজনা দিব। **45**নিজ পতি আৰু নিজ সন্তানক ঘিণ কৰা
তোমাৰ মাৰাৰ জীয়েক তুমি; নিজ পতি আৰু নিজ সন্তানক ঘিণ কৰা তোমাৰ ভায়েৰা-ভনীয়েৰাৰ তুমি ভনীয়েক; তোমালোকৰ মাৰা হিত্তীয়া,
আৰু তোমালোকৰ বাপেৰা ইমোৰীয়া আছিল। **46**তোমাৰ বায়েৰা নিজ জীয়েকহঁতে সৈতে তোমাৰ বাওঁহাতে বাস কৰা চমৰিয়া, আৰু তোমাৰ
সোঁহাতে বাস কৰা তোমাৰ ভনীয়েৰা জীয়েকহঁতে সৈতে থকা চদোম। **47**তথাপি তুমি সিহঁতৰ আচাৰ-ব্যৱহাৰত যে চলিলা, বা সিহঁতৰ ঘিণলগীয়া
কাৰ্য্য অনুসাৰে যে কাৰ্য্য কৰিলা, সেয়ে নহয়; কিন্তু তাক অতি ক্ষুদ্ৰ বুলি ভাবি তোমাৰ আটাই আচাৰ-ব্যৱহাৰত তুমি সিহঁততকৈ অধিক ভ্ৰষ্টা
হ’লা। **48**প্ৰভূ যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, তুমি আৰু তোমাৰ জীয়েৰাহঁতে কৰা নিচিনাকৈ তোমাৰ ভনীয়েৰা চদোমে আৰু তাইৰ
জীয়েকহঁতে কৰা নাই। **49**চোৱা, তোমাৰ ভনীয়েৰা চদোমৰ এই অপৰাধ আছিল, যে, তাইৰ আৰু তাইৰ জীয়েকহঁতৰ অহঙ্কাৰ, আহাৰৰ
সম্পূৰ্ণতা আৰু নিশ্চিন্ততাযুক্ত সুখ আছিল; তাই দুখী দৰিদ্ৰৰ হাত সবল নকৰিছিল। **50**সিহঁত গৰ্ব্বী আছিল, আৰু সিহঁতে মোৰ আগত
ঘিণলগীয়া কাৰ্য্য কৰিছিল; এই হেতুকে মই যি ভাল দেখিলোঁ, তাকে কৰি সিহঁতক দূৰ কৰিলোঁ। **51**চমৰিয়াই তোমাৰ পাপৰ আধাও কৰা নাই;
কিন্তু তুমি সিহঁততকৈ তোমাৰ ঘিণলগীয়া কাৰ্য্য অধিক বৃদ্ধি কৰিলা, আৰু তুমি কৰা তোমাৰ আটাই ঘিণলগীয়া কাৰ্য্যৰ দ্বাৰাই তোমাৰ বায়েৰা-
ভনীয়েৰাক ধাৰ্ম্মিক পাতিলা। **52**তুমি নিজৰ বায়েৰা-ভনীয়েৰাৰ নিমিত্তে বিচাৰ নিষ্পত্তি কৰাত তুমিও নিজ অপমান ভোগ কৰা; তুমি সিহঁততকৈ
যি অধিক ঘিণলগীয়া পাপ কৰিলা, তোমাৰ সেই পাপবোৰৰ দ্বাৰাই সিহঁত তোমাতকৈ অধিক ধাৰ্ম্মিক হ’ল; এতেকে তুমি নিজৰ বায়েৰা-
ভনীয়েৰাক ধাৰ্ম্মিক পতাত নিজেও বিবৰ্ণ হোৱা, আৰু নিজ অপমান ভোগ কৰা।

**53**আৰু সিহঁতলৈ শান্ত্বনাৰ স্থল হৈ তুমি কৰা আটাই কাৰ্য্যৰ কাৰণে তুমি তোমাৰ অপমান ভোগ কৰি অপমানিত হ’বৰ নিমিত্তে, **54**মই সিহঁতৰ
বন্দী অৱস্থা অৰ্থাৎ চদোম আৰু তাইৰ জীয়েকহঁতৰ আৰু সিহঁতৰ মাজত থকা তোমাৰ বন্দীবোৰৰ বন্দী-অৱস্থা পৰিবৰ্ত্তন কৰিম। **55**আৰু
জীয়েকহঁতে সৈতে চদোম আৰু জীয়েকহঁতে সৈতে চমৰিয়া, তোমাৰ এই দুজনী বায়েৰা-ভনীয়েৰা আগৰ নিজ নিজ অৱস্থালৈ উলটিব; তুমি
আৰু তোমাৰ জীয়েৰাহঁতে, তোমালোকৰ আগৰ অৱস্থালৈ উলটিব। **56**তোমাৰ গৰ্ব্বৰ দিনা তোমাৰ মুখত তোমাৰ ভনীয়েৰা চদোমৰ নাম
নোলাল। **57**অৰামৰ জীয়াৰীবোৰে তোমাক অপমান কৰাত আৰু তোমাৰ চাৰিওফালৰ আটাইবোৰে অৰ্থাৎ তোমাৰ চাৰিওফালে তোমাক
তুচ্ছজ্ঞান কৰোঁতা পলেষ্টীয়াহঁতৰ জীয়াৰীবোৰে তোমাক অপমান কৰাত যেনেকৈ তোমাৰ দুষ্টতা বৰ্ত্তমানে প্ৰকাশ পাইছে, তেনেকৈ সেই দিনা
তোমাৰ দুষ্টতা প্ৰকাশ পোৱা নাছিল। **58**যিহোৱাই কৈছে, তুমি নিজ ব্যভিচাৰৰ আৰু ঘিণলগীয়া কাৰ্য্যৰ ফল ভোগ কৰিছা। **59**কিয়নো প্ৰভূ
যিহোৱাই এই কথা কৈছে, নিয়মটি ভাঙি শপতটো তুচ্ছ কৰা যি তুমি, তুমি কৰা নিচিনাকৈয়ে মই তোমালৈ কাৰ্য্য কৰিছোঁ।

**60**তথাপি মই তোমাৰ যৌৱনকালত তোমাৰে সৈতে পতা মোৰ নিয়মটি সোঁৱৰণ কৰিম, আৰু তোমাৰ অৰ্থে এটি চিৰস্থায়ী নিয়ম স্থাপন কৰিম।
**61**আৰু যেতিয়া তুমি নিজৰ বায়েৰা-ভনীয়েৰাক গ্ৰহণ কৰিবা, তেতিয়া তুমি নিজ আচাৰ-ব্যৱহাৰ মনত কৰি লাজ পাবা; আৰু মই সিহঁতক

জীয়েৰাস্বৰূপে তোমাক দিম, কিন্তু তোমাৰ লগত কৰা নিয়মটিৰ দ্বাৰাই নহয়। [62]আৰু প্ৰভূ যিহোৱাই কৈছে, তুমি কৰা সকলো কাৰ্য্যৰ নিমিত্তে
মই তোমাক ক্ষমা কৰা সময়ত, তুমি মনত কৰি বিবৰ্ণ হ’বলৈ, আৰু তুমি লাজ পাই তোমাৰ মুখ পুনৰায় কেতিয়াও নেমেলিবলৈ, মই তোমাৰে
সৈতে মোৰ নিয়মটি স্থাপন কৰিম; [63]তাতে, মই যে যিহোৱা, তাক তুমি জানিবা।

## চিদিকিয়াই শপত লঙ্ঘন কৰা আৰু তাৰ ফল।

# Chapter 17

[1]পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল বোলে, [2]হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলৰ বংশৰ আগত এটা নিগূঢ় বাক্য প্ৰকাশ কৰা আৰু এটা
দৃষ্টান্ত কোৱা। [3]তুমি কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, নানা বৰণৰ পাখিৰে ভৰা, ডাঙৰ ডেউকা থকা আৰু ডেউকাত দীঘল পাখি থকা এটা
ডাঙৰ কুৰৰ পক্ষীয়ে লিবানোনলৈ আহি এৰচ গছজোপাৰ আগডোখৰ লৈ গ’ল। [4]সি তাৰ পোখাবোৰৰ মাজৰ সকলোতকৈ ওখ পোখাটি ছিঙি
বাণিজ্যদেশলৈ লৈ গৈ, বেপাৰীবিলাকৰ নগৰত তাক ৰাখিলে। [5]সি দেশৰ গুটিৰ মাজৰ এটি গুটিও লৈ উৰ্ব্বৰা মাটিত ৰুলে; সি জলসমূহৰ
কাষত তাক থলে; সি বাইশী গছ হ’ব বুলি তাক ৰুলে। [6]পাছে সেয়ে গজি বাঢ়ি, যাৰ ডালবোৰে সেই কুৰৰ পক্ষীৰ ফাললৈ মুখ কৰিছিল, আৰু
যাৰ শিপাবোৰ তাৰ তলত আছিল, এনে চাপৰ আৰু ব্যাপি যোৱা এডাল দ্ৰাক্ষালতা হ’ল; সেয়ে এইদৰে দ্ৰাক্ষালতা হৈ ডাল মেলিলে আৰু
পোখালে।

[7]ডাঙৰ ডেউকা আৰু বহুত পাখি থকা আন এটা কুৰৰ পক্ষী আছিল; আৰু চোৱা, সি পানী দিবৰ নিমিত্তে, এই দ্ৰাক্ষালতাই নিজকে ৰোৱা
ভেটিৰ পৰা তাৰ ফাললৈ শিপা মেলিলে, আৰু তাৰ ফাললৈ ডালবোৰ ঢাল খুৱালে। [8]সেয়ে ডাল মেলি আৰু ফল ধৰি উত্তম দ্ৰাক্ষালতা হ’বৰ
নিমিত্তে, বহু জলসমূহৰ ওপৰত সুন্দৰ মাটিত তাক ৰোৱা হৈছিল। [9]তুমি কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, সেয়ে উন্নতি লাভ কৰিব নে?
সেয়ে শুকাবৰ নিমিত্তে, নতুনকৈ ওলোৱা তাৰ আটাই পাত লেৰেলা পৰিবৰ নিমিত্তে তেওঁ জানো তাৰ শিপাবোৰ নুঘালিব, আৰু তাৰ গুটিবোৰ
নাকাটিব? তাৰ শিপাই সৈতে তাক উঘালিবলৈ অধিক বল কি অনেক মানুহ নালাগিব। [10]চোৱা, সেয়ে ৰোপিত হ’লেও উন্নতি লাভ কৰিব নে?
পূবৰ বতাহ তাত লগা মাত্ৰে সেয়ে একেবাৰে নুশুকাবনে? সেযে গজা ভেটিতে শুকাই যাব।

[11]পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল বোলে, [12]তুমি সেই বিদ্ৰোহী বংশক কোৱা, এইবোৰৰ অৰ্থ কি, তাক জানো তোমালোকে নাজানা?
তেওঁবিলাকক কোৱা, চোৱা, বাবিলৰ ৰজাই যিৰূচালেমলৈ আহি তাৰ ৰজা আৰু তাৰ অধ্যক্ষবিলাকক ধৰি বাবিললৈ নিজৰ ঠাইলৈ লৈ গ’ল।
[13]আৰু তেওঁ ৰাজবংশীয় এজনক লৈ তেওঁৰ লগত এটি নিয়ম স্থাপন কৰিলে। [14]ৰাজ্যখন যেন সামান্য হয়, নিজকে যেন বৰ বুলি নামানে, কিন্তু
তেওঁৰ নিয়মটি পালন কৰাৰ দ্বাৰাই যেন থাকিব পাৰে, এই নিমিত্তে তেওঁসেই জনক শপতৰ অধীনো কৰিলে, আৰু দেশৰ বীৰ বিলাকক লৈ
গ’ল। [15]কিন্তু তেওঁ মিচৰীয়াহঁতৰ পৰা ঘোঁৰা আৰু অনেক মানুহ পাবৰ মনেৰে মিচৰলৈ নিজ দূত পঠাই তেওঁৰ অহিতে বিদ্ৰোহ কৰিলে। তেওঁ
উন্নতি লাভ কৰিব নে? এনে কৰ্ম্ম কৰা জনে জানো ৰক্ষা পাব? তেওঁ জানে নিয়মটি ভাঙিও ৰক্ষা পাব? [16]প্ৰভূ যিহোৱাই কৈছে, মোৰ জীৱনৰ
শপত, যি ৰজাই তেওঁক ৰজা পাতিলে, যেৰ শপত তেওঁ তুচ্ছ কৰিলে, আৰু যাৰ নিয়মটি তেওঁ ভাঙিলে, সেই ৰজা থকা ঠাইত বাবিলৰমাজত
তেওঁৰ তাতেই তেওঁ মৰিব। [17]অনেক লোকক উচ্ছন্ন কৰিবলৈ হাদাম বান্ধা আৰু কোঁঠ সজা সময়ত, ফৰৌণেও তেওঁৰ পৰাক্ৰমী সৈন্যসামন্ত
আৰু মহাদলে সৈতে ৰণত তেওঁৰ উপকাৰ কৰিব নোৱাৰিব। [18]কিয়নো তেওঁ নিয়মটি ভাঙি শপতটো তুচ্ছ কৰিলে; চোৱা, তেওঁ হাত যোৰ কৰাৰ
পাছেও, এই আটাই কাৰ্য্য কৰিলে; তেওঁ ৰক্ষা নাপাব। [19]এই কাৰণে প্ৰভূ যিহোৱাই এই কথা কৈছে,মোৰ জীৱনৰ শপত, তেওঁ তুচ্ছ কৰা মোৰ
শপতটোৰ আৰু তেওঁ ভঙা মোৰ নিয়মটিৰ ফল মই নিশ্চয়ে তেওঁৰ মূৰত ফলিওৱাম। [20]আৰু মই তেওঁৰ ওপৰত মোৰ জাল মেলিম, আৰু তেওঁ
মোৰ ফান্দত ধৰা পৰিব; তাতে মই তেওঁক বাবিললৈ নি তেওঁ মোৰ অহিতে কৰা তেওঁৰ অপৰাধৰ নিমিত্তে সেই ঠাইত তেওঁৰ ওপৰত গোচৰ
কৰিম। [21]তেওঁৰ সকলো দলৰ আটাই পলৰীয়া লোক তৰোৱালত মৰা পৰিব, আৰু অৱশিষ্টবোৰক চাৰিওফালে বায়ুত উড়ুৱাই দিয়া যাব; তাতে
মই যিহোৱায়েই যে এই কথা কলোঁ, তাক তোমালোকে জানিবা।

[22]প্ৰভূ যিহোৱাই এই কথা কৈছে, ময়েই এৰচ গছজোপাৰ ওখত থকা আগডোখৰৰ এটা ডাল লৈ তাক ৰোম; এনে কি, সকলোতকৈ ওপৰত
থকা তাৰ পোখাবোৰৰ মাজৰ পৰাই মই এটি পোখা ছিঙি এখন ওখ আৰু উন্নত পৰ্ব্বতত ৰোম। [23]ইস্ৰায়েলৰ ওখ পৰ্ব্বতখনতেই মই তাক ৰোম;
তাতে সি ডাল মেলি ফল ধৰি এজোপা উত্তম এৰচ গছ হ’ব, আৰু সকলো বিধৰ চৰায়ে তাৰ তলত বাস কৰিব, তাৰ ডালবোৰৰ ছাঁতেই সিহঁতে
বাস কৰিব। [24]আৰু মই যিহোৱায়েই যে ওখ গছজোপা চাপৰ, চাপৰ গছজোপা ওখ, কেঁচাপতীয়া গছজোপা শুকান আৰু শুকান গছজোপা
জকমকীয়া কৰোঁ, ইয়াক পথাৰৰ আটাইবোৰ গছে জানিব মই যিহোৱাই ইয়াক কলোঁ, আৰু ইয়াক সিদ্ধও কৰিম।

## প্ৰতিজন মানুহে নিজৰ দোষত দণ্ড পোৱা উচিত।

## Chapter 18

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2বাপেকহঁতে টেঙা দ্ৰাক্ষাগুটি খালে পুতেকহঁতৰ দাঁত টেঙায়, এইবুলি ইস্ৰায়েল দেশৰ
তোমালোকে যে যোজনা দিয়া, তাৰ অৰ্থ কি? 3প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, ইস্ৰায়েলত এই যোজনা দিবলৈ তোমালোকে আৰু
নাপাবা। 4চোৱা, আটাই প্ৰাণ মোৰেই; যেনেকৈ বাপেকৰ প্ৰাণ মোৰ, তেনেকৈ পুতেকৰ প্ৰাণো মোৰ; যি প্ৰাণীয়ে পাপ কৰে সেই প্ৰাণীহে মৰিব।

5যদি কোনো মানুহ ধাৰ্ম্মিক হয়, যি উচিত আৰু ন্যায় তাকে তেওঁ কৰে, 6পৰ্ব্বতবোৰত ভোজন নকৰে, বা ইস্ৰায়েল বংশৰ মুৰ্ত্তিবোৰলৈ চকু
নোতোলে, বা নিজ ওচৰ চুবুৰীয়াৰ তিৰোতাক অশুচি নকৰে, নাইবা কোনো তিৰোতা অশুচি হোৱা সময়ত তাইৰ ওচৰলৈ নাযায়, আৰু কাকো
অন্যায় নকৰে, 7কিন্তু ধৰুৱাক তাৰ বন্ধক ওলোটাই দিয়ে, কাৰো বস্তু বলেৰে কাঢ়ি নলয়, ক্ষুধাতুৰক নিজৰ আহাৰ দিয়ে, 8আৰু নাঙঠাক
কাপোৰেৰে ঢাকে, সুতলৈ ধাৰ নিদিয়ে, নাইবা বাঢ়ি নলয়, অন্যায়ৰ পৰা নিজ হাত কোঁচায়, মানুহৰ মাজত সত্য বিচাৰ কৰে, মোৰ বিধিবোৰত
চলে, 9আৰু যথাৰ্থ কাৰ্য্য কৰি মোৰ শাসন-প্ৰণালীবোৰ পালন কৰে, তেন্তে তেওঁহে ধাৰ্ম্মিক, প্ৰভু যিহোৱাই কৈছে, তেওঁহে অৱশ্যে জীয়াই
থাকিব।

10আৰু যদি কোনো মানুহৰ ঔৰসত এটা পুতেক জন্ম হৈ, সি ডকা দিয়া ৰক্তপাত কৰা আদি কোনো কাৰ্য্য কৰে, 11আৰু সেইবোৰ কৰ্ত্তব্য কৰ্ম্মৰ
কোনো কৰ্ত্তব্য কৰ্ম্ম নকৰে, কিন্তু পৰ্ব্বতবোৰত ভোজন কৰে, নিজ ওচৰ-চুবুৰীয়াৰ তিৰোতাক অশুচি কৰে, 12দুখী-দৰিদ্ৰক অন্যায় কৰে,
বলেৰে কাঢ়ি লয়, বন্ধক ওলোটাই নিদিয়ে, মুৰ্ত্তিবোৰলৈ চকু তোলে, ঘিণলগীয়া কাৰ্য্য কৰে, 13সুতলৈ ধাৰ দিয়ে, আৰু বাঢ়ি লয়, তেনেহলে সি
জীয়াই থাকিব নে? সি জীয়াই নাথাকিব; সি এই আটাইবোৰ ঘিণলগীয়া কাৰ্য্য কৰে; সি অৱশ্যে মৰিব, আৰু তাৰ ৰক্তপাতৰ দোষ তাৰ গাত
থাকিব।

14আৰু চোৱা, যি পুতেকে, বাপেকে কৰা সকলো পাপ দেখিও ভয় কৰে তেনে কাৰ্য্য নকৰে, 15পৰ্ব্বতবোৰৰ ওপৰত ভোজন নকৰে, বা ইস্ৰায়েল
বংশৰ মুৰ্ত্তিবোৰলৈ চকু নোতোলে, তেওঁৰ চুবুৰীয়াৰ তিৰোতাক অশুচি নকৰে, 16বা কাকো অন্যায় নকৰে, বন্ধকৰ নিমিত্তে একো নলয়, নাইবা
বলেৰে কাঢ়ি নলয়, কিন্তু ক্ষুধাতুৰক নিজৰ আহাৰ দিয়ে আৰু নাঙঠাক কাপোৰেৰে ঢাকে, 17দুখীয়াক উপদ্ৰৱ কৰাৰ পৰা নিজৰ হাত কোঁচায়,
সুত বা বাঢ়ি নলয়, মোৰ শাসন-প্ৰণালীবোৰ পালন কৰে, মোৰ বিধিবোৰত চলে, এনে পুতেক যদি সেই মানুহৰ ঔৰসত জন্ম হয়, তেন্তে সেই
পুতেক নিজৰ বাপেকৰ অপৰাধৰ নিমিত্তে নমৰিব; তেওঁ অৱশ্যে জীয়াই থাকিব। 18তেওঁৰ বাপেকৰ বিষয়ে হ’লে, তেওঁ অত্যন্ত অত্যাচাৰ কৰাৰ,
বলেৰে নিজ ভাইৰ বস্তু কাঢ়ি লোৱাৰ, আৰু নিজৰ লোকবিলাকৰ মাজত, যি ভাল নহয়, তাকে কৰাৰ কাৰণে, চোৱা, তেওঁ নিজ অপৰাধৰ
নিমিত্তে মৰিব। 19তথাপি তোমালোকে কোৱা, পুতেকে বাপেকৰ অপৰাধৰ ভাৰ কিয় নবয়? যেতিয়া পুতেকে উচিত আৰু ন্যায় কাৰ্য্য কৰে, মোৰ
সকলো বিধি পালন কৰে, আৰু সেইবোৰৰ মতে কৰ্ম্ম কৰে, তেতিয়া তেওঁ নিশ্চয়ে জীয়াই থাকিব। 20পাপ কৰা প্ৰাণীহে মৰিব; পুতেকে
বাপেকৰ, বাপেকে পুতেকৰ অপৰাধৰ ভাৰ নবব; ধাৰ্ম্মিকৰ ধাৰ্ম্মিকতা ধাৰ্ম্মিকৰ গাত, আৰু দুষ্টৰ দুষ্টতা দুষ্টৰ গাত থাকিব। 21কিন্তু যদি দুষ্টই
নিজে কৰা আটাই পাপৰ পৰা ঘূৰি মোৰ সকলো বিধি পালন কৰে, উচিত আৰু ন্যায় সকলো কাৰ্য্য কৰে, তেন্তে সি অৱশ্যে জীয়াই থাকিব,
নমৰিব। 22সি কৰা অপৰাধবোৰৰ কোনো অপৰাধকে তাৰ অহিতে সোঁৱৰণ কৰা নহ’ব; সি নিজ ধাৰ্ম্মিকতাৰ নিমিত্তেহে জীয়াই থাকিব। 23প্ৰভু
যিহোৱাই কৈছে, দুষ্টই যে নিজ পথৰ পৰা ঘূৰি জীয়াই থাকিব, ইয়াত সন্তুষ্ট নহৈ তাৰ মৃত্যুত জানো মই কোনো সন্তুষ পাওঁ? 24কিন্তু যদি ধাৰ্ম্মিকে
তেওঁৰ ধাৰ্ম্মিকতাৰ পৰা ঘূৰি অপৰাধ কৰে, আৰু দুষ্টই কৰা আটাই ঘিণলগীয়া কাৰ্য্যৰ দৰে কাৰ্য্য কৰে, তেন্তে তেওঁ জীয়াই থাকিব নে? তেওঁ
কৰা ধৰ্ম্ম-কৰ্ম্মবোৰৰ কোনোটোকে সোঁৱৰণ কৰা নাযাব, তেওঁ কৰা অপৰাধতেই, আৰু তেওঁ কৰা পাপতেই তেওঁ মৰিব।

25তথাপি তোমালোকে কোৱা, প্ৰভুৰ পথ সমান নহয়; হে ইস্ৰায়েল বংশ, বাৰু, শুনা, মোৰ পথহে সমান নহয়নে? তোমালোকৰ পথহে জানো
অসমান নহয়? 26ধাৰ্ম্মিক লোকে যদি নিজ ধাৰ্ম্মিকতাৰ পৰা ঘূৰি অপৰাধ কৰে, আৰু তাত মৰে, তেন্তে তেওঁ কৰা অপৰাধতেই মৰে। 27আকৌ
দুষ্টই যদি সি কৰা দুষ্কৰ্ম্মৰ পৰা ঘূৰি উচিত আৰু ন্যায় কাৰ্য্য কৰে, তেন্তে সি নিজ প্ৰাণ জীয়াই ৰাখিব। 28সি বিবেচনা কৰি সি কৰা আটাই
দুষ্কৰ্ম্মৰ পৰা ঘূৰাত, সি নিশ্চয়ে জীয়াই থাকিব, নমৰিব। 29তথাপি ইস্ৰায়েল বংশই কয়, প্ৰভুৰ পথ সমান নহয়, হে ইস্ৰায়েল বংশ, মোৰ পথহে
সমান নহয়নে? তোমালোকৰ পথহে জানো অসমান নহয়? 30এই হেতুকে, প্ৰভু যিহোৱাই কৈছে, হে ইস্ৰায়েল বংশ, প্ৰতিজনৰ আচাৰ-ব্যৱহাৰ
অনুসাৰে, মই তোমালোকৰ বিচাৰ কৰিম। তোমালোক ওলোটা, আৰু তোমালোকৰ সকলো অধৰ্ম্মৰ পৰা ঘূৰা; তাতে অপৰাধ তোমালোকৰ
সৰ্ব্বনাশৰ কাৰণ নহ’ব। 31যি যি অপৰাধেৰে তোমালোকে অপৰাধ কৰিলা, তোমালোকৰ সেই সকলো অপৰাধ তোমালোকৰ পৰা দূৰ কৰা,
আৰু তোমালোকৰ নিজ নিজৰ নিমিত্তে এক নতুন হৃদয় আৰু এক নতুন আত্মা কৰা; কিয়নো হে ইস্ৰায়েল বংশ, কিয় তোমালোক মৰিবা?
32কিয়নো, প্ৰভু যিহোৱাই কৈছে, কোনো লোক মৰিলে মই তাৰ মৃত্যুত সন্তোষ নাপাওঁ। এই হেতুকে তোমালোক ঘূৰি জীয়াই থাকা।

### যিহূদাৰ অধিপতিবিলাকৰ বিষয়ৰ বিলাপ।

## Chapter 19

1তুমি ইস্ৰায়েলৰ অধিপতিবিলাকৰ বিষয়ে বিলাপ আৰম্ভ কৰা, 2আৰু কোৱা, তোমাৰ মাৰা কি আছিল? তাই এজনী সিংহী; তাই সিংহবোৰৰ
মাজত শুইছিল, তাই ডেকা সিংহবোৰৰ মাজত পোৱালিবোৰ প্ৰতিপালন কৰিছিল। 3তাই নিজৰ পোৱালিবোৰৰ মাজৰ এটা পোৱালি তোলাত,

সি ডেকা সিংহ হৈ উঠিল; আৰু সি চিকাৰ ধৰিবলৈ শিকি মানুহ খালে। 4জাতিবিলাকে তাৰ বিষয়ে শুনাত, সি সিহঁতৰ গাঁতত ধৰা পৰিল, আৰু
সিহঁতে তাৰ নাকত হাঁকোটা লগাই মিচৰ দেশলৈ নিলে। 5যেতিয়া তাই দেখিলে; যে, তাই বাট চাই থাকোঁতে থাকোঁতে তাইৰ আশা বিফল হ’ল,
তেতিয়া তাই নিজৰ আন এটা পোৱালি লৈ তাক ডেকা সিংহ কৰি তুলিলে। 6সি সিংহবোৰৰ মাজত অহা-যোৱা কৰোঁতে কৰোঁতে ডেকা সিংহ হৈ
উঠিল; সি চিকাৰ ধৰিবলৈ শিকি মানুহ খালে। 7সি সিহঁতৰ অট্টালিকাবোৰ চিনি পাইছিল, আৰু সিহঁতৰ নগৰবোৰ ধ্বংস কৰিছিল; তাৰ
গৰ্জ্জনৰ শব্দত দেশ আৰু তাৰ সকলো উচ্ছন্ন হ’ল। 8তেতিয়া জাতিবিলাকে প্ৰদেশবোৰৰ পৰা সকলো ফালে তাক আক্ৰমণ কৰিলে, আৰু
সিহঁতে তাৰ ওপৰত সিবিলাকৰ জাল মেলিলে; সি সিহঁতৰ গাঁতত ধৰা পৰিল। 9সিহঁতে তাৰ নাকত হাঁকোটা লগাই সজাত সোমোৱাই বাবিলৰ
ৰজাৰ ওচৰলৈ নিলে; ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰত তাৰ মাত আৰু নুশুনিবলৈ সিহঁতে তাক দুৰ্গম ঠাইত ৰাখিলে।

10তোমাৰ নিৰাপদৰ সময়ত তোমাৰ মাৰা জলসমূহৰ গুৰিত ৰোৱা এডালি দ্ৰাক্ষালতাস্বৰূপ আছিল; সেয়ে বহু জলসমূহৰ কাৰণে ফলেৰে আৰু
ডালেৰে পূৰ হৈছিল। 11আৰু তাৰ শকত ডালবোৰ শাসনকৰ্ত্তাবিলাকৰ ৰাজদণ্ডৰ যোগ্য আছিল; সেয়ে বাঢ়ি ওখই আকাশ ঢুকি পোৱা হ’ল,
আৰু অধিক ডাল আৰু ওখৰ কাৰণে তাক ভালকৈ দেখা গ’ল। 12কিন্তু ক্ৰোধত তাক উঘালি মাটিত পেলোৱা হ’ল, আৰু পূবৰ বতাহে তাৰ ফল
শুকুৱালে তাৰ শকত ডালবোৰ ভস্ম হৈ শুকাল, জুয়ে সেইবোৰ অন্ত কৰিলে। 13এতিয়া তাক অৰণ্যত, খৰাং আৰু শুকান দেশত ৰোৱা হৈছে।
14আৰু তাৰ দণ্ডস্বৰূপ ডালবোৰৰ পৰা জুই ওলাই তাৰ ফল এনেকৈ গ্ৰাস কৰিলে, যে, শাসন কৰিবলৈ দণ্ডৰ উপযুক্ত শকত ডাল তাৰ মাজত
আৰু নাথাকিল। এয়ে বিলাপ, আৰু বিলাপৰ অৰ্থে হ’ব।

**ইস্ৰায়েলৰ পূৰ্ব্বৰ আৰু বৰ্ত্তমানৰ বিপথ-গমন, তাৰ দণ্ড, আৰু তেওঁবিলাকৰ ভাবী নিস্তাৰ।**

## Chapter 20

1সপ্তম বছৰৰ পঞ্চম মাহৰ দশম দিনা ইস্ৰায়েলৰ বৃদ্ধবিলাকৰ মাজৰ কেইজনমান পুৰুষে যিহোৱাক সুধিবলৈ আহি মোৰ আগত বহিল।
2তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 3হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলৰ বৃদ্ধকেইজনে সৈতে কথা হৈ তেওঁবিলাকক কোৱা, প্ৰভূ
যিহোৱাই এই কথা কৈছে, তোমালোকে মোক সুধিবলৈ আহিছা নে? প্ৰভূ যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, মই তোমালোকক মোক সুধিবলৈ
নিদিওঁ। 4হে মনুষ্য সন্তান, তুমি তেওঁবিলাকৰ ওপৰত গোচৰ নচলোৱা নে? তুমি গোচৰ নচলোৱা নে? তেওঁবিলাকৰ পূৰ্ব্ব-পুৰুষবিলাকৰ
ঘিণলগীয়া কাৰ্য্যবোৰ তেওঁবিলাকক জানিবলৈ দিয়া, আৰু তেওঁবিলাকক কোৱা। 5প্ৰভূ যিহোৱাই এই কথা কৈছে, মই যিদিনা ইস্ৰায়েলক
মনোনীত কৰিছিলোঁ, আৰু যাকোবৰ বংশৰ সন্তানবিলাকৰ পক্ষে হাত দাঙি শপত কৰিছিলোঁ, আৰু মই তোমালোকৰ ঈশ্বৰ যিহোৱা বুলি কৈ
তেওঁবিলাকৰ পক্ষে মোৰ হাত দাঙি মিচৰ দেশত তেওঁবিলাকক চিনাকি দিছিলোঁ, 6সেই দিনা আটাই দেশৰ ভূষণ স্বৰূপ, গাখীৰ আৰু মৌ-জোল
বোৱা, তেওঁবিলাকৰ নিমিত্তে মই অনুসন্ধান কৰা এখন দেশলৈ মিচৰ দেশৰ পৰা তেওঁবিলাকক উলিয়াই নিম বুলি তেওঁবিলাকৰ পক্ষে মোৰ হাত
দাঙি শপত খাই তেওঁবিলাকক কৈছিলোঁ, 7তোমালোকে তোমালোকৰ চকুত লগা সকলো ঘিণলগীয়া বস্তু দূৰ কৰা, আৰু মিচৰৰ মুৰ্ত্তিবোৰেৰে
তোমালোকক অশুচি নকৰিবা; ময়েই তোমালোকৰ ঈশ্বৰ যিহোৱা। 8কিন্তু তেওঁবিলাকে মোৰ বিৰুদ্ধে বিদ্ৰোহ কৰিলে, আৰু মোৰ কথা শুনিবলৈ
অমান্তি হ’ল; তেওঁবিলাকে তেওঁবিলাকৰ চকুত লগা ঘিণলগীয়া বস্তুবোৰ দূৰ নকৰিলে, বা মিচৰৰ মুৰ্ত্তিবোৰো ত্যাগ নকৰিলে। তেতিয়া মই মিচৰ
দেশৰ মাজত তেওঁবিলাকৰ অহিতে মোৰ ক্ৰোধ সিদ্ধ কৰিবলৈ, তেওঁবিলাকৰ ওপৰত মোৰ কোপ বৰষাবলৈ মন কৰিছিলোঁ। 9কিন্তু মিচৰ দেশৰ
পৰা তেওঁবিলাকক উলিয়াই অনাৰ দ্বাৰাই তেওঁবিলাক থকা যি জাতিবিলাকৰ সাক্ষাতে মই তেওঁবিলাকক মোৰ পৰিচয় দিছিলোঁ, সেই
জাতিবিলাকৰ সাক্ষাতে মোৰ নাম অপবিত্ৰ কৰা নহ’বৰ মোৰ নামৰ নিমিত্তে, উদ্দেশ্যে মোৰ কাৰ্য্য কৰিলোঁ।

10মই তেওঁবিলাকক মিচৰ দেশৰ পৰা উলিয়াই অৰণ্যৰ মাজলৈ আনিলোঁ। 11আৰু যি বিধি ও শাসন-প্ৰণালী অনুসাৰে মানুহে কাৰ্য্য কৰিলে
জীয়াই থাকিব পাৰে, মোৰ এনে বিধি তেওঁলোকক দিলোঁ, আৰু মোৰ এনে শাসন-প্ৰণালী তেওঁবিলাকক দেখুৱালোঁ। 12ইয়াৰ বাহিৰে, মই যে
তেওঁবিলাকক পবিত্ৰ কৰোঁতা যিহোৱা, তাক তেওঁবিলাকে জানিবৰ নিমিত্তে মোৰ আৰু তেওঁবিলাকৰ মাজত এটি চিন হ’বলৈ মোৰ বিশ্ৰাম
দিনবোৰ তেওঁলোকক দিলোঁ। 13কিন্তু ইস্ৰায়েল বংশই অৰণ্যত মোৰ অহিতে বিদ্ৰোহ কৰিলে; তেওঁবিলাকে মোৰ বিধিমতে নচলিলে, আৰু যি
শাসন-প্ৰণালী অনুসাৰে মানুহে কাৰ্য্য কৰিলে তাৰে জীয়াই থাকিব পাৰে, তেওঁলোকে মোৰ সেই শাসন-প্ৰণালীবোৰ অগ্ৰাহ্য কৰিলে আৰু মোৰ
বিশ্ৰামদিনবোৰ অতি অপবিত্ৰ কৰিলে; তাতে মই তেওঁবিলাকক বিনষ্ট কৰিবৰ অৰ্থে, অৰণ্যত তেওঁবিলাকৰ ওপৰত মোৰ কোপ বৰষাবলৈ মন
কৰিছিলোঁ। 14কিন্তু যি জাতিবিলাকৰ সাক্ষাতে মই তেওঁবিলাকক উলিয়াই আনিছিলোঁ, সেই জাতিবিলাকৰ সাক্ষাতে মোৰ নাম অপবিত্ৰ কৰা
নহ’বৰ নিমিত্তে মোৰ নামৰ উদ্দেশ্যে মই কাৰ্য্য কৰিলোঁ। 15ইয়াত বাজে, আটাই দেশৰ ভূষণস্বৰূপ, গাখীৰ আৰু মৌ-জোল বোৱা, মই
তেওঁবিলাকক দান কৰা দেশৰ মাজলৈ তেওঁবিলাকক নিনিও বুলি মই অৰণ্যত তেওঁবিলাকৰ অহিতে হাত দাঙি শপত কৰিছিলোঁ; 16কাৰণ
তেওঁবিলাকে মোৰ শাসন-প্ৰণালীবোৰ অগ্ৰাহ্য কৰিলে, মোৰ বিধিমতে নচলিলে, আৰু মোৰ বিশ্ৰাম-দিনবোৰ অপবিত্ৰ কৰিলে; কিয়নো
তেওঁবিলাকৰ মন তেওঁবিলাকৰ মুৰ্ত্তিবোৰৰ পাছত চলি আছিল। 17তথাপি মই তেওঁবিলাকলৈ কৃপাদৃষ্টি কৰি তেওঁবিলাকক বিনষ্ট নকৰিলোঁ,
আৰু অৰণ্যত তেওঁবিলাকক নিঃশেষে সংহাৰ নকৰিলোঁ।

18আৰু অৰণ্যত মই তেওঁবিলাকৰ সন্তানবিলাকক কলোঁ, তোমালোকে তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকৰ বিধিবোৰত নচলিবা, বা তেওঁবিলাকৰ
শাসন-প্ৰণালীবোৰ পালন নকৰিবা, নাইবা তেওঁবিলাকৰ মুৰ্ত্তিবোৰেৰে তোমালোকক অশুচি নকৰিবা। 19ময়েই তোমালোকৰ ঈশ্বৰ যিহোৱা;
মোৰ বিধিমতে চলা, মোৰ শাসন-প্ৰণালীবোৰ পালন কৰা আৰু সেই অনুসাৰে কাৰ্য্য কৰা। 20আৰু তোমালোকে মোৰ বিশ্ৰাম-দিনবোৰ পবিত্ৰ

কৰা; তাতে মই যে তোমালোকৰ ঈশ্বৰ যিহোৱা, তাক তোমালোকে জানিবৰ নিমিত্তে মোৰ আৰু তোমালোকৰ মাজত এইবোৰেই এটি চিন হ'ব।
21কিন্তু সেই সন্তানবিলাকে মোৰ অহিতে বিদ্রোহ কৰিলে; তেওঁবিলাকে মোৰ বিধিমতে নচলিলে, বা যি শাসন-প্রণালী অনুসাৰে মানুহে কাৰ্য্য
কৰিলে জীয়াই থাকিব পাৰে, মোৰ সেই শাসনপ্রণালীবোৰ তেওঁবিলাকে পালন নকৰিলে: তেওঁবিলাকে মোৰ বিশ্রাম-দিনবোৰ অপবিত্র কৰিলে।
তাতে মই অৰণ্যত তেওঁবিলাকৰ অহিতে মোৰ ক্রোধ সিদ্ধ কৰিবলৈ, তেওঁবিলাকৰ ওপৰত মোৰ কোপ বৰষাবলৈ মন কৰিছিলোঁ। 22তথাপি, যি
জাতিবিলাকৰ সাক্ষাতে মই তেওঁবিলাকক উলিয়াই আনিছিলোঁ, সেই জাতিবিলাকৰ সাক্ষাতে মোৰ নাম অপবিত্র কৰা নহ'বৰ নিমিত্তে মই মোৰ
হাত কোঁচাই মোৰ নামৰ উদ্দেশ্যে কাৰ্য্য কৰিলোঁ। 23ইয়াত বাজে, জাতিবিলাকৰ মাজত তেওঁবিলাকক ছিন্ন-ভিন্ন আৰু দেশবোৰৰ মাজত
তেওঁবিলাকক গোট গোট কৰিম বুলি মই অৰণ্যত তেওঁবিলাকৰ অহিতে মোৰ হাত দাঙি শপত কৰিলোঁ; 24কাৰণ তেওঁবিলাকে মোৰ শাসন-
প্রণালী অনুসাৰে কাৰ্য্য নকৰিলে, কিন্তু মোৰ বিধিবোৰ অগ্রাহ্য কৰিলে, মোৰ বিশ্রাম-দিনবোৰ অপবিত্র কৰিলে আৰু তেওঁবিলাকৰ চকু
তেওঁবিলাকৰ পূৰ্ব্ব-পুৰুষবিলাকৰ মুৰ্ত্তিবোৰত আসক্ত থাকিল। 25ইয়াত বাজেও, যি বিধি ভাল নহয়, আৰু যি শাসন-প্রণালীৰ দ্বাৰাই
তেওঁবিলাকে জীয়াই থাকিব নোৱাৰিব, এনে বিধি আৰু শাসন-প্রণালী মই তেওঁবিলাকক দিলোঁ। 26মই যে যিহোৱা, ইয়াক যেন তেওঁবিলাকে
জানিব, এই নিমিত্তে মই তেওঁবিলাকক উচ্ছন্ন কৰিবলৈ, প্রথমে জন্মা আটাইকে তেওঁবিলাকে জুইৰ মাজেদি গমন কৰোৱাৰ দ্বাৰাই,
তেওঁবিলাকক তেওঁবিলাকৰ উপহাৰেৰে অশুচি কৰিলোঁ।

27এই হেতুকে হে মনুষ্য সন্তান, তুমি ইস্রায়েল বংশই সৈতে কথা হৈ তেওঁবিলাকক এই কথা কোৱা, প্রভু যিহোৱাই এই কথা কৈছে, তোমালোকৰ
পূৰ্ব্ব-পুৰুষবিলাকে মোৰ অহিতে অপৰাধ কৰি, ইয়াতে মোক আৰু অপমান কৰিলে। 28কিয়নো যি দেশ তেওঁবিলাকক দিম বুলি মই হাত দাঙি
শপত কৰিছিলোঁ, সেই দেশলৈ মই যেতিয়া তেওঁবিলাকক আনিলোঁ, তেতিয়া তেওঁবিলাকে যি যি ঠাইত কোনো ওখ পৰ্ব্বত, আৰু কোনো
ঘনপতীয়া গছ দেখা পালে, সেই সেই ঠাইত তেওঁবিলাকে নিজ নিজ বলি উৎসৰ্গ কৰিছিল, সেই সেই ঠাইত বিৰক্তিজনক নিজ নিজ নৈবেদ্য
দিছিল, সেই সেই ঠাইত নিজ নিজ সুঘ্রাণাৰ্থক দ্রব্য থৈছিল আৰু সেই সেই ঠাইত পেয় নৈবেদ্য ঢালিছিল। 29তাতে মই তেওঁবিলাকক কলোঁ, যি
ওখ ঠাইখনলৈ তোমালোক উঠি যোৱা, সেই ঠাই কি? এই দৰে সেই ঠাই আজিলৈকে "বামা" [ওখ ঠাই] নামেৰে প্রসিদ্ধ।

30এই হেতুকে তুমি ইস্রায়েল-বংশক কোৱা, প্রভু যিহোৱাই এই কথা কৈছে, তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকৰ নিচিনাকৈ তোমালোকে
তোমালোকক অশুচি কৰা নাই নে? আৰু তেওঁবিলাকৰ ঘিণলগীয়া বস্তুৰ পাছে পাছে ব্যভিচাৰী হৈ যোৱা নাই নে? 31আৰু তোমালোকে নিজৰ
উপহাৰ উৎসৰ্গ কৰি, নিজৰ সন্তানবিলাকক অগ্নিৰ মাজেদি গমন কৰাই আজিলৈকে তোমালোকৰ আটাই মুৰ্ত্তিৰে সৈতে নিজকে অশুচি কৰা
নাই নে? তেন্তে হে ইস্রায়েল বংশ, মই জানো তোমালোকক মোক সুধিবলৈ দিম? প্রভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, মই তোমাললোকক
মোক সুধিবলৈ নিদিওঁ। 32আমি কাঠ আৰু শিলক পূজা কৰি, জাতিবিলাক দেশে-বিদেশে থকা গোষ্ঠীবিলাকৰেই নিচিনা হ'ম বুলি তোমালোকক
কোৱা কথা, তোমালোকৰ মনত উদয় হোৱা, কথা সমূলি নঘটিব। 33প্রভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, পৰাক্রমী হাতেৰে, মেলা বাহুৰে,
আৰু ক্রোধ বৰ্ষণেৰে মই নিশ্চয়ে তোমালোকৰ ওপৰত ৰজা হ'ম। 34পৰাক্রমী হাতেৰে, মেলা বাহুৰে, আৰু ক্রোধ বৰ্ষণেৰে মই জাতিবিলাকৰ
মাজৰ পৰা তোমালোকক উলিয়াই আনিম, আৰু তোমালোক ছিন্ন-ভিন্ন হোৱা দেশৰ পৰা তোমালোকক গোটাম। 35মই তোমালোকক
জাতিবিলাকৰ অৰণ্যলৈ নি, তাত তোমালোকে সৈতে সন্মুখা-সন্মুখি হৈ প্রতিবাদ কৰিম। 36প্রভু যিহোৱাই কৈছে, মিচৰ দেশৰ অৰণ্যত মই
তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকৰ লগত প্রতিবাদ কৰা নিচিনাকৈ তোমালোকৰ লগতো প্রতিবাদ কৰিম। 37আৰু মই তোমালোকক দণ্ডডালিৰ
তলেদি গমন কৰাম, আৰু নিয়মটিৰ বান্ধনীলৈ আনিম; 38আৰু মই বিদ্রোহীহঁতক, আৰু মোৰ অহিতে সত্যলঙ্ঘন কৰাবোৰক জাৰি
তোমালোকৰ মাজৰ পৰা দূৰ কৰিম; সিহঁতে প্রবাস কৰা দেশৰ পৰা মই সিহঁতক উলিয়াম, কিন্তু সিহঁত ইস্রায়েল দেশত নোসোমাব¨ তাতে মই
যে, যিহোৱা, তাক তোমালোকে জানিবা। 39হে ইস্রায়েল-বংশ, প্রভু যিহোৱাই এইদৰে কৈছে, তোমালোক যোৱা, প্রতিজনে নিজ নিজ মুৰ্ত্তিবোৰক
সেৱা পূজা কৰাগৈ; কিন্তু তোমালোকে ভৱিষ্যতে মোৰ কথালৈ অৱশ্যে কাণ দিবা, আৰু মোৰ পবিত্র নাম তোমালোকৰ উপহাৰ আৰু
তোমালোকৰ মুৰ্ত্তিৰে তোমালোকে আৰু অশুচি নকৰিবা।

40কিয়নো, প্রভু যিহোৱাই কৈছে, মোৰ পবিত্র পৰ্ব্বতখনত, ইস্রায়েলৰ ওখ পৰ্ব্বতখনতেই ইস্রায়েলৰ আটাই বংশই, তেওঁবিলাকৰ আটায়ে দেশত
সেই ঠাইতে মোৰ আৰাধনা কৰিব, সেই ঠাইতে মই তেওঁবিলাকক গ্রহণ কৰিম, আৰু সেই ঠাইতে তোমালোকৰ সকলো পবিত্র বস্তুৰে সৈতে
তোমালোকৰ উপহাৰ, আৰু নৈবেদ্যস্বৰূপে দিবলগীয়া তোমালোকৰ আগভাগ পাবলৈ মই ইচ্ছা কৰিম। 41যেতিয়া মই তোমালোকক
জাতিবিলাকৰ মাজৰ পৰা উলিয়াই আনিম আৰু তোমালোক ছিন্ন-ভিন্ন হোৱা দেশবোৰৰ পৰা তোমালোকক গোটাম, তেতিয়া মই তোমালোকক
সুঘ্রাণস্বৰূপে গ্রহণ কৰিম আৰু মই জাতিবিলাকৰ সাক্ষাতে তোমালোকৰ মাজত পবিত্রীকৃত হ'ম। 42যি দেশ তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকক
দিম বুলি মই হাত দাঙি শপত কৰিছিলোঁ, সেই ইস্রায়েল দেশলৈ মই তোমালোকক যেতিয়া নিম তেতিয়া মই যে যিহোৱা, তাক তোমালোকে
জানিবা। 43আৰু যি যি আচাৰ-ব্যৱহাৰ আৰু কাৰ্য্যেৰে তোমালোকে নিজকে অশুচি কৰিলা, সেই সেই আচাৰ-ব্যৱহাৰ আৰু কাৰ্য্য তাত
তোমালোকে মনত কৰিবা, আৰু তোমালোকে কৰা সকলো কুকৰ্ম্মৰ নিমিত্তে তোমালোকে তোমালোকৰ দৃষ্টিত নিজকে ঘিণ কৰিবা। 44আৰু
প্রভু যিহোৱাই কৈছে, হে ইস্রায়েল বংশ তোমালোকৰ কু আচৰণ বা তোমালোকৰ দুষ্কৰ্ম্ম অনুসাৰে নহয়, কিন্তু মোৰ নামৰ অৰ্থেহে যেতিয়া মই
তোমালোকলৈ কাৰ্য্য কৰিম, তেতিয়া, মই যে যিহোৱা, তাক তোমালোকে জানিবা।

## প্রতিকাৰ সাধিবলগা যিহোৱাৰ তৰোৱাল।

45পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল বোলে, 46হে মনুষ্য সন্তান, তুমি দক্ষিণ ফাললৈ তোমাৰ মুখ কৰি, দক্ষিণ দিশে তোমাৰ বাক্য
বৰষোৱা আৰু দক্ষিণ অঞ্চলত থকা দেশৰ কাঠনিৰ বিৰুদ্ধে ভাববাণী প্রচাৰ কৰা। 47আৰু তুমি দক্ষিণ অঞ্চলৰ সেই কাঠনিক কোৱা, যিহোৱাৰ
বাক্য শুনা, প্রভু যিহোৱাই এই কথা কৈছে, চোৱা, মই তোমাৰ মাজত একুৰা জুই জ্বলাম, আৰু সেই জুয়ে তোমাৰ মাজত থকা প্রত্যেক

কেঁচাপতীয়া আৰু প্ৰত্যেক শুকান গছ ভস্ম কৰিব; সেই প্ৰজ্বলিত অগ্নি নুমুৱা নহ’ব, আৰু দক্ষিণৰ পৰা উত্তৰলৈকে সকলোৰে মুখ তাৰে পোৰা
হ’ব; 48তাতে, মই যিহোৱায়েই যে, তাক জ্বলালোঁ, সকোল মত্যই তাক জানিব; তাক নুমৱা নহ’ব। 49তেতিয়া মই কলোঁ, হায় হায়, প্ৰভু যিহোৱা,
লোকে মোৰ বিষয়ে কয়, এইজনে নিগূঢ় বাক্যৰে কথা নকয় নে?

# Chapter 21

1তেতিয়া যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি যিৰূচালেমৰ ফাললৈ তোমাৰ মুখ কৰি, পবিত্ৰস্থানবোৰৰ ফাললৈ
বাক্য বৰষোৱা আৰু ইস্ৰায়েল দেশৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা। 3তুমি ইস্ৰায়েল দেশক কোৱা, যিহোৱাই এই কথা কৈছে, চোৱা, মই তোমাৰ
বিপক্ষ; মই ফাকৰ পৰা মোৰ তৰোৱাল উলিয়াই তোমাৰ মাজৰ পৰা ধাৰ্ম্মিক আৰু দুষ্ট দুয়োকো উচ্ছন্ন কৰিম। 4মই ধাৰ্ম্মিক আৰু দুষ্ট দুয়োকো
তোমাৰ মাজৰ পৰা উচ্ছন্ন কৰিম; সেই নিমিত্তেই দক্ষিণৰ পৰা উত্তৰলৈকে সকলো মত্যৰ অহিতে মোৰ তৰোৱাল ফাকৰ পৰা ওলাব। 5আৰু মই
যিহোৱায়েই যে ফাকৰ পৰা মোৰ তৰোৱাল উলিয়ালোঁ, ইয়াক সকলো মত্যই জানিব ই পুনৰায় নুলটিব। 6এই হেতুকে হে মনুষ্য সন্তান, হুমুনিয়াহ
পেলোৱা, কঁকাল ভগাকৈ আৰু মনৰ বেজাৰেৰে সৈতে তেওঁবিলাকৰ আগত হুমুনিয়াহ পেলোৱা। 7তাতে, কিয় তুমি হুমুনিয়াহ পেলাইছা?
এইবুলি যেতিয়া তেওঁবিলাকে তোমাক সুধিব, তেতিয়া তুমি ক’বা, বাৰ্ত্তাৰ কাৰণে; কিয়নো সেয়ে আহিছে, আৰু প্ৰত্যেকৰ হৃদয় দ্ৰৱ হ’ব,
আটাইৰে হাত দুৰ্ব্বল হ’ব, প্ৰত্যেকৰ মন নিৰুৎসাহ হ’ব, আৰু সকলোৰে আঁঠু পানীৰ নিচিনা অস্থিৰ হ’ব; চোৱা, প্ৰভু যিহোৱাই কৈছে, সেয়ে
আহিছে, আৰু সকলো সিদ্ধ হ’ব।

8পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 9হে মনুষ্য সন্তান, ভাববাণী প্ৰচাৰ কৰি কোৱা, যিহোৱাই এই কথা কৈছে, তুমি কোৱা,
তৰোৱাল! তৰোৱাল! তাক ধাৰ দিয়া আৰু মজাও হৈছে। 10বধ কৰিবৰ নিমিত্তে তাক ধাৰ দিয়া হৈছে, বিজুলীৰ নিচিনা হ’বৰ নিমিত্তে তাক
মজা হৈছে তেনেহলে আমি জানো আমোদ প্ৰমোদ কৰিম? মোৰ পুত্ৰৰ দণ্ডডালিয়ে আটাই কাঠকে তুচ্ছ কৰে। 11তাক হাতত ল’বৰ নিমিত্তে,
তেওঁ তাক মাজিবলৈ আজ্ঞা দিছে; বধ কৰোঁতাৰ হাতত দিবৰ নিমিত্তে তৰোৱালখন ধাৰ দিয়া হৈছে, এনে কি মজাও হৈছে। 12হে মনুষ্য সন্তান,
চিঞৰি কন্দা আৰু হাহাকাৰ কৰা; কিয়নো সেয়ে মোৰ প্ৰজাবিলাকৰ আৰু ইস্ৰায়েলৰ আটাই অধ্যক্ষবিলাকৰ ওপৰলৈ আহিল; তেওঁবিলাকক
মোৰ প্ৰজাবিলাকে সৈতে তৰোৱালত শোধাই দিয়া হ’ল; এই হেতুকে তুমি নিজ কৰঙনত চপৰিওৱা। 13কিয়নো পৰীক্ষা কৰা হৈছে; তুচ্ছ
কৰোঁতো দণ্ডডালিও যদি নাথাকে, তেন্তে কি হ’ব? এয়ে প্ৰভু যিহোৱাৰ বচন। 14এই হেতুকে হে মনুষ্য সন্তান, তুমি ভাববাণী প্ৰচাৰ কৰা, আৰু
হাত তালি দিয়া; তৰোৱাল –খনে অনেক লোকক বধ কৰা তৰোৱালখনেই তৃতীয়বাৰ দুগুণ কোবেৰে কাটক; সেয়ে সিহঁতৰ ভিতৰ-কোঁঠালিত
সোমোৱা, মহৎ লোক জনক সাংঘাতিকৰূপে আঘাত কৰা তৰোৱাল। 15তেওঁবিলাকৰ হৃদয় দ্ৰৱ হ’বৰ নিমিত্তে আৰু তেওঁবিলাকৰ উজুটি খাই
পৰা লোক সৰহ হ’বৰ নিমিত্তে এই তৰোৱালখনৰ আগটো তেওঁবিলাকৰ আটাই নগৰ দুৱাৰৰ অহিতে স্থাপন কৰিলোঁ; হায় হায়! তাক বিজুলী
যেন কৰা হ’ল, বধ কৰিবৰ নিমিত্তে তাক ধাৰ দিয়া হ’ল। 16হে তৰোৱাল, তোমাৰ সমূদায় বল সংগ্ৰহ কৰি সোঁফালে ঘূৰা, যুগুত হৈ বাওঁফালে
ঘূৰা; যি ফাললৈ তুমি মুখ কৰি আছা, সেই ফাললৈ গমন কৰা। 17ময়ো হাত-তালি দিম আৰু মোৰ ক্ৰোধ মাৰ নিয়াম; মই যিহোৱায়েই ইয়াক
কলোঁ।

18পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 19হে মনুষ্য সন্তান, বাবিলৰ ৰজাৰ তৰোৱালখন আহিবৰ নিমিত্তে তুমি দুটা পথ আঁকা,
সেই দুটা পথ একেখন দেশৰ পৰা ওলাই আহিব; আৰু তুমি হাতৰ আকৃতিৰ এক চিন কাটা, নগৰ কেইখনলৈ অহা বাটৰ মূৰত তাক কাটা।
20তৰোৱালখন অম্মোনৰ সন্তানবিলাকৰ ৰব্বা নগৰলৈ আহিবৰ নিমিত্তে এটা পথ, আৰু যিহূদাৰ মাজত থকা গড়েৰে আবৃত যিৰূচালেম
নগৰলৈ আহিবৰ নিমিত্তে এটে পথ তুমি আঁকা। 21কিয়নো বাবিলৰ ৰজাই দুই বাটৰ জোৰাত, দুই বাটৰ মূৰত মঙ্গল চাবলৈ থিয় হৈছে, তেওঁ
কাঁড় দুডাল ইফালে সিফালে জোকাৰিলে, গৃহ দেৱতাবোৰক সুধিলে, আৰু আগ মঙহ চালে। 22পাছে গড় ভঙা যন্ত্ৰ স্থাপন কৰিবলৈ, হত্যাৰ
নিমিত্তে হুকুম দিবলৈ, উচ্চস্বৰে জয়ধ্বনি কৰিবলৈ, দুৱাৰবোৰৰ অহিতে গড় ভঙা যন্ত্ৰ স্থাপন কৰিবলৈ, হাদাম বান্ধিবলৈ, কোঁঠ সাজিবলৈ
তেওঁৰ সোঁ হাতত যিৰূচালেমৰ নাম উঠিল। 23আৰু সিহঁতৰ আগত শপত খোৱাবিলাকৰ মানত সেই মঙ্গলচোৱা কাৰ্য্যটো বৃথা হ’ব ̈ কিন্তু
তেওঁবিলাক ধৰা পৰিবৰ নিমিত্তে তেওঁ অপৰাধ সোঁৱৰণ কৰাব।

24এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে, তোমালোকৰ আটাই কাৰ্য্যৰ দ্বাৰাই, তোমালোকৰ পাপবোৰ ওলাই পৰাকৈ তোমালোকৰ
অপৰাধবোৰ প্ৰকাশিত হ’ল; এইদৰে তোমালোকে নিজৰ দুষ্কৰ্ম্ম সোঁৱৰণ কৰালা, আৰু তোমালোকলৈ মোৰ মনত পৰিল; এতেকে তোমালোক
ধৰা পৰিবা। 25অন্তজনক অপৰাধৰ কালত দিন উপস্থিত হোৱা হত হ’বলগীয়া ইস্ৰায়েলৰ অধিপতি হে দুষ্ট, 26প্ৰভু যিহোৱাই এই কথা কৈছে,
পাগুৰি গুচুউৱা আৰু ৰাজমুকুট দূৰ কৰা; এইবোৰ আৰু নাথাকিব, চাপৰক ওখ কৰা হ’ব, আৰু ওখক চাপৰ কৰা হ’ব। 27মই নষ্ট কৰিম, নষ্ট
কৰিম, নষ্ট কৰিম; স্বত্ব থকা জনা নহালৈকে নিশ্চয়েএইবোৰ আৰু নাথাকিব; আৰু মই এইবোৰ সেই জনাক দিম।

28হে মনুষ্য সন্তান, তুমি ভাববাণী প্ৰচাৰ কৰি কোৱা, প্ৰভু যিহোৱাই অম্মোনৰ সন্তানবিলাকৰ, আৰু সিহঁতে দিয়া অপমানৰ বিষয়ে এই কথা
কৈছে, তুমি কোৱা, অন্তজনক অপৰাধৰ সময়ত দিন উপস্থিত হোৱা হত হ’বলগীয়া সেই দুষ্টবোৰৰ ডিঙিত তোমাক পেলাবলৈ, 29সিহঁতে
তোমাৰ পক্ষে অনৰ্থক দৰ্শন পোৱাত, তোমাৰ পক্ষে মিছা মঙ্গল চোৱাত, এখন তৰোৱাল, ফাকৰ পৰা এখন তৰোৱাল উলিওৱা হৈছে; গ্ৰাস
কৰিবলৈ, বিজুলীস্বৰূপ হ’বলৈ হত্যাৰ নিমিত্তে তাক সজা হৈছে। 30তুমি তাক ফাকত পুনৰ সুমুউৱা। তোমাক সৃষ্টি কৰা ঠাইত, তোমাৰ
জন্মদেশত মই তোমাক দণ্ড দিম। 31আৰু মই তোমাৰৰ ওপৰত মোৰ ক্ৰোধ বৰষাম, মোৰ ক্ৰোধাগ্নি তোমাৰ ওপৰত ফুঁৱাম আৰু বিনষ্ট কৰিবলৈ

নিপুণ পশুতুল্য লোকবিলাকৰ হাতত তোমাক শোধাই দিম। 32তুমি জুইৰ খৰিস্বৰূপ হ’বা; দেশৰ মাজত তোমাৰ ৰক্তপাত হ’ব; তোমাক আৰু
সোঁৱৰণ কৰা নাযাব; কিয়নো মই যিহোৱাই ইয়াক কলোঁ।

### অপৰাধী ইস্রায়েলৰ ঘটিব লগা দণ্ড।

## Chapter 22

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি গোচৰ নচলোৱা নে? ৰক্তপাতকাৰিণী নগৰীৰ ওপৰত গোচৰ
নচলোৱা নে? তেন্তে তাইৰ আটাই ঘিণলগীয়া কাৰ্য্য তাইক বুজুউৱা। 3আৰু তুমি কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, ই কেনেকুৱা নগৰী, যে,
নিজৰ সময় আহিবৰ নিমিত্তে নিজৰ মাজত ৰক্তপাত কৰে, আৰু নিজকে অশুচি কৰিবলৈ নিজৰ নিমিত্তে মুৰ্ত্তি নিৰ্ম্মান কৰে। 4হে নগৰী তুমি
কৰা ৰক্তপাতত তুমি দোষী হ’লা, আৰু তুমি নিৰ্ম্মান কৰা তোমাৰ মুৰ্ত্তি-বোৰৰ দ্বাৰাই তুমি অশুচি হ’লা; আৰু তুমি কাল ওচৰ চপাইছা আৰু
তোমাৰ আয়ুসৰ শেষলৈ আহিছা। এই হেতুকে মই জাতিবিলাকৰ আগত তোমাক ধিক্কাৰৰ আৰু আটাই দেশৰ আগত বিদ্ৰোপৰ বিষয় কৰিম।
5হে বদনামী কলহপূৰ্ণা নগৰী, তোমাৰ ওচৰত আৰু নিলগত থকা সকলোৱে তোমাক বিদ্ৰুপ কৰিব। 6চোৱা, ইস্রায়েলৰ অধ্যক্ষবিলাকে নিজ
নিজ বাহুবল অনুসাৰে ৰক্তপাত কৰিবলৈ তোমাৰ মাজত আছে। 7তোমাৰ মাজত পিতৃ-মাতৃক হেয়জ্ঞান কৰা হৈছে; তোমাৰ মাজত বিদেশীক
অত্যাচাৰ কৰা হৈছে; তোমাৰ মাজত পিতৃহীন আৰু বিধৱাক অন্যায় কৰা হৈছে। 8তুমি মোৰ পবিত্ৰ বস্তুবোৰ ঘিণ কৰিছা, আৰু মোৰ বিশ্ৰাম-
দিনবোৰ অপবিত্ৰ কৰিছা। 9ৰক্তপাত কৰিবলৈ তোমাৰ মাজত চৰ্চ্চিফুৰা লোক আছে। তোমাৰ মাজত লোকে পৰ্ব্বতবোৰৰ ওপৰত ভোজন
কৰে, তোমাৰ মাজত ব্যভিচাৰ কৰে, 10তোমাৰ মাজত পিতৃবিলাকৰ উলঙ্গতা প্ৰকাশ কৰে, তোমাৰৰ মাজত ঋতু-স্নান হোৱা তিৰোতাক
বলৎকাৰ কৰে। 11কোনোৱে নিজৰ ওচৰ-চুবুৰীয়াৰ তিৰোতাৰে সৈতে ঘিণলগীয়া কাৰ্য্য কৰে, কোনোজনে নিজৰ বোৱাৰীয়েকক কু-কৰ্ম্মৰে
অশুচি কৰে, আৰু তোমাৰ মাজত আন কোনোৱে নিজৰ ভনীয়েকক, বাপেকৰ জীয়েকক বলৎকাৰ কৰে। 12ৰক্তপাত কৰিবলৈ তোমাৰ মাজত
লোকে ভেঁটি লয়; তুমি সুত আৰু বাঢ়ি লওঁতা, আৰু তুমি লোভ কৰি অত্যাচাৰৰ দ্বাৰাই তোমাৰ ওচৰ-চুবুৰীয়াৰ পৰা লাভ কৰিছা, কিন্তু মোক
হ’লে পাহৰিছা, ইয়াক প্ৰভূ যিহোৱাই কৈছে।

13এই হেতুকে চোৱা, তুমি কৰা অন্যায় লাভত আৰু তোমাৰ মাজত ৰক্তপাতত তুমি কৰা ৰক্তপাতত মই হাত তালি দিছোঁ। 14মই যি দিনা তোমাৰ
প্ৰতিশোধ ল’ম, সেইদিনা তোমাৰ হৃদয়ে সহি থাকিব পাৰিব নে? বা তোমাৰ হাত সবল হ’ব নে? মই যিহোৱাই ইয়াক কলোঁ, আৰু ইয়াক সিদ্ধও
কৰিম। 15মই জাতিবিলাকৰ মাজত তোমাক ছিন্ন-ভিন্ন কৰিম, দেশবোৰৰ মাজত তোমাক গোট গোট কৰিম আৰু তোমাৰ মাজৰ পৰা তোমাৰ
অশৌচ দূৰ কৰিম। 16আৰু তোমাক জাতিবিলাকৰ সাক্ষাতে অপবিত্ৰ কৰা হ’ব; আৰু মই যে যিহোৱা, তাক তুমি জানিবা।

17পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 18হে মনুষ্য সন্তান, ইস্রায়ল বংশ মোৰ দৃষ্টিত ভাঁজস্বৰূপ হ’ল; তেওঁবিলাক সকলোৱেই
মূহিত দিব লগা পিতল, বগীতাম, লোহা আৰু সীহস্বৰূপ তেওঁবিলাক ৰূপৰ ভাঁজস্বৰূপ। 19এই হেতুকে প্ৰভূ যিহোৱাই এই কথা কৈছে,
তোমালোক সকলোৱেই ভাঁজস্বৰূপ হোৱাৰ বাবে নিমিত্তে চোৱা, মই তোমালোকক যিৰূচালেমৰ মাজত গোটাম। 20মানুহে ৰূপ, পিতল, লোহা,
সীহ আৰু বগীতাম গলাবৰ নিমিত্তে, তাৰ ওপৰত জুই ফুঁৱাবলৈ মূহীৰ মাজত তাক গোটাই দিয়াৰ নিচিনাকৈ মই তোমালোকক মোৰ ক্ৰোধত
আৰু কোপত গোটাম, আৰু তোমালোকক তাত পেলাই গলাম। 21এনে কি, মই তোমালোকক গোটাই, মোৰ ক্ৰোধাগ্নি তোমালোকৰ ওপৰত
ফুঁৱাম; তাতে তোমালোক তাৰ মাজত গলি যাবা। 22মূহীৰ মাজত ৰূপ গলা নিচিনাকৈ তাৰ মাজত তোমালোক গলিবা; তাতে মই যিহোৱায়েই যে
তোমালোকৰ ওপৰত মোৰ ক্ৰোধ বৰষালোঁ, তাক তোমালোকে জানিবা।

23পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 24হে মনুষ্য সন্তান, তুমি যিহূদাক কোৱা, তুমি হাবি নকটা, বা ক্ৰোধৰ দিনা বৰষুণ নিদিয়া
দেশ। 25তাৰ মাজত তাৰ ভাববাদীবোৰে চক্ৰান্ত কৰিছে; সিহঁতে চিকাৰ ধৰোঁতে গৰ্জ্জন কৰোঁতা সিংহৰ নিচিনা; সিহঁতে মনুষ্যক গ্ৰাস কৰে;
সিহঁতে ধন-সম্পত্তি আৰু বহুমূল্য বস্তু নিয়ে; সিহঁতে তাৰ মাজত তাৰ বিধৱাৰ সংখ্যা বঢ়ালে। 26তাৰ পুৰোহিতবোৰে মোৰ ব্যৱস্থাৰ বিপৰীতে
অত্যাচাৰ কৰে; সিহঁতে পবিত্ৰ আৰু সাধাৰণৰ মাজত প্ৰভেদ নাৰাখে, বা শুচি আৰু অশুচিৰ মাজত বিভিন্ন কৰিবলৈ মানুহক নিশিকাই; সিহঁতে
মোৰ বিশ্ৰাম-দিনবোৰৰ পৰা সিহঁতৰ চকু ঢাকে, আৰু মই সিহঁতৰ মাজত অপবিত্ৰীকৃত হ’লোঁ। 27অন্যায় লাভ কৰিবৰ নিমিত্তে ৰক্তপাত
কৰিবলৈ, আৰু মনুষ্যক বিনষ্ট কৰিবলৈ তাৰ মাজত থকা তাৰ মুখ্যবিলাক চিকাৰ ধৰোঁতা ৰাংকুকুৰস্বৰূপ। 28যিহোৱাই নোকোৱাকৈয়ে প্ৰভূ
যিহোৱাই এইদৰে কৈছে বুলি তাৰ ভাববাদীবোৰে কৈ, অনৰ্থক দৰ্শন দেখি, আৰু তেওঁবিলাকৰ পক্ষে মিছা মঙ্গল চাই, তেওঁবিলাকৰ নিমিত্তে
চূণেৰে লিপে। 29দেশৰ প্ৰজাবিলাকে উপদ্ৰপ কৰে, বলেৰে লয়, এনে কি, দুখী-দৰিদ্ৰক দুখ দিয়ে, আৰু বিদেশীক অন্যায়কৈ অত্যাচাৰ কৰে।
30আৰু মই দেশ নষ্ট নকৰিবৰ নিমিত্তে, চাৰিওফালে গড় নিৰ্ম্মান কৰিব পৰা, আৰু দেশৰ অৰ্থে মোৰ আগত গড় ভঙা বাটত থিয় হ’ব পৰা এনে
এজন মানুহ তেওঁবিলাকৰ মাজত বিচাৰিলোঁ, কিন্তু মই কাকো নাপালোঁ। 31এই হেতুকে মই তেওঁবিলাকৰ ওপৰত মোৰ ক্ৰোধ বৰষাম, মোৰ
ক্ৰোধাগ্নিয়ে তেওঁবিলাকক সংহাৰ কৰিম; প্ৰভূ যিহোৱাই কৈছে, মই তেওঁবিলাকৰ নিজৰ নিজৰ আচাৰ-ব্যৱহাৰৰ ফল তেওঁবিলাকৰ মূৰত
ফলিওৱাম।

**অহলা আৰু অহলীবা নামেৰে দুজনী তিৰোতাৰ দৃষ্টান্ত।**

## Chapter 23

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, দুজনী তিৰোতা আছিল; সিহঁত একেজনী মাকৰে জীয়েক। 3সিহঁতে
মিচৰত বেশ্যাকৰ্ম্ম কৰিছিল, যৌৱন কালতেই বেশ্যাকৰ্ম্ম কৰিছিল; তাত সিহঁতৰ পিয়াহ মোচৰা হৈছিল আৰু তাত সিহঁতৰ জীয়াৰী কালৰ
পিয়াহৰ মূৰ টিপা হৈছিল। 4সিহঁতৰ মাজৰ বৰ জনীৰ নাম অহলা [তম্বু], আৰু তাইৰ ভনীয়েকৰ নাম অহলীবা [তাইৰ মাজত মোৰ তম্বু]; সিহঁত
মোৰ হ’ল আৰু সিহঁতে পো-জী প্ৰসৱ কৰিলে। সিহঁতৰ নামে এই বুজায়, অহলা চমৰীয়া, আৰু অহলীবা যিৰূচালেম।

5অহলা মোৰ হৈয়ো, তাই বেশ্যাকৰ্ম্ম কৰিলে; নীলবস্ত্ৰ পিন্ধা, দেশাধিপতি আৰু শাসনকৰ্ত্তা হোৱা তাইৰ ওচৰ-চুবুৰীয়া অচূৰ দেশৰ
প্ৰেমকাৰীবোৰত তাই আসক্ত হ’ল; 6সিহঁত সকলোৱেই মনোহৰ যুৱা, ঘোঁৰাৰ ওপৰত উঠা অশ্বাৰোহী। 7তাই সিহঁতে সৈতে বেশ্যাকৰ্ম্ম কৰিলে;
সিহঁত আটাইবোৰ অচূৰৰ মনোনীত লোক; আৰু তাই যিবোৰত আসক্ত হ’ল, সিহঁতৰ আটাই মূৰ্ত্তিৰ দ্বাৰাই তাই নিজকে অশুচি কৰিলে।
8মিচৰত থকা দিনৰে পৰা তাই নিজৰ বেশ্যালি এৰা নাই; কিয়নো তাইৰ যৌৱন কালত সিহঁতেই তাইৰ লগত শয়ন কৰি, তাইৰ জীয়াৰী কালৰ
পিয়াহৰ মূৰ টিপিছিল আৰু সিহঁতে তাইৰ লগত অধিক পৰিমানে বেশ্যাকৰ্ম্ম কৰিছিল। 9এই হেতুকে মই তাইৰ প্ৰেমকাৰীবোৰৰ, তাই আসক্ত
হোৱা অচূৰীয়াহঁতৰ হাতত তাইক শোধাই দিলোঁ। 10সিহঁতে তাইৰ উলঙ্গতা প্ৰকাশ কৰিলে, তাইৰ পো-জী বিলাকক নিলে আৰু তাইক
তৰোৱালেৰে বধ কৰিলে; এইদৰে তাই তিৰোতাবিলাকৰ মাজত দৃষ্টান্তস্বৰূপা হ’ল আৰু দণ্ড ভোগ কৰিলে।

11তাইৰ ভনীয়েক অহলীবাই ইয়াক দেখিও, নিজ কামাসক্তত, আৰু নিজ বায়েকৰ বেশ্যালিতকৈ অধিক হোৱা নিজ বেশ্যাকৰ্ম্মত তাইতকৈ বেছি
ভ্ৰষ্টা হ’ল। 12অতি জাকজমক্কে বস্ত্ৰ পিন্ধা দেশাধিপতি আৰু শাসনকৰ্ত্তাবিলাকত, ঘোঁৰাৰ ওপৰত উঠা অশ্বাৰোহী তাইৰ ওচৰ-চুবুৰীয়া
অচূৰীয়াহঁতত তাই আসক্ত হ’ল; 13সিহঁত সকলোৱেই মনোহৰ যুৱা। আৰু মই দেখিলোঁ, তাই অশুচি হ’ল; দুয়ো জনীয়ে একে পথ ললে। 14তাই
নিজ বেশ্যালি বঢ়ালে; কিয়নো তাই, দেৱালত অঁকা পুৰুষবিলাকক, অৰ্থাৎ সেন্দুৰেৰে অঁকা কল্দীয়াহঁতৰ নক্সা দেখিলে; 15সিহঁতৰ ককাঁলত
টঙালি বন্ধা, মূৰত ওলোমাই পাগুৰী মৰা; সিহঁত সকলোৱেই দেখিবলৈ সেনাপতিৰ নিচিনা, যি বাবিলীয়াহঁতৰ জন্মদেশ কল্দীয়া, সেই
বাবিলীয়াহঁত যেন দেখা যায়। 16তাই সিহঁতক দেখিয়েই সিহঁতত আসক্ত হ’ল আৰু কল্দীয়া দেশলৈ সিহঁতৰ গুৰিলৈ দূত পঠালে। 17তাতে
বাবিলীয়াহঁতে তাইৰ ওচৰলৈ আহি প্ৰেমশয্যাত উঠিল আৰু বেশ্যাকৰ্ম্মেৰে তাইক অশুচি কৰিলে; তাতে, তাই সিহঁতৰ দ্বাৰাই কলুষিত হ’লত
তাইৰ মনত সিহঁতলৈ ঘিণ লাগিল। 18এইদৰে তাই নিজৰ বেশ্যালি প্ৰকাশ কৰি নিজৰ বিবস্ত্ৰতা অনাবৃত কৰিলে; তেতিয়া মোৰ মনত তাইৰ
বায়েকলৈ ঘিণ লগা নিচিনাকৈ তাইলৈকো মোৰ মনত ঘিণ লাগিল। 19তথাপি তাই মিচৰ দেশত বেশ্যাকৰ্ম্ম কৰা নিজ যৌৱন কাল সোঁৱৰণ কৰি
নিজৰ বেশ্যালি বৃদ্ধি কৰিলে। 20গাধৰ মাংসৰ নিচিনা মাংস থকা, আৰু ঘোঁৰাৰ বীৰ্য্যৰ নিচিনা বীৰ্য্য থকা তাইৰ উপপতিবোৰত তাই আসক্ত
হ’ল। 21যৌৱন কালৰ পিয়াহ বুলি মিচৰীয়াহঁতে তোমাৰ পিয়াহৰ মূৰ টিপা সময়ত হোৱা তোমাৰ যৌৱন কালৰ ব্যভিচাৰ এইদৰে পুনৰায়
কৰিবলৈ তুমি চেষ্টা কৰিলা।

22এই হেতুকে হে অহলীবা, প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, তোমাৰ মনত যি প্ৰেমকাৰী-বোৰলৈ ঘিণ লাগিল, মই সিহঁতক তোমাৰ বিৰুদ্ধে
উচটাম, তোমাৰ চাৰিওফালৰ পৰা তোমাৰ বিৰুদ্ধে সিহঁতক আনিম। 23বাবিলীয়া আৰু আটাই কল্দীয়াহঁতক, পকোদ, চোৱা আৰু কোৱাক
আৰু সিহঁতে সৈতে আটাই অচূৰীয়াহঁতক মই আনিম; সিহঁত সকলোৱেই মনোহৰ যুৱা, দেশাধিপতি আৰু শাসনকৰ্ত্তা; সিহঁত সেনাপতি আৰু
বিখ্যাত লোক; সিহঁত আটাইবোৰ অশ্বাৰোহী। 24সিহঁতে অস্ত্ৰ-শস্ত্ৰ, ৰথ, গাড়ী, আৰু লোকসমূহে সৈতে তোমাৰ বিৰুদ্ধে আহিব; সিহঁতে ফৰ আৰু
ঢাল লৈ আৰু শিৰোৰক্ষক টুপি পিন্ধি তোমাৰ অহিতে চাৰিওফালে বেহু পাতিব; মই সিহঁতৰ হাতত বিচাৰভাৰ সমৰ্পণ কৰিম; তাতে সিহঁতে
সিহঁতৰ বিচাৰ অনুসাৰে তোমাৰ বিচাৰ কৰিব। 25আৰু মই তোমাৰ বিৰুদ্ধে মোৰ অন্তৰ্জ্জালা প্ৰজ্বলিত কৰিম; তাতে সিহঁতে তোমালৈ ক্ৰোধ
কৰিব, তোমাৰ নাক আৰু কাণ কাটিব, আৰু তোমাৰ অৱশিষ্ট ভাগ তোমাৰ তৰোৱালৰ দ্বাৰাই পতিত হ’ব; সিহঁতে তোমাৰ পো-জীবোৰক নিব
আৰু তোমাৰ অৱশিষ্ট ভাগ জুইত পোৰা হ’ব। 26সিহঁতে তোমাক উলঙ্গও কৰিব; আৰু তোমাৰ সুন্দৰ সুন্দৰ অলঙ্কাৰবোৰ নিব। 27এইদৰে মই
তোমাৰ পৰা তোমাৰ ব্যভিচাৰ, আৰু মিচৰ দেশত অভ্যাস কৰা তোমাৰ বেশ্যালি নাইকিয়া কৰিম; তাতে তুমি সিহঁতলৈ আৰু চকু তুলি নাচাবা,
নাইবা মিচৰলৈ আৰু সোঁৱৰণ নকৰিবা। 28কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, তুমি হিংসা কৰাবোৰৰ হাতত, যিবোৰলৈ তোমাৰ মনত
ঘিণ লাগিল, সিহঁতৰেই হাতত মই তোমাক শোধাই দিম। 29সিহঁতে তোমাক হিংসা কৰিব, তোমাৰ সকলো পৰিশ্ৰমৰ ফল নিব, আৰু তোমাক
উলঙ্গিনী ও বিবস্ত্ৰতা কৰি এৰিব; তাতে তোমাৰ বেশ্যাকৰ্ম্মৰ দ্বাৰাই হোৱা বিবস্ত্ৰতা, তোমাৰ ব্যভিচাৰ আৰু বেশ্যা-কাৰ্য্য প্ৰকাশ পাব।

30তুমি বেশ্যাহৈ জাতিবিলাকৰ পাছে পাছে যোৱাৰ কাৰণে, আৰু তুমি সিহঁতৰ মুৰ্ত্তিবোৰেৰে কলঙ্কিত হোৱাৰ কাৰণে এইবোৰ কাৰ্য্য তোমালৈ
কৰা যাব। 31তুমি তোমাৰ বায়েৰাৰ পথত গমন কৰিলা; এই হেতুকে মই তাইৰ পানপাত্ৰ তোমাৰ হাতত দিম। 32প্ৰভু যিহোৱাই এই কথা কৈছে,
তুমি তোমাৰ বায়েৰাৰ দ আৰু বহল পানপাত্ৰত পান কৰিবা তুমি পৰিহাসৰ আৰু বিদ্ৰূপৰ বিষয় হ’বা; সেই পান পাত্ৰত বহুত ধৰে। 33তুমি
মাতলামি আৰু দুখেৰে পৰিপূৰ্ণা হ’বা; তোমাৰ বায়েৰা চমৰিয়াৰ পানপাত্ৰ বিস্ময় আৰু ধ্বংসজনক পানপাত্ৰ। 34তুমি তাত পান কৰিবা, চুঁচি
খাবা, তাৰ খোলাবোৰ চোবাবা, আৰু স্তন বিদাৰিবা; কিয়নো, প্ৰভু যিহোৱাই কৈছে, ময়েই ইয়াক কলোঁ। 35এই হেতুকে প্ৰভু যিহোৱাই এই কথা
কৈছে, তুমি মোক পাহৰিলা, আৰু মোক পাছফাললৈ পেলালা; এই নিমিত্তে তুমিও তোমাৰ ব্যভিচাৰ আৰু বেশ্যাকৰ্ম্মৰ ফল ভোগ কৰিবা।

36যিহোৱাই মোক আৰু ক’লে হে মনুষ্য সন্তান, তুমি অহলা আৰু অহলীবাৰ ওপৰত গোচৰ নকৰা নে? তেন্তে সিহঁতৰ ঘিণলগীয়া কাৰ্য্যবোৰ
সিহঁতক বুজুউৱা। 37কিয়নো সিহঁতে ব্যভিচাৰ কৰিলে, আৰু সিহঁতৰ হাতত তেজ লাগি আছে; সিহঁতে সিবিলাকৰ মুৰ্ত্তিবোৰে সৈতে ব্যভিচাৰ
কৰিলে, আৰু সিহঁতে মোৰ নিমিত্তে প্ৰসৱ কৰা সিহঁতৰ সন্তানবিলাক গ্ৰাসিত হ’বলৈ সেইবোৰৰ উদ্দেশ্যে জুইৰ মাজেদি সিহঁতক গমনো কৰালে।
38সিহঁতে মোলৈ এইটোও কৰিলে, যে, সিহঁতে সেই দিনাই মোৰ ধৰ্ম্মধাম অশুচি কৰিলে, আৰু মোৰ বিশ্ৰাম-দিনবোৰ অপবিত্ৰ কৰিলে।
39কিয়নো, সিহঁতে সিবিলাকৰ মুৰ্ত্তিবোৰৰ উদ্দেশ্যে নিজ নিজ সন্তানবিলাকক বধ কৰাৰ পাছত, সেই দিনাই মোৰ ধৰ্ম্মধামলৈ আহি তাক
অপবিত্ৰ কৰিলে; চোৱা, মোৰ গৃহৰ মাজতে সিহঁতে এই প্ৰকাৰ কৰিলে। 40আৰু ইয়াৰ বাহিৰেও তোমালোক দুজনীয়ে দূৰৰ মানুহক আহিবলৈ
মাতিলা, সিহঁতলৈ এজন দূত পঠোৱা হৈছিল; আৰু চোৱা; সিহঁত আহিল; সিহঁতৰ নিমিত্তে তুমি গা ধুলা, তোমাৰ চকুত কাজল দিলা, আৰু
অলঙ্কাৰেৰে নিজকে বিভূষিতা কৰিলা; 41আৰু তুমি ৰাজকীয় শয্যাত বহিলা, আৰু তাৰ আগত এখন মেজ সজোৱা হ’লত তাৰ ওপৰত তুমি
মোৰ ধুপ মোৰ তেল থলা। 42আৰু নিশ্চিন্তে থকা লোকসমূহৰ কোলাহল তাইৰ তাত শুনা গ’ল, আৰু সামান্য শ্ৰেণীৰ মানুহবিলাকৰ লগত
অৰণ্যৰ পৰা মতোৱালবোৰ অনা হ’ল; সিহঁতে সেই দুজনীৰ হাতত খাৰু আৰু মূৰত সুন্দৰ মুকুট দিলে।

43তেতিয়া ব্যভিচাৰত বুঢ়ী হোৱাজনীৰ বিষয়ে মই কলোঁ, সিহঁতে তাইৰ লগত আৰু তাই সিহঁতৰ লগত এতিয়া বেশ্যাকৰ্ম্ম কৰিব। 44পাছে
পুৰুষবোৰে বেশ্যাত গমন কৰা নিচিনাকৈ সিহঁতে তাইত গমন কৰিলে; এইদৰে সিহঁতে সেই ব্যভিচাৰিণী তিৰোতা অহলা আৰু অহলীবাত গমন
কৰিলে। 45মানুহে ব্যভিচাৰিণীক ও ৰক্তপাতকাৰিণীক দণ্ড দিয়াৰ দৰে ধাৰ্ম্মিকবিলাকে সিহঁত দুজনীক দণ্ড দিব; কিয়নো সিহঁত ব্যভিচাৰিণী;
আৰু সিহঁতৰ হাতত তেজ লাগি আছে। 46কাৰণ প্ৰভূ যিহোৱাই এই কথা কৈছে, মই সিহঁতৰ বিৰুদ্ধে সমাজক আনিম; আৰু মই সিহঁতক ত্ৰাসৰ
বিষয় ও লুটদ্ৰব্যস্বৰূপ হ’বলৈ দিম; 47সমাজে সিহঁতলৈ শিল দলিয়াব, আৰু নিজ নিজ তৰোৱালেৰে সিহঁতক ডোখৰ ডোখৰ কৰিব;
তেওঁবিলাকে সিহঁতৰ পো-জীবোৰক বধ কৰিব, আৰু জুই দি সিহঁতৰ ঘৰবোৰ পুৰিব। 48এইদৰে মই দেশৰ পৰা ব্যভিচাৰ দূৰ কৰিম; তাতে
সকলো তিৰোতাই তোমালোকৰ ব্যভিচাৰ মতে কাৰ্য্য নকৰিবলৈ শিকিব। 49আৰু লোকবিলাকে তোমালোকৰ ব্যভিচাৰৰ বোজা তোমালোকৰ
ওপৰত ৰাখিব, আৰু তোমালোকে তোমালোকৰ মুৰ্ত্তিসম্বন্ধীয় পাপৰ ভাৰ ববা; তাতে, মই যে প্ৰভূ যিহোৱা, তাক তোমালোকে জানিবা।

## কঁহে ধৰা টৌৰ দৃষ্টান্ত।

# Chapter 24

1পুনৰায় নৱম বছৰৰ দশম মাহৰ দশম দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি এই দিনৰ, এই দিনৰেই নাম
লিখা; আজি এই দিনাই বাবিলৰ ৰজাই যিৰূচালেম আক্ৰমণ কৰিছে। 3তুমি সেই বিদ্ৰোহী বংশৰ আগত দৃষ্টান্ত দি তেওঁলোকক কোৱা, প্ৰভূ
যিহোৱাই এই কথা কৈছে, তুমি টৌটো বহোৱা, তাক বহোৱা আৰু তাত পানী বাকি দিয়া। 4তাত দিব লগীয়া ডোখৰবোৰ, পাছ-পিৰা, আগ-পিৰা
আদি উত্তম উত্তম ডোখৰবোৰ তাৰ মাজত গোটাই দিয়া, উত্তম হাড়বোৰেৰে তাক পূৰ কৰা। 5জাকৰ মাজৰ উত্তম মেৰবোৰ লোৱা, আৰু
টৌটোৰ তলত হাড়বোৰো দমোৱা, তাক ভালকৈ উতলোৱা, এনে কি, তাৰ মাজত হাড়বোৰ সিজক।

6এই হেতুকে প্ৰভূ যিহোৱাই কৈছে, কঁহে ধৰা আৰু কঁহ নুগুচা টৌৰূপ ৰক্তপাতকাৰিণী নগৰীৰ সন্তাপ হ’ব; তুমি চিঠী নেখেলোৱাকৈ এডোখৰ
এডোখৰকৈ তাৰ সকলোকে উলিওৱা। 7কিয়নো তাই কৰা ৰক্তপাত তাইৰ মাজত আছে; তাই শুদা শিলৰ ওপৰত তাক ৰাখিছে, ধূলিৰে ঢাকি
ৰাখিবৰ নিমিত্তে মাটিৰ ওপৰত তাক ঢলা নাই। 8প্ৰতিকাৰ সাধিবৰ অৰ্থে ক্ৰোধ তুলিবলৈ, তাই উলিওৱা ৰক্ত ঢাক নাখাবৰ নিমিত্তে মই তাক
শুদা শিলত ৰাখিলোঁ। 9এই হেতুকে প্ৰভূ যিহোৱাই এই কথা কৈছে, ৰক্তপাতকাৰিণী নগৰীৰ সন্তাপ হ’ব; ময়ো দমটো ডাঙৰ কৰিম। 10খৰি
দমোৱা, জুই বৰকৈ জ্বলোৱা, মাংস ভালকৈ সিজোৱা, জোল ডাঠ কৰা, আৰু হাড়বোৰ জ্বলি যাব দিয়া। 11তাৰ পাছত টৌটো গৰম হ’বলৈ, তাৰ
পিতল পুৰিবলৈ, তাৰ মল তাত গলিবলৈ, আৰু তাৰ কঁহ গুচিবলৈ তাৰ আঙঠাৰ ওপৰত তাক খালিকৈ বহোৱা। 12সেয়ে মোক পৰিশ্ৰমেৰে ক্লান্ত
কৰিলে, তথাপি তাৰ বৰ কঁহ তাৰ পৰা নুগুচে; তাক জুইত দিব লাগে। 13তোমাৰ অশৌচ ব্যভিচাৰযুক্ত; মই তোমাক শুচি কৰিবলৈ যত্ন কৰোঁতা
তুমি শুচি নহ’লা, এই কাৰণে মই তোমাৰ ওপৰত মোৰ ক্ৰোধ মাৰ নিনিয়ালৈকে তুমি তোমাৰ অশৌচৰ পৰা আৰু শুচি নহ’বা। 14মই যিহোৱাই
ইয়াক কলোঁ; এয়ে ঘটিব, আৰু মই ইয়াক সিদ্ধ কৰিম; মই ক্ষান্ত নহ’ম, দয়া নকৰিম, বা মন নাপালটাম; তোমাৰ আচৰণ আৰু কাৰ্য্য অনুসাৰে
তোমাক দণ্ড দিয়া যাব, ইয়াক প্ৰভূ যিহোৱাই কৈছে।

## ভাববাদীৰ ভাৰ্য্যাৰ মৃত্যু।

15পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 16হে মনুষ্য সন্তান, চোৱা, মই আঘাতেৰে তোমাৰ চকুৰ তৃপ্তিজনক বস্তু তোমাৰ পৰা দূৰ
কৰিম; তথাপি তুমি বিলাপ কি ক্ৰন্দন নকৰিবা, আৰু তোমাৰ চকুলো বৈ নাযাওক। 17তুমি হুমুনিয়াহ পেলোৱা; কিন্তু বৰকৈ নহয়; মৃত লোকৰ
নিমিত্তে শোক নকৰিবা, তোমাৰ মূৰত পাগুৰি বান্ধা, আৰু ভৰিত জোতা পিন্ধা, তোমাৰ ওঁঠ নাঢাকিবা, আৰু মানুহবিলাকে দিয়া পিঠা নাখাবা।
18ৰাতিপুৱা মই মানুহবিলাকক এইদৰে কলোঁ; গধূলি মোৰ ভাৰ্য্যাৰ মৃত্যু হ’ল, আৰু আজ্ঞা পোৱাৰ দৰে মই ৰাতিপুৱা কৰিলোঁ।

[19]লোকবিলাকে মোক কলে, তুমি যে এইবোৰ কৰিছা, এইবোৰনো আমাত কেনেকৈ খাতিছে? তুমি আমাক নোকোৱা নে? [20]তেতিয়া মই তেওঁবিলাকক কলোঁ, যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, [21]তুমি ইস্ৰায়েল বংশক কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, চোৱা, তোমালোকৰ বলদায়ক অহঙ্কাৰ স্থল, তোমালোকৰ চকুৰ তৃপ্তিজনক আৰু তোমালোকৰ প্ৰাণৰ আকাঙ্ক্ষিত বস্তু যি মোৰ ধৰ্ম্ম –ধাম, তাক মই অপবিত্ৰ কৰিম, আৰু তোমালোকে এৰি যোৱা তোমালোকৰ পো-জীবিলাক তৰোৱালৰ দ্বাৰাই পতিত হ'ব। [22]তাতে মই কৰাৰ দৰে তোমালোকেও কৰিবা; তোমালোকে তোমালোকৰ ওঁঠ নাঢাকিবা, বা মানুহবিলাকে দিয়া পিঠা নাখাবা; [23]তোমালোকৰ পাগুৰি তোমালোকৰ মূৰত, আৰু তোমালোকৰ জোতা তোমালোকৰ ভৰিত থাকিব; তোমালোকে বিলাপ কি ক্ৰন্দন নকৰিবা, কিন্তু নিজ নিজ অপৰাধত ক্ষীণ হৈ যাবা, আৰু এজনে আনজনৰ আগত কেঁকাবা। [24]এইদৰে যিহিষ্কেল তোমালোকৰ চিনস্বৰূপ হ'ব; তেওঁ কৰা আটাই কাৰ্য্য অনুসাৰে তোমালোকেও কৰিবা। এয়ে যেতিয়া ঘটিব, তেতিয়া, মই যে প্ৰভূ যিহোৱা, তাক তোমালোকে জানিবা।

[25]আৰু হে মনুষ্য সন্তান, শুনা; যি দিনা মই তোমালোকৰ বল, তেওঁবিলাকৰ আনন্দদায়ক গৌৰৱৰ স্থল, তেওঁবিলাকৰ চকুৰ তৃপ্তিজনক আৰু মনৰ অভিলাষিত বস্তু, আৰু তেওঁবিলাকৰ পো-জীবিলাকক তেওঁবিলাকৰ পৰা দূৰ কৰিম, [26]সেই দিনা পলাই ৰক্ষা পোৱা লোকে সেই কথা তোমাৰ কাণত পেলাবলৈ তোমাৰ ওচৰলৈ নাহিব নে? [27]সেই দিনা তোমাৰ মুখ পলাই ৰক্ষা পোৱাজনৰ আগত মুকলি হ'ব; তাতে তুমি কথা ক'বা, বোবা আৰু নহ'বা। এইদৰে তুমি তেওঁবিলাকৰ আগত চিনস্বৰূপ হ'বা, আৰু মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব।

### অম্মোনৰ সন্তানবিলাকৰ বিৰুদ্ধে কোৱা ভাববাণী।

## Chapter 25

[1]পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, [2]বোলে, হে মনুষ্য সন্তান,তুমি অম্মোনৰ সন্তানবিলাকৰ ফাললৈ মুখ কৰি সিহঁতৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা। [3]তুমি অম্মোনৰ সন্তানবিলাকক কোৱা, তোমালোকে প্ৰভূ যিহোৱাৰ বাক্য শুনা। প্ৰভূ যিহোৱাই এই কথা কৈছে, মোৰ ধৰ্ম্মধাম অপবিত্ৰ হ'লত তাৰ অহিতে ইস্ৰায়েল-ভূমি ধ্বংস কৰা হ'লত তাৰ অহিতে আৰু যিহূদা বংশ দেশান্তৰলৈ গ'লত সেই বংশৰ অহিতে ভাল হৈছে বুলি তুমি ক'লা। [4]এই হেতুকে চোৱা, অধিকাৰৰ অৰ্থে মই তোমাক পূৱদেশীয় সন্তানবিলাকৰ হাতত শোধাই দিম; সিহঁতে তোমাৰ মাজত নিজ নিজ ছাউনি পাতিব আৰু তোমাৰ মাজত নিজ নিজ বসতিস্থান কৰিব; সিহঁতে তোমাৰ ফল খাব, আৰু তোমাৰ গাখীৰ পান কৰিব। [5]আৰু মই ৰব্বাক উটশাল, আৰু অম্মোনৰ সন্তানবিলাৰ দেশ মেৰ শোৱা গঁৰাল কৰিম; তাতে, মই যে, যিহোৱা তাক তোমালোকে জানিবা। [6]কিয়নো প্ৰভূ যিহোৱাই এই কথা কৈছে, তুমি হাত তালি দিলা, মাটিত ভৰি মাৰিলা, আৰু ইস্ৰায়েল দেশৰ অহিতে তোমাৰ প্ৰাণৰ সম্পূৰ্ণ হিংসাৰে আনন্দ কৰিলা. [7]এই হেতুকে চোৱা, মই তোমাৰ অহিতে মোৰ হাত মেলি জাতিবিলাকৰ গুৰিত লুটদ্ৰব্যস্বৰূপ তোমাক শোধাই দিম; মই জাতিবিলাকৰ পৰা তোমাক উচ্ছন্ন কৰিম আৰু দেশবোৰৰ মাজৰ পৰা তোমাক লুপ্ত কৰিম। মই তোমাক বিনষ্ট কৰিম; তাতে, মই যে যিহোৱা, তাক তুমি জানিবা ।

### মোৱাবৰ, ইদোমৰ, আৰু পলেষ্টীয়াবিলাকৰ বিৰুদ্ধে কোৱা ভাববাণী।

[8]প্ৰভূ যিহোৱাই এই কথা কৈছে, “চোৱা, যিহূদা-বংশ আন আটাই জাতিৰে নিচিনা হ'ল”, [9]এই হেতুকে চোৱা, নগৰ কেইখনৰ পোনে, বৈৎ-যিচীমোৎ, বাল-মিয়োন আৰু কিৰিয়াথয়িম, দেশৰ গৌৰৱ স্বৰূপ মোৱাবৰ সীমাত থকা তাৰ এই নগৰ কেইখনৰ পোনে, [10]অম্মোনৰ সন্তানবিলাকৰ অহিতে যালৈ পূৱদেশীয় সন্তানবিলাকৰ নিমিত্তে মই মোৱাবৰ দাঁতিত বাট উলিয়াম, আৰু অম্মোনৰ সন্তানবিলাক জাতিবিলাকৰ সোঁৱৰণত নাথাকিবৰ নিমিত্তে মই অধিকাৰৰ অৰ্থে সেইবেৰ সিহঁকত দিম। [11]আৰু মই মোৱাবক দণ্ড দিম; তাতে মই যে যিহোৱা, তাক সিহঁতে জানিব।

[12]প্ৰভূ যিহোৱাই এই কথা কৈছে, ইদোমে প্ৰতিকাৰ সাধিবৰ মনেৰে যিহূদা-বংশৰ অহিতে কাৰ্য্য কৰিলে, আৰু তেওঁবিলাকৰ প্ৰতিকাৰ সাধি অতিশয় দোষ কৰিলে। [13]এই নিমিত্তে প্ৰভূ যিহোৱাই এই কথা কৈছে, মই ইদোমৰ অহিতে মোৰ হাত মেলি তাৰ পৰা মানুহ আৰু পশু সকলোকে উচ্ছন্ন কৰিম; আৰু তৈমনৰে পৰা মই ততাক ধ্বংসস্থান কৰিম, দদানলৈকে সিহঁত তৰোৱালৰ দ্বাৰাই পতিত হ'ব। [14]মোৰ প্ৰজা ইস্ৰায়েলৰ দ্বাৰাই মই ইদোমৰ ওপৰত মোৰ প্ৰতিকাৰ সাধিম; আৰু তেওঁবিলাকে মোৰ ক্ৰোধ ও কোপ অনুসাৰে ইদোমত কাৰ্য্য কৰিব; তেতিয়া, প্ৰভূ যিহোৱাই কৈছে, মই প্ৰতিকাৰ সধা কি, তাক সিহঁতে জানিব।

[15]প্ৰভূ যিহোৱাই এই কথা কৈছে, পলেষ্টীয়াহঁতে প্ৰতিকাৰ সাধিবৰ মনেৰে কাৰ্য্য কৰিলে, আৰু চিৰস্থায়ী শত্ৰুতাৰে বিনষ্ট কৰিবলৈ মনৰ হিংসাৰে প্ৰতিকাৰ সাধিলে। [16]এই নিমিত্তে প্ৰভূ যিহোৱাই এই কথা কৈছে, মই পলেষ্টীয়াহঁতৰ অহিতে মোৰ হাত মেলি কৰেথীয়াহঁতক উচ্ছন্ন কৰিম, আৰু সমূদ্ৰৰ কাষত থকা অৱশিষ্ট ভাগক সংহাৰ কৰিম। [17]আৰু কোপযুক্ত নানা ধমকি দি মই সিহঁতৰ ওপৰত মহাপ্ৰতিকাৰ সাধিম; আৰু মই প্ৰতিকাৰ সাধিলে, মই যে যিহোৱা, তাক সিহঁতে জানিব।

### তূৰৰ বিনাশৰ বিষয়ে কোৱা ভাববাণী।

## Chapter 26

**1**পাছে একাদশ বছৰত মাহৰ প্ৰথম দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, **2**হে মনুষ্য সন্তান, তূৰে যিৰুচালেমৰ অহিতে কলে,
“ভাল হৈছে, জাতিবিলাকৰ দুৱাৰ ভগ্ন হ’ল; সেয়ে মোলৈ মুকলি হ’ল; সেই নগৰ নষ্ট হোৱাৰ কাৰণে মই পৰিপূৰ্ণ হ’ম”; **3**এই হেতুকে প্ৰভু
যিহোৱাই এই কথা কৈছে, হে তূৰ, চোৱা, মই তোমাৰ বিপক্ষ; সমুদ্ৰই নিজৰ ঢৌ উঠুওৱাদি মই তোমাৰ অহিতে অনেক জাতিক উঠাম। **4**তাতে
সিহঁতে তূৰৰ গড়বোৰ নষ্ট কৰিব আৰু তাৰ ওখ ঘৰবোৰ ভাঙি পেলাব; আৰু মই তাৰ পৰা ধূলি চুৰুকি পেলাই তাক শুদা শিল কৰিম। **5**সেই
নগৰ সমুদ্ৰৰ মাজত জাল মেলি দিয়া ঠাই হ’ব; কিয়নো প্ৰভু যিহোৱাই কৈছে, মই ইয়াক কলো, আৰু নগৰ জাতিবিলাকলৈ লুটদ্ৰব্যস্বৰূপ হ’ব।
**6**আৰু গাৱেঁভূঁয়ে থকা তাৰ জীয়াৰীবিলাকক তৰোৱালেৰে বধ কৰা হ’ব; তাতে মই যে যিহোৱা তাক সিহঁতে জানিব।

**7**কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, ঘোঁৰা, ৰথ, অশ্বাৰোহী, সৈন্যদল আৰু অনেক লোকে সৈতে উত্তৰৰ পৰা মই ৰাজাধিৰাজ
বাবিলৰ ৰজা নবুখদৰেচৰক তূৰলৈ আনিম। **8**তেওঁ গাৱেঁভূঁয়ে থকা তোমাৰ জীয়েৰাহঁতক তৰোৱালেৰে বধ কৰিব, তোমাৰ অহিতে কোঁঠ
সাজিব, তোমাৰ অহিতে হাদাম বান্ধিব আৰু তোমাৰ অহিতে ঢাল পাতিব। **9**আৰু তেওঁ তোমাৰ গড়ৰ অহিতে গড় ভঙা যন্ত্ৰ স্থাপন কৰিব আৰু
কুঠাৰেৰে তোমাৰ ওখ ঘৰবোৰ ভাঙিব। **10**তেওঁৰ ঘোঁৰাবোৰ অধিক হোৱাত সেইবোৰৰ ধুলিয়ে তোমাক ঢাকিব; মানুহে গড় ভাঙি নগৰত
সোমোৱাদি তেওঁ তোমাৰ নগৰৰ দুৱাৰত সোমোৱা কালত অশ্বাৰোহী, গাড়ী আৰু ৰথৰ শব্দত তোমাৰ গড়বোৰ লৰিব। **11**তেওঁ নিজৰ
ঘোঁৰাবোৰৰ খোৰাৰে তোমাৰ আটাইবোৰ আলি গচকিব; তেওঁ তৰোৱালেৰে তোমাৰ প্ৰজাবিলাকক বধ কৰিব, আৰু তোমাৰ দৃঢ় স্তম্ভবোৰ
মাটিৰে সমান হ’ব। **12**শত্ৰুবোৰে তোমাৰ সম্পত্তি লুট কৰিব, আৰু তোমাৰ বাণিজ্যদ্ৰব্য কাঢ়ি নিব; সিহঁতে তোমাৰ গড় ভাঙি পেলাব, তোমাৰ
মনোহৰ ঘৰবোৰ বিনষ্ট কৰিব, আৰু তোমাৰ শিল, কাঠ, ধূলি জলসমূহৰ মাজত পেলাব। **13**মই তোমাৰ গানৰ শব্দ নাইকিয়া কৰিম; তোমাৰ
বীণাৰ স্বৰ আৰু শুনা নাযাব। **14**আৰু মই তোমাক শুদা শিল কৰিম; তুমি জাল মেলা ঠাই হ’বা; তোমাক আৰু সজা নাযাব; কিয়নো প্ৰভু
যিহোৱাই কৈছে, মই যিহোৱাই ইয়াক কলোঁ।

**15**প্ৰভু যিহোৱাই তূৰক এইদৰে কৈছে, যেতিয়া খুন হোৱাবোৰে কেঁকাব, যেতিয়া তোমাৰ মাজত হত্যা হ’ব, তেতিয়া তোমাৰ পতনৰ শব্দত
দ্বীপবোৰ নকঁপিব নে? **16**সেই সময়ত সমুদ্ৰৰ আটাই অধিপতিয়ে নিজ নিজ সিংহাসনৰ পৰা নামি নিজ নিজ ৰাজবস্ত্ৰ ত্যাগ কৰিব, নিজ নিজ
কাৰচিপি বন কৰা কাপোৰ,সোলোকাই পেলাব, ত্ৰাসৰূপ বস্ত্ৰ পিন্ধিব, মাটিত বহিব, বিস্ময় মানিব। **17**আৰু তেওঁবিলাকে তোমাৰ অৰ্থে বিলাপ
কৰিবলৈ ধৰি তোমাক ক’ব, যি নগৰীয়ে সাগৰ-নিবাসীবিলাকক নিজৰ ভয় লগাইছিল, সমুদ্ৰ-ব্যৱসায়ী নিজ নিবাসীবিলাকে সৈতে সমুদ্ৰত
পৰাক্ৰমী আৰু বিখ্যাত সেই নগৰী যি তুমি, কেনে বিনষ্ট হ’লা! **18**তোমাৰ পতনৰ দিনত দ্বীপবোৰ কঁপিব, এনে কি তুমি লুপ্ত হোৱাত সমুদ্ৰত থকা
দ্বীপবোৰ বিহ্বল হ’ব।

**19**কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে, নিবাসীশূণ্য নগৰবোৰৰ নিচিনা যেতিয়া মই তোমাক উচ্ছন্ন নগৰী কৰিম, যেতিয়া মই তোমাৰ ওপৰলৈ
অগাধ জলসমুহ আনিম, আৰু মহাজলসমুহে তোমাক ঢাকিব; **20**তেতিয়া তুমি বাসস্থান নহ’বৰ নিমিত্তে, মই তোমাক গাঁতলৈ নামিব লগাবোৰে
সৈতে আগৰ কালৰ লোকবিলাকৰ ওচৰলৈ নমাম আৰু পৃথিৱীৰ তল ভাগত, আগৰ কালৰ পৰা উচ্ছন্ন হোৱা ঠাইবোৰত, গাঁতলৈ নামিব
লগাবোৰৰ লগত বাস কৰাম, আৰু মই জীৱিত লোকৰ দেশত গৌৰৱ স্থাপন কৰিম। **21**মই তোমাক ত্ৰাসৰ বিষয় কৰিম; তুমি আৰু নহ’বা;
তোমাক বিচাৰিলেও আৰু কেতিয়াও পোৱা নাযাব, এয়ে প্ৰভু যিহোৱাৰ বচন।

### তূৰৰ বিনাশৰ কাৰণে বিলাপ।

## Chapter 27

**1**পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, **2**হে মনুষ্য সন্তান, তুমি তূৰৰ বিষয়ে বিলাপ আৰম্ভ কৰা, **3**আৰু সাগৰৰ প্ৰৱেশস্থান-
নিবাসিনী অনেক দ্বীপত জাতিবিলাকৰ বাণিজ্যকাৰিণী তূৰক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, হে তূৰ, তুমি কৈছিলা মই পৰম সুন্দৰী।
**4**তোমাৰ সীমাৰ ভিতৰৰ ঠাইখন গভীৰ সমুদ্ৰৰ মাজত আছিল; তোমাৰ নিৰ্ম্মানকাৰীবোৰে তোমাৰ সৌন্দৰ্য্য সম্পূৰ্ণ কৰিছিল। **5**সিহঁতে চনীৰৰ
পৰা অনা দেৱদাৰু কাঠেৰে তোমাৰ সকলো তক্তা বনাইছিল; সিহঁতে তোমাৰ নিমিত্তে এডাল মাস্তুল কৰিবলৈ লিবানোনৰ পৰা এৰচ কাঠ
আনিছিল। **6**সিহঁতে বাচান দেশীয় এলোন কাঠেৰে তোমাৰ বঠাবোৰ তৈয়াৰ কৰিছিল; সিহঁতে কিত্তীম দ্বীপবোৰৰ পৰা অনা তাচুৰ কাঠত
লগোৱা হাতী দাঁতৰ তোমাৰ বঠা বাওঁতাবোৰৰ আসনবোৰ কৰিছিল। **7**তোমালৈ নিচানস্বৰূপ হ’বৰ নিমিত্তে, তোমাৰ পাল মিচৰ দেশৰ পৰা অনা
কাৰচিপি বন কৰা মিহি শণ সূতাৰে কৰা হৈছিল; তোমাৰ চন্দ্ৰতাপ ইলীচা দ্বীপবোৰৰ পৰা অনা নীল আৰু বেঙেনা বৰণীয়া সূতাৰে বনোৱা
হৈছিল। **8**চীদোন আৰু অৰ্বদ-নিবাসীবোৰ তোমাৰ বঠা বাওঁতা আছিল; হে তূৰ, তোমাৰ জ্ঞানী লোক তোমাৰ মাজত তোমাৰ আৰকাটি আছিল।
**9**গবলৰ বৃদ্ধবিলাক আৰু তাৰ জ্ঞানীলোকবিলাক তোমাৰ মাজত তোমাৰ বিন্ধা মাৰোঁতা আছিল; তোমাৰ বাণিজ্য-দ্ৰব্য তোলা-নমা কৰিবলৈ

সমুদ্ৰৰ আটাই জাহাজবোৰ আৰু সেইবোৰৰ নাবিকবোৰ তোমাৰ মাজত আছিল। 10পাৰস্য, লূদ আৰু পূটদেশীয় লোক তোমাৰ সৈন্য-সামন্তৰ
মাজত তোমাৰ ৰণুৱা আছিল; সিহঁতে তোমাৰ মাজত ঢাল আৰু শিৰোৰক্ষক টুপী আৰি থৈছিল সিহঁতে তোমাক সুশোভিতা কৰিছিল। 11তোমাৰ
সৈন্য-সামন্তেৰে সৈতে অৰ্বদৰ লোকবিলাক চাৰিওফালে তোমাৰ গড়ৰ ওপৰত আছিল, আৰু গম্মদীয়া লোকবিলাক তোমাৰ ওখ ঘৰবোৰত
আছিল; সিহঁতে চাৰিওফালে তোমাৰ গড়ৰ ওপৰত নিজ নিজ ঢাল আৰি থৈছিল; সিহঁতে তোমাৰ সৌন্দৰ্য্য সম্পূৰ্ণ কৰিছিল।

12তোমাৰ সকলো প্ৰকাৰ ধন-ঐশ্বৰ্য্যৰ কাৰণে তৰ্চীচ তোমাৰ বণিক আছি; সিহঁতে ৰূপ, লোহা, বগীতাম আৰু সীহ দি তোমাৰ মাল লৈছিল।
13যাবন, তুবল, আৰু মেচেক তোমাৰ বেপাৰী আছিল; সিহঁতে মানুহ আৰু পিতলৰ পাত্ৰ দি তোমাৰ বাণিজ্য-দ্ৰব্য লৈছিল। 14তোগৰ্মা-বংশীয়
মানুহবোৰে ঘোঁৰা, যুদ্ধাৰু ঘোঁৰা আৰু খচৰ দি তোমাৰ মাল লৈছিল। 15দদানৰ মানুহবোৰ তোমাৰ বেপাৰী আছিল; অনেক দ্বীপ তোমাৰ
অধীনৰ বজাৰ আছিল; সিহঁতে শিঙৰ আকৃতিৰ হাতী-দাঁত আৰু অল্লুচ কাঠ তোমাক সলনি দিছিল। 16তোমাৰ হাতেৰে সজা অনেক বস্তুৰ
নিমিত্তে অৰাম তোমাৰ বণিক আছিল; সিহঁতে মৰকত মণি, বেঙেনা বৰণীয়া সূতা, কাৰচিপি বন কৰা কাপোৰ, মিহি শণ সূতাৰ কাপোৰ পোৱাল
আৰু পদ্মৰাগ মণি দি তোমাৰ বাণিজ্য-দ্ৰব্য লৈছিল। 17যিহূদা আৰু ইস্ৰায়েল দেশ তোমাৰ বেপাৰী আছিল, তেওঁবিলাকে মিন্নীতৰ ঘেহু ধান,
পন্নগ, মিঠাই, মৌ, তেল আৰু সুস্থজনক গছৰ এঁঠা দি তোমাৰ মাল লৈছিল। 18তোমাৰ হাতেৰে সজা অধিক বস্তু আৰু তোমাৰ সকলো প্ৰকাৰ
ধন-ঐশ্বৰ্য্যৰ কাৰণে দম্মেচক তোমাৰ বণিক আছিল; তাৰ লোকবিলাকে হিল্বোনৰ দ্ৰাক্ষাৰস আৰু ভেড়াৰ বগা নোম আনিছিল। 19উজালত
থকা বদানে আৰু যাবনে তোমাৰ বস্তুৰ নিমিত্তে বাণিজ্য কৰিছিল; তোমাৰ বাণিজ্য-দ্ৰব্যৰ মাজত উজ্জ্বল লোহা, তেজপাত আৰু সুগন্ধি বচ
আছিল। 20ঘোঁৰাত উঠিবৰ নিমিত্তে জীন কাপোৰৰ, দদান তোমাৰ বেপাৰী আছিল. 21আৰব, আৰু কেদৰৰ আটাই মুখ্যলোক তোমাৰ অধীনৰ
বণিক আছিল, তেওঁবিলাক ভেড়া পোৱালি, মতা মেৰ, আৰু মতা ছাগ, এইবোৰৰ তোমাৰ বণিক আছিল। 22চিবাৰ আৰু ৰয়মাৰ বেপাৰীবোৰ
তোমাৰ বেপাৰী আছিল; সিহঁতে সকলো বিধৰ শ্ৰেষ্ঠ সুগন্ধি দ্ৰব্য, সকলো বিধৰ বহুমূল্য পাথৰ আৰু সোণ দি তোমাৰ মাল লৈছিল। 23হাৰণ,
কন্নি, এদন চিবা, অচুৰ আৰু কিল্মদৰ বেপাৰীবোৰ তোমাৰ বেপাৰী আছিল। 24বহুমূল্য বস্ত্ৰ, নীল বৰণীয়া আৰু কাৰচিপি বন কৰা চোলা, আৰু
ৰচীৰে বন্ধা এৰচ কাঠৰ তৈয়াৰী বহুমূল্য কাপোৰ থকা চন্দুক তোমাৰ বজাৰলৈ অনা এইবোৰ বস্তুৰেই সিহঁত তোমাৰ বেপাৰী আছিল। 25তৰ্চীচৰ
জাহাজবোৰ তোমাৰ বাণিজ্য-দ্ৰব্য লৈ যোৱা বণিকৰ দলস্বৰূপ আছিল, আৰু তুমি পৰিপূৰ্ণা হৈ সমুদ্ৰৰ মাজত অতিশয় গৌৰৱান্বিত হৈছিলা।

26তোমাৰ বঠা বাওঁতাবোৰে তোমাক মহাজলসমূহৰ মাজলৈ লৈ গ'ল; পূৰৰ বতাহে সমুদ্ৰৰ মাজত তোমাক ভাঙিলে। 27তোমাৰ মাজত থকা
ধন-সম্পত্তি, মাল, বাণিজ্য দ্ৰব্য, নাৱিক, আৰকাটি, বিন্ধা-মাৰোতা, বাণিজ্য-দ্ৰব্যবোৰ তোলা নমা কৰোঁতাবোৰ, আৰু সকলো যুদ্ধাৰু তোমাৰ
মাজত থকা সকলো লোক সমুহে সৈতে তোমাৰ পতনৰ দিনা সমুদ্ৰৰ মাজত পতিত হ'ল; 28তোমাৰ আৰকাটিবোৰৰ চিঞৰৰ শব্দত তোমাৰ
চাৰিওফালৰ ঠাইবোৰ কঁপিছে। 29আটাই বঠা বাওঁতা নাৱিক আৰু সমুদ্ৰৰ আৰকাটিয়ে নিজ নিজ জাহাজৰ পৰা নামি বামত থিয় হৈ,
30তোমাৰ বিষয়ে সিহঁতৰ মাত শুনাইছে, বৰ বেজাৰেৰে চিঞৰি নিজ নিজ মূৰত ধূলি ছটিয়াই ছাইত বাগৰিছে, 31তোমাৰ নিমিত্তে নিজৰ নিজৰ
মূৰ টকলা কৰিছে, ছট কাপোৰেৰে কঁকাল বান্ধিছে, আৰু অত্যন্ত শোকেৰে মনৰ তাপত তোমাৰ নিমিত্তে কান্দিছে। 32আৰু হাহাকাৰ কৰোঁতে
সিহঁতে তোমাৰ নিমিত্তে বিলাপ কৰিবলৈ ধৰি তোমাৰ বিষয়ে এই বিলাপৰ কথা কৈছে, তুৰৰ নিচিনা, সমুদ্ৰৰ মাজত নিস্তব্ধে থকা জনীৰেই
নিচিনা কোন আছে? 33সমুদ্ৰৰ পৰা তোমাৰ মাল ওলোৱা সময়ত তুমি অনেক জাতিক পৰিপূৰ্ণ কৰিছিলা; তোমাৰ অধিক ধন-সম্পত্তি আৰু
বাণিজ্য-দ্ৰব্যেৰে পৃথিৱীৰ ৰজাবিলাকক তুমি চহকী কৰিছিলা। 34সমুদ্ৰৰ দ্বাৰাই জলসমূহৰ গভীৰ ঠাইবোৰত তুমি ভগ্ন হোৱা সময়ত, তোমাৰ
বাণিজ্য-দ্ৰব্য আৰু তোমাৰ আটাই দল তোমাৰ মাজত পতিত হ'ল। 35দ্বীপ নিবাসী সকলোৱে তোমাক দেখি আচৰিত হৈ, আৰু সিহঁতৰ
ৰজাবিলাকৰ নোম শিয়ৰি উঠিছে, আৰু তেওঁবিলাকৰ বদন বিকৃত হৈছে। 36জাতিবিলাকৰ মাজত থকা বণিকবিলাকে তোমাক দেখি ইচ ইচ
কৰিছে। তুমি ত্ৰাসৰ বিষয় হ'লা, তুমি আৰু কেতিয়াও নহ'বা।

### তূৰৰ অধিপতিজনৰ পতন।

## Chapter 28

1পাছে যিহোৱাৰ বাক্য পুনৰায় মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি তূৰৰ অধিপতিজনক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে,
তোমাৰ হৃদয় গৰ্ব্বিত হ'ল, আৰু তুমি কৈছা, মই ঈশ্বৰ, মই সমুদ্ৰৰ মাজত ঈশ্বৰৰ আসনত বহি আছোঁ; যদিও তুমি নিজ মনক ঈশ্বৰৰ মন বুলি
মানিছা, তথাপি তুমি মানুহ মাথোন, ঈশ্বৰ নোহোৱা। 3চোৱা তুমি দানিয়েলতকৈ জ্ঞানী; লোকে তোমাৰ পৰা লুকুৱাই ৰাখিব পৰা কোনো গুপুত
কথা নাই। 4তোমাৰ জ্ঞান আৰু বুদ্ধিৰে তুমি নিজকে চহকী কৰিলা, সোণ, আৰু ৰূপ আৰ্জ্জি তোমাৰ ভঁৰালত ৰাখিলা। 5তুমি নিজৰ মহৎ জ্ঞান
আৰু বাণিজ্যৰ দ্বাৰাই তোমাৰ ধন-সম্পত্তি বঢ়ালা, আৰু তোমাৰ ধন-সম্পত্তিৰ কাৰণে তোমাৰ মন গৰ্ব্বিত হ'ল। 6এই হেতুকে প্ৰভু যিহোৱাই এই
কথা কৈছে, তুমি নিজ মনক ঈশ্বৰৰ মন বুলি মানিছা; 7এই কাৰণে চোৱা, মই বিদেশীবোৰক, জাতিবিলাকৰ মাজৰ ভয়ানকবোৰকেই তোমাৰ
অহিতে আনিম; সিহঁতে তোমাৰ জ্ঞান-কান্তিৰ অহিতে নিজ নিজ তৰোৱাল ফাকৰ পৰা উলিয়াব, আৰু তোমাৰ উজ্জ্বলতা কলুষিত কৰিব।
8সিহঁতে তোমাক গাঁতলৈ নমাব; আৰু তুমি হত লোকৰ দৰে সাগৰৰ মাজ ঠাইত মৰিবা। 9যি লোকে তোমাক বধ কৰিব, সেই লোকৰ আগত তুমি
তেতিয়াও মই ঈশ্বৰ বুলি ক'বানে? যি জনে তোমাক মাৰিব,সেই জনৰ হাতত তুমি মনুষ্য মাত্ৰ, ঈশ্বৰ নোহোৱা। 10তুমি বিদেশীবোৰৰ হাতত
অচুন্নৎহঁতৰ দৰে মৰিবা; কিয়নো প্ৰভু যিহোৱাই কৈছে, মই ইয়াক কলোঁ।

11পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 12হে মনুষ্য সন্তান, তুমি তূৰৰ ৰজাৰ বিষয়ে বিলাপ কৰিবলৈ ধৰা, আৰু তেওঁক কোৱা,
প্ৰভু যিহোৱাই এই কথা কৈছে, তুমি সৰ্ব্ব গুণৰ সমষ্টি, পূৰ্ণজ্ঞানী আৰু পৰমসুন্দৰ। 13তুমি ঈশ্বৰৰ বাৰী এদনত আছিলা; চুনী, পীত মণি, হীৰা,
বৈদূৰ্য্য মণি, গোমেদক, সূৰ্য্যকান্ত, নীলকান্ত, পদ্মৰাগ, মৰকত আদি সকলো বহুমূল্য পাথৰ, আৰু সোণ তোমাৰ আৱৰণ আছিল; তোমাৰ খঞ্জৰী
আৰু বাঁহীৰ বাদ্য তোমাৰ মাজত আছিল; তুমি সৃষ্ট হোৱা দিনাই সেইবোৰ যুগুত কৰা হৈছিল। 14তুমি ঢাকি ধৰোঁতা অভিষিক্ত কৰূব আছিলা;
ঈশ্বৰৰ পবিত্ৰ পৰ্ব্বতত তুমি থাকিব পৰাকৈ মই তোমাক স্থাপন কৰিছিলোঁ; তুমি জুইৰ নিচিনা চকমকীয়া পাথৰবোৰৰ মাজত অহা-যোৱা
কৰিছিলা; 15তোমাত অন্যায় পোৱা নোযোৱালৈকে তুমি সৃষ্ট হোৱা দিনাৰ পৰা তোমাৰ আচাৰ-ব্যৱহাৰত সিদ্ধ আছিলা। 16তোমাৰ বাণিজ্যৰ
বাহুল্যত তোমাৰ ভিতৰখন অত্যাচাৰেৰে পৰিপূৰ্ণ হোৱাৰ কাৰণে আৰু তুমি পাপ কৰাৰ কাৰণে, মই তোমাক অশুচি বুলি ঈশ্বৰৰ পৰ্ব্বতৰ পৰা
বাহিৰ কৰিলোঁ; আৰু হে ঢাকি ধৰোঁতা কৰূব, জুইৰ নিচিনা চকমকীয়া পাথৰবোৰৰ মাজৰ পৰা মই তোমাক লুপ্ত কৰিলোঁ। 17তোমাৰ সৌন্দৰ্য্যৰ
কাৰণে তোমাৰ হৃদয় গৰ্ব্বিত হৈছিল; তোমাৰ উজ্জ্বলতাৰ কাৰণে তুমি নিজ জ্ঞান নষ্ট কৰিলা; মই তোমাক মাটিৰ সমান কৰি, ৰজাবিলাকে
তোমাক দেখিবৰ নিমিত্তে তোমাক তেওঁবিলাকৰ আগত ৰাখিলোঁ। 18তোমাৰ অপৰাধ অধিক হোৱাত, তোমাৰ বাণিজ্যৰ অন্যায়েৰে তোমাৰ
ধৰ্ম্মধামবোৰ তুমি অপবিত্ৰ কৰিলা; এই হেতুকে মই তোমাৰ মাজৰ পৰা অগ্নি উলিয়ালোঁ, সেয়ে তোমাক গ্ৰাস কৰিলে; আৰু তোমাক
দেখাবিলাকৰ সাক্ষাতে মই তোমাক মাটিত ভস্ম কৰি পেলালোঁ। 19জাতিবিলাকৰ মাজত তোমাক জনা সকলোৱেই তোমাক দেখি বিস্ময়
মানিছে; তুমি ত্ৰাসৰ বিষয় হ’লা, তুমি আৰু কেতিয়াও নহ’বা।

## চীদোনৰ বিৰুদ্ধে কোৱা ভাববাণী।

20পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 21হে মনুষ্য সন্তান, তুমি চীদোনৰ ফালে মুখ কৰি তাৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা,
22আৰু কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, হে চীদোন চোৱা, মই তোমাৰ বিপক্ষ; মই তোমাৰ মাজত গৌৰৱান্বিত হ’ম। যেতিয়া মই তাক দণ্ড
দিম, আৰু তাৰ মাজত পবিত্ৰীকৃত হ’ম, তেতিয়া মই যে যিহোৱা, তাক সিহঁতে জানিব। 23কিয়নো মই তাৰ মাজলৈ মহামাৰী, আৰু তাৰ
আলিবোৰত ৰক্তপাত কৰিবলৈ মানুহ পঠাম; আৰু চাৰিওফালে তাৰ বিৰুদ্ধে ফাকৰ পৰা ওলোৱা তৰোৱালৰ দ্বাৰাই তাৰ মাজত হত হোৱা
লোক পতিত হ’ব, তাতে মই যে যিহোৱা, তাক সিহঁতে জানিব। 24তেতিয়া, ইস্ৰায়েল-বংশক বিন্ধোতা কোন হুল বা দুখ দিওঁতা কোনো কাঁইট,
তেওঁবিলাকৰ চাৰিওফালে থকা তেওঁবিলাকক হেয়জ্ঞান কৰা লোকবিলাকৰ মাজত আৰু নহ’ব; তাতে, মই যে প্ৰভু যিহোৱা, তাক সিহঁতে
জানিব।

25প্ৰভু যিহোৱাই এই কথা কৈছে, ইস্ৰায়েল বংশ ছিন্ন-ভিন্ন হোৱা জাতিবিলাকৰ পৰা মই যেতিয়া তেওঁবিলাকক গোটাম, আৰু জাতিবিলাকৰ
সাক্ষাতে তেওঁবিলাকৰ মাজত পবিত্ৰীকৃত হ’ম, তেতিয়া মোৰ দাস যাকোবক মই দিয়া তেওঁবিলাকৰ নিজ দেশতে তেওঁবিলাকে বাস কৰিব।
26তেওঁবিলাকে নিৰ্ভয়ে বাস কৰিব; এনে কি, তেওঁবিলাকৰ চাৰিওফালে তেওঁবিলাকক হিংসা কৰোঁতাবোৰক যেতিয়া মই দণ্ড দিম, তেতিয়া
তেওঁবিলাকে ঘৰ সাজিব, দ্ৰাক্ষাবাৰী পাতিব, আৰু নিৰ্ভয়ে বাস কৰিব; তাতে, মই যে তেওঁবিলাকৰ ঈশ্বৰ যিহোৱা, তাক তেওঁবিলাকে জানিব।

## মিচৰৰ পতন আৰু পুনঃস্থাপন।

# Chapter 29

1দশম বছৰৰ দশম মাহৰ দ্বাদশ দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি মিচৰৰ ৰজা ফৰৌণৰ ফালে মুখ
কৰি তাৰ আৰু গোটেই মিচৰৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা, 3আৰু কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, মোৰ নৈ মোৰ নিজৰেই, আৰু নিজৰ
নিমিত্তেই মই তাক কৰিলোঁ, এই বুলি কৈ নিজ নৈবোৰৰ মাজত পৰি থকা বৃহৎ নগৰ, হে মিচৰৰ ৰজা ফৰৌণ চোৱা, মই তোমাৰ বিপক্ষ। 4মই
তোমাৰ জামু-দাঁতৰ গুৰিত হাঁকোটা লগাম, তোমাৰ নৈবোৰৰ মাছবোৰ তোমাৰ বাকলিত লগাই ৰাখিম, আৰু তোমাৰ বাকলিত লাগি থকা
তোমাৰ নৈবোৰৰ আটাই মাছে সৈতে তোমাৰ নৈবোৰৰ মাজৰ পৰা তোমাক উলিয়াই আনিম। 5মই তোমাক, আৰু তোমাৰ নৈবোৰৰ আটাই মাছ
অৰণ্যত পেলাই যাম; তুমি মুকলি পথাৰত পৰি থাকিবা, তোমাক চপোৱা কি গোটোৱা নাযাব; মই তোমাক পৃথিৱীৰ জন্তুৰ আৰু আকাশৰ
পক্ষীবোৰৰ আহাৰ হ’বলৈ দিম; 6তাতে, মই যে যিহোৱা, তাক মিচৰ নিবাসী সকলোৱে জানিব। সিহঁত ইস্ৰায়েল-বংশলৈ নলৰ লাখুটিস্বৰূপ;
7(যেতিয়া তেওঁবিলাকে তোমাক খামোচ মাৰি ধৰে, তেতিয়া তুমি ফাটি তেওঁবিলাকৰ আটাইৰে হাত ফালা; আৰু যেতিয়া তেওঁবিলাকে তোমাৰ
ওপৰত ভৰ দিয়ে তেতিয়া তুমি ভাগি তেওঁবিলাকৰ আটাইৰে কঁকালৰ জোৰা লৰাই তেওঁবিলাকক অচল কৰা)।

8এই কাৰণে প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, মই তোমাৰ অহিতে এখন তৰোৱাল আনিম আৰু তোমাৰ মাজৰ পৰা মানুহ আৰু পশু
সকলোকে উচ্ছন্ন কৰিম। 9মিচৰ দেশ ধ্বংস আৰু উচ্ছন্ন হ’ব; তাতে, মই যে যিহোৱা, তাক সিঁহতে জানিব। কাৰণ সি কৈছে, নৈখন মোৰেই
আৰু ময়েই তাক কৰিলোঁ। 10এই নিমিত্তে চোৱা, মই তোমাৰ আৰু তোমাৰ নৈবোৰৰ বিপক্ষ; মিগ্দোলৰ পৰা চিবেনিলৈকে, এনে কি, কূচৰ
সীমালৈকে মই মিচৰ দেশ সম্পূৰ্ণকৈ উচ্ছন্ন আৰু ধ্বংসস্থান কৰিম। 11মানুহ কি পশু তাৰ মাজেদি নচলিব আৰু চল্লিশ বছৰলৈকে তাত বাস
কৰা নহ’ব। 12ধ্বংস কৰা দেশবোৰৰ মাজত মই মিচৰ দেশকো এক ধ্বংসস্থান কৰিম; আৰু উচ্ছন্ন হোৱা নগৰবোৰৰ মাজত তাৰ নগৰবোৰো
চল্লিশ বছৰলৈকে ধ্বংসস্থান হৈ থাকিব; মই মিচৰীয়াহঁতক জাতিবিলাকৰ মাজত ছিন্ন-ভিন্ন কৰিম, আৰু দেশবোৰৰ মাজত গোট গোট কৰিম।

13তথাপি প্ৰভূ যিহোৱাই এই কথা কৈছে, যি জাতিবিলাকৰ মাজত মিচৰীয়াহঁত ছিন্ন-ভিন্ন হ'ব, সেই জাতিবিলাকৰ মাজৰ পৰা মই চল্লিশ বছৰৰ মূৰত সিহঁতক চপাম। 14মই মিচৰৰ বন্দী অৱস্থা পৰিৱৰ্ত্তন কৰিম, আৰু সিহঁতৰ উৎপত্তিৰ দেশ পথ্ৰোচ দেশলৈ সিহঁতক ওলোটাম; তাতে সেই ঠাইত সিহঁত এক সামান্য ৰাজ্য হ'ব। 15সেয়ে ৰাজ্যবোৰৰ মাজত সকলোতকৈ সামান্য হ'ব, জাতিবিলাকৰ ওপৰত আৰু মূৰ নুতুলিব; আৰু জাতিবিলাকৰ ওপৰত প্ৰভুত্ত্ব নকৰিবৰ নিমিত্তে মই সিহঁতক হ্ৰাস কৰিম। 16সিহঁত ইস্ৰায়েল-বংশৰ বিশ্বাস-ভূমি আৰু নহ'ব আৰু সিহঁতৰ পাছত যাবলৈ তেওঁবিলাকে মুখ কৰা কালত সিহঁত অপৰাধ সোঁৱৰণ কৰাওঁতাওঁ আৰু নহ'ব; তাতে, মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব।

### যিহোৱাই মিচৰক বাবিলৰ ৰজাক দিয়া, আৰু তাৰ ধ্বংস অৱস্থা।

17আৰু সাতাইশ বছৰৰ বছৰি প্ৰথম মাহৰ প্ৰথম দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 18হে মনুষ্য সন্তান, বাবিলৰ ৰজা নবুখদনেচৰে নিজৰ সৈন্য-সামন্তক তূৰৰ বিৰুদ্ধে বৰ পৰিশ্ৰম কৰালে, আটাইৰে মূৰ টকলা কৰা হ'ল, আৰু আটাইৰে কান্ধৰ ছাল ছিগিল; তথাপি তূৰৰ বিৰুদ্ধে তেওঁ কৰা পৰিশ্ৰমৰ নিমিত্তে, তূৰৰ পৰা তেওঁ কি তেওঁৰ সৈন্য-সামন্তই একো বেচ নাপালে। 19এই হেতুকে, প্ৰভূ যিহোৱাই এই কথা কৈছে, চোৱা, মই বাবিলৰ ৰজা নবুখদনেচৰক মিচৰ দেশ দিম; তেওঁ তাৰ লোকসমূহক লৈ যাব, তাৰ দ্ৰব্য লুট কৰিব, আৰু তাৰ কাঢ়ি লোৱা বস্তু লৈ যাব; সেইবোৰেই তেওঁৰ সৈন্য-সামন্তৰ বেচ হ'ব। 20তেওঁ পৰিশ্ৰম কৰাৰ বেচ স্বৰূপে মই তেওঁক মিচৰ দেশ দিম; কাৰণ প্ৰভূ যিহোৱাই কৈছে, সিহঁতে মোৰ অৰ্থে কাৰ্য্য কৰিলে।

21সেই দিনা মই ইস্ৰায়েলৰ-বংশৰ নিমিত্তে এক শিং গজাম, আৰু তেওঁবিলাকৰ মাজত তোমাৰ মুখ খুলি দিম; তাতে মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব।।

## Chapter 30

1পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি ভাববাণী প্ৰচাৰ কৰি কোৱা, প্ৰভূ যিহোৱাই এই কথা কৈছে, তোমালোকে হাহাকাৰ কৰি কোৱা, হায়, হায়, সেয়ে কেনে দিন! 3কিয়নো সেই দিন ওচৰ, এনে কি, যিহোৱাৰ দিন, মেঘে ঢকা দিন ওচৰ; সেয়ে জাতিবিলাকৰ কাল হ'ব। 4তৰোৱাল মিচৰৰ ওপৰত পৰিব; আৰু যেতিয়া মিচৰত হত লোকবোৰ পতিত হ'ব, তাৰ লোকসমূহক নিয়া হ'ব, আৰু তাৰ ভিত্তিমূলবোৰ ভঙা হ'ব তেতিয়া কূচত যাতনা হ'ব। 5কূচ, পূট, লূদ, মিহলি থকা আটাই লোকবিলাক কূব আৰু নিয়মটি পতা দেশৰ লোকবিলাক সিহঁতৰ লগত তৰোৱালৰ দ্বাৰাই পতিত হ'ব।

6যিহোৱাই এই কথা কৈছে, যিবিলাক মিচৰৰ স্তম্ভস্বৰূপ সিবিলাকো পতিত হ'ব আৰু তাৰ পৰাক্ৰমৰ গৰ্ব্ব খৰ্ব্ব হ'ব; মিগ্দোলৰ পৰা চিবেনিলৈকে তাৰ লোকবিলাক তৰোৱালৰ দ্বাৰাই পতিত হ'ব, ইয়াক প্ৰভূ যিহোৱাই কৈছে। 7আৰু ধ্বংস কৰা দেশবোৰৰ মাজত সিহঁতো ধ্বংস অৱস্থা পোৱা লোক হ'ব, আৰু তাৰ নগৰবোৰ উচ্ছন্ন হোৱা নগৰবোৰৰ মাজৰ উচ্ছন্ন নগৰ হ'ব। 8মই যেতিয়া মিচৰত জুই লগাম, আৰু তাৰ আটাই সাহাৰ্য্যকাৰীবোৰ নষ্ট হ'ব তেতিয়া, মই যে যিহোৱা, তাক সিহঁতে জানিব। 9সেই দিনা নিশ্চিন্তে থকা কূচীয়াহঁতক ভয় লগাবলৈ দূতবিলাকে মোৰ আগৰ পৰা জাহাজেৰে ওলাই যাব, আৰু মিচৰৰ দিনৰ নিচিনাকৈ সিহঁতৰ মাজত যাতনা হ'ব; কিয়নো চোৱা, সেয়ে আহিছে।

10প্ৰভূ যিহোৱাই এইদৰে কৈছে, মই বাবিলৰ ৰজা নবুখদনেচৰৰ হাতৰ দ্বাৰাই মিচৰৰ লোকসমূহক লুপ্ত কৰিম। 11তেওঁক আৰু তেৱেঁ সৈতে তেওঁৰ প্ৰজাবিলাকক, জাতিবিলাকৰ ভয়ানক লোকক দেশ বিনষ্ট কৰিবৰ অৰ্থে অনা হ'ব; আৰু সিহঁতে মিচৰৰ বিৰুদ্ধে নিজ নিজ তৰোৱাল ফাকৰপৰা উলিয়াই হত লোকেৰে দেশ পৰিপূৰ্ণ কৰিব। 12মই নদীবোৰ শুকান ঠাই কৰিম, আৰু দেশ দুষ্টবোৰৰ হাতত বেচিম; মই বিদেশী লোকৰ হাতৰ দ্বাৰাই দেশ আৰু তাত থকা সকলোকে উচ্ছন্ন কৰিম ইয়াক মই যিহোৱাই কলোঁ।

13প্ৰভূ যিহোৱাই এই কথা কৈছে, মই মুৰ্ত্তিবোৰো নষ্ট কৰিম, আৰু নোফৰ পৰা প্ৰতিমাবোৰ লুপ্ত কৰিম; আৰু মিচৰ দেশৰ পৰা অধিপতি আৰু নোলাব; মই মিচৰ দেশত ভয় জন্মাম। 14ইয়াত মই পথ্ৰোচক ধ্বংস কৰিম, চোৱনত জুই লগাম, আৰু নো নগৰক দণ্ড দিম। 15আৰু মই মিচৰৰ দুৰ্গ চীনৰ ওপৰত মোৰ ক্ৰোধ বৰষাম আৰু নো নগৰৰ লোকসমূহক উচ্ছন্ন কৰিম। 16আৰু মই মিচৰত জুই লগাম, চীনে যাতনাত ধৰফৰ কৰিব আৰু নো নগৰক ভঙা হ'ব; আৰু দিনতে শত্ৰুৱে নোফক আক্ৰমণ কৰিব। 17আবনৰ আৰু পী-বেচতৰ ডেকাবিলাক তৰোৱালৰ দ্বাৰাই পতিত হ'ব, আৰু সেই দুখন নগৰৰ লোকবিলাক বন্দী অৱস্থালৈ যাব। 18যেতিয়া মই তহপেনহচত মিচৰৰ যুৱলিবোৰ ভাঙিম, তেতিয়া তাত দিন অন্ধকাৰ হ'ব, আৰু মিচৰৰ মাজত থকা পৰাক্ৰমৰ গৰ্ব্ব খৰ্ব্ব হ'ব; আৰু তাৰ নিজৰ বিষয়ে হ'লে, এডোখৰ মেঘে তাক ঢাকিব, আৰু তাৰ জীয়াৰীবিলাক বন্দী অৱস্থালৈ যাব। 19এইদৰে মই মিচৰক দণ্ড দিম; তাতে মই যে যিহোৱা, তাক সিহঁতে জানিব।

### ফৰৌণৰ বাহু ভগ্ন হোৱা।

20একাদশ বছৰৰ প্ৰথম মাহৰ সপ্তম দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 21হে মনুষ্য সন্তান, মই মিচৰৰ ৰজা ফৰৌণৰ বাহু ভাঙিলোঁ, আৰু চোৱা, তৰোৱাল ধৰিবলৈ শক্তি পাবৰ নিমিত্তে তাত ঔষধ লগাই পটি দি তাক বন্ধা নহ'ল। 22এই নিমিত্তে প্ৰভূ যিহোৱাই এই কথা কৈছে, চোৱা, মই মিচৰৰ ৰজা ফৰৌণৰ বিপক্ষ, আৰু তাৰ বলী ও ভগা বাহু এই দুয়োকো মই ভাঙিম, আৰু তাৰ হাতৰ পৰা

এতৰোৱালখন পৰি যোৱা কৰিম। 23আৰু মই মিচৰীয়াহঁতক জাতিবিলাকৰ মাজত ছিন্ন-ভিন্ন আৰু দেশবোৰৰ মাজত গোট গোট কৰিম। 24মই বাবিলৰ ৰজাৰ বাহু দুটা সবল কৰিম আৰু তেওঁৰ হাতত মাৰ তৰোৱাল দিম; কিন্তু মই ফৰৌণৰ বাহু দুটা ভাঙিম, তাতে সাংঘাতিকৰূপে আঘাতিত হোৱা মানুহে কেঁকোৱাৰ দৰে তেওঁৰ আগত সি কেঁকাব। 25আৰু মই বাবিলৰ ৰজাৰ বাহু দুটা দাঙি ধৰিম, কিন্তু ফৰৌণৰ বাহু দুটা হ'লে পৰিব; যেতিয়া মই বাবিলৰ ৰজাৰ হাতত মোৰ তৰোৱাল দিম, আৰু তেওঁ মিচৰ দেশৰ বিৰুদ্ধে তাক মেলিব, তেতিয়া, মই যে যিহোৱা, তাক সিহঁতে জানিব। 26মই মিচৰীয়াহঁতক জাতিবিলাকৰ মাজত ছিন্ন-ভিন্ন আৰু দেশবোৰৰ মাজত গোট গোট কৰিম তাতে, মই যে যিহোৱা, তাক সিহঁতে জানিব।

### ফৰৌণক অচূৰৰূপ বৃহৎ এৰচ গছৰ লগত তুলনা কৰা।

## Chapter 31

1একাদশ বছৰৰ তৃতীয় মাহৰ প্ৰথম দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, মিচৰৰ ৰজা ফৰৌণক আৰু তাৰ লোকসমূহক কোৱা, তুমি তোমাৰ মহত্ত্বত কাৰ নিচিনা? 3চোৱা, অচূৰ লিবানোনত সুন্দৰ ডাল, ঘন ছাঁ, আৰু ওখ হৈ থকা এজোপা এৰচ গছ স্বৰূপ আছিল; তাৰ ওপৰ ভাগ মেঘস্পৰ্শী হৈছিল। 4জলসমূহে তাক ডাঙৰ-দীঘল কৰিছিল, অগাধ জলে তাক বঢ়াইছিল, তাৰ সুঁতিবোৰ তাৰ ৰোৱা ঠাইৰ চাৰিওফালে বৈছিল, আৰু সি নিজৰ সুঁতিবোৰ পথাৰৰ আটাই গছৰ গুৰিলৈ পঠাইছিল। 5এই হেতুকে ওখই সি পথাৰৰ আটাই গছতকৈ ওখ আছিল; সি পঠোৱা অনেক পানীৰ কাৰণে তাৰ ডালবোৰ বৃদ্ধি হৈছিল, আৰু তাৰ শাখাবোৰ দীঘল হৈছিল 6তাৰ ডালবোৰত আকাশৰ আটাই পক্ষীয়ে বাহ লৈছিল, তাৰ শাখাবোৰৰ তলত আটাই বনৰীয়া জন্তুৱে পোৱালি জগাইছিল, আৰু তাৰ ছাঁত আটাই মহাজাতিয়ে বাস কৰিছিল। 7এইদৰে, তাৰ শিপা অনেক জলসমূহৰ কাষত থকাত, সি নিজ মহত্ত্বত আৰু নিজ ডালবোৰৰ দৈৰ্ঘত সুন্দৰ আছিল। 8ঈশ্বৰৰ উদ্যানৰ এৰচ গছবোৰে তাক লুকুৱাব নোৱাৰিছিল, দেৱদাৰু গছবোৰ তাৰ ডালবোৰৰ নিচিনা নাছিল, আৰু অৰ্ম্মোন গছবোৰ তাৰ শাখাবোৰৰ নিচিনা নাছিল; আৰু ঈশ্বৰৰ উদ্যানত থকা কোনো গছ সৌন্দৰ্য্যত তাৰ নিচিনা নাছিল। 9মই তাক অধিক ডালবোৰেৰে তাক এনে সুন্দৰ কৰিছিলোঁ যে, ঈশ্বৰৰ উদ্যানত থকা এদনৰ সকলো গছে তাক ঈৰ্ষা কৰিছিল।

10এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে সি উচ্চতাত ওখ হোৱাৰ, আৰু সি তাৰ ওপৰ ভাগ মেঘস্পৰ্শী কৰাৰ, আৰু তাৰ হৃদয় নিজৰ উচ্চতাত গৰ্ব্বিত হোৱাৰ কাৰণে, 11মই তাক জাতিবিলাকৰ পৰাক্ৰমী জনৰ হাতত সমৰ্পণ কৰিলোঁ; তেওঁ তাৰ বিৰুদ্ধে উচিত কাৰ্য্য কৰিলে; মই তাৰ দুষ্টতাৰ কাৰণে তাক দূৰ কৰি দিলোঁ। 12আৰু জাতিবিলাকৰ ভয়ানক বিদেশীবোৰে তাক কাটি এৰি গ'ল; পৰ্ব্বতবোৰৰ ওপৰত আৰু আটাই উপত্যকাত তাৰ ডালবোৰ পৰি আছে, আৰু দেশৰ আটাই জুৰিবোৰৰ কাষত তাৰ শাখবোৰ ভাগিল; আৰু পৃথিৱীৰ সকলো জাতিবিলাক তাৰ ছাঁৰ পৰা নামি গ'ল, তাক এৰি গুচি গ'ল। 13পৰি থকা সেই গছডালত আকাশৰ পক্ষীবোৰে বাস কৰিছে, আৰু তাৰ শাখাৰ ওপৰত আটাই বনৰীয়া জন্তু আছে। 14জলসমূহৰ কাষত থকা গছবোৰৰ কোনো গছে নিজ উচ্চতাত গৰ্ব্ব নকৰিবৰ নিমিত্তে, বা তাৰ ওপৰ ভাগ মেঘস্পৰ্শী নকৰাবৰ নিমিত্তে, নাইবা সেইবোৰৰ বৃহৎবোৰৰ মাজৰ পানী পান কৰাবিলাকৰ মাজৰ কোনেও উচ্চতাত নিজকে ওখ নেদেখুৱাবৰ নিমিত্তে, মই ইয়াক কৰিলোঁ; কিয়নো সেই আটাইবোৰ মৃত্যুলৈ, পৃথিৱীৰ অধোভাগলৈ, গাঁতলৈ নামিব লগাবোৰে সৈতে মনুষ্য-সন্তানবিলাকৰ মাজত সমৰ্পিত হ'ল।

15প্ৰভু যিহোৱাই এই কথা কৈছে, সি চিয়োললৈ নামি যোৱা দিনা মই শোকৰ আজ্ঞা দিলোঁ; মই তাৰ নিমিত্তে অগাধ জলক ঢাকিলোঁ, তাক সুঁতিবোৰ বন্ধ কৰিলোঁ, আৰু মহাজলসমূহক স্থগিত কৰা হ'ল; মই তাৰ নিমিত্তে লিবানোনক শোক কৰালোঁ, আৰু পথাৰৰ আটাই গছ তাৰ নিমিত্তে জঁয় পৰিল। 16গাঁতলৈ নামিব লগাবোৰে সৈতে মই তাক চিয়োললৈ পেলোৱা সময়ত তাৰ পতনৰ শব্দত মই জাতিবিলাকক কঁপালো; আৰু এদনৰ আটাই গছে, লিবানোনৰ মনোনীত আৰু উৎকৃষ্ট পানী পান কৰা আটাইবোৰে পৃথিৱীৰ অধোভাগত শান্তনা পালে। 17যিবিলাকে তাৰ বাহুস্বৰূপ আছিল, যিবিলাকে জাতিবিলাকৰ মাজত তাৰ ছাঁত বাস কৰিছিল, সিবিলাকো তৰোৱালৰ দ্বাৰাই হত হোৱা লোকৰ গুৰিলৈ তাৰে সৈতে চিয়োললৈ নামি গ'ল।

18এইদৰে তুমি প্ৰতাপত আৰু মহত্ত্বত এদনৰ গছবোৰৰ মাজত কাৰ নিচিনা? তথাপি পৃথিৱীৰ অধোভাগলৈ এদনৰ গছবোৰে সৈতে তোমাকো নমোৱা হ'ব; তৰোৱালৰ দ্বাৰাই হত হোৱাবোৰে সৈতে অচুন্নৎহঁতৰ মাজত তুমিও পৰি থাকিবা। প্ৰভু যিহোৱাই কৈছে, ফৰৌণ আৰু তাৰ আটাই লোকসমূহৰ এইৰূপ গতি হ'ব।

### মিচৰ আৰু ফৰৌণৰ বিষয়ৰ বিলাপ।

## Chapter 32

1দ্বাদশ বছৰৰ দ্বাদশ মাহৰ প্ৰথম দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি মিচৰৰ ৰজা ফৰৌণৰ নিমিত্তে বিলাপ কৰিবলৈ ধৰা, আৰু তাক কোৱা, তুমি নিজকে জাতিবিলাকৰ যুৱা সিংহ বুলি ভাবিছা, কিন্তু তুমি সমুদ্ৰত থকা মকৰ মাথোন; তোমাৰ

নদীবোৰত তুমি উৎপাত কৰিছা, তোমাৰ ভৰিৰে জলসমূহ আস্ফালন কৰিছা, আৰু তাৰ সুঁতিবোৰ ঘোলা কৰিছা। 3প্ৰভু যিহোৱাই এই কথা
কৈছে, মই অনেক লোকসমূহে সৈতে, তোমাৰ ওপৰত মোৰ জাল পেলাম, আৰু সিহঁতে তোমাক মোৰ জালেৰে আনিব। 4পাছে মই তোমাক
বামত এৰি দিম, তোমাক পথাৰত পেলাই দিম, আকাশৰ আটাই পক্ষীক তোমাৰ ওপৰত পৰাম, আৰু গোটেই পৃথিৱীৰ জন্তুবোৰক তোমাক
খাবলৈ দি সিহঁতৰ হেপাহ পলোৱাম। 5মই পৰ্ব্বতবোৰৰ ওপৰত তোমাৰ মাংস পেলাম, আৰু তোমাৰ দীঘল শৱেৰে উপত্যকাবোৰ পৰিপূৰ্ণ
কৰিম। 6তুমি সাঁতোৰা দেশখন মই পৰ্ব্বতলৈকে তোমাৰ তেজেৰে ভেজাম, আৰু জুৰি বৈ যোৱা উপত্যকাবোৰ তোমাৰে পূৰ হ'ব। 7আৰু মই
তোমাক নুমুউৱা সময়ত, মই আকাশ-মণ্ডলক ঢাকিম, আৰু তৰাবোৰৰ দীপ্তি নাইকিয়া কৰিম; মই এডোখৰ মেঘেৰে সূৰ্য্যক ঢাকিম, আৰু চন্দ্ৰই
পোহৰ নিদিব। 8আকাশ-মণ্ডলৰ উজ্জ্বল দীপ্তিবোৰৰ কোনোটোকে মই তোমাৰ ওপৰত পোহৰ কৰিবলৈ নিদিম, আৰু তোমাৰ দেশৰ ওপৰত
অন্ধকাৰ ব্যাপ্ত কৰিম, ইয়াক প্ৰভু যিহোৱাই কৈছে। 9যেতিয়া মই জাতিবিলাকৰ মাজলৈ, তুমি নজনা দেশবোৰলৈ তোমাৰ বিনাশৰ বাৰ্ত্তা আনিম,
তেতিয়া মই অনেক দেশৰ লোকৰ হৃদয়ত বেজাৰ দিম। 10এনে কি, যেতিয়া মই অনেক জাতিৰ আৰু সিহঁতৰ ৰজাবিলাকৰ আগত মোৰ
তৰোৱাল ঘূৰাম, তেতিয়া সেই জাতিবিলাকক মই তোমাৰ বিষয়ে বিস্ময় মনাম, আৰু সেই ৰজাবিলাকে তোমাক দেখি শিয়ৰি উঠিব; আৰু
তোমাৰ পতনৰ দিনা তেওঁবিলাক প্ৰতিজনে নিজ নিজ প্ৰাণৰ নিমিত্তে প্ৰত্যেক মুহূৰ্ত্তে কঁপিব।

11কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে, বাবিলৰ ৰজাৰ তৰোৱালখনে তোমাক আক্ৰমণ কৰিব। 12বীৰবিলাকৰ তৰোৱালৰ দ্বাৰাই মই তোমাৰ
লোকসমূহক নিপাত কৰিম; তেওঁবিলাক সকলোৱেই জাতিবিলাকৰ ভয়ানক লোক; তেওঁবিলাকে মিচৰৰ গৰ্ব্বৰ বস্তু লুট কৰিব, আৰু তাৰ
আটাই লোকসমূহ নষ্ট হ'ব। 13মই অনেক জলসমূহৰ কাষৰ পৰা তাৰ আটাই পশুক উচ্ছন্ন কৰিম, আৰু মানুহৰ ভৰিয়ে বা পশুৰ খুৰাই তাৰ
পানীবোৰ আৰু নলৰাব। 14সেই কালত মই তাৰ পানীবোৰ নিৰ্ম্মল কৰিম, আৰু তাৰ নৈ বোৰ তেলৰ নিচিনাকৈ বোৱাম, এয়ে প্ৰভু যিহোৱাৰ
বচন। 15যেতিয়া মই মিচৰ দেশ ধ্বংসস্থান আৰু উচ্ছন্ন কৰিম, তাত উৎপন্ন হোৱা আটাই বস্তু তাত নাইকিয়া কৰিম, যেতিয়া মই তাৰ নিবাসী
আটাইকে প্ৰহাৰ কৰিম, তেতিয়া, মই যে যিহোৱা, তাক সিহঁতে জানিব। 16এয়ে বিলাপ কৰিবলগীয়া সিহঁতৰ বিলাপ; জাতিবিলাকৰ
জীয়াৰীবোৰে ইয়াৰে বিলাপ কৰিব, ইয়াক প্ৰভু যিহোৱাই কৈছে।

17পাছে দ্বাদশ বছৰত মাহৰ পঞ্চদশ দিনা যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 18হে মনুষ্য সন্তান, তুমি মিচৰৰ লোকসমূহৰ বিষয়ে
হাহাকাৰ কৰা, আৰু সিহঁতক তললৈ পেলাই দিয়া; তাক আৰু বিখ্যাত জাতিবিলাকৰ জীয়াৰীবোৰে গাঁতলৈ নামিব লগাবোৰে সৈতে পৃথিৱীৰ
অধোভাগলৈ পেলাই দিয়া। 19তুমি কাতকৈ সুন্দৰ? নামি যোৱা অচুন্নৎহঁতৰ লগত শয়ন কৰা। 20সিহঁত তৰোৱালৰ দ্বাৰাই হত হোৱা
লোকবিলাকৰ মাজত পতিত হ'ব; তাক তৰোৱালত শোধাই দিয়া হৈছে; তোমালোকে তাক আৰু তাৰ লোকসমূহক টানি লৈ যোৱা। 21পৰাক্ৰমী
বীৰবিলাকে চিয়োলত তাৰ আৰু তাৰ সহায়কাৰীবোৰক কথা ক'ব; তৰোৱালৰ দ্বাৰাই হত হোৱা অচুন্নৎহঁত তললৈ নামি গৈ পৰি আছে।

22অচূৰ আৰু তাৰ আটাই লোকসমূহ তাত আছে;তাৰ মৈদামবোৰ তাৰ চাৰিওফালে আছে; সিহঁত আটাইবোৰ হত হ'ল, তৰোৱালৰ দ্বাৰাই
পতিত হ'ল। 23সিহঁতৰ মৈদামবোৰ গাঁতৰ অন্তভাগত কৰা হ'ল আৰু তাৰ লোকসমূহ তাৰ মৈদামৰ চাৰিওফালে আছে; সিহঁত আটাইবোৰ হত
হ'ল, তৰোৱালৰ দ্বাৰাই পতিত হ'ল; সিহঁতে জীৱিতবিলাকৰ দেশত ত্ৰাস জন্মাইছিল।

24এলম, আৰু তাৰ মৈদামৰ চাৰিওফালে তাৰ লোকসমূহ ততাত আছে; সিহঁত আটাইবোৰ হত হ'ল, তৰোৱলৰ দ্বাৰাই পতিত হ'ল; সিহঁত
অচুন্নৎ-অৱস্থাৰেই পৃথিৱীৰ অধোভাগলৈ নামি গ'ল; সিহঁতে জীৱিতবিলাকৰ দেশত ত্ৰাস জন্মাইছিল আৰু গাঁতলৈ নামি যোৱাবোৰে সৈতে
নিজৰ লাজৰ ভাৰ বৈছে। 25হত লোকবিলাকৰ মাজত, তাৰ আটাই লোকসমূহে সৈতে তাৰ নিমিত্তে এক শয্যা যুগুত কৰা হ'ল; তাৰ
চাৰিওফালে তাৰ মৈদামবোৰ আছে; সিহঁত আটাইবোৰ অচুন্নৎ, সিহঁত তৰোৱালৰ দ্বাৰাই হত হ'ল; কিয়নো সিহঁতে জীৱিতবিলাকৰ দেশত ত্ৰাস
জন্মাইছিল, আৰু গাঁতলৈ নামি যোৱাবোৰে সৈতে নিজৰ লাজৰ ভাৰ বৈছে; হত লোকবিলাকৰ মাজত তাক ৰখা হৈছে।

26মেচেক-তূবল, আৰু তাৰ আটাই লোকসমূহ তাতত আছে; তাৰ চাৰিওফালে তাৰ মৈদামবোৰ আছে, সিহঁত আটাইবোৰ অচুন্নৎ, সিহঁত
তৰোৱালৰ দ্বাৰাই হত হ'ল; কিয়নো সিহঁতে জীৱিতবিলাকৰ দেশত ত্ৰাস জন্মাইছিল। 27যি বীৰবিলাক অচুন্নৎ-অৱস্থাৰে পতিত হ'ল, যিবিলাকে
নিজ নিজ যুদ্ধৰ অস্ত্ৰেৰে সৈতে চিয়োললৈ নামি গ'ল, যিবিলাকৰ তৰোৱাল তেওঁবিলাকৰ মূৰৰ তলত থোৱা হ'ল, আৰু জীৱিতবিলাকৰ দেশত
বীৰবিলাকৰ ত্ৰাস জন্মোৱাৰ কাৰণে যিবিলাকৰ হাড়বোৰত তেওঁবিলাকৰ অপৰাধ লাগি আছে, সেই বীৰবিলাকৰ লগত, সিহঁত নুশুব। 28তুমিও
অচুন্নৎহঁতৰ মাজত ভগ্ন হ'বা, আৰু তৰোৱালৰ দ্বাৰাই হত হোৱাবোৰৰ লগত শয়ন কৰিবা।

29ইদোম, তাৰ ৰজাবিলাক, আৰু তাৰ আটাই প্ৰধান লোক তাত আছে; সিহঁত পৰাক্ৰমী হ'লেও, তৰোৱালৰ দ্বাৰাই হত হোৱাবোৰৰ লগত
সিহঁতক ৰখা হৈছে; সিহঁত অচুন্নৎহঁতৰ লগত, গাঁতলৈ নামি যোৱাবোৰৰ লগত শুব। 30হত হোৱাবোৰে সৈতে নামি যোৱা উত্তৰদেশীয় অধিপতি
আটাইবোৰ, আৰু আটাই চীদোনীয়া লোক তাত আছে; সিহঁতে নিজ নিজ পৰাক্ৰমৰ দ্বাৰাই ত্ৰাস জন্মোৱাতো সিহঁতে লাজ পাইছে; আৰু সিহঁতে
তৰোৱালৰ দ্বাৰাই হত হোৱাবোৰৰ লগত অচুন্নৎ-অৱস্থাৰেই পৰি আছে, আৰু গাঁতলৈ নামি যোৱাবোৰে সৈতে নিজৰ লাজৰ ভাৰ বৈছে।

31ফৰৌণে সিহঁতক দেখি নিজৰ আটাই লোকসমূহৰ নিমিত্তে শান্ত্বনা পাব; এনে কি, প্ৰভু যিহোৱাই কৈছে, ফৰৌণে আৰু তৰোৱালৰ দ্বাৰাই হত
বোৱা তাৰ আটাই সৈন্যসান্তই শান্ত্বনা পাব। 32কিয়নো মই জীৱিতবিলাকৰ দেশত তাৰ ত্ৰাস জন্মাইছিলোঁ, আৰু প্ৰভু যিহোৱাই কৈছে তৰোৱালৰ
দ্বাৰাই হত হোৱাবোৰৰ লগত অচুন্নৎহঁতৰ মাজত তাক ৰখা হ'ব, ফৰৌণ আৰু তাৰ আটাই লোকসমূহক ৰখা হ'ব।

## লোকবিলাকৰ পক্ষে ভাববাদী এজন নিযুক্ত প্ৰহৰীস্বৰূপ।

# Chapter 33

1পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি তোমাৰ জাতিৰ সন্তানবিলাকে সৈতে কথা হৈ তেওঁবিলাকক কোৱা, মই কোনো দেশৰ বিৰুদ্ধে তৰোৱাল আনিলে, যদি সেই দেশৰ লোকবিলাকে তেওঁবিলাকৰ মাজৰ পৰা কোনো মানুহক লৈ তেওঁবিলাকৰ নিমিত্তে তাক প্ৰহৰী নিযুক্ত কৰে, 3আৰু তেওঁ দেশৰ অহিতে তৰোৱাল অহা দেখি যদি শিঙা বজাই লোকবিলাকক সতৰ্ক কৰে, 4তেন্তে যেয়ে শিঙাৰ শব্দ শুনি সতৰ্ক নহয়, আৰু তৰোৱালে আহি তেওঁক লৈ যায়, তেনেহলে তেওঁৰ ৰক্তপাতৰ দোষ তেওঁৰ নিজৰ মূৰতে পৰিব। 5তেওঁ শিঙাৰ শব্দ শুনিও সতৰ্ক নহ'ল, তেওঁৰ ৰক্তপাতৰ দোষ তেওঁৰ ওপৰতে পৰিব; যদি তেওঁ সতৰ্ক হ'লহেতেন, তেন্তে নিজৰ প্ৰাণ ৰক্ষা কৰিব পাৰিলেহেঁতেন। 6কিন্তু প্ৰহৰীয়ে তৰোৱাল অহা দেখিও যদি শিঙা নবজায়, আৰু মানুহবিলাক সতৰ্ক নহয়, আৰু তৰোৱালে আহি তেওঁবিলাকৰ মাজৰ পৰা কোনো মানুহ লৈ যায়, তেন্তে তেওঁ নিজৰ অপৰাধৰ কাৰণে নিয়া হ'ব; কিন্তু মই প্ৰহৰীৰ হাতৰ পৰা তেওঁৰ ৰক্তপাতৰ প্ৰতিশোধ ল'ম।

7হে মনুষ্য সন্তান, এইদৰে মই তোমাকেই ইস্ৰায়েলবংশৰ প্ৰহৰীস্বৰূপে নিযুক্ত কৰিলোঁ; এই হেতুকে তুমি মোৰ মুখৰ পৰা বাক্য শুনি মোৰ নামেৰে তেওঁবিলাকক সতৰ্ক কৰা। 8হে দুষ্ট, তুমি নিশ্চয়ে মৰিবা, এই বুলি মই যেতিয়া দুষ্টক কওঁ, আৰু তুমি দুষ্টক তাৰ পথৰ পৰা ঘূৰিবলৈ সতৰ্ক কৰিবৰ নিমিত্তে একো নোকোৱা, তেতিয়া সেই দুষ্ট নিজ অপৰাধৰ কাৰণে মৰিব, কিন্তু মই তোমাৰ হাতৰ পৰা তাৰ ৰক্তপাতৰ প্ৰতিশোধ ল'ম। 9কিন্তু যদি দুষ্টক তাৰ পথৰ পৰা ঘূৰিবলৈ তাৰ পথৰ বিষয়ে সতৰ্ক কৰা, আৰু সি নিজ পথৰ পৰা নুঘূৰে, তেন্তে সি নিজ অপৰাধৰ কাৰণে মৰিব, কিন্তু তুমি তোমাৰ প্ৰাণ ৰক্ষা কৰিবা।

10আৰু হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলবংশক কোৱা, তোমালোকে কৈছা, আমাৰ অপৰাধ আৰু পাপৰ ভাৰ আমাৰ ওপৰত আছে আৰু আমি সেইবোৰৰ কাৰণে ক্ষীণাই গৈছোঁ; তেন্তে আমি কেনেকৈ জীয়াই থাকিম? 11তুমি তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, দুষ্টৰ মৰণত মই সন্তোষ নাপাওঁ, কিন্তু দুষ্টই যে নিজ পথৰ পৰা ঘূৰি জীয়াই থাকে, তাতহে মই সন্তোষ পাওঁ; ঘূৰা, তোমালোকৰ কু-পথৰ পৰা তোমালোক ঘূৰা; কিয়নো হে ইস্ৰায়েল বংশ, তোমালোক কিয় মৰিবা? 12আৰু হে মনুষ্য সন্তান, তুমি তোমাৰ জাতিৰ সন্তানবিলাকক কোৱা, ধাৰ্ম্মিকৰ ধাৰ্ম্মিকতাই তেওঁৰ অপৰাধৰ দিনা তেওঁক উদ্ধাৰ নকৰিব; আৰু দুষ্টৰ দুষ্টতাৰ বিষয়ে হ'লে, সি নিজ দুষ্টতাৰ পৰা ঘূৰা দিনা তাৰ দ্বাৰাই পতিত নহ'ব; বা ধাৰ্ম্মিক জনে পাপ কৰা দিনা নিজ ধাৰ্ম্মিকতাৰ দ্বাৰাই জীয়াই থাকিব নোৱাৰিব। 13যেতিয়া মই ধাৰ্ম্মিকৰ বিষয়ে, তেওঁ জীয়াই থাকিব বুলি কওঁ, তেতিয়া যদি তেওঁ নিজ ধাৰ্ম্মিকতাত নিৰ্ভৰ কৰি অপৰাধ কৰে, তেন্তে তেওঁ ধৰ্ম্মকৰ্ম্মবোৰৰ কোনোটোও সোঁৱৰণ কৰা নহ'ব, কিন্তু তেওঁ কৰা অপৰাঘৰ নিমিত্তে তেওঁ মৰিব। 14পুনৰায়, তুমি অৱশ্যে মৰিবা বুলি যেতিয়া মই দুষ্টক কওঁ, তেতিয়া যদি সি নিজ পাপৰ পৰা ঘূৰি ন্যায় আৰু উচিত কাৰ্য্য কৰে, 15যদি দুষ্টই বন্ধক ওলোটাই দিয়ে, কাঢ়িলোৱা বস্তু পুনৰায় দিয়ে, কোনো অপৰাধ নকৰি জীৱন দায়ক বিধিবোৰত চলে, তেন্তে সি নিশ্চয়ে জীয়াই থাকিব, নমৰিব। 16সি কৰা পাপবোৰৰ কোনো পাপকে তাৰ অহিতে সোঁৱৰণ কৰা নহ'ব; সি উচিত আৰু ন্যায় কাৰ্য্য কৰিলে; সি অৱশ্যে জীয়াই থাকিব।

17তথাপি প্ৰভুৰ পথ সমান নহয় বুলি তোমাৰ জাতিৰ সন্তানবিলাকে কয়; কিন্তু তেওঁবিলাকৰেই পথ সমান নহয়। 18যেতিয়া ধাৰ্ম্মিকে নিজ ধাৰ্ম্মিকতাৰ পৰা উলটি অপৰাধ কৰে, তেতিয়া তেৰোঁ তাৰ দ্বাৰাই মৰিব। 19আৰু যেতিয়া দুষ্টই নিজ দুষ্টতাৰ পৰা ঘূৰি উচিত আৰু ন্যায় কাৰ্য্য কৰে, তেতিয়া সিও তাৰ দ্বাৰাই জীয়াই থাকিব। 20তথাপি প্ৰভুৰ পথ সমান নহয় বুলি তোমালোকে কোৱা। হে ইস্ৰায়েল বংশ, মই তোমালোকৰ নিজ নিজ আচাৰ-ব্যৱহাৰ অনুসাৰে তোমালোকৰ বিচাৰ কৰিম।

## যিহিষ্কেলে যিৰূচালেমৰ পতনৰ বাৰ্ত্তা পোৱা।

21পাছে আমি দেশান্তৰিত হোৱাৰ দ্বাদশ বছৰৰ দ্বাদশ মাহৰ পঞ্চম দিনা যিৰূচালেমৰ পৰা ওলাই ৰক্ষা পোৱা এজনে মোৰ ওচৰলৈ আহি ক'লে, নগৰখন শত্ৰুৰ হাতত পৰিল। 22পলাই ৰক্ষা পোৱা জন অহাৰ আগেয়ে সন্ধ্যা পৰত যিহোৱাৰ হাত মোৰ ওপৰত অৰ্পিত আছিল; আৰু তেওঁ ৰাতিপুৱাতে মোৰ ঘুৰিলৈ আহিব দেখি তেওঁ মোৰ মূখ মেলিলে, আৰু মোৰ মুখ মুকলি হ'লত, মই আৰু বোবা হৈ নাথাকিলোঁ।

23তেতিয়া যিহোৱাৰ বাক্য মোৰ গুৰিলৈ আহিল বোলে, 24হে মনুষ্য সন্তান, ইস্ৰায়েলৰ ধ্বংসস্থানবোৰত বাস কৰা লোকবিলাকে কয়, অব্ৰাহাম এজন মাত্ৰ, তথাপি তেওঁ দেশ অধিকাৰ কৰিছিল; কিন্তু আমি হ'লে অনেক, অধিকাৰৰ অৰ্থে দেশ আমাকেই জিয়া হৈছে। 25এই হেতুকে তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, তোমালোক সতেজ হৈ মাংস খোৱা, মূৰ্ত্তিবোৰলৈ চকু তোলা, আৰু ৰক্তপাত কৰা লোক; তেন্তে তোমালোকে জানো দেশ অধিকাৰ কৰিবা? 26তোমালোকে নিজ নিজ তৰোৱালত নিৰ্ভৰ কৰা, ঘিণলগীয়া কাৰ্য্য কৰা, আৰু নিজ নিজ ওচৰ-চুবুৰীয়াৰ তিৰোতাক অশুচি কৰা লোক; তেন্তে তোমালোকে জানো দেশ অধিকাৰ কৰিবা? 27তুমি তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, মোৰ জীৱনৰ শপত, ধ্বংসস্থান-বোৰত বাস কৰা লোকবিলাক অৱশ্যে তৰোৱালৰ দ্বাৰাই পতিত হ'ব, মুকলি পথাৰত থকাটোক খাবৰ নিমিত্তে মই বনৰীয়া জন্তুবোৰক দিম, আৰু দুৰ্গ ও গুহাত থকাবোৰ মহামাৰীত মৰিব। 28আৰু মই দেশক ধ্বংস আৰু আচৰিতৰ বিষয় কৰিম; তাতে তাৰ পৰাক্ৰমৰ গৰ্ব্ব খৰ্ব্ব হ'ব, আৰু ইস্ৰায়েল পৰ্ব্বতবোৰ এনেকৈ ধ্বংস কৰা হ'ব যে, কোনেও সেইবোৰৰ মাজেদি নাযাব। 29তাতে, তেওঁবিলাকে কৰা তেওঁবিলাকৰ আটাই ঘিণলগীয়া কাৰ্য্যৰ নিমিত্তে যেতিয়া মই দেশখন ধ্বংস আৰু আচৰিতৰ বিষয় কৰিম, তেতিয়া, মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব।

30আৰু হে মনুষ্য সন্তান, তোমাৰ বিষয়ে হ'লে, তোমাৰ জাতিৰ সন্তানবিলাকে দেৱালৰ কাষত আৰু ঘৰৰ দুৱাৰ-মুখত তোমাৰ বিষয়ে কথা
পাতে; আৰু ভায়েকে ভায়েকে পৰস্পৰে কোৱাকুই কৰি কয়, ব'লা যিহোৱাৰ মুখৰ পৰা আজি ওলোৱা বাক্য কি, তাক আমি শুনোগৈহঁক।
31আৰু প্ৰজাবিলাক অহাদি তেওঁবিলাক তোমাৰ ওচৰলৈ আহে, আৰু মোৰ প্ৰজা বুলি তেওঁবিলাক তোমাৰ আগত বহে, আৰু তেওঁবিলাকে
তোমাৰ বাক্য শুনে, কিন্তু সেইদৰে কাৰ্য্য নকৰে; কিয়নো তেওঁবিলাকে মুখেৰে অধিক প্ৰেম দেখুৱায়, কিন্তু তেওঁবিলাকৰ অন্তৰ তেওঁবিলাকৰ
লাভৰ পাছত চলে। 32আৰু চোৱা, তুমি তেওঁবিলাকৰ গুৰিত সুন্দৰ ডিঙিৰ মানুহৰ, আৰু ভালকৈ বাদ্য কৰিব পৰা মনোহৰ গানযেন হে; কিয়নো
তেওঁবিলাকে তোমাৰ বাক্য শুনে, কিন্তু সেইদৰে কাৰ্য্য নকৰে। 33আৰু যেতিয়া সেয়ে ঘটিব,(চোৱা, সেয়ে ঘটিবৰ দিন ওচৰ হৈছে), তেতিয়া,
তেওঁবিলাকৰ মাজত যে এজন ভাববাদী আছিল, তাক তেওঁবিলাকে জানিব।

### ইস্ৰায়েলৰ নিৰ্দ্দয় ভেড়া-ৰখীয়াবিলাকৰ বিষয়, আৰু দেশ পুনঃস্থাপন।

## Chapter 34

1পুনৰায় যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান তুমি ইস্ৰায়েলৰ ভেড়া-ৰখীয়াবিলাকৰ বিষয়ে ভাববাণী প্ৰচাৰ কৰা,
ভাববাণী প্ৰচাৰ কৰি তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, নিজকেই প্ৰতিপালন কৰা ইস্ৰায়েলৰ ভেড়াৰখীয়াবিলাক সন্তাপৰ
পাত্ৰ; ভেড়া-ৰখীয়াবিলাকে জানো ভেড়াবোৰক প্ৰতিপালন কৰিব নালাগে? 3তোমালোকে তেল খোৱা, তোমালোকে নোমেৰে কাপোৰ কৰি
লোৱা, তোমালোকে হৃষ্টপুষ্ট ভেড়াবোৰ বধ কৰা, কিন্তু জাকক হ'লে তোমালোকে প্ৰতিপালন নকৰা। 4তোমালোকে দুৰ্ব্বলবোৰক সবল
নকৰিলা, ৰোগীয়াটোক সুস্থ নকৰিলা, হাৰ ভগাটোৰ ভগা ঠাই নাবান্ধিলা, নাইবা খেদি লৈ যোৱাটোক পুনৰাই নানিলা, বা হেৰোৱাটোক
নিবিচাৰিলা; কিন্তু বল আৰু উপদ্ৰৱেৰে তোমালোকে সেইবোৰক শাসন কৰিলা। 5আৰু ৰখীয়া নোহোৱাত সেইবোৰ ছিন্ন-ভিন্ন হ'ল, আৰু
সেইবোৰ আটাই বনৰীয়া জন্তুৰ আহাৰ হ'ল, ছিন্ন-ভিন্ন হৈ গ'ল। 6মোৰ ভেড়াবোৰে পৰ্ব্বতে পৰ্ব্বতে আৰু প্ৰত্যেক ওখ গিৰিৰ ওপৰত ভ্ৰমণ
কৰিছে; এনে কি, মোৰ ভেড়াবোৰ গোটেই পৃথিৱীত ছিন্ন-ভিন্ন হ'ল, আৰু সেইবোৰক চাওঁতা কি বিচাৰোঁতা কোনো নাই।

7এই হেতুকে হে ভেড়া-ৰখীয়াবিলাক, যিহোৱাৰ বাক্য শুনা। 8প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, ভেড়া-ৰখীয়াবিলাকে মোৰ ভেড়াবোৰ
নিবিচৰাত, আৰু মোৰ ভেড়াবোৰ প্ৰতিপালন নকৰি নিজকেই প্ৰতিপালন কৰাত, ৰখীয়া নাইকিয়াতেই মোৰ ভেড়াবোৰ লুটদ্ৰব্য আৰু আটাই
বনৰীয়া জন্তুৰ আহাৰ হ'ল। 9এই হেতুকে হে ভেড়া-ৰখীয়াবিলাক, যিহোৱাৰ বাক্য শুনা। 10প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, মই ভেড়া-
ৰখীয়াবিলাকৰ বিপক্ষ; মই সিবিলাকৰ হাতৰ পৰা মোৰ ভেড়াবোৰ আদায় কৰিম, আৰু সিবিলাকক ভেড়া-ৰখীয়া বাবৰ পৰা গুচাম; ভেড়া
ৰখীয়াবিলাকে নিজদকেই আৰু প্ৰতিপালন নকৰিব, আৰু মোৰ ভেড়াবোৰ সিবিলাকলৈ আহাৰ নহ'বৰ নিমিত্তে মই সিবিলাকৰ মুখৰ পৰা
সেইবোৰক উদ্ধাৰ কৰিম।

11কিয়নো প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, মই ময়েই মোৰ ভেড়াবোৰৰ বুজ বিচাৰ ল'ম, আৰু সেইবোৰক বিচাৰি উলিয়াম। 12ভেড়া
ৰখীয়াই ছিন্ন-ভিন্ন হোৱা নিজ ভেড়াবোৰৰ মাজত থকা দিনা নিজৰ ভেড়াৰ জাকক বিচাৰি উলিওৱাৰ নিচিনাকৈ, মই মোৰ ভেড়াৰ জাকক
বিচাৰি উলিয়াম; আৰু মেঘে ঢাকি আন্ধাৰ কৰা দিনা সেইবোৰ ছিন্ন-ভিন্ন হোৱা আটাই ঠাইৰ পৰা মই সেইবোৰক উদ্ধাৰ কৰিম। 13আৰু মই
জাতিবিলাকৰ মাজৰ পৰা সেইবোৰক উলিয়াই আৰু দেশবোৰৰ পৰা সেইবোৰক গোটাই সেইবোৰৰ নিজ দেশলৈ নিম; আৰু ইস্ৰায়েলৰ
পৰ্ব্বতত, জুৰিবোৰৰ কাষত আৰু বসতিৰ যোগ্য ঠাইবোৰত মই সেইবোৰক চৰাম। 14মই উত্তম ঘাঁহনিত সেইবোৰক চৰাম, আৰু ইস্ৰায়েলৰ ওখ
পৰ্ব্বতৰ ওপৰত সেইবোৰৰ চৰণীয়া ঠাই হ'ব; সেইবোৰে তাত উত্তম চৰণীয়া ঠাইত শয়ন কৰিব, আৰু ইস্ৰায়েলৰ পৰ্ব্বতৰ ওপৰত পুষ্টিকৰ
ঘাঁহনিত চৰিব। 15ময়েই মোৰ ভেড়াবোৰক চৰাম আৰু ময়েই সেইবোৰক শয়ন কৰাম, এয়ে প্ৰভু যিহোৱাৰ বচন। 16মই হেৰোৱাটোক বিচাৰিম,
খেদি নিয়াটোক ঘূৰাই আনিম, হাড় ভগাটোৰ ভগা ঠাই বান্ধিম, ৰোগীয়াটোক সবল কৰিম, হৃষ্টপুষ্ট আৰু বলীটোক সংহাৰ কৰিম, আৰু ন্যায়েৰে
সেইবোৰক প্ৰতিপালন কৰিম।

17আৰু হে মোৰ ভেড়াৰ জাক, তোমালোকৰ বিষয়ে হ'লে, প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, মই এটা এটাকৈ ভেড়াৰ জাকৰ বিচাৰ কৰিম,
মতা ভেড়া আৰু মতা ছাগৰ সমানে বিচাৰ কৰিম। 18এয়ে তোমালোকৰ মানত সামান্য বিষয় নে, যে, তোমালোকে উত্তম ঘাঁহনিত চৰিছা, আকৌ
তোমালোকৰ চৰণীয়াৰ অৱশিষ্ট ঘাঁহ তোমালোকৰ ভৰিৰে গচকিছা, আৰু নিৰ্ম্মল জল পান কৰি, তোমালোকৰ ভৰিৰে অৱশিষ্ট ভাগ ঘোলা
কৰিছা? 19মোৰ ভেড়াবোৰে হ'লে, তোমালোকে তোমালোকৰ ভৰিৰে গচকা ঘাঁহহে খাবলৈ পায়, আৰু তোমালোকৰ ভৰিৰে ঘোলা কৰা পানীহে
পান কৰিবলৈ পায়।

20এই হেতুকে প্ৰভু যিহোৱাই তেওঁবিলাকক এই দৰে কৈছে, মই ময়েই হৃষ্টপুষ্ট আৰু ক্ষীণ ভেড়াবোৰৰ মাজত বিচাৰ কৰিম। 21তোমালোকে
দুৰ্ব্বলবোৰক বাহিৰ কৰি ছিন্ন-ভিন্ন নকৰালৈকে, কোৰেৰে আৰু কান্ধেৰে ঠেলা, আৰু শিঙেৰে আটাইকে খোচা। 22এই নিমিত্তে মই মোৰ ভেড়াৰ
জাকক ৰক্ষা কৰিম; সেইবোৰ আৰু লুটদ্ৰব্য নহ'ব, আৰু মই এটা এটাকৈ ভেড়াৰ জাকৰ বিচাৰ কৰিম। 23আৰু মই সেইবোৰৰ ওপৰত এজন
মাত্ৰ ৰখীয়া মোৰ দাস দায়ুদক নিযুক্ত কৰিম; তেওঁ সেইবোৰক প্ৰতিপালন কৰিব; তেৱেঁই সেইবোৰক প্ৰতিপালন কৰি সেইবোৰৰ ৰখীয়া হ'ব।
24মই যিহোৱাই মোৰ লোকবিলাকৰ ঈশ্বৰ হ'ম, আৰু মোৰ দাস তেওঁবিলাকৰ মাজত অধিপতি হ'ব, ইয়াক মই যিহোৱাই কলোঁ।

25আৰু মই তেওঁবিলাকৰ লগত এটি শান্তিৰ নিয়ম স্থাপন কৰিম, আৰু দেশৰ পৰা হিংসুক জন্তুবোৰ দূৰ কৰিম; তাতে তেওঁবিলাকে অৰণ্যত
নিৰ্ভয়ে বাস কৰিব, আৰু কাঠনিত টোপনি যাব। 26আৰু মই তেওঁবিলাকক, আৰু মোৰ পৰ্ব্বতৰ চাৰিওফালে থকা ঠাইবোৰ আশীৰ্ব্বাদ যুক্ত
কৰিম, আৰু মই উচিত সময়ত বৃষ্টি অনাম, আৰু আশীৰ্ব্বাদযুক্ত বৃষ্টি পৰিব। 27আৰু পথাৰৰ গছে নিজৰ ফল উৎপন্ন কৰিব,পৃথিৱীয়ে নিজৰ
শস্য দিব, আৰু তেওঁবিলাক নিজৰ দেশত নিৰ্ভয়ে থাকিব; যেতিয়া মই তেওঁবিলাকৰ যুৱলিৰ শলমাৰি ভাঙি তেওঁবিলাকক বন্ধীকাম
কৰোঁৱাবোৰৰ হাতৰ পৰা তেওঁবিলাকক উদ্ধাৰ কৰিম, তেতিয়া মই যে যিহোৱা, তাক তেওঁবিলাকে জানিব। 28আৰু তেওঁবিলাক জাতিবিলাকৰ
লুটদ্ৰব্য আৰু নহ'ব, বা বনৰীয়া জন্তুবোৰে তেওঁবিলাকক গ্ৰাস নকৰিব; কিন্তু তেওঁবিলাকে নিৰাপদে বাস কৰিব, আৰু তোনেও তেওঁবিলাকক
ভয় নলগাব। 29মই গৌৰৱৰ অৰ্থে তেওঁবিলাকৰ নিমিত্তে এটি পুলি উৎপন্ন কৰিম; তেওঁবিলাক দেশত আকালৰ দ্বাৰাই আৰু বিনষ্ট নহ'ব, বা
জাতিবিলাকে দিয়া লাজ তেওঁবিলাকে আৰু ভোগ নকৰিব। 30আৰু প্ৰভু যিহোৱাই কৈছে, তেওঁবিলাকৰ ঈশ্বৰ মই যিহোৱা যে তেওঁবিলাকৰ
লগত আছোঁ আৰু তেওঁবিলাক ইস্ৰায়েল বংশ যে মোৰ প্ৰজা, তাক তেওঁবিলাকে জানিব। 31আৰু প্ৰভু যিহোৱাই কৈছে, মোৰ ভেড়াবোৰ, মোৰ
চৰণীয়া ভেড়াবোৰ যি তোমালোক, তোমালোক মানুহ, আৰু মই তোমালোকৰ ঈশ্বৰ।

### ইদোমৰ বিষয়ে কোৱা বাক্য।

## Chapter 35

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান, তুমি চেয়ীৰ পৰ্ব্বতৰ ফালে মুখ কৰি তাৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰা,
3আৰু তাক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, হে চেয়ীৰ পৰ্ব্বত, তোৱা, মই তোমাৰ বিপক্ষ, আৰু মই তোমাৰ অহিতে মোৰ হাত মেলি
তোমাক ধ্বংস আৰু বিস্ময় ঠাই কৰিম। 4মই তোমাৰ নগৰবোৰ উচ্ছন্ন কৰিম: আৰু তোমাক ধ্বংস কৰা হ'ব; তাতে মই যে যিহোৱা তাক তুমি
জানিবা। 5তোমাৰ চিৰকলীয়া শত্ৰুভাৱ আছে, আৰু অন্তজনক অপৰাধৰ কালত, ইস্ৰায়েলৰ সন্তানবিলাকৰ আপদৰ কালতেই তুমি
তেওঁবিলাকক তৰোৱালৰ হাতত শোধাই দিলা। 6এই নিমিত্তে প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, মই তোমাক ৰক্তময় কৰিম, আৰু ৰক্তই
তোমাৰ পাছে পাছে খেদি যাব। 7এইদৰে মই চায়ীৰ পৰ্ব্বতক বিস্ময়ৰ আৰু ধ্বংসৰ ঠাই কৰিম, আৰু তাৰ মাজেদি অহা-যোৱা কৰা লোকক
তাৰ পৰা উচ্ছন্ন কৰিম। 8মই তাৰ হত লোকেৰে তাৰ পৰ্ব্বতবোৰ পূৰ কৰিম; তোমাৰ গিৰিবোৰত, তোমাৰ উপত্যকাবোৰত, আৰু তোমাৰ আটাই
জুৰিবোৰৰ কাষত তৰোৱালৰ দ্বাৰাই হত হোৱা লোকবিলাক পতিত হ'ব। 9মই তোমাক চিৰকলীয়া ধ্বংসস্থান কৰিম, তোমাৰ নগৰবোৰত
কোনেও বসতি নকৰিব; তাতে মই যে যিহোৱা, তাক তোমালোকে জানিবা।

10তুমি ক'লা, সেই দুই জাতিৰ মাজত আৰু সেই দুখন দেশত যিহোৱা থাকিলেও সেইবোৰ মোৰেই হ'ব, আৰু আমি সেইবোৰ অধিকাৰ কৰিম।
11এই হেতুকে, প্ৰভু যিহোৱাই কৈছে, মোৰ জীৱনৰ শপত, মই তোমাৰ ক্ৰোধ অনুসাৰে, আৰু তেওঁবিলাকক ঘিণ কৰি তুমি দেখুউৱা তোমাৰ ঈৰ্ষা
অনুসাৰে মই কাৰ্য্য কৰিম; আৰু যেতিয়া মই তোমাক বিচাৰসিদ্ধ দণ্ড দিম, তেতিয়া মই সিহঁতৰ মাজত নিজকে চিনাকি দিম। 12ইস্ৰায়েলৰ
পৰ্ব্বতবোৰ ধ্বংস কৰা হ'ল, সেইবোৰ গ্ৰাস কৰিবৰ নিমিত্তে আমাকেই দিয়া হ'ল, এইবুলি সেইবোৰৰ বিৰুদ্ধে তুমি কোৱা তোমাৰ আটাই নিন্দা-
বাক্য মই যিহোৱাই যে শুনিলোঁ, তাক তুমি জানিবা। 13আৰু তোমালোকে মোৰ অহিতে নিজ নিজ মুখেৰে গৰ্ব্ব কৰিলা, আৰু মোৰ অহিতে
তোমালোকৰ বাক্য বঢ়ালা; তাক ময়েই শুনিলোঁ। 14প্ৰভু যিহোৱাই এই কথা কৈছে, গোটেই পৃথিৱীয়ে আনন্দ কৰা সময়ত মই তোমাক ধ্বংস
কৰিম। 15ইস্ৰায়েলবংশৰ আধিপত্য ধ্বংস কৰা হোৱাত যেনেকৈ তুমি তাৰ ওপৰত আনন্দ কৰিছিলা, তেনেকৈ তোমাৰ অহিতে ময়ো আনন্দ
কৰিম; হে চেয়ীৰ পৰ্ব্বত, হে গোটেই ইদোম, তোমাৰ সকলোকে ধ্বংস কৰা হ'ব; তাতে, মই যে যিহোৱা, তাক সিহঁতে জানিব।

### ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ অৰ্থে কৰা মঙ্গল-প্ৰতিজ্ঞা।

## Chapter 36

1আৰু হে মনুষ্য সন্তান, তুমি ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ আগত ভাববাণী প্ৰচাৰ কৰি কোৱা, হে ইসেৰ্য়েলৰ পৰ্ব্বতবিলাক, তোমালোকে যিহোৱাৰ
বাক্য শুনা। 2প্ৰভু যিহোৱাই এই কথা কৈছে, শত্ৰুৱে তোমালোকৰ অহিতে কৈছে, "ভাল হৈছে", আৰু "পুৰাতন উচ্চস্থানবোৰ আমাৰ অধিকাৰ
হ'ল"। 3এই হেতুকে ভাববাণী প্ৰচাৰ কৰি কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, জাতিবিলাকৰ অৱশিষ্ট লোকে তোমালোকক অধিকাৰ কৰিবৰ
নিমিত্তে, সিহঁতে তোমালোকক ধ্বংস আৰু চাৰিওফালে তোমালোকক গ্ৰাস কৰিলে; আৰু তোমালোক গপীহঁতৰ গপৰ ও লোকবিলাকে
চৰ্চ্চিফুৰাৰ বিষয় হ'লা। 4এই কাৰণে এই কাৰণেইহে, হে ইস্ৰায়েলৰ পৰ্ব্বতবিলাক, তোমালোকে প্ৰভু যিহোৱাৰ বাক্য শুনা,; চাৰিওফালে থকা
জাতিবিলাকৰ অৱশিষ্ট ভাগলৈ লুটদ্ৰব্য আৰু নিন্দাৰ বিষয় হোৱা পৰ্ব্বত আৰু উপপৰ্ব্বতবোৰক, জুৰি বৈ থকা ঠাই আৰু উপত্যকাবোৰক,
উচ্ছন্ন ধ্বংসস্থান আৰু পৰিত্যক্ত নগৰবোৰক প্ৰভু যিহোৱাই এইদৰে কৈছে, 5সেইবোৰ লুটদ্ৰব্য আৰু নিন্দাৰ বিষয় হোৱা হেতুকে প্ৰভু যিহোৱাই
এইদৰে কৈছে,লুটৰ আশাৰে মোৰ দেশ শূণ্য কৰিববলৈ, জাতিবিলাকৰ যি অৱশিষ্ট ভাগে আৰু গোটেই ইদোমে হৃদয়ৰ সম্পূৰ্ণ আনন্দেৰে আৰু
প্ৰাণৰ হিংসাৰে নিজৰ নিমিত্তে অধিকাৰৰ অৰ্থে মোৰ দেশ নিৰূপণ কৰিলে, সিহঁতৰ অহিতে মোৰ অন্তৰ্জ্জ্বালাৰ অগ্নিত মই কৈছোঁ। 6এতেকে

তুমি ইস্ৰায়েলৰ দেশৰ বিষয়ে ভাববাণী প্ৰচাৰ কৰি পৰ্ব্বত আৰু উপপৰ্ব্বতবোৰক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, জাতিবিলাকে
দিয়া লাজ তোমালোকে ভোগ কৰাৰ কাৰণে মোৰ অন্তৰ্জ্জ্বালাত আৰু মোৰ ক্ৰোধত মই কৈছোঁ। 7এই হেতুকে প্ৰভু যিহোৱাই এই কথা কৈছে, মই
হাত দাঙি শপত খাই কৈছোঁ, তোমালোকৰ চাৰিওফালে থকা জাতিবিলাকেহে নিজ নিজ লাজ ভোগ কৰিব।

8কিন্তু হে ইস্ৰায়েলৰ পৰ্ব্বতবিলাক, তোমালোকে হ'লে, তোমালোকৰ ডালবোৰ বঢ়াবা, আৰু মোৰ প্ৰজা ইস্ৰায়েলৰ নিমিত্তে তোমালোকে ফল
উৎপন্ন কৰিবা; কিয়নো তেওঁবিলাকৰ অহা সময় ওচৰ চাপিছে। 9কাৰণ চোৱা, মই তোমালোকৰ সপক্ষ, আৰু মই তোমালোকলৈ ঘূৰিম;
তোমালোকক চহোৱা আৰু তোমালোকত বোৱা হ'ব। 10আৰু মই তোমালোকৰ ওপৰত মানুহবিলাকক, গোটেই ইস্ৰায়েল বংশক, তাৰ
আটাইবিলাককে বঢ়াম; আৰু নগৰবোৰত বসতি হ'ব, আৰু উচ্ছন্ন ঠাইবোৰত ঘৰ সজা হ'ব। 11আৰু মই তোমালোকৰ ওপৰত মানুহ ও পশু
বৃদ্ধি কৰিম তাতে সেইবিলাকে বাঢ়ি বাঢ়ি অধিক প্ৰাণী উৎপন্ন কৰিব। আৰু মই তোমালোকৰ দেশ আগৰ কালৰ দৰে বাসস্থান কৰিম, আৰু
তোমালোকৰ আদি অৱস্থাতকৈ তোমালোকক অধিক মঙ্গল দান কৰিম; তাতে মই যে যিহোৱা, তাক তোমালোকে জানিবা। 12এনে কি, মই
তোমালোকৰ ওপৰেদি মানুহ, মোৰ প্ৰজা ইস্ৰায়েলে অহা-যোৱা কৰিব, তুমি তেওঁবিলাকৰ অধিপত্য হ'বা, আৰু তুমি তেওঁবিলাকক পুনৰায়
সন্তানহীন নকৰিবা। 13প্ৰভু যিহোৱাই এই কথা কৈছে, তুমি মনুষ্য গ্ৰাসকীৰিণী আৰু তোমাৰ জাতিৰ সন্তানহীন-কাৰিণী বুলি তেওঁবিলাকে
তোমালোকক কয়; 14এই হেতুকে প্ৰভু যিহোৱাই কৈছে, তুমি আৰু মনুষ্যক গ্ৰাস নকৰিবা, বা তোমাৰ জাতিক আকৌ সন্তানহীন নকৰিবা;
15আৰু জাতিবিলাকে দিয়া লাজৰ কথা মই তোমাৰ কাণত আৰু নেপেলাম, লোকবিলাকৰ ধিক্কাৰ তুমি আৰু ভোগ নকৰিবা, আৰু তোমাৰ
জাতিক আৰু উজুটি নুখুৱাবা, ইয়াক প্ৰভু যিহোৱাই কৈছে।

## ইস্ৰায়েলক শুচি কৰা।

16পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 17হে মনুষ্য সন্তান, ইস্ৰায়েল বংশই যেতিয়া নিজ দেশত বসতি কৰিছিল,, তেতিয়া
তেওঁবিলাকে নিজৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য্যেৰে তাক অশুচি কৰিছিল; মোৰ আগত তেওঁবিলাকৰ আচাৰ-ব্যৱহাৰ, ঋতুস্নান হোৱা
তিৰোতাৰ অশৌচৰ নিচিনা আছিল। 18এই হেতুকে, তেওঁবিলাকে দেশত ৰক্তপাত কৰাৰ কাৰণে, আৰু তেওঁবিলাকৰ মূৰ্ত্তিৰে তাক অশুচি কৰাৰ
নিমিত্তে, মই তেওঁবিলাকৰ ওপৰত মোৰ কোপ বৰষালোঁ। 19আৰু মই তেওঁবিলাকক জাতিবিলাকৰ মাজত ছিন্নভিন্ন কৰিলোঁ, তেওঁবিলাক
দেশবোৰৰ মাজত গোট গোট হ'ল; তেওঁবিলাকৰ আচাৰ-ব্যৱহাৰ আৰু কাৰ্য্য অনুসাৰে মই তেওঁবিলাকক বিচাৰ সিদ্ধ দণ্ড দিলোঁ। 20আৰু
তেওঁবিলাক যি জাতিবিলাকৰ গুৰিলৈ গ'ল, সেই জাতিবিলাকৰ গুৰিলৈ গৈ তেওঁবিলাকে মোৰ পবিত্ৰ নাম অপবিত্ৰ কৰিলে; কিয়নো লোকে
তেওঁবিলাকৰ বিষয়ে কৈছিল, ইহঁত যিহোৱাৰ প্ৰজা, আৰু তেওঁৰেই দেশৰ পৰা ওলাই অহা লোক। 21কিন্তু ইস্ৰায়েল-বংশ যোৱা জাতিবিলাকৰ
মাজত তেওঁবিলাকে অপবিত্ৰ কৰা মোৰ পবিত্ৰ নামৰ নিমিত্তে মোৰ দয়া জন্মিল।

22এই হেতুকে তুমি ইস্ৰায়েল বংশক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, হে ইস্ৰায়েল বংশ, মই তোমালোকৰ নিমিত্তে কাৰ্য্য নকৰোঁ, কিন্তু
তোমালোক যোৱা জাতিবিলাকৰ মাজত তোমালোকে অপবিত্ৰ কৰা মোৰ পবিত্ৰ নামৰ কাৰণেহে কৰিম। 23আৰু জাতিবিলাকৰ মাজত
তেওঁবিলাকে অপবিত্ৰ কৰা জাতিবিলাকৰ মাজত অপবিত্ৰীকৃত হোৱা মোৰ মহৎ নাম মই পবিত্ৰ কৰিম; আৰু প্ৰভু যিহোৱাই কৈছে,যেতিয়া মই
জাতিবিলাকৰ সাক্ষাতে তোমালোকৰ মাজত পবিত্ৰীকৃত হ'ম, তেতিয়া মই, যে যিহোৱা, তাক জাতিবিলাকে জানিব। 24কিয়নো মই
জাতিবিলাকৰ মাজৰ পৰা তোমালোকক লৈ, আটাই দেশৰ পৰা তোমালোকক গোটাই তোমালোকৰ নিজ দেশলৈ নিম। 25আৰু মই
তোমালোকৰ ওপৰত শুচি জল ছটিয়াম, তাতে তোমালোক শুচি হ'বা; মই তোমালোকৰ আটাই অশৌচৰ পৰা আৰু তোমালোকৰ আটাই মূৰ্ত্তিৰ
পৰা তোমালোকক শুচি কৰিম। 26মই তোমালোকক এক নতুন হৃদয় দিম, আৰু তোমালোকৰ অন্তৰত এক নতুন আত্মা স্থাপন কৰিম; আৰু মই
তোমালোকৰ শৰীৰৰ পৰা শিলৰূপ মন গুচাই তোমালোকক মাংসৰূপ মন দিম। 27আৰু মই তোমালোকৰ অন্তৰত মোৰ আত্মা স্থাপন কৰি,
তোমালোকক মোৰ বিধিবোৰত চলাম; তাতে তোমালোকে মোৰ শাসন প্ৰণালীবোৰ পালন কৰি সেই মতে কাৰ্য্য কৰিবা। 28আৰু মই
তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকক দিয়া দেশত তোমালোকে বাস কৰিবা; আৰু তোমালোক মোৰ প্ৰজা হ'বা, আৰু মই তোমালোকৰ ঈশ্বৰ হ'ম।
29মই তোমালোকৰ আটাই অশৌচৰ পৰা তোমালোকক ৰক্ষা কৰিম; আৰু মই ঘেঁহুধান আহ্বান কৰি তাক বৃদ্ধি কৰিম, আৰু তোমালোকৰ
ওপৰত দুৰ্ভিক্ষভাৰ অৰ্পণ নকৰিম। 30তোমালোকে জাতিবিলাকৰ মাজত দুৰ্ভিক্ষৰ দুৰ্ণাম আৰু নাপাবৰ নিমিত্তে গছৰ ফল আৰু পথাৰৰ উৎপন্ন
বস্তু মই বৃদ্ধি কৰিম। 31তেতিয়া তোমালোকে তোমালোকৰ কু-আচৰণ আৰু মন্দ কাৰ্য্যবোৰ সোঁৱৰণ কৰিবা; তোমালোকৰ অপৰাধ আৰু
ঘিণলগীয়া কাৰ্য্যৰ নিমিত্তে তোমালোকে নিজৰ দৃষ্টিত নিজকে ঘিণাবা। 32প্ৰভু যিহোৱাই কৈছে, তোমালোকলৈ চাই যে মই এই কাৰ্য্য নকৰোঁ,
ইয়াক তোমালোকে জনা উচিত; হে ইস্ৰায়েল-বংশ, তোমালোকৰ আচাৰ-ব্যৱহাৰৰ নিমিত্তে তোমালোক লজ্জিত আৰু বিৱৰ্ণ হোৱা। 33প্ৰভু
যিহোৱাই এই কথা কৈছে, তোমালোকৰ আটাই অপৰাধৰ পৰা মই তোমালোকক শুচি কৰা দিনা মই নগৰবোৰ বাসস্থান কৰিম, আৰু উচ্ছন্ন
ঠাইবোৰ পুনৰায় নিৰ্ম্মান কৰা হ'ব। 34আৰু যি দেশ আটাই বাটৰুৱাৰ সাক্ষাতে উচ্ছন্ন আছিল, সেই উচ্ছন্ন দেশ চহোৱা হ'ব; 35আৰু লোকে ক'ব,
এই যি দেশ ধ্বংস কৰা হৈছিল, এই দেশ এদন বাৰীৰ নিচিনা হ'ল, আৰু এই যি নগৰবোৰ ধ্বংসস্থান, উচ্ছন্ন, আৰু ভগ্ন হৈছিল, এই নগৰবোৰ
গড়েৰে আবৃত আৰু বাসস্থান হ'ল। 36মই যিহোৱায়েই যে ভগা ঠাইবোৰ পুনৰায় নিৰ্ম্মান কৰিলোঁ, আৰু ধ্বংস কৰা ঠাই বাৰী কৰিলোঁ, তাক
তোমালোকৰ চাৰিওফালে অৱশিষ্ট থকা জাতিবিলাকে তেতিয়া জানিব। মই যিহোৱাই ইয়াক কলোঁ, আৰু ইয়াক সিদ্ধও কৰিম।

37প্ৰভু যিহোৱাই এই দৰে কৈছে, আৰু এটা কথা আছে; মই যেন ইস্ৰায়েল বংশৰ নিমিত্তে ইয়াক কৰিম, এই নিমিত্তে তেওঁবিলাকে মোৰ আগত
প্ৰাৰ্থনা কৰিবলৈ মই বাট চাই থাকিম; মই ভেড়াৰ জাকৰ দৰে তেওঁবিলাকক মানুহেৰে বৃদ্ধি কৰিম। 38পবিত্ৰ ভেড়াৰ জাকৰ, যিৰূচালেমৰ

নিৰূপিত উৎসৱৰ ভেড়াৰ জাকৰেই নিচিনাকৈ ধ্বংস নগৰবোৰ মানুহৰ জাকেৰে পৰিপূৰ্ণ হ’ব; তাতে, মই যে যিহোৱা, তাক তেওঁবিলাকে
জানিব।

### ইস্ৰায়েল জাতিক পুনৰায় জীউৱা।

## Chapter 37

1পাছে যিহোৱাৰ হাত মোৰ ওপৰত অৰ্পিত হ’ল, আৰু যিহোৱাই নিজ আত্মাৰে মোক লৈ গৈ উপত্যকাটিৰ মাজত থলে; সেই উপত্যকা হাড়েৰে
পৰিপূৰ্ণ। 2তেওঁ চাৰিওফালে সেইবোৰৰ ওচৰে ওচৰে মোক ফুৰালে, আৰু চোৱা, সেই উপত্যকাটিত অনেক অনেক হাড় আছিল, আৰু চোৱা,
সেইবোৰ অতি শুকান। 3পাছে তেওঁ মোক কলে,হে মনুষ্য সন্তান,এই হাড়বোৰ জীৱ পাৰেনে? তাতে মই কলোঁ হে প্ৰভু যিহোৱা, আপুনিহে জানে।
4তেতিয়া তেওঁ মোক কলে, তুমি এই হাড়বোৰৰ আগত ভাববাণী প্ৰচাৰ কৰা, আৰু এইবোৰক কোৱা, হে শুকান হাড়বিলাক, যিহোৱাৰ বাক্য
শুনা। 5প্ৰভু যিহোৱাই এই হাড়বোৰক এই কথা কৈছে, চোৱা, মই তোমালোকৰ ভিতৰত প্ৰাণবায়ু সুমুৱাম; তাতে তোমালোক জীৱা। 6আৰু মই
তোমালোকৰ ওপৰত সিৰ দিম, মাংস উৎপন্ন কৰিম, তোমালোকক ছালেৰে ঢাকিম, আৰু তোমালোকৰ ভিতৰত প্ৰাণবায়ু দিম; তাতে
তোমালোক জীৱা, আৰু মই যে যিহোৱা, তাক তোমালোকে জানিবা।

7পাছে মই আজ্ঞা পোৱাৰ দৰে ভাববাণী প্ৰচাৰ কৰিলোঁ; মই প্ৰচাৰ কৰোঁতে এটি শব্দ হ’ল; মৰ মৰ শব্দ হ’ল; আৰু হাড়বোৰ গোটখাই নিজ
নিজ হাড়ত লাগিল। 8আৰু মই চাই দেখিলোঁ, সেইবোৰত সিৰ হ’ল, মাংস উৎপন্ন হ’ল, আৰু সেইবোৰক ছালে ঢাকিলে; কিন্তু সেইবোৰৰ
ভিতৰত প্ৰাণ-বায়ু নাছিল। 9পাছে তেওঁ মোক কলে, বায়ুৰ আগত ভাববাণী প্ৰচাৰ কৰা; হে মনুষ্য সন্তান ভাববাণী প্ৰচাৰ কৰি বায়ুক কোৱা প্ৰভু
যিহোৱাই এই কথা কৈছে হে বায়ু চাৰিওদিশৰ পৰা আহি এই হত লোকবোৰ জীৱৰ নিমিত্তে ইহঁতৰ ওপৰত বলোওৱা। 10তাতে তেওঁ মোক
আজ্ঞা দিয়াৰ দৰ, মই ভাববাণী প্ৰচাৰ কৰিলোঁ; তেতিয়া সিহঁতৰ ভিতৰত প্ৰাণ-বায়ু সোমালত সিহঁত জীলে, আৰু অতিশয় মহাবাহিনী হৈ নিজ
নিজ ভৰিত ভৰ দি থিয় হ’ল।

11পাছে তেওঁ মোক কলে, হে মনুষ্য সন্তান, এই হাড়বোৰেই ইস্ৰায়েলৰ গোটেই বংশ: চোৱা, তেওঁবিলাকে কয়, আমাৰ হাড়বোৰ শুকাল, আৰু
আমাৰ আসা নাইকিয়া হ’ল, আমি নিচেইকৈ উচ্ছন্ন হ’লো। 12এই হেতুকে তুমি ভাববাণী প্ৰচাৰ কৰি তেওঁবিলাকক কোৱা, প্ৰভু যিহোৱাই এই
কথা কৈছে, চোৱা হে নোৰ প্ৰজাবিলাক, মই তোমালোকৰ মৈদামবোৰ মুকলি কৰিম, আৰু তোমালোকৰ মৈদামৰ পৰা তোমালোকক
উলিয়াম,আৰু মই তোমালোকক ইস্ৰায়েল দেশলৈ লৈ যাম। 13আৰু হে মোৰ প্ৰজাবিলাক, মই যেতিয়া তোমালোকৰ মৈদামবোৰ মুকলি কৰিম,
আৰু তোমালোকৰ মৈদামৰ পৰা তোমালোকক উলিয়াম তেতিয়া, মই যে যিহোৱা, তাক তোমালোকে জানিবা। 14আৰু মই তোমালোকৰ
অন্তৰত মোৰ আত্মা স্থাপন কৰিম; তাতে তোমালোক জীৱা, আৰু মই তোমালোকৰ দেশত তোমালোকক বহোৱাম; আৰু মই যিহোৱায়েই যে
ইয়াক কলোঁ, আৰু ইয়াক সিদ্ধও কৰিলোঁ, তাক তোমালোকে জানিবা, ইয়াক যিহোৱাই কৈছে।

15পাছে যিহোৱাৰ বাক্য মোৰ গুৰিলৈ আহিল, বোলে, 16হে মনুষ্য সন্তান,তুমি নিজৰ নিমিত্তে এডাল কাঠ লৈ তাৰ ওপৰত এই কথা লিখা,
“যিহূদাৰ আৰু তেওঁৰ লগৰীয়া ইস্ৰায়েলৰ সন্তানবিলাক”, পাছে আৰু এডাল কাঠ লৈ তাৰ ওপৰত এই কথা লিখা, “যোচেফৰ, অৰ্থাৎ ইফ্ৰয়িমৰ
আৰু তেওঁৰ লগৰীয়া ইস্ৰায়েলৰ আটাই বংশৰ কাঠ”, 17আৰু সেই দুডাল তোমাৰ হাতত এডাল হ’বৰ নিমিত্তে এডালৰ লগত আন ডাল লগ
লগাই তোমাৰ নিমিত্তে এডাল কৰা। 18আৰু এইবোৰৰ দ্বাৰাই তুমি কি বুজাইছা, তাক তুমি আমাক নজনাবানে? এইবুলি তোমাৰ জাতিৰ
সন্তানবিলাকে যেতিয়া তোমাক সুধিব, 19তেতিয়া তুমি তেওঁবিলাকক ক’বা, প্ৰভু যিহোৱাই এই কথা কৈছে, চোৱা, মই ইফ্ৰয়িমৰ হাতত থকা,
যোচেফৰ কাঠডাল, আৰু তেওঁৰ লগৰীয়া ইস্ৰায়েলৰ ফৈদবিলাকক লৈ, যিহূদাৰ কাঠডালৰ লগতে লগ লগাই এডাল কৰিম, আৰু তেওঁবিলাক
মোৰ হাতত এডাল হ’ব। 20আৰু তুমি লিখা কাঠ দুডাল তেওঁবিলাকৰ আগত তোমাৰ হাতত থাকিব। 21আৰু তুমি তেওঁবিলাকক কোৱা, প্ৰভু
যিহোৱাই এই কথা কৈছে, চোৱা, ইস্ৰায়েলৰ সন্তানবিলাক যোৱা জাতিবিলাকৰ মাজৰ পৰা মই তেওঁবিলাকক লৈ চাৰিওফালৰ পৰা
তেওঁবিলাকক গোটাই তেওঁবিলাকৰ নিজ দেশলৈ লৈ যাম। 22পাছে মই দেশত ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰত তেওঁবিলাকক এক জাতি কৰিম,
আৰু এজন ৰজা তেওঁবিলাক আটাইৰে ৰজা হ’ব; তেওঁবিলাক পুনৰায় দুই জাতি নহ’ব, বা কেতিয়াও দুই ৰাজ্য বিভক্ত নহ’ব। 23আৰু
তেওঁবিলাকৰ নিজৰ মুৰ্ত্তিৰে, নিজৰ ঘিণ লগীয়া বস্তুৰে, নাইবা নিজৰ অপৰাধৰ কোনো অপৰাধেৰে নিজক আৰু অশুচি নকৰিব; কিন্তু
তেওঁবিলাকে পাপ কৰা তেওঁবিলাকৰ আটাই বাসস্থানৰ পৰা মই তেওঁবিলাকক ৰক্ষা কৰিম, আৰু তেওঁবিলাকক শুচি কৰিম; তাতে তেওঁবিলাক
মোৰ প্ৰজা হ’ব, আৰু মই তেওঁবিলাকৰ ঈশ্বৰ হ’ম।

24আৰু মোৰ দাস দায়ুদ তেওঁবিলাকৰ ওপৰত ৰজা হ’ব, আৰু তেওঁবিলাক সকলোৰে এজন ৰখীয়া হ’ব; তেওঁবিলাকে মোৰ শাসন-প্ৰণালী
বোৰত চলিব, আৰু মোৰ বিধিবোৰ পালন কৰি সেই মতে কাৰ্য্য কৰিব। 25আৰু তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকে বাস কৰা, মোৰ দাস
যাকোবক মই দিয়া দেশখনত তেওঁবিলাকে বাস কৰিব; তেওঁবিলাকে তেওঁবিলাকৰ পুত্ৰ-পৌত্ৰাদিক্ৰমে চিৰকাললৈকে তাত বাস কৰিব, আৰু
মোৰ দাস দায়ুদ চিৰকাললৈকে তেওঁবিলাকৰ অধিপতি হ’ব। 26ইয়াৰ বাহিৰে মই তেওঁবিলাকৰ লগত এটি শান্তিৰ নিয়ম কৰিম; সেয়ে
তেওঁবিলাকে সৈতে এটি চিৰকলীয়া নিয়ম হ’ব; মই তেওঁবিলাকক স্থাপন কৰি তেওঁবিলাকক বৃদ্ধি কৰিম, আৰু চিৰকাললৈকে তেওঁবিলাকৰ
মাজত মোৰ ধৰ্ম্মধাম স্থাপন কৰিম। 27মোৰ আবাসো তেওঁবিলাকৰ লগত থাকিব, আৰু মই তেওঁবিলাকৰ ঈশ্বৰ হ’ম, আৰু তেওঁবিলাক মোৰ

প্ৰজা হ'ব। 28আৰু যেতিয়া মোৰ ধৰ্ম্মধাম তেওঁবিলাকৰ মাজত চিৰকাললৈকে থাকিব, তেতিয়া মই যে ইস্ৰায়েলক পবিত্ৰ কৰোঁতা যিহোৱা, তাক
জাতিবিলাকে জানিব।

### অন্তিম কালত গোগে ইস্ৰায়েলক আক্ৰমণ কৰা। গোগৰ বিনাশ।

## Chapter 38

1পাছে যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল, বোলে, 2হে মনুষ্য সন্তান,, মাগোগদেশীয়, ৰোচ, মেচেক, আৰু তূবলৰ অধিপতি গোগৰ ফাললৈ
মুখ কৰি তাৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰি কোৱা, 3প্ৰভু যিহোৱাই এই কথা কৈছে,, চোৱা, ৰোচ, মেচেক, আৰু তূবলৰ অধিপতি হে গোগ, মই
তোমাৰ বিপক্ষ। 4মই তোমাক ওলোটাম, আৰু তোমাৰ জামুদাঁতৰ গুৰিত হাঁকোটা লগাই তোমাক, আৰু তোমাৰ ঘোঁৰা আৰু অশ্বাৰোহী আদি
আটাই সৈন্যসামন্তকে উলিয়াম; সিহঁত আটাইবোৰ সু-সজ্জিত, ফৰ আৰু ঢাল ধৰা মহাদল; সিহঁত আটাইবোৰ তৰোৱালধাৰী। 5সিহঁতৰ লগত
পাৰস্য, কোচ, আৰু পুট আছে; সিহঁত আটাইবোৰ ঢাল লোৱা, আৰু শিৰোৰক্ষক টুপি পিন্ধা। 6গোমৰ আৰু তাৰ আটাই দলসমূহ, উত্তৰৰ অন্ত
ভাগত থকা তোমগাৰ বংশ, আৰু তাৰ আটাই দলসমূহ আদি কৰি অনেক অনেক জাতি তোমাৰে সৈতে আছে। 7তুমি যুগুত হোৱা, নিজকে
যুগুত কৰা; তুমি নিজৰ ওচৰত গোট খোৱা দলসমূহে সৈতে যুগুত হোৱা, আৰু তুমি সিহঁতৰ ৰখীয়া হোৱা। 8বহুদিনৰ পাছত তোমাৰ সৈন্যসমূহ
গোটোৱা হ'ব; তৰোৱালৰ মুখৰ পৰা ৰক্ষা পোৱা, অনেক জাতিসমূহৰ পৰা গোটোৱা লোকবিলাকৰ দেশলৈ, বহুকালৰ পৰা উচ্ছন্ন হোৱা
ইস্ৰায়েলৰ পৰ্ব্বতবোৰলৈ বচৰবোৰৰ শেষ ভাগত তুমি যাত্ৰা কৰিবা; কিন্তু সেই দেশৰ লোকবিলাকক জাতিবিলাকৰ মাজৰ পৰা উলিওৱা হ'ল,
আৰু তেওঁবিলাক আটায়ে নিৰাপদে বাস কৰিছে। 9তুমি উঠি ধুমুহাৰ নিচিনাকৈ যাত্ৰা কৰিবা; তুমি আৰু তোমাৰ আটাই দলসমূহে আৰু
তোমাৰে সৈতে অনেক জাতিয়ে মেঘৰ দৰে দেশ ঢাকিবা।

10প্ৰভু যিহোৱাই এইদৰে কৈছে, সেই দিনা তোমাৰ মনত নানা ভাৱ উদয় হ'ব আৰু তুমি কু-কল্পনা কৰিবা; 11আৰু তুমি ক'বা, লুট কৰিবলৈ
আৰু বস্তু কাঢ়ি আনিবলৈ, বৰ্ত্তমানে বাস কৰা আৰু উচ্ছন্ন ঠাইবোৰৰ অহিতে আৰু জাতিবিলাকৰ মাজৰ পৰা গোটোৱা গৰু, ছাগলী, আদি বস্তু
অৰ্জ্জা, পৃথিৱীৰ মাজ ঠাইত বাস কৰা জাতিৰ অহিতে মোৰ হাত চলাবলৈ, 12গড় নোহোৱা গাওঁ থকা দেশখনলৈ মই উঠি যাম, সুস্থিৰে থকা
নিৰাপদে বাস কৰা, সমূলি গড়, ডাং কি কপাট নোহোৱাকৈ বাস কৰা লোকবিলাকৰ তালৈ যাম। 13চিবা, দদান, তৰ্চীচৰ বণিকবিলাক, আৰু
তাৰ আটাই ডেকা সিংহবোৰে তোমাক ক'ব, আপুনি লুট কৰিবলৈ জানো অহা নাই? বস্তু কাঢ়ি নিবলৈ, সোণ আৰু ৰূপ লৈ যাবলৈ, গৰু, ভেড়া
আদি অধিক লুটদ্ৰব্য লৈ যাবলৈ আপুনি জানো আপোনাৰ দলসমূহক গোটোৱা নাই?

14এই হেতুকে, হে মনুষ্য সন্তান, তুমি ভাববামী প্ৰচাৰ কৰি গোগক কোৱা, প্ৰভু যিহোৱাই এই কথা কৈছে, সেইদিনা যেতিয়া মোৰ প্ৰজা ইস্ৰায়েলে
নিৰাপদে বাস কৰিব,তেতিয়া তুমি দানো তাক নাজানিবা? 15ারু তুমি উত্তৰৰ অন্তভাগৰ নিজ ঠাইৰ পৰা যাত্ৰা কৰিবা, ারু তোমাৰে সৈতে
অনেক জাতি যাব; সিহঁত আটাইবোৰ অশ্বাৰোহী, সিহঁত মহাদল আৰু পৰাক্ৰমী সৈন্যসামন্ত. 16তুমি এডোখৰ মেঘৰ নিচিনাকৈ দেশ ঢাকি মোৰ
প্ৰজা ইস্ৰায়েলৰ অহিতে উঠি যাবা; হে গোগ, মই জাতিবিলাকৰ সাক্ষাতে তোমাৰ মাজত পবিত্ৰীকৃত হ'লে জাতিবিলাকে মোক জানিবৰ নিমিত্তে
শেষ কালত মোৰ দেশৰ বিৰুদ্ধে মই তোমাক লৈ যাম।

17প্ৰভু যিহোৱাই এই কথা কৈছে, ইস্ৰায়েলৰ বিৰুদ্ধে তোমাক আনিম বুলি আগৰ কালত অনেক বছৰ ভাববাণী প্ৰচাৰ কৰা মোৰ দাস
ভাববাদীবিলাকৰ দ্বাৰাই যাৰ বিষয়ে মই কৈছিলোঁ, তুমিয়েই সেইজন নোহোৱানে? 18আৰু প্ৰভু যিহোৱাই কৈছে, গোগ, ইস্ৰায়েল দেশৰ বিৰুদ্ধে
যোৱা দিনা মোৰ নাকত ক্ৰোধাগ্নি উঠিব। 19কিয়নো মোৰ অন্তৰ্জ্জ্বালাত আৰু ক্ৰোধাগ্নিত মই কৈছোঁ, ইস্ৰায়েল দেশত সেই দিনা নিশ্চয়ে এনে
মহৎ কম্পন হ'ব যে, 20সমুদ্ৰৰ মাছ,আকাশৰ পক্ষী, বনৰীয়া জন্তু, মাটিত বগাই ফুৰা আটাই উৰগ জন্তু, আৰু পৃথিৱীৰ ওপৰত থকা সকলো
মানুহ মোৰ সন্মুখত কঁপিব, আৰু পৰ্ব্বতবোৰ পেলোৱা হ'ব, গড়া ঠাইবোৰ খহি পৰিব, আৰু প্ৰত্যেক গড় মাটিৰে সমান হ'ব। 21আৰু প্ৰভু
যিহোৱাই কৈছে, মোৰ সকলো পৰ্ব্বতত মই তাৰ অহিতে তৰোৱাল মাতিম; প্ৰত্যেক মানুহৰ তৰোৱাল নিজ নিজ ভাইৰ বিৰুদ্ধে হ'ব। 22আৰু মই
মহমাৰী আৰু ৰক্তপাতেৰে তাক বিচাৰ সিদ্ধ দণ্ড দিম: আৰু মই তাৰ, তাৰ দলসমূহৰ, আৰু তাৰ লগত থকা অনেক জাতিৰ ওপৰত প্লাৱন
কৰোঁতা বৰষুণ, মহাশিলাবৃষ্টি, অগ্নি, আৰু গন্ধক বৰষাম। 23আৰু মই নিজকে মহান আৰু পবিত্ৰ কৰিম, আৰু অনেক জাতিৰ আগত নিজকে
চিনাকি দিম; তাতে, মই যে যিহোৱা, তাক সিহঁতে জানিব।

## Chapter 39

1আৰু হে মনুষ্য সন্তান, তুমি গোগৰ বিৰুদ্ধে ভাববাণী প্ৰচাৰ কৰি কোৱা, প্ৰভু যিহোৱাই এই দৰে কৈছে, ৰোচ, মেচেক, আৰু তূবলৰ অধিপতি
হে গোগ চোৱা, মই তোমাৰ বিপক্ষ। 2আৰু মই তোমাক ওলোটাম, তোমাক চলাই লৈ আহিম, আৰু উত্তৰৰ অন্তভাগৰ পৰা তোমাক উলিয়াই
ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰলৈ তোমাক আনিম। 3আৰু মই প্ৰহাৰ কৰি তোমাৰ ধনু তোমাৰ বাওঁ হাতৰ পৰা পেলাই দিম, আৰু তোমাৰ সোঁ-
হাতৰ পৰা তোমাৰ কাঁড়বোৰ পৰি যোৱা কৰিম। 4তুমি ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰত তোমাৰ আটাই দলসমূহ আৰু তোমাৰ লগত থকা
জাতিবিলাকে সৈতে পৰি থাকিবা; তোমাক খাবলৈ মই সকলো বিধৰ হিংসক পক্ষী আৰু বনৰীয়া জন্তুক তোমাক দিম। 5প্ৰভু যিহোৱাই কৈছে,

তুমি মুকলি পথাৰত পৰি থাকিবা; কাৰণ ময়েই ইয়াক কলোঁ। 6আৰু মই মাগোগৰ মাজলৈ, আৰু দ্বীপবোৰত নিৰাপদে বাস কৰাবোৰৰ মাজলৈ
অগ্নি পঠাম; তাতে, মই যে যিহোৱা, তাক সিহঁতে জানিব। 7আৰু মই মোৰ পবিত্ৰ নাম মোৰ প্ৰজা ইস্ৰায়েলৰ মাজত জনাম, আৰু মোৰ পবিত্ৰ
নাম অপবিত্ৰীকৃত হ'বলৈ আৰু নিদিম; তাতে, মই যে যিহোৱা, ইস্ৰায়েলৰ পবিত্ৰ জনা তাক জাতিবিলাকে জানিব। 8প্ৰভূ যিহোৱাই কৈছে, চোৱা,
সেয়ে আহিছে, সেয়ে সিদ্ধ হ'ব, মইৱ কোৱা দিন এয়ে। 9সেই সময়ত ইস্ৰায়েলৰ নগৰ নিবাসীবিলাকে ওলাই গৈ, ফৰ আৰু ঢাল, ধনু আৰু কাঁড়,
হাতৰ লাটি আৰু যাঠী আদি অস্ত্ৰবোৰ খৰি কৰি পুৰিব; তেওঁবিলাকে সাত বছৰলৈকে সেইবোৰ খৰি কৰি পুৰি থাকিব। 10তেওঁবিলাকে পথাৰৰ
পৰা খৰি নানিব আৰু কাঠনিত কোনো গছ নাকাটিব; কিয়নো তেওঁবিলাকে অস্ত্ৰবোৰকে খৰি কৰি পুৰিব। প্ৰভূ যিহোৱাই কৈছে, তেওঁবিলাকক
লুট কৰাবোৰক তেওঁ বিলাকে লুট কৰিব আৰু তেওঁবিলাকক অপহৰণ কৰিবোৰক তেওঁবিলাকে অপহৰণ কৰিব।

11আৰু মই সেই দিনা ইস্ৰায়েলৰ মাজত সমুদ্ৰৰ পূৱ ফালৰ বাটৰুৱাবিলাকৰ উপত্যকাটোত গোগক পুতিবলৈ ঠাই দিম; সেয়ে বাটৰুৱাৰ বাট
বন্ধ কৰিব; সেই ঠাইতে তেওঁবিলাকে গোগ আৰু তাৰ আটাই লোকসমুহক পুতিব; আৰু তেওঁবিলাকে তাৰ নাম হামোন-গোগৰ[গোগৰ
লোকসমুহৰ] উপত্যকা থ'ব। 12আৰু দেশ শুচি কৰিবৰ নিমিত্তে ইস্ৰায়েল বংশই সাত মাহলৈকে সিহঁতক পুতি থাকিব। 13এনে কি, দেশৰ আটাই
লোকে সিহঁতক পুতিব; প্ৰভূ যিহোৱাই কৈছে, মই গৌৰৱান্বিত হ'বৰ দিনা সেয়ে তেওঁবিলাকলৈ যশস্যাৰ কাৰণ হ'ব। 14লোকবিলাকে কামত
অনবৰত লাগি থাকিব পৰা মানুহক বাচি ল'ব; সিহঁতে দেশ ভ্ৰমণ কৰি কৰি দেশ শুচি কৰিবৰ অৰ্থে মাটিত পৰি থকা অৱশিষ্টবিলাকক
বাটৰুৱাৰ সহায়ত পুতি থ'ব; সাত মাহৰ মুৰত তেওঁবিলাকে বিচাৰি ফুৰিব। 15আৰু কোনো বাটৰুৱাই দেশৰ মাজেদি যাওঁতে যদি মানুহৰ হাড়
দেখে, তেন্তে, পোঁতোতা মানহি হামোন গোগৰ উপত্যকাত তাক পোতক বুলি তেওঁ তাৰ ওপৰত এটা চিন দিব। 16আৰু হামোনা [লোকসমূহ]বুলি
এখন নগৰৰ নামো হ'ব। এইদৰে তেওঁবিলাকে দেশ শুচি কৰিব।

17আৰু হে মনুষ্য সন্তান, প্ৰভূ যিহোৱাই এই দৰে কৈছে, আটাই বিধৰ পক্ষীক আৰু আটাই বনৰীয়া জন্তুক তুমি কোৱা, তোমালোকে গোট খাই
আহা; তোমালোকে মাংস খাবলৈ আৰু ৰক্তপান কৰিবলৈ, মোৰ যজ্ঞলৈ, ইস্ৰায়েলৰ পৰ্ব্বতবোৰৰ ওপৰত মই যি যজ্ঞ কৰিম, তালৈকে
চাৰিওফালৰ পৰা আহি একত্ৰ হোৱা। 18তোমালোকে বীৰবিলাকৰ মাংস খাবা আৰু মতা ভেড়া, ভেড়া পোৱালি, ছাগ, আৰু ভতৰাস্বৰূপ
পৃথিৱীৰ অধিপতিবিলাকৰ ৰক্ত পান কৰিবা; সিবিলাক আটাইবিলাক বাচানৰ হৃষ্টপুষ্ট পশুস্বৰূপ। 19আৰু তোমালোকৰ নিমিত্তে মই যি যজ্ঞ
কৰিম, তাৰ তেল তোমালোকে তৃপ্ত নোহোৱালৈকে ভোজন কৰিবা, আৰু তোমালোকে মতলীয়া নোহোৱালৈকে তাৰ তেজ পান কৰিবা। 20আৰু
প্ৰভূ যিহোৱাই কৈছে, তোমালোকে মোৰ মেজত বহি ঘোঁৰা আৰু ৰথ, বীৰ আৰু আটাই ৰণুৱাক খাই পেট ভৰাবা।

21এইদৰে মই জাতিবিলাকৰ মাজত মোৰ গৌৰৱ স্থাপন কৰিম, আৰু মোৰ যি দণ্ড মই সিদ্ধ কৰিম, আৰু সিহঁতৰ ওপৰত মোৰ যি হাত অৰ্পণ
কৰিম, তাক আটাই জাতিয়ে দেখিব। 22ইস্ৰায়েল বংশই সেই দিনাৰ পৰা আগলৈ মই যে তেওঁবিলাকৰ ঈশ্বৰ যিহোৱা তাক জানিব। 23আৰু
জাতিবিলাকে জানিব, যে, ইস্ৰায়েল বংশই নিজ অপৰাধতে দেশান্তৰলৈ গৈছিল; কাৰণ তেওঁবিলাকে মোৰ অহিতে বিদ্ৰোহ কৰাত, মই
তেওঁবিলাকৰ পৰা মোৰ মুখ ঢাকি তেওঁবিলাকৰ শত্ৰুৰ হাতত তেওঁবিলাকক শোধাই দিছিলোঁ, আৰু তেওঁবিলাক আটাইবিলাক তৰোৱালৰ
দ্বাৰাই পতিত হৈছিল। 24তেওঁবিলাকৰ অশৌচ আৰু নানা অপৰাধ অনুসাৰে, মই তেওঁবিলাকলৈ কাৰ্য্য কৰিছিলোঁ, আৰু তেওঁবিলাকৰ পৰা
মোৰ মুখ ঢাকিছিলোঁ।

25কিন্তু প্ৰভূ যিহোৱাই কৈছে,এতিয়া মই যাকোবৰ বন্দী অৱস্থা পৰিৱৰ্ত্তন কৰিম, আৰু গোটেই ইস্ৰায়েল বংশক দয়া কৰিম আৰু মোৰ পবিত্ৰ
নামৰ অৰ্থে মই উৎসাহী হ'ম। 26আৰু এতিয়া তেওঁবিলাকে নিজ দেশত নিৰাপদে বাস কৰিব, আৰু কোনেও তেওঁবিলাকক ভয় নেদেখুৱাব,
27যেতিয়া মই তেওঁবিলাকক জাতিবিলাকৰ মাজৰ পৰা ওলোটাই আনি, তেওঁবিলাকৰ শত্ৰুৰ দেশবোৰৰ পৰা গোটাই অনেক জাতিৰ সাক্ষাতে
তেওঁবিলাকৰ মাজত পবিত্ৰীকৃত হ'ম, তেতিয়া তেওঁবিলাকে নিজৰ লাজৰ, আৰু তেওঁবিলাকে মোৰ বিৰুদ্ধে কৰা নিজৰ আটাই অপৰাধৰ ভাৰ
বব। 28আৰু মই তেওঁবিলাকক জাতিবিলাকৰ মাজলৈ দেশান্তৰ কৰাৰ পাছত তেওঁবিলাকৰ দেশলৈ আনি তেওঁবিলাকক গোটালে, মই যে
তেওঁবিলাকৰ ঈশ্বৰ যিহোৱা, তাক তেওঁবিলাকে জানিব আৰু মই তাত তেওঁবিলাকৰ কাকো আৰু অৱশিষ্ট নাৰাখিম। 29আৰু মই তেওঁবিলাকৰ
পৰা মোৰ মুখ আৰু নাঢাকিম; কিয়নো প্ৰভূ যিহোৱাই কৈছে,মই ইস্ৰায়েল-বংশৰ ওপৰত মোৰ আত্মা বাকি দিম।

### নতুন মন্দিৰৰ বৰ্ণনা।

## Chapter 40

1আমি দেশান্তৰিত হোৱাৰ পঁচিশ বছৰৰ বছৰি, বছৰৰ আৰম্ভণত, মাহৰ দশম দিনা, নগৰখন প্ৰহাৰিত হোৱাৰ চতুৰ্দ্দশ বছৰৰ সেই দিনাই
যিহোৱাই তেওঁৰ হাত মোৰ ওপৰত দি মোক তালৈ নিলে। 2তেওঁ মোক ঈশ্বৰীয় দৰ্শনত ইস্ৰায়েল দেশলৈ নি এখন অতিশয় ওখ পৰ্ব্বতত বহুৱালে;
তাৰ ওপৰত দক্ষিণফালে এক নগৰস্বৰূপ গৃহ দেখা গৈছিল। 3তেওঁ মোক তালৈ নিলে, আৰু চোৱা, হাতত এগছ শণ সূতাৰ ৰছী আৰু এডাল
পৰিমান-নল লোৱা পিতলৰ আভাৰ নিচিনা আবা থকা এজন পুৰুষ আছিল; তেওঁ বাট-চৰাত থিয় হৈ আছিল। 4পাছে সেই পুৰুষে মোক কলে,
হে মনুষ্য সন্তান, তুমি নিজৰ চকুৰে চোৱা, নিজৰ কাণেৰে শুনা, আৰু মই তোমাক যি যি দেখুৱাম, সেই সকলোলৈ মন দিয়া; কিয়নো মই যেন
সেই সকলোকে তোমাক দেখুৱাম, এই অভিপ্ৰায়েৰেহে তোমাক ইয়োলা অনা হ'ল; তুমি যি যি দেখিবা, সসেই সকলোকে ইস্ৰায়েল বংশক
জনাবা।

5আৰু চোৱা, গৃহৰ বাহিৰে চাৰিওফালে এটা গড় আছিল, আৰু পুৰুষজনৰ হাতত জুকিবৰ নিমিত্তে ছহাত দীঘল এডাল নল আছিল; তাৰ
প্ৰত্যেক হাতৰ জোখ এক হাত চাৰি আঙুল; পাছে তেওঁ গড় জুখিলত, ডাঠে এক নল, আৰু ওখই এক নল হ'ল। 6তেতিয়া তেওঁ পূৱফালে মুখ
কৰা বাট-চৰালৈ আহি তাৰ খটখটীয়েদি উঠিল, আৰু তেওঁ সেই বাট-চৰাৰ দুৱাৰডলি জুখিলত, বহলে এখ নল হ'ল; আৰু এক নল বহল আন
দুৱাৰডলিও আছিল। 7আৰু প্ৰত্যেক প্ৰহৰী কোঁঠালি এক নল দীঘল আৰু এক নল বহল আছিল, আৰু সেই কোঁঠালিবোৰ পাঁচ হাত পাঁচ হাত
অন্তৰে আছিল; আৰু গৃহৰ ফালে বাট-চৰাটোৰ বাৰাণ্ডাৰ কাষত থকা দুৱাৰডলি এক নল আছিল। 8তেওঁ বাট-চৰাটোৰ গৃহৰ ফাললৈ থকা
বাৰাণ্ডা জুখি এক নল পালে। 9পাছে তেওঁ বাট-চৰাটোৰ বাৰাণ্ডা জুখি আঠ হাত পালে, আৰু বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগ জুখি দুহাত
দুহাত পালে, আৰু বাট-চৰাটোৰ বাৰাণ্ডা গৃহৰ ফাললৈ আছিল। 10আৰু সেই পূৱফালৰবাট-চৰাটোৰ প্ৰহৰী কোঁঠালি এফালে তিনটা আনফালে
তিনটা আছিল, সেই তিনিওটা একে জোখৰ; আৰু ইফালে সিফালে থকা, প্ৱৰী কোঁঠালি পৃথক কৰা দেৱালবোৰ একে জোখৰ। 11পাছে তেওঁ
বাট-চৰাটোৰ প্ৰৱেশস্থানৰ প্ৰস্থ জুখি দহ হাত পালে, আৰু বাট-চৰাটোৰ দৈৰ্ঘ্য জুখি তেৰ হাত পালে। 12আৰু প্ৰত্যেক প্ৰহৰী-কোঁঠালিৰ আগত
ইফালে এখ হাতৰ সিফালে এখ হাতৰ সীমা আছিল, আৰু প্ৰত্যেক প্ৰহৰী-কোঁঠালি ইপালে ছহাত সিফালে ছহাত আছিল। 13আৰু তেওঁ এটা
প্ৰহৰী-কোঁঠালিৰ চালৰ পৰা আন চাললৈকে বাট-চৰাটো জুখি পঁচিশ হাত বহল পালে, দুৱাৰ সন্মুখা-সন্মুখি। 14আৰু তেওঁ বাৰাণ্ডাৰ জোখ থিৰ
কৰি বিশ হাত পালে; বাট-চৰাটোৰ কেউফালে থকা চোতালখন বাৰাণ্ডাত লাগি আছিল। 15আৰু বাট-চৰাটোৰ প্ৰৱেশস্থানৰ সন্মুখৰ পৰা বাট-
চৰাটোৰ গৃহৰ ফালে থকা বাৰাণ্ডাৰ সন্মুখলৈ পঞ্চাশ হাত। 16প্ৰহৰী –কোঁঠালিবোৰত, বাট-চৰাটোৰ ভিতৰে কেউফালে সেইবোৰ পৃথক কৰা
দেৱালবোৰত, আৰু সেইদৰে খিলানবোৰত, চিলিঙি দিয়া খিড়িকী আছিল, আৰু সেই খিড়িকী ভিতৰে কেউফালে আছিল, আৰু বাৰাণ্ডাৰ
ওলাই থকা সন্মুখৰ দুই ভাগত খাজুৰ গছৰ আকৃতি আছিল।

17পাছে তেওঁ মোক বাহিৰ চোতালখনলৈ নিলে, আৰু চোৱা, চোতালখনৰ কেউফালে সজাঅনেক কোঁঠালি আৰু শিল পাৰি দিয়া এডোখৰ ঠাই
আছিল; সেই ঠাইডোখৰত ত্ৰিশটা কোঁঠালি আছিল। 18আৰু ঠাইডোখৰ বাট-চৰাকেইটাৰ কাষে কাষে আছিল; সেয়ে বহলে বাট-চৰাকেইটাৰ
দীঘলৰ সমান সেয়ে শিলপাৰি দিয়া চাপৰ ঠাই। 19পাছে তেওঁ তলৰ বাট-চৰাটোৰ সন্মূখৰ পৰা ভিতৰৰ চোতালখনৰ সন্মূখলৈ, বাহিৰে প্ৰস্থ
জুখি পূৱ আৰু উত্তৰ দুয়োফালে এশ এশ হাত পালে।

20পাচে তেওঁ বাহিৰ চোতালখনৰ উত্তৰ ফালে মুখ কৰা বাট-চৰাটোৰ দৈৰ্ঘ্য আৰু প্ৰস্থ জুখিলে। 21তাৰ প্ৰহৰী-কোঁঠালি ইফালে তিনিটা সিফালে
তিনিটা আছিল, আৰু তাৰ ওলাই থকা সন্মুখৰ দুই ভাগ আৰু তাৰ খিলনিবোৰ প্ৰথম বাট-চৰাটোৰ পৰিমান মতেই; তাৰ দৈৰ্ঘ্য পঞ্চাশ হাত,
আৰু প্ৰস্থ পঁচিশ হাত। 22তাৰ খিড়িকীবোৰ, তাৰ খিলনিবোৰ, আৰু তাৰ খাজুৰ গছৰ আকৃতিৰ পূৱফালৰ বাট-চৰাটোৰ পৰিমান মতেই;
সাতখাপ গৈ তাৰ ওপৰত উঠা যায়; তাৰ খিলনিবোৰ ভিতৰ ফালে আছিল। 23উত্তৰফালৰ বাট-চৰাটোৰ আৰু পূৱফালৰ বাট-চৰাটোৰ সন্মুখত
ভিতৰ চোতালখনৰ বাট-চৰা আছিল; আৰু তেওঁ এটা বাট-চৰাৰ পৰা আন এটা বাট-চৰাটোলৈ জুকি এশ হাত পালে।

24পাছে তেওঁ মোক দক্ষিণ ফাললৈ নিলে, আৰু চোৱা, দক্ষিণফালে মুখ কৰা এটা বাট-চৰা আছিল আৰু তেওঁ তাৰ ওলাই থকা সন্মুখৰ দুই ভাগ
তাৰ খিলনিবোৰ জুখি সেই পৰিমানতেই পালে। 25তাত আৰু তাৰ কেউফালে থকা খিলানবোৰত ওপৰে কোৱা খিড়িকীৰ নিচিনাই খিড়িকী
আছিল, তাৰ দৈৰ্ঘ্য পঞ্চাশ হাত আৰু প্ৰস্থ পঁচিশ হাত। 26তাৰ ওপৰত উঠিবলৈ সাতখাপ আছিল; তাৰ খিলানবোৰ ভিতৰ ফালে আছিল, আৰু
তাৰ বাৰাণ্ডা ওলাই থকা সন্মুখৰ দুই ভাগত ইফালে সিফালে খাজুৰ গছৰ আকৃতি আছিল। 27আৰু দক্ষিণ পালে ভিতৰ চোতালখনৰ এটা বাট-
চৰা আছিল; তেওঁ এটা বাট-চৰাৰ পৰা আনটোলৈ দক্ষিণ পালে জুখি এশ হাত পালে।

28পাচে তেওঁ মোক দক্ষিণফালৰ বাট-চৰাইদি ভিতৰ চোতালখনলৈ নিলে, আৰু তেওঁ দক্ষিণৰ বাট-চৰা জুখি সেই পৰিমাণমতেই পালে; 29তাৰ
প্ৰহৰী-কোঁঠালিবোৰ, তাৰ ওলাই থকা বাৰাণ্ডাৰ দুই ভাগ, আৰু তাৰ খিলানবোৰ সেই পৰিমাণমতেই আছিল; তাত আৰু তাৰ কেউফালে তাৰ
খিলানবোৰত খিড়িকী আছিল; তাৰ দৈৰ্ঘ্য পঞ্চাশ হাত আৰু প্ৰস্থ পঁচিশ হাত। 30আৰু কেউফালে পঁচিশ হাত দীঘল আৰু পাঁচ হাত বহল
খিলানবোৰ আছিল; 31তাৰ খিলানবোৰ বাহিৰ চোতালখনৰ ফাললৈ আছিল, আৰু তাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগত খাজুৰ গছৰ
আকৃতি আছিল, আৰু তাৰ ওপৰত উঠিবলৈ আঠ খাপ আছিল।

32পাছে তেওঁ মোক পূৱফাললৈ ভিতৰ চোতালখনৰ মাজলৈ নিলে, আৰু বাট-চৰাটো জুখি সেই পৰিমাণতেই পালে; 33তাৰ প্ৰহৰী-
কোঁঠালিবোৰ,তাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগ, আৰু তাৰ খিলানবোৰ সেই পৰিমাণতেই আছিল; তাত আৰু তাৰ কেউফালে তাৰ
খিলানবোৰত খিড়িকী আছিল; বাট-চৰাটো পঞ্চাশ হাত দীঘল আৰু পঁচিশ হাত বহল। 34তাৰ খিলানবোৰ বাহিৰ চোতালখনৰ ফাললৈ আছিল,
আৰু ইফালে সিফালে তাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগত খাজুৰ গছৰ আকৃতি আছিল; আৰু তাৰ ওপৰত উঠিবলৈ আঠ খাপ
আছিল।

35পাছে তেওঁ মোক উত্তৰ বাট-চৰাটোলৈ নিলে, আৰু তেওঁ তাক জুখি সেই পৰিমাণমতেই পালে। 36তাৰ প্ৰহৰী-কোঁঠালিবোৰ, তাৰ বাৰাণ্ডাৰ
ওলাই থকা সন্মুখৰ দুই ভাগ, আৰু তাৰ খিলানবোৰ সেই পৰিমাণমতোই আছিল, আৰু কেউফালে তাত খিড়িকী আছিল; তাৰ দৈৰ্ঘ্য পঞ্চাশ
হাত আৰু প্ৰস্থ পঁছিশ হাত আছিল। 37তাৰ বাৰাণ্ডা বাহিৰ চোতালৰ ফাললৈ আছিল, আৰু তাৰ ইফালে সিফালে ওলাই থকা সন্মুখৰ দুই ভাগত
খাজুৰ গছৰ আকৃতি আছিল; আৰু তাৰ ওপৰত উঠিবলৈ আঠ খাপ আছিল। 38প্ৰত্যেক বাট-চৰাৰ বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগৰ
ওচৰত দুৱাৰ থকা এটা এটা কোঁঠালি আছিল; তাত হোম-বলি ধোৱা হয়। 39হোম-বলি, পাপৰ্থক-বলি, আৰু দোষাৰ্থক-বলি কাটিবলৈ বাট-
চৰাটোৰ বাৰাণ্ডাত ইফালে দুখন সিফালে দুখন মেজ আছিল। 40আৰু উত্তৰ ফালৰ বাট-চৰাটোৰ প্ৰৱেশস্থানত খটখটিৰ ওচৰত বাহিৰে এফালে
দুখন মেজ আছিল, আৰু আনফালে বাট-চৰাটোৰ বাৰাণ্ডাৰ দাঁতিত দুখন মেজ আছিল। 41এইদৰে বাট-চৰাটোৰ ভিতৰত চাৰিখন আৰু বাট-

চৰাটোৰ বাহিৰত চাৰিখন মেজ আছিল; বলি কাটিবলৈ সৰ্ব্বমুঠ আঠখন মেজ আছিল। 42আৰু হোম-বলিৰ অৰ্থে ডেৰ হাত দীঘল, ডেৰ হাত বহল, আৰু এক হাত ওখ, কটাশিলৰ এনে চাৰিখন মেজ আছিল; তাত হোম-বলি আৰু আন আন বলি কটা অস্ত্ৰ ৰখা হয়। 43আৰু ভিতৰে কেউফালে চাৰি আঙুলিয়া হাঁকোটিবোৰ লগোৱা আছিল, আৰু মেজ কেইখনত উৎসৰ্গ কৰি মাংস থোৱা হয়।

44আৰু ভিতৰ বাট-চৰাটোৰ বাহিৰত উত্তৰ বাট-চৰাটোৰ কাষত ভিতৰ চোতালখনত গায়ন-বায়নবিলাকৰ নিমিত্তে কেইটামান কোঁঠালি আছিল, সেইবোৰৰ মুখ দক্ষিণ ফালে; পূব বাট-চৰাটোৰ কাষত উত্তৰ ফালে মুখ কৰা এটা কোঁঠালি আছিল, 45আৰু তেওঁ মোক কলে, দক্ষিণফালে মুখ কৰা এই কোঁঠালিটো গৃহ ৰক্ষক পুৰোহিতবিলাকৰ নিমিত্তে। 46আৰু উত্তৰ ফালে মুখ কৰা কোঁঠালিটো যজ্ঞ-বেদি ৰক্ষক পুৰোহিতবিলাকৰ নিমিত্তে; তেওঁ বিলাক চাদোকৰ সন্তান; লেবীৰ সন্তানবিলাকৰ মাজৰ পৰা তেওঁবিলাকেই যিহোৱাৰ পৰিচৰ্য্যা কৰিবলৈ তেওঁৰ গুৰিলৈ আহে। 47আৰু তেওঁ চোতালখন জুখি এশ হাত দীঘল আৰু এশ হাত বহল পালে, লেয়ে চাৰিওপালে সমান; যজ্ঞ-বেদিটো গৃহৰ আগত আছিল।

48পাছে তেওঁ মোক গৃহৰ বাৰাণ্ডালৈ নি, সেই বাৰণ্ডাৰ ওলাই থকা সন্মুখৰ প্ৰত্যেক ভাগ জুখি, ইফালে পাঁচ হাত সিপালে পাঁচ হাত পালে, আৰু প্ৰত্যেক প্ৰৱেশস্থানৰ কাষৰ ওলাই থকা ভাগৰ প্ৰস্থ ইফালে তিনি হাত সিফালে তিনি হাত পালে। 49বাৰাণ্ডাৰ দৈৰ্ঘ্য বিশ হাত, আৰু প্ৰস্থ বাৰ হাত আছিল, আৰু তালৈ উঠিব পৰা খটখটী আছিল; আৰু বাৰাণ্ডাৰ ওলাই থকা সন্মুখৰ দুই ভাগৰ ওচৰত এফালে এটা স্তম্ভ আৰু আনফালে এটা স্তম্ভ আছিল।

# Chapter 41

1পাছে তেওঁ মোক মন্দিৰৰ গুৰিলৈ নি, তাৰ সন্মুখৰ ওলাই থকা দুই ভাগ জুখি, এফালে ছহাত আনফালে ছহাত বহল পালে; সেয়ে তম্বুৰ বহলৰ সমান। 2আৰু প্ৰৱেশস্থানৰ প্ৰস্থ দহ হাত; আৰু প্ৰৱেশস্থানৰ সন্মুখৰ দুই ভাগ ইফালে পাঁচ হাত সিফালে পাঁচ হাত আছিল; আৰু তেওঁ তাৰ দৈৰ্ঘ্য জুখি চল্লিশ হাত, আৰু প্ৰস্থ জুখি বিশ হাত পালে। 3পাছে তেওঁ ভিতৰ ফালে গৈ প্ৰৱেশস্থানৰ সন্মুখৰ ওলাই থকা দুই ভাগ জুখি দুহাত দুহাত পালে, আৰু প্ৰৱশস্থান জুখি ছহাত পালে; প্ৰৱেশস্থানৰ প্ৰস্থ সাত হাত আছিল। 4আৰু তেওঁ তাৰ দৈৰ্ঘ্য জুখি বিশ হাত পালে আৰু এয়ে অতি পবিত্ৰস্থান বুলি তেওঁ মোক কলে।

5পাছে তেওঁ গৃহটিৰ দেৱাল জুখি ছহাত পালে, আৰু কেউফালে গৃহ মেৰাই থকা কিনাৰৰ কোঁঠালিবোৰৰ প্ৰত্যেক কোঁঠালিৰ প্ৰস্থ জুখি চাৰি হাত পালে। 6কিনাৰৰ কোঁঠালিবোৰ ওপৰা-ওপৰিকৈ তিনি শাৰী আছিল, আৰু প্ৰত্যেক শাৰীত ত্ৰিশটা কোঁঠালি আছিল, আৰু কিনাৰৰ কোঁঠালিবোৰ যেন লাগি থাকে, এই অভিপ্ৰায়ে সেইবোৰ কেউফালৰ কিনাৰৰ কোঁঠালিত গৃহৰ দেৱালত সোমাল, কিন্তু গৃহৰ দেৱালত সেইবোৰ বন্ধ নাছিল। 7আৰু কিনাৰৰ কোঁঠালিবোৰে গৃহটি মেৰাই যিমান ওপৰলৈ গ'ল, সেইবোৰ সিমানে বহল হৈ গ'ল, কিয়নো গৃহৰ কেউফালে গৃহৰ মেৰ ক্ৰমে ক্ৰমে ওখ হৈ গৈছিল; এই হেতুকে গৃহৰ ফালে প্ৰস্থাই ওপৰলৈ ক্ৰমে বাঢ়িল; এই কাৰণে লোকে তলৰ কোঁঠালিৰ পৰা ওপৰৰ কোঁঠালিলৈ মাজৰ কোঁঠালিয়েদি উঠে। 8আৰু মই দেখিলোঁ, গৃহৰ চাৰিওফালে ওখ ভিত্তিমূল আছিল; কিনাৰৰ কোঁঠালিবোৰৰ ভিত্তিমূল দীঘল হাতৰ ছহাত পৰিমাণৰ সম্পূৰ্ণ এক নল। 9কিনাৰৰ কোঁঠালিবোৰৰ বাহিৰ ফালৰ দেৱালৰ ডাঠ পাঁচ হাত, আৰু বাকী শূন্য ঠাইখিনি পাঁচ হাত আছিল। 10কেউপিনে গৃহৰ চাৰিওফালে কোঁঠালিবোৰৰ মাজত বিশ হাত বহল এডোখৰ ঠাই আছিল। 11আৰু কিনাৰৰ কোঁঠালিবোৰৰ দুৱাৰ বাকী শূন্য ঠাইডোখৰৰ ফাললৈ আছিল; এখন উত্তৰ ফালে আৰু আনখন দক্ষিণফালে আছিল; আৰু বাকী শূন্য ঠাইডোখৰৰ প্ৰস্থ কেউফালে পাঁচ হাত।

12আৰু পৃথক কৰা ঠাইৰ সন্মুখত পশ্চিমফালে থকা ঘৰ সত্তৰ হাত বহল; আৰু ঘৰৰ দেৱালৰ ডাঠ চাৰিওফালে পাঁচ হাত, আৰু তাৰ দৈৰ্ঘ্য নব্বৈ হাত। 13পাছে তেওঁ গৃহ জুখি এশ হাত দীঘল পালে, আৰু পৃথক কৰা ঠাই আৰু দেৱালে সৈতে ঘৰটো জুখি এশ হাত দীঘল পালে। 14আৰু তেওঁ পূৱফালে গৃহৰ, আৰু পৃথক কৰা ঠাইৰ আগফালৰ প্ৰস্থ জুখি এশ হাত পালে।

15আৰু পৃথক কৰা ঠাইৰ মুৰত, তাৰ পাছফালে থকা ঘৰটোৰ দৈৰ্ঘ্য আৰু ইফালে সিফালে থকা তাৰ ঠেক বাৰাণ্ডাবোৰৰ দৈৰ্ঘ্য জুখি তেওঁ এশ হাত পালে; আৰু তেওঁ মন্দিৰ, ভিতৰ-মন্দিৰ আৰু চোতালখনৰ বাৰাণ্ডা জুখিলে। 16এই তিনিওটাৰ কেউফালে দুৱাৰডলি, চিলিঙি দিয়া খিড়িকী, আৰু ঠেক বাৰাণ্ডা আছিল; চোতালখনৰ বাৰাণ্ডাৰ সন্মুখত কেউফালে মজিয়াৰ পৰা খিড়িকীলৈকে তক্তা লগোৱা আছিল: খিড়িকীবোৰ ঢকা আছিল। 17আৰু দুৱাৰৰ ওপৰ ভাগ, ভিতৰ গৃহটি, বাহিৰৰ ঠাই আৰু গোটেই দেৱাল, চাৰিওফালে ভিতৰে আৰু বাহিৰে যি যি আছিল, সেই সকলোকে জোখা হ'ল। 18কৰূব আৰু খাজুৰ গছৰ আকৃতি এইদৰে কৰা হৈছিল, যে, দুটা দুটা কৰূবৰ আকৃতিৰ মাজত এজোপা এজোপা খাজুৰ গছৰ আকৃতি আছিল; আৰু প্ৰত্যেক কৰূবৰ দুখন দুখন মুখ আছিল। 19এইদৰে, এফালে খাজুৰ গছৰ আকৃতিটোৰ পোনে মানুহৰ মুখ, আৰু আনফালে খাজুৰ গছৰ আকৃতিটোৰ পোনে যুৱা সিংহৰ মুখ আছিল; কেউফালে গোটেই গৃহত এইদৰে কৰা হ'ল। 20মজিয়াৰ পৰা দুৱাৰৰ ওপৰলৈকে কৰূব আৰু খাজুৰ গছৰ আকৃতি কৰা হৈছিল; মন্দিৰৰ দেৱাল এই প্ৰকাৰ আছিল।

21মন্দিৰৰ বিষয়ে হ'লে, দুৱাৰৰ খুঁটাকেইটা চাৰিসিৰীয়া কৰা আছিল; অতি পবিত্ৰস্থানৰ আগফালৰ বিষয়ে হ'লে, তাৰ আকৃতি মন্দিৰৰ আকৃতিৰ নিচিনা। 22বেদিটো কাঠৰ, তিনিহাত ওখ আৰু দুহাত দীঘল, তাৰ চুক আৰু দীঘে পথালিয়ে গোটেই গা কাঠৰ আছিল। পাছে তেওঁ মোক কলে, এই বেদিয়েই যিহোৱাৰ আগত থকা মেজ। 23মন্দিৰ আৰু অতি পবিত্ৰস্থানৰ দুফলীয়া দুখন দুৱাৰ আছিল; 24আৰু প্ৰত্যেক ফালৰ ঘূৰাব পৰা দুই দুই খলপ আছিল। এফালে দুখলপ আৰু আনফালে দুখলপ আছিল। 25দেৱালত কৰা নিচিনাকৈ সেইবোৰত, মন্দিৰৰ দুৱাৰ কেইখনত কৰূব আৰু খাজুৰ গছৰ আকৃতি কৰা আছিল; আৰু বাহিৰত বাৰাণ্ডাৰ আগফালৰ ওপৰত ডাঠ কাঠৰ চতি আছিল। 26বাৰাণ্ডাৰ দুই

কাষে, ইফালে সিফালে চিলিঙি দিয়া খিড়িকী আৰু খাজুৰ গছৰ আকৃতি আছিল; গৃহৰ কিনাৰৰ কোঁঠালিবোৰ আৰু ডাঠ কাঠৰ চতিকেইটা এই
প্ৰকাৰ আছিল।

## Chapter 42

1পাছে তেওঁ মোক উত্তৰ ফালৰ বাটেদি বাহিৰ চোতালখনলৈ নি, আৰু পৃথক কৰা ঠাইৰ সন্মূখত আৰু উত্তৰ ফালৰ ঘৰটোৰ সন্মুখত থকা
কোঁঠালিবোৰলৈ নি, 2এশ হাত দীঘল ঠাইৰ আগত উপস্থিত কৰিলে; দুৱাৰ উত্তৰ ফালে আছিল; প্ৰস্থ পঞ্চাশ হাত। 3সেই কোঁঠালিবোৰ ভিতৰ
চোতালখনৰ বিশ হাতৰ আগত আৰু বাহিৰ চোতালখনৰ শিলল পাৰি দিয়া ঠাইৰ সন্মুখত আছিল; তৃতীয় খাপৰ ঠেক বাৰাণ্ডাবোৰ সন্মূখা-
সন্মূখিকৈ আছিল। 4আৰু ভিতৰ ফালে কোঁঠালিবোৰৰ আগত দহ হাত বহল আৰু এশ হাত দীঘল এটা অহা-যোৱা কৰা বাট আছিল; আৰু
সেইবোৰৰ দুৱাৰ উত্তৰফালে আছিল। 5ওপৰৰ কোঁঠালিবোৰ ঠেক; কিয়নো ঘৰটোত টেক বাৰাণ্ডা কেইটাই তলৰ আৰু মাজৰ কোঁঠালিতকৈ
অধিক ঠাই লৈছিল। 6কাৰণ সেইবোৰ তিনিও খাপত আছিল, আৰু বাহিৰ চোতালখনৰ কোঁঠালিবোৰৰ স্তম্ভৰ নিচিনা সেইবোৰৰ স্তম্ভ নাছিল;
এই হেতুকে ওপৰৰ কোঁঠালিবোৰ মাটিত থকা তলৰ কোঁঠালিতকৈ আৰু মাজৰ কোঁঠালিতকৈ অধিক ঠেক আছিল। 7আৰু বাহিৰত, বাহিৰ
চোতাললখনৰ ফালে কোঁঠালিবোৰৰ কাষত, আৰু কোঁঠালিবোৰৰ সন্মুখত যি গড় আছিল, সেয়ে পঞ্চাশ হাত দীঘল। 8কিয়নো বাহিৰ
চোতালখনৰ ফালে থকা কোঁঠালিবোৰৰ দৈৰ্ঘ্য পঞ্চাশ হাত; কিন্তু মন্দিৰৰ ফালে থকা কোঁঠালিবোৰৰ দৈৰ্ঘ্য এশ হাত। 9বাহিৰ চোতালখনৰ পৰা
সেইবোৰ কোঁঠালিত সোমাবলৈ গ’লে, সেইবোৰৰ ঠাইতকৈ চাপৰত, পূৱফালে সোমোৱা বাট পোৱা যায়। 10চোতালখনৰ গড়ৰ বহলফালে
পূৱদিশে পৃথক কৰা ঠাইৰ আৰু ঘৰটোৰ আগত কোঁঠালিবোৰ আছিল। 11এইবোৰৰ আগত যি এটা বট আছিল, সেই বাট উত্তৰফালে থকা
কোঁঠালিবোৰৰ সন্মুখৰ বাটৰ নিচিনা যেন দেখা যায়; এইবোৰ সেইবোৰৰ সমানে দীঘল আৰু বহল, আৰু এইবোৰৰ আটাইবোৰ বাহিৰলৈ
ওলোৱা বাট সেইবোৰৰ নিচিনা, আৰু সেই ৰকমেই। 12বাটৰ মুৰত, দক্ষিণফালে থকা কোঁঠালিবোৰৰ দুৱাৰবোৰৰ নিচিনা এখন দুৱাৰ আছিল;
সেই কোঁঠালিবোৰত সোমাবলৈ গ’লে, পূৱফালে ঠিক গড়ৰ সন্মুখত সেই দুৱাৰ পোৱা যায়।

13পাছে তেওঁ মোক কলে, পৃথক কৰা ঠাইৰ সন্মুখত থকা উত্তৰ আৰু দক্ষিণৰ কোঁঠালিবোৰ পবিত্ৰ কোঁঠালি; যিহোৱাৰ ওচৰত থকা
পুৰোহিতবিলাকে তাত অতি পবিত্ৰ বস্তু ভোজন কৰে; তাত তেওঁবিলাকে অতি পবিত্ৰ বস্তুবোৰ, ভক্ষ্য নৈবেদ্য, পাপৰ্থক বলি, আৰু দোষাৰ্থক
বলি থয়; কিয়নো সেই ঠাই পবিত্ৰ। 14যেতিয়া পুৰোহিতবিলাক পবিত্ৰস্থানত সোমায়, তেতিয়া তেওঁবিলাকে তেওঁবিলাকৰ পৰিচৰ্য্যা বস্ত্ৰ তাত
নৰখাকৈ তাৰ পৰা বাহিৰ চোতালখনলৈ নাযায়; কিয়নো সেইবোৰ পবিত্ৰ; তেওঁবিলাকে আন বস্ত্ৰ পিন্ধি লোকবিলাকৰ ঠাইলৈ যায়।

15পাছে তেওঁ ভিতৰ গৃহ জুখি এঁটালত, পূৱফালেমুখ কৰা বাট-চৰাইদি নোক উলিয়াই নিলে, আৰু চাৰিওফালে গোটেই গৃহ জুখিলে। 16তেওঁ
পূৱফালে পৰিমাণ নলেৰে জুখি পাঁচশ হাত পালে। 17তেওঁ ঘূৰি উত্তৰফলে পৰিমাণ নলেৰে জুখি পাঁচশ হাত পালে। 18তেওঁ দক্ষিণফালে
পৰিমাণ-নলেৰে জুখি পাঁচশ হাত পালে। 19আৰু তেওঁ পশ্চিফাললৈ ঘূৰি সেই ফালে পৰিমাণ-নলেৰে জুখি পাঁচশ হাত পালে। 20তেওঁ
চাৰিওফালে তাক জুখিলে; পবিত্ৰ আৰু সাধাৰণ ঠাইৰ মাজত প্ৰভেদ কৰিবলৈ, তাৰ চাৰিওফালে পাঁচশ হাত দীঘল আৰু পাঁচশ হাত বহল এনে
এটা গড় আছিল।

### নতুন মন্দিৰত যিহোৱাৰ প্ৰৱেশ। যজ্ঞ-বেদিৰ আৰু তাৰ প্ৰতিষ্ঠাৰ বিষয়।

## Chapter 43

1পাছে তেওঁ বাট-চৰাটোলৈ, পূৱফালে মুখ কৰা বাট-চৰাটোলৈ মোক নিলে। 2আৰু চোৱা, পূৱফালৰ পৰা ইস্ৰায়েলৰ ঈশ্বৰৰ গৌৰৱ আহিল;
তেওঁৰ ধ্বনি বহু জলসমূহৰ শব্দৰ নিচিনা, আৰু পৃথিৱী তেওঁৰ গৌৰৱেৰে উজ্জ্বল হ’ল। 3মই দৰ্শনত দেখা পদাৰ্থৰ নিচিনা, নগৰখন ধ্বংস
কৰিবলৈ অহা সময়ত মই দৰ্শনত দেখা পদাৰ্থ আছিল, আৰু কবাৰ নদীৰ ওচৰত মই দৰ্শনত দেখা পদাৰ্থৰেই নিচিনা এই দৰ্শনত দেখা পদাৰ্থ
আছিল। তাতে মই উবুৰি হৈ পৰিলোঁ। 4আৰু যিহোৱাৰ গৌৰৱ পূৱফালে মুখ কৰা বাট-চৰাটোৰ বাটেদি গৃহটিত সোমাল। 5পাছে আত্মাই মোক
তুলি ভিতৰ-চোতালখনলৈ নিলে; আৰু চোৱা, যিহোৱাৰ গৌৰৱে গৃহটি পৰিপূৰ্ণ কৰিলে।

6আৰু গৃহটিৰ ভিতৰৰ পৰা এজনে মোক কথা কোৱা মই শুনিলোঁ; আৰু এজন পুৰুষ মোৰ ওচৰত থিয় হ’লহি। 7তেওঁ মোক কলে, হে মনুষ্য
সন্তান, এয়ে মোৰ সিংহাসনৰ আৰু মোৰ ভৰিৰ তলুৱাৰ ঠাই; ইয়াত মই চিৰকাললৈকে ইস্ৰায়েলৰ সন্তানবিলাকৰ মাজত বাস কৰিম, আৰু
ইস্ৰায়েল বংশই তেওঁবিলাকে বা তেওঁবিলাকৰ ৰজাবিলাকে নিজৰ বেশ্যাকৰ্ম্মেৰে, আৰু তেওঁবিলাকৰ ৰজাবিলাকৰ মৰণ কালত তেওঁবিলাকৰ
মৰ শৱেৰে মোৰ পবিত্ৰ নাম পুনৰায় অশুচি নকৰিব; 8তেওঁবিলাকে মোৰ দুৱাৰডলিৰ ওচৰত তেওঁবিলাকৰ দুৱাৰডলি, আৰু মোৰ দুৱাৰ খুটাৰ
ওচৰত তেওঁবিলাকৰ দুৱাৰ খুটা দি, মোৰ আৰু তেওঁবিলাকৰ মাজত কেৱল এটা দেৱাল ৰাখি অশুচি নকৰিব। তেওঁবিলাকে কৰা তেওঁবিলাকৰ
ঘিণলগীয়া কাৰ্য্যেৰে তেওঁবিলাকে মোৰ পবিত্ৰ নাম অপবিত্ৰ কৰিলে; এই নিমিত্তে মই ক্ৰোধত তেওঁবিলাকক নষ্ট কৰিলোঁ। 9এতিয়া
তেওঁবিলাকৰ বেশ্যাকৰ্ম্ম, আৰু তেওঁবিলাকৰ ৰজাবিলাকৰ মৰা শৱ তেওঁবিলাকে মোৰ পৰা দূৰ কৰক; তাতে মই তেওঁবিলাকৰ মাজত
চিৰকাললৈকে বাস কৰিম।

10হে মনুষ্য সন্তান, ইস্ৰায়েল-বংশই নিজ অপৰাধৰ কাৰণে লাজ পাবৰ নিমিত্তে তুমি তেওঁবিলাকক গৃহটি দেখুউৱা; আৰু সুন্দৰ কৈ গঁঠা গৃহটি তেওঁবিলাকে জোখক। 11আৰু তেওঁবিলাকে কৰা আটাই কাৰ্য্যৰ নিমিত্তে যদি তেওঁবিলাক লজ্জিত হয়, তেন্তে তেওঁবিলাকে গৃহটিৰ সমূদায় আকৃতি আৰু তাৰ আটাই নিয়ম প্ৰণালী ৰক্ষা কৰি সেই মতে যেন কাৰ্য্য কৰে, এই অভিপ্ৰায়ে গৃহটিৰ আকাৰ, তাৰ গঠন, ভিতৰলৈ বাহিৰলৈ অহা যোৱা কৰা তাৰ বাটবোৰ, তাৰ সকলো প্ৰকাৰ আকাৰ, আৰু তাৰ আটাই ব্যৱস্থা তেওঁবিলাকক জনোৱা, আৰু তেওঁবিলাকৰ আগতে লিখা। 12এয়ে গৃহটিৰ ব্যৱস্থা, পৰ্ব্বতখনৰ টিঙত তাৰ সমুদায় সীমা চাৰিওফালে পবিত্ৰ হ'ব। চোৱা, গৃহটিৰ ব্যৱস্থা এয়ে।

13আৰু যজ্ঞ-বেদিটোৰ হাতৰ জোখ এইবোৰেই।(সেই হাত, এক হাত চাৰি আঙুল)।তল ভাগ এক হাত, প্ৰস্থ এক হাত, আৰু চাৰিওফালে তাৰ কিনাৰৰ বাৰ এবেগেত হ'ব; এয়ে যজ্ঞ-বেদিটোৰ তলি হ'ব। 14আৰু মাটিত থকা তল ভাগৰ পৰা তল খাপলৈ দুহাত, আৰু বহলে এক হাত হ'ব। 15আৰু যজ্ঞ-বেদিটোৰ ওপৰ ভাগ চাৰি হাত হ'ব, আৰু যজ্ঞ-বেদিটোৰ জুইশালৰ পৰা ওপৰলৈ চাইটা শিং হ'ব। 16যজ্ঞ-বেদিটোৰ জুইশাল বাৰ হাত দীঘল, আৰু বাৰ হাত বহল হ'ব; তাৰ চাৰিওফালে সমান হ'ব। 17আৰু ওপৰ ভাগ চৌদ্ধ হাত দীঘল, আৰু চৌদ্ধ হাত বহল, চাৰিচুকীয়া হ'ব; আৰু তাৰ চাৰিওফালে থকা বাৰ আধা হাত, আৰু তাৰ তল ভাগ চাৰিওফালে এক হাত হ'ব; তাৰ খটখটী পূৱফাললৈ মুখ কৰি থাকিব।

18পাছে তেওঁ মোক কলে, হে মনুষ্য সন্তান, প্ৰভু যিহোৱাই এই কথা কৈছে, যজ্ঞ-বেদিটো সাজি এঁটোৱা দিনা তাত হোম বলি উৎসৰ্গ কৰিবলৈ আৰু তেজ ছটিয়াবলৈ তাৰ নিয়ম প্ৰণালী এইবোৰ। 19প্ৰভু যিহোৱাই কৈছে, মোৰ পৰিচৰ্য্যা কৰিবলৈ মোৰ ওচৰতথকা চাদোক বংশৰ লেবীয়া পুৰোহিতবিলাকক তুমি পাপাৰ্থক বলিৰ নিমিত্তে এটা ডেকা ভতৰা দিবা। 20আৰু তুমি তাৰ অলপ তেজ লৈ বেদিটোৰ চাইটা শিঙত, তাৰ ওপৰ ভাগৰ চাৰি চুকত, আৰু চাৰিওফালে তাৰ বাৰত লগাবা; তুমি এইদৰে তাক শুচি কৰিবা। 21পাছে পাপাৰ্থক বলিৰ সেই ভতৰাটো লৈ তাক ধৰ্ম্মধামৰ বাহিৰে গৃহৰ নিৰূপিত ঠাইত দাহ কৰা হ'ব। 22দ্বিতীয় দিনা তুমি পাপাৰ্থক বলিৰ নিমিত্তে এটা নিৰ্ঘূণী মতা ছাগ উৎসৰ্গ কৰিবা; তাতে পুৰোহিবিলাকে ভতৰাটোৰে যজ্ঞ-বেদিটো শুচি কৰা নিচিনাকৈ যজ্ঞ-বেদিটো শুচি কৰিব। 23তাক শুচি কৰি এঁটালে তুমি এটা নিৰ্ঘূণী ডেকা ভতৰা আৰু জাকৰ পৰা এটা নিৰ্ঘূণী মতা মেৰ উৎসৰ্গ কৰিবা। 24তুমি সেই দুটাক যিহোৱাৰ আগলৈ আনিবা; তাতে পুৰোহিতবিলাকে সেইবোৰৰ ওপৰত লোণ ছটিয়াব আৰু তেওঁবিলাকে যিহোৱাৰ উদ্দেশ্যে হোম-বলিস্বৰূপে সেইবোৰ উৎসৰ্গ কৰিব। 25তুমি সাতদিনলৈকে প্ৰতিদিনে পাপাৰ্থক বলিস্বৰূপে এটা এটা ছাগ উৎসৰ্গ কৰিবা; আৰু তেওঁবিলাকে এটা ডেকা ভতৰা, আৰু জাকৰ পৰা এটা নিৰ্ঘূণী মেৰ উৎসৰ্গ কৰিব। 26সাতদিনলৈকে তেওঁবিলাকে যজ্ঞবেদিটো প্ৰায়শ্চিত্ত কৰি তাক শুচি কৰিব; এইদৰে তেওঁবিলাকে তাৰ প্ৰতিষ্ঠা কৰিব। 27আৰু দিন সম্পূৰ্ণ হ'লে, অষ্টম দিনা আৰু তাৰ পাছত পুৰোহিতবিলাকে যজ্ঞ-বেদিটোত তোমালোকৰ হোম বলি আৰু তোমালোকৰ মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব; তাতে, প্ৰভু যিহোৱাই কৈছে, মই তোমালোকক গ্ৰহণ কৰিম।

### নতুন মন্দিৰত কাম কৰা মানুহবিলাকৰ বিষয়।

## Chapter 44

1পাছে তেওঁ ধৰ্ম্মধামৰ পূৱফালে মুখ কৰা বাহিৰ বাট-চৰাটোলৈ মোক ওলোটাই নিলে, সেয়ে বন্ধ আছিল। 2পাছে যিহোৱাই মোক কলে, এই বাট-চৰাটো বন্ধ থাকিব, মেলা নাযাব আৰু এইপিনে কোনো লোক সোমোমাব; কিয়নো ইস্ৰায়েলৰ ঈশ্বৰ যিহোৱাই এইপিনে প্ৰৱেশ কৰিলে; এই হেতুকে ই বন্ধ থাকিব। 3অধিপতিজনৰ বিষয়ে হ'লে, কেৱল তেওঁহে যিহোৱাৰ আগত আহাৰ কৰিবৰ অৰ্থে তাত বহিব তেওঁ বাট-চৰাটোৰ বাৰাণ্ডাৰ বাটেদি সোমাব, আৰু সেই একে বাটেদিয়েই বাহিৰ ওলাব।

4পাছে তেওঁ উত্তৰ বাট-চৰাটোৰ বাটেদি মোক গৃহটিৰ আগলৈ নিলে, আৰু মই চাই দেখিলোঁ, যিহোৱাৰ গৌৰৱে যিহোৱাৰ গৃহটি পৰিপূৰ্ণ কৰিলে; তাতে মই উবুৰি হৈ পৰিলোঁ। 5পাছে যিহোৱাই মোক কলে, হে মনুষ্য সন্তান, যিহোৱাৰ গৃহটিৰ সকলো নিয়ম প্ৰণালী আৰু তাৰ আটাই ব্যৱস্থাৰ বিষয়ে মই তোমাক যি যি ক'ম, তুমি সেই সকলোলৈ মনোযোগ কৰা, চকুদিয়া, কাণ দিয়া আৰু ধৰ্ম্মধামৰ বাহিৰলৈ যোৱা প্ৰত্যেক বাটলৈ আৰু গৃহটিৰ প্ৰৱেশস্থানলৈ ভালকৈ মন দি চোৱা। 6আৰু তুমি বিদ্ৰোহী ইস্ৰায়েল বংশক ক'বা, প্ৰভু যিহোৱাই এই কথা কৈছে, 7হে ইস্ৰায়েল বংশ, তোমালোকে মোক আহাৰ, অৰ্থাৎ তেল আৰু তেজ উৎসৰ্গ কৰা সময়ত, মোৰ গৃহটি অপবিত্ৰ কৰিবৰ নিমিত্তে মোৰ ধৰ্ম্মধামত ভৰি দিবলৈ অচুন্নৎ হৃদয়ৰ আৰু অচুন্নৎ মাংসৰ বিজাতীয়বোৰক মোৰ ধৰ্ম্মধামলৈ যে আনিলা, তোমালোকৰ আটাই ঘিণলগীয়া কাৰ্য্যৰ মাজত সেইটোৱেই তোমালোকৰ পক্ষে যথেষ্ঠ হওক; তোমালোকৰ আটাই ঘিণলগীয়া কাৰ্য্যৰ বাহিৰেও তোমালোকে মোৰ নিয়মটি ভাঙিলা। 8আৰি তোমালোকে মোৰ পবিত্ৰ বস্তুবিষয়ক ৰক্ষণীয় ৰক্ষা কৰা নাই; কিন্তু তোমালোকে মোৰ ধৰ্ম্মধামত মোৰ ৰক্ষণীয় ৰক্ষা কৰিবলৈ ইচ্ছামতে ৰক্ষক পাতিলা।

9প্ৰভু যিহোৱাই এই কথা কৈছে, ইস্ৰায়েলৰ সন্তানবিলাকৰ মাজত থকা বিজাতীয়বোৰৰ অচুন্নৎ হৃদয়ৰ আৰু অচুন্নৎ মাংসৰ কোনো বিজাতীয় মোৰ ধৰ্ম্মধামত নোসোমাব। 10কিন্তু ইস্ৰায়েল বিপথে যোৱা সময়ত, যি লেবীয়াবোৰে নিজ নিজ মুৰ্ত্তিৰ পাছত চলি মোৰ পৰা বিপথে গৈছিল, মোৰ পৰা আঁতৰ হোৱা সেই লেবীয়াবোৰে নিজ নিজ অপৰাধৰ ভাৰ বব। 11সিহঁতে গৃহটিৰ দুৱাৰ ৰখীয়া আৰু গৃহটি পৰিচৰ্য্যা কৰি মোৰ ধৰ্ম্মধামত পৰিচাৰক হ'ব; সিহঁতেই হোম-বলি আৰু প্ৰজাবিলাকৰ অৰ্থে দিয়া বলি কাটিব আৰু প্ৰজাবিলাকৰ পৰিচৰ্য্যা কৰিবলৈ সিহঁতেই সিহঁতবিলাকৰ আগত থিয় হ'ব। 12সিহঁতে প্ৰজাবিলাকৰ মুৰ্ত্তিবোৰৰ আগত সিবিলাকৰ পৰিচৰ্য্যা কৰি ইস্ৰায়েল-বংশৰ অপৰাধজনক বিঘিনিস্বৰূপ হৈছিল; এই হেতুকে প্ৰভু যিহোৱাই কৈছে, মই সিহঁতৰ অহিতে মোৰ হাত দাঙি শপত কৰিলোঁ, যে, সিহঁতে নিজ নিজ অপৰাধৰ ভাৰ বব। 13আৰু সিহঁতে মোৰ ওচৰত পুৰোহিত কৰ্ম্ম কৰিবলৈ নাহিব, মোৰ পবিত্ৰ, মোৰ অতি পবিত্ৰ বস্তুবোৰৰ কোনো বস্তুৰ ওচৰ নাচাপিব,

কিন্তু সিহঁতৰ লাজৰ আৰু সিহঁতে কৰা ঘিণলগীয়া কাৰ্য্যৰ ভাৰ বব। 14গৃহটিৰ সকলো সেৱকীয়া কাৰ্য্যত, আৰু তাত কৰিব লগা আটাই কৰ্ম্মত
মই সিহঁতক গৃহটিৰ ৰক্ষণীয়ৰ ৰক্ষক কৰিম।

15কিন্তু ইস্ৰায়েলৰ সন্তানবিলাক মোৰ পৰা বিপথে যোৱা কালত, মোৰ ধৰ্ম্মধামৰ ৰক্ষণীয় ৰক্ষা কৰা চাদোকৰ সন্তান লেবীয়া পুৰোহিতবিলাকে
হ'লে, মোৰ পৰিচৰ্য্যা কৰিবলৈ মোৰ গুৰিলৈ আহিব; আৰু প্ৰভু যিহোৱাই কৈছে, তেওঁবিলাকে তেল আৰু তেজ মোৰ উদ্দেশ্যে উৎসৰ্গ কৰিবলৈ
মোৰ আগত থিয় হ'ব। 16তেওঁবিলাকে মোৰ ধৰ্ম্মধামত সোমাব, মোৰ পৰিচৰ্য্যা কৰিবলৈ মোৰ মেজৰ ওচৰলৈ আহিব আৰু মোৰ ৰক্ষণীয় ৰক্ষা
কৰিব। 17আৰু তেওঁবিলাকে ভিতৰ চোতালখনৰ বাট-চৰা কেইটাইদি সোমালে, তেওঁবিলাকে শণ সূতাৰ বস্ত্ৰ পিন্ধিব; আৰু তেওঁবিলাকে ভিতৰ
চোতালখনৰ বাট-চৰা কেইটাত আৰু গৃহত পৰিচৰ্য্যা কৰোঁতে তেওঁবিলাকৰ গাত নোমৰ কাপোৰ নাথাকিব। 18তেওঁবিলাকৰ মুৰত শণ সূতীৰ
পাগুৰি, আৰু কঁকালত শণ সূতাৰ জাঙিয়া থাকিব; ঘাম উলিওৱা কোনো কাপোৰ তেওঁবিলাকে কঁকালত নাবান্ধিব। 19যেতিয়া তেওঁবিলাকে
বাহিৰ চোতালখনলৈ, তেওঁবিলাকৰ গুৰিলৈ বাহিৰ চোতালখনলৈকে ওলাই যাব, তেতিয়া তেওঁবিলাকে তেওঁবিলাকৰ পৰিচৰ্য্যা বস্ত্ৰ সোলোকাই
পবিত্ৰ কোঁঠালিবোৰত থব আৰু তেওঁবিলাকৰ বস্ত্ৰেৰে তেওঁবিলাকক পবিত্ৰ নকৰিবৰ নিমিত্তে আন বস্ত্ৰ পিন্ধিব। 20তেওঁবিলাকে মূৰ নুখুৰাব, বা
চুলি দীঘল হ'বলৈ নিদিব, কেৱল মূৰৰ চুলি কাটিব। 21ভিতৰ-চোতালখনত সোমোৱা সময়ত কোনো পুৰোহিতে দ্ৰাক্ষাৰস পান নকৰিব।
22তেওঁবিলাকে বিধৱা, বা পৰিত্যক্ত তিৰোতা বিয়া নকৰিব, কিন্তু ইস্ৰায়েল বংশৰ ঔৰসত জন্মা কুমাৰীক, বিধৱা হ'লেও, পুৰোহিতৰ বিধৱাক
বিয়া কৰিব। 23আৰু তেওঁবিলাকে মোৰ প্ৰজাবিলাকক পবিত্ৰ আৰু সাধাৰণৰ মাজত প্ৰভেদ শিকাব, শুচি আৰু অশুচিৰ মাজত বিভিন্ন
কৰিবলৈ শিকিব। 24আৰু কোনো বিবাদ হ'লে, তেওঁবিলাকে বিচাৰ কৰিবলৈ থিয় হ'ব; মোৰ বিচাৰ অনুসাৰেহে তেওঁবিলাকে বিচাৰ কৰিব;
মোৰ আটাই নিৰূপিত পৰ্ব্বতবোৰত মোৰ ব্যৱস্থা আৰু বিধিবোৰ তেওঁ-বিলাকে পালন কৰিব; আৰু তেওঁবিলাকে মোৰ বিশ্ৰাম-দিনবোৰ পবিত্ৰ
কৰিব। 25আৰু তেওঁবিলাকৰ কোনেও নিজকে অশুচি কৰিবলৈ মৰা মানুহৰ ওচৰলৈ নাযাব, কিন্তু, বায়েক, মাক, পুতেক, জীয়েক আৰু
ভায়েকৰ কি স্বামী নোহোৱা ভনীয়েকৰ নিমিত্তে নিজকে অসুচি কৰিব পাৰে। 26কোনো পুৰোহিত শুচি হোৱাৰ পাছত তাৰ নিমিত্তে সাত দিন
নিৰূপণ কৰা হ'ব। 27প্ৰভু যিহোৱাই কৈছে, ধৰ্ম্মধামত পৰিচৰ্য্যা কৰিবলৈ, ধৰ্ম্মধামত ভিতৰ-চোতালখনত তেওঁ সোমোৱা দিনা নিজৰ পাপাৰ্থক
বলি উৎসৰ্গ কৰিব।

28আৰু পুৰোহিতবিলাকে এক আধিপত্য পাব; ময়েই তেওঁবিলাকৰ সেই আধিপত্য; আৰু তেওঁলোকে তেওঁবিলাকক ইস্ৰায়েলৰ মাজত কোনো
আধিপত্য নিদিব; ময়েই তেওঁবিলাকৰ আধিপত্য। 29ভক্ষ্য নৈবেদ্য, পাপাৰ্থক বলি, আৰু দোষাৰ্থক বলি তেওঁবিলাকেই খাব; আৰু ইস্ৰায়েলৰ
প্ৰত্যেক বৰ্জ্জিত বস্তু তেওঁবিলাকৰেই হ'ব; 30আৰু প্ৰথমে পকা শস্যাদিৰ প্ৰত্যেকৰ আগ ভাগ, আৰু তোমালোকৰ আটাই উত্তোলনীয় উপহাৰৰ
প্ৰত্যেক বস্তুৰ উত্তোলনীয় ভাগ পুৰোহিতবিলাকৰেই হ'ব; আৰু তোমাৰ ঘৰত আশীৰ্ব্বাদ থাকিবৰ নিমিত্তে তুমি তোমাৰ খৰচীয়া শস্যৰ আগ
ভাগ পুৰোহিতক দিবা; 31আৰু চৰাই হওক কি পশু হওক, নিজে মৰা বা জন্তুৱে ছিৰা একোকেই পুৰোহিতবিলাকে নাখাব।

### নতুন ইস্ৰায়েলৰ অধিপতিজনে, পুৰোহিতে আৰু লেবীয়াবিলাকে পাব লগা ভাগবোৰৰ বিষয়।

## Chapter 45

1ইয়াৰ বাহিৰে, যেতিয়া তোমালোকে আধিপত্যৰ অৰ্থে চিঠী-খেলেৰে দেশ ভাগ বাঁটিবা, তেতিয়া তোমালোকে দেশৰ এক পবিত্ৰ অংশ যিহোৱাৰ
উদ্দেশ্যে উপহাৰস্বৰূপে উৎসৰ্গ কৰিবা; সেয়ে দীঘলে পঁচিশ হাজাৰ হাত; আৰু বহলে বিশ হাজাৰ হাত হ'ব; সেয়ে চাকিওফালে তাৰ সমুদায়
সীমাৰ ভিতৰত পবিত্ৰ হ'ব। 2তাৰে পাঁচ শ হাত দীঘল আৰু পাঁচ শ হাত বহল চাৰিওফালে সমান এনে এডোখৰ ঠাই পবিত্ৰ স্থানৰ নিমিত্তে
থাকিব আৰু তাৰ বাহিৰ ফালে মুকলি ঠাইৰ নিমিত্তে কেউপিনে পঞ্চাশ হাত থাকিব। 3আৰু তুমি সেই পৰিমিত অংশৰ পঁচিশ হাজাৰ হাত দীঘল
আৰু দহ হাজাৰ হাত বহল টাই এডোখৰ জুখিবা, আৰু ততাত পবিত্ৰ ধৰ্ম্মধাম হ'ব। 4সেয়ে দেশৰ পবিত্ৰ অংশ; সেয়ে যিহোৱাৰ পৰিচৰ্য্যা
কৰিবলৈ অহা ধৰ্ম্মধামৰ পৰিচাৰক পুৰোহিতবিলাকৰ নিমিত্তে হ'ব; আৰু সেয়ে তেওঁবিলাকৰ ঘৰৰ নিমিত্তে ঠাই হ'ব, আৰু ধৰ্ম্মধামৰ নিমিত্তে
পবিত্ৰস্থান হ'ব। 5বিশটা কোঁঠালি হ'বলৈ পঁচিশ হাজাৰ হাত দীঘল আৰু দব হাজাৰ হাত বহল ঠাই এডোখৰ গৃহটিৰ পৰিচাৰক লেবীয়াবিলাকৰ
আধিপত্যৰ অৰ্থে হ'ব। 6আৰু উপহাৰ স্বৰূপে উৎসৰ্গ কৰা পবিত্ৰ অংশৰ একাষে, পাঁচহাজাৰ হাত দীঘল এডোখৰ ঠাই নগৰখনৰ আধিপত্য,
তোমালোকে নিৰূপণ কৰিবা; সেয়ে ইস্ৰায়েলৰ সমুদায় বংশৰ নিমিত্তে হ'ব। 7পবিত্ৰ উপহাৰৰ আৰু নগৰখনৰ আধিপত্যৰ ইফালে সিফালে,
পবিত্ৰ উপহাৰ আৰু নগৰখনৰ আধিপত্যৰ সন্মুখত, পশ্চিমফালৰ পশ্চিমদিশে, আৰু পূৱফালৰ পূৱদিশে অধিপতিজনৰ ভাগ হ'ব; আৰু সেই
বাগ দীঘলে পশ্চিম সীমাৰ পৰা পূৱসীমালৈকে অংশবোৰৰ এক অংশৰ সমান হ'ব। 8দেশত ইস্ৰায়েলৰ মাজত সেয়ে তেওঁৰ আধিপত্যৰ অৰ্থে
হ'ব; আৰু মোৰ অধিপতিবিলাকে মোৰ প্ৰজাবিলাকক আৰু অত্যাচাৰ নকৰিব, কিন্তু ইস্ৰায়েল-বংশৰ ফৈদ অনুসাৰে তেওঁবিলাকক দেশ দিব।

9প্ৰভু যিহোৱাই এই কথা কৈছে, হে ইস্ৰায়েলৰ অধিপতিবিলাক, তোমালোকৰ পক্ষে যথেষ্ঠ হ'ল; তোমালোকে অত্যাচাৰ আৰু লুট দূৰ কৰা,
বিচাৰ আৰু ন্যায় সিদ্ধ কৰা; প্ৰভু যিহোৱাই কৈছে তোমালোকে মোৰ প্ৰজাবিলাকক খেদাই দিবলৈ ক্ষান্ত হোৱা। 10তোমালোকৰ ন্যায় পাল্লা,
ন্যায় ঐফা, আৰু ন্যায় বৎ হ'ব লাগে। 11বতত এক হোমৰৰ দহ ভাগৰ এভাগ, আৰু ঐফাত এক হোমৰৰ দহ ভাগৰ এভাগ ধৰিবৰ নিমিত্তে
ঐফা আৰু বৎ একে পৰিমাণৰ হ'ব; তাৰ পৰিমাণ হোমৰ অনুসাৰে হ'ব। 12আৰু চেকলত বিশ গেৰা থাকিব; তোমালোকৰ মানিত বিশ চেকল,
পঁচিশ চেকল, পোন্ধৰ চেকল থাকিব।

13তোমালোকে দিব লগীয়া উপহাৰ এই। তোমালোকে এক হোমৰ ঘেঁহুধানৰ পৰা ঐফাল ছয় ভাগৰ এভাগ আৰু এক হোমৰ যৱৰ পৰা ঐফাৰ
ছয় ভাগৰ এভাগ দিবা। 14আৰু তেলৰ, বৎ সম্পৰ্কীয় তেলৰ নিৰূপিত ভাগ এক কোৰৰ পৰা বতৰ দহ ভাগৰ এভাগ হ'ব; এক কোৰত দহ বৎ,
অৰ্থাৎ এক হমৰ আছে; কিয়নো এক হোমৰত দহ বৎ থাকে। 15আৰু প্ৰভূ যিহোৱাই কৈছে, লোকবিলাকক প্ৰায়শ্চিত্ত কৰিবলৈ, ভক্ষ্য নৈবেদ্য,
হোম-বলি আৰু মঙ্গলাৰ্থক বলিৰ নিমিত্তে ইস্ৰায়েলৰ পুষ্টিকৰ ঘাঁহনিত চৰা দুশ দুশ মেৰৰ ভিতৰত জাকৰ পৰা এটা এটা মেৰ দিব লাগিব।
16দেশৰ সকোল প্ৰজাই ইস্ৰায়েলৰ অধিপতিজনক সেই উপহাৰ দিব। 17আৰু পৰ্ব্বতবোৰত ন জোনত, বিশ্ৰাম-দিনত ইস্ৰায়েল বংশৰ আটাই
নিৰূপিত উৎসৱত হোম-বলি ভক্ষ্য নৈবেদ্য, আৰু পেয় নৈবেদ্য উৎলৰ্গ কৰিবলৈ অধিপতিজন বাধ্য হ'ব; ইস্ৰায়েল বংশক প্ৰায়শ্চিত্ত কৰিবলৈ
তেওঁ পাপাৰ্থক বলি, ভক্ষ্য নৈবেদ্য, হোম-বলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব।

## নানা সময়ত দিব লগা নতুন ইস্ৰায়েলৰ বলিদান আৰু নৈবেদ্যৰ বিষয়।

18প্ৰভূ যিহোৱাই এই কথা কৈছে, প্ৰথম মাহৰ প্ৰথম দিনা তুমি এটা নিৰ্ঘূণী ভতৰা লৈ ধৰ্ম্ম ধামক পাপৰ পৰা মুক্ত কৰিবা। 19পুৰোহিতে সেই
পাপৰ্থক বলিৰ কিছু তেজ লৈ গৃহটিৰ দুৱাৰৰ খুটাত যজ্ঞ-বেদিৰ ওপৰ ভাগৰ চাৰি চুকত আৰু ভিতৰ-চোতালখনৰ বাট-চাটোৰ দুৱাৰৰ খুটাত
লগাব। 20আৰু ভুল কৰা কোনো লোকৰ আৰু কোনো নিৰ্ব্বোধ মানুহৰ নিমিত্তেও মাহৰ সপ্তম দিনা তুমি সেই দৰে কৰিবা। 21প্ৰথম মাহৰ চৌদ্ধ
দিনৰ দিনা তোমালোকৰ নিস্তাৰ পৰ্ব্ব, সাতদিনীয়া ভোজ হ'ব; সেইদিনা খমিৰ নিদিয়া পিঠা খাব লাগিব। 22সেই দিনা অধিপতিজনে নিজৰ
নিমিত্তে আৰু দেশৰ আটাই প্ৰজাৰ নিমিত্তে পাপৰ্থক বলিস্বৰূপে এটা ভতৰা উৎসৰ্গ কৰিব। 23আৰু তেওঁ ভোজৰ সাতদিন যিহোৱাৰ উদ্দেশ্যে
হোমবলিৰ নিমিত্তে দিনে দিনে সাতোটা সাতোটা নিৰ্ঘূণী ভতৰা আৰু সাতোটা সাতোটা মতা ভেড়া উৎসৰ্গ কৰিব আৰু পাপাৰ্থক বলিৰ নিমিত্তে
প্ৰতিদিনে এটা এটা ছাগ উৎসৰ্গ কৰিব। 24আৰু তেওঁ এটা এটা ভতৰাৰ এক এক ঐফা আৰু এটা এটা মতা ভেড়াৰ লগত এক এক ঐফা আৰু
এক এক ঐফাৰ লগত এক এক হীন তেল দি ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিব। 25সপ্তম মাহৰ পোন্ধৰ দিনৰ দিনাও পাপাৰ্থক বলি, হোম বলি, ভক্ষ্য
নৈবেদ্য, আৰু তেল উৎসৰ্গ কৰিব; তেওঁ ভোজত সাত দিনলৈকে সেইদৰে কৰিব।

# Chapter 46

1প্ৰভূ যিহোৱাই এই কথা কৈছে,পূৱফালে মুখ কৰা ভিতৰ চোতালখনৰ বাট-চৰাটো কাম কৰা ছয় দিন বন্ধ থাকিব; কিন্তু বিশ্ৰাম দিনত আৰু ন-
জোনৰ দিনা খোলা হ'ব। 2আৰু অধিপতিজন বাহিৰৰ পৰা বাট-চৰাৰ বাৰাণ্ডাৰ বাটেদি সোমাই বাট-চৰাটোৰ দুৱাৰৰ খুটাৰ ওচৰত থিয় হ'ব
আৰু পুৰোহিতবিলাকে তেওঁৰ হোম-বলি ও মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব আৰু তেওঁ দুৱাৰডলিত প্ৰণিপাত কৰিব, পাছে ওলাই যাব; কিন্তু বাট-
চৰাটো গধূলি নোহোৱালৈকে বন্ধ কৰা নাযাব। 3আৰু দেশৰ প্ৰজাবিলাকে বিশ্ৰাম দিনত আৰু ন-জোনত যিহোৱাৰ আগত সেই বাট-চৰাটোৰ
প্ৰৱেশস্থানত প্ৰণিপাত কৰিব। 4আৰু যিহোৱাৰ উদ্দেশ্যে অধিপতিজনে উৎসৰ্গ কৰিব লগীয়া হোম বলি এই; বিশ্ৰামবাৰে ছটা নিৰ্ঘূণী ভেড়া
পোৱালি, আৰু এটা নিৰ্ঘূণী মতা ভেড়া হ'ব। 5মতা ভেড়াটোৰ লগত দিয়া ভক্ষ্য নৈবেদ্য এক ঐফা হ'ব আৰু ভেড়া পোৱালিবোৰৰ লগত দিয়া
ভক্ষ্য নৈবেদ্য তেওঁৰ শক্তি অনুসাৰে হ'ব আৰু এক এক ঐফাৰ লগত এক এক হীন তেল হ'ব।

6আৰু ন-জোনৰ দিনা এটা নিৰ্ঘূণী ডেকা ভতৰা হ'ব; আৰু ছটা ভেড়া পোৱালি আৰু এটা মতা ভেড়া হ'ব, এইবোৰো নিৰ্ঘূণী হ'ব। 7আৰু
ভতৰাটোৰ লগত এক ঐফা, মতা ভেড়াটোৰ লগত এক ঐফা, ভেড়া পোৱালিবোৰৰ লগত তেওঁৰ শক্তি অনুসাৰে, আৰু এক এক ঐফাৰ লগত
এক এক হীন তেল দি তেওঁ ভক্ষ্য নৈবেদ্য যুগুত কৰিব। 8যেতিয়া অধিপতিজন সোমাব, তেতিয়া তেওঁ বাট-চৰাটোৰ বাৰাণ্ডাৰ বাটেদি সোমাব,
আৰু সেই একে বাটেদিয়েই ওলাই যাব।

9কিন্তু যেতিয়া দেশৰ প্ৰজাবিলাক নিৰূপিত উৎসৱত যিহোৱাৰ আগলৈ আহিব, তেতিয়া যি জনে প্ৰণিপাত কৰিবলৈ উত্তৰ বাট-চৰাটোৰ বাটেদি
সোমাব, তেওঁ দক্ষিণ বাট-চৰাটোৰ বাটেদি ওলাই যাব আৰু যি জনে দক্ষিণ বাট-চৰাটোৰ বাটেদি সোমাব, তেওঁ উত্তৰ বাট-চৰাটোৰ বাটেদি
ওলাই যাব; তেওঁ সোমোৱা বাট-চৰাটোৰ বাটেদি ওলাই নাযাব, কিন্তু পোনে ৰোনে ওলাই যাব। 10আৰু তেওঁবিলাক সোমোৱা সময়ত
অধিপতিজন তেওঁবিলাকৰ মাজত হৈ সোমাব; আৰু ওলোৱা সময়ত তেওঁবিলাক সকলোৱে একেলগে ওলাব। 11পৰ্ব্ববোৰ আৰু নিৰূপিত
সময়ত ভক্ষ্য নৈবেদ্য এটা এটা ভতৰাৰ লগত এক এক ঐফা, এটা এটা মতা মেৰৰ লগত এক এক ঐফা, মেৰ পোৱালিবোৰৰ লগত তেওঁৰ
শক্তি অনুসাৰে, আৰু এক এক ঐফাৰ লগত এক এক হীম তেল হ'ব। 12আৰু যেতিয়া অধিপতিজনে ইচ্ছামতে দিয়া উপহাৰ উৎসৰ্গ কৰিব,
অৰ্থাৎ যিহোৱাৰ উদ্দেশ্যে হোমবলি বা মঙ্গলাৰ্থকবলি ইচ্ছামতে দিয়া উপহাৰস্বৰূপে উৎসৰ্গ কৰিব, তেতিয়া পূৱফালে মুখ কৰা বাটচৰাটো
তেওঁৰ নিমিত্তে খোলা হ'ব আৰু তেওঁ বিশ্ৰামবাৰে কৰা নিচিনাকৈ নিজৰ হোমবলি আৰু মঙ্গলাৰ্থক বলি উৎসৰ্গ কৰিব; পাছে তেওঁ বাহিৰলৈ
যাব আৰু তেওঁ ওলাই যোৱাৰ পাছত বাট-চৰাটো বন্ধ কৰা হ'ব।

13আৰু তুমি দিনে দিনে যিহোৱাৰ উদ্দেশ্যে হোম-বলিৰ নিমিত্তে এটা এটা এবছৰীয়া নিৰ্ঘূণী মেৰ পোৱালি উৎসৰ্গ কৰিবা; প্ৰতি ৰাতিপুৱা তুমি
তাক উৎসৰ্গ কৰিবা। 14আৰু তুমি ঐফাৰ ছয় ভাগৰ এভাগ, আৰু মিহি আটাগুড়ি ভেজাবলৈ হীনৰ তিনিভাগৰ এভাগ তেল দি প্ৰতি ৰাতিপুৱা
তাৰ লগত এক এক ভক্ষ্য নৈবেদ্য উৎসৰ্গ কৰিবা; সেয়ে চিৰস্থায়ী নিয়ম অনুসাৰে নিত্যে নিত্যে যিহোৱাৰ উদ্দেশ্যে দিব লগীয়া ভক্ষ্য নৈবেদ্য।
15এইদৰে তেওঁবিলাকে প্ৰতিৰাতিপুৱা নিত্য হোমবলিৰ অৰ্থে, নেৰ পোৱালি, ভক্ষ্য নৈবেদ্য আৰু তেল উৎসৰ্গ কৰিব।

16প্রভূ যিহোৱাই এই কথা কৈছে, যদি অধিপতিজনে তেওঁৰ পুত্রবিলাকৰ কোনো এজনক কিবা বস্তু দান কৰে, তেন্তে সেই বস্তুত সেইজনৰ স্বত্ব
থাকিব, সেয়ে তেওঁৰ পুত্রবিলাকৰ হ'ব; পুত্র-পৌত্রাদিক্রমে তাত তেওঁবিলাকৰ স্বত্ব থাকিব। 17কিন্তু তেওঁ যদি তেওঁৰ আধিপত্যৰ পৰা তেওঁৰ
বন্দীবোৰৰ কোনো বন্দীক কিবা বস্তু দান কৰে, তেন্তে সেয়ে মুক্তিৰ বছৰলৈকে তাৰ হৈ থাকিব; তাৰ পাছত অধিপতিজনৰ পুনৰায় হ'ব। কিন্তু
তেওঁৰ আধিপত্য হ'লে তেওঁৰ পুত্রবিলাকৰ হ'ব। 18ইয়াৰ বাহিৰে, অধিপতিজনে প্রজাবিলাকৰ আধিপত্যৰ পৰা তেওঁবিলাকক খেদাবৰ নিমিত্তে
তেওঁবিলাকৰ আধিপত্যৰ পৰা একো নল'ব; মোৰ প্রজাবিলাকৰ এজনো নিজ আধিপত্যৰ পৰা ছিন্-ভিন্ন নহ'বৰ নিমিত্তে তেওঁ নিজ
আধিপত্যৰ পৰাই তেওঁৰ পুত্রবিলাকক আধিপত্য দিব।

19পাছে তেওঁ উত্তৰফালে মুখ কৰা পুৰোহিত বিলাকৰ পবিত্র কোঁঠালিলৈ বাট-চৰাটোৰ কাষৰ প্ৰৱেশস্থানেদি মোক নিলে, আৰু চোৱা,
পশ্চিমদিশে পাছফালে এখন ঠাই আছিল। 20তেতিয়া তেওঁ মোক কলে, পুৰোহিতবিলাকে লোকবিলাকক পবিত্র কৰিবলৈ দোষাৰ্থক বলি,
পাপাৰ্থক বলি আৰু ভক্ষ্য নৈবেদ্য বাহিৰ চোতালখনলৈ নিনিবৰ নিমিত্তে, সেই পাপাৰ্থক ও দোষাৰ্থক বলি সিজোৱা আৰু ভক্ষ্য নৈবেদ্য তাও
দিয়া ঠাই এয়ে। 21পাছে তেওঁ মোক বাহিৰ চোতালখনলৈ নি চোতালখনৰ চাৰিচুকেদি ফুৰালে; আৰু চোৱা, চোতালখনৰ প্রত্যেক চুকত এখন
এখন চোতাল আছিল। 22চোতালখনৰ চাৰিচুকত, গড়েৰে আবৃত চল্লিশ হাত দীঘল আৰু ত্রিশ হাত বহল এখন এখন চোতাল আছিল; চুকৰ
এই চাৰিখন চোতাল একে পৰিমাণৰ। 23সেই চাৰিখনৰ প্রত্যেকখনৰ চাৰিওফালে লগালগি এশাৰী এশাৰী ঘৰ আছিল; আৰু চাৰিও-ফালৰ
সেই ঘৰবোৰৰ তলত সিজাবৰ নিমিত্তে চৌকা পতা আছিল। 24পাছে তেওঁ মোক কলে, গৃহটিৰ পৰিচাৰকবিলাকে তেওঁবিলাকৰ বলিৰ মাংস
সিজোৱা ঘৰ এইবোৰ।

### নতুন মন্দিৰৰ তলৰ পৰা ওলাই অহা নদী। নতুন ইস্রায়েল দেশৰ সীমা।

## Chapter 47

1পাছে তেওঁ মোক গৃহটিৰ দুৱাৰমুখলৈ ওলোটাই নিলে; আৰু চোৱা, গৃহটিৰ দুৱাৰ ডলিৰ তলৰ পৰা জলসমূহ ওলাই পূৱ দিশলৈ বৈ গৈছিল
কিয়নো গৃটিৰ আগফাল পূৱদিশে আছিল; আৰু বেদিটোৰ দক্ষিণে গৃহটিৰ সোঁ কাষৰ তলৰ পৰা সেই জলসমূহ নামি গৈছিল। 2পাছে তেওঁ
মোক বাট-চৰাটোৰ বাটেদি উত্তৰফলে ওলিয়াই নিলে, আৰু মোক ঘূৰাই আহিবৰ বাটেদি, পূৱফালে মুখ কৰা বাট-চৰাটোলৈ যোৱা পথেদি
বাহিৰ বাট-চৰাটোলৈ নিলে, আৰু চোৱা, সোঁ ফালে জলসমূহ ওলাই বৈ গৈছিল।

3পাছে পুৰুষজনে হাতত ৰছী এডাল লৈ পূৱফাললৈ আগ বাঢ়ি গৈ এক হাজাৰ হাত জুখিলে, আৰু মোক জল সমূহৰ মাজেদি নিলে; সেয়ে
খাৰ-গঁঠিয়া পানী। 4আকৌ তেওঁ এক হাজাৰ হাত জুখিলে, আৰু জলসমূহৰ মাজেদি মোক নিলে; সেয়ে একাঁঠুৱা পানী। পুনৰায় তেওঁ এক
হাজাৰ হাত জুখিলে, আৰু মোক জলসমূহৰ মাজেদি নিলে; সেয়ে একাঁকলীয়া পানী। 5পাছে তেওঁ আকৌ এক হাজাৰ হাত জুখিলে, সেয়ে মই
পাৰ হৈ যাব নোৱাৰা এখন নদী; কিয়নো জল সমূহ বাঢ়িল, সাঁতোৰিব লগা জলসমূহ হ'ল, পাৰ হৈ যাব নোৱাৰা এখন নদী হ'ল।

6তেওঁ মোক কলে, হে মনুষ্য সন্তান, তুমি ইয়াক দেখিছা নে? এইবুলি তেওঁ মোক পুনৰায় নদীখনৰ দাঁতিলৈ লৈ গ'ল। 7মই উলটিলত, চোৱা,
নদীখনৰ পাৰত ইপাৰে সিপাৰে অনেক অনেক গছ আছে। 8পাছে তেওঁ মোক কলে, এই জলসমূহ পূৱ অঞ্চললৈ ওলাই গৈছে; এয়ে অৰাবাৰ
মাজেদি নামি যাব, তাৰ পাছত সমূদ্ৰলৈ যাব; এই জন সমূহ সমূদ্ৰত সোমালে তাৰ পানী উত্তম হৈ যাব। 9আৰু এই মহানদীখন যোৱা সকলো
ঠাইৰ অসংখ্য জীৱজন্তু জীৱ আৰু বহুসংখ্যক মাছ হ'ব; কিয়নো এই জলসমূহ সমূদ্ৰলৈ গ'লে তাৰ জলসমূহ উত্তম হৈ যাব; আৰু নদীখন যোৱা
সকলো ঠাই সকলো প্ৰাণী জীৱ। 10তাৰ পাৰত মাছমৰীয়াবিলাক থিয় হ'ব, আৰু অয়িন-গদীৰ পৰা অয়িন-ইগ্লয়িমলৈকে জাল মেলি দিয়া ঠাই
হ'ব; সিহঁতৰ মাছ মহাসমূদ্ৰৰ মাছৰ নিচিনাকৈ নানা বিধৰ অসংখ্য মাছ হ'ব। 11কিন্তু তাৰ বোকা ঠাই আৰু দল-দলনিবোৰ উত্তম নহ'ব;
সেইবোৰ লোণীয়া ঠাই হ'ব। 12আৰু নদীখনৰ কাষত, তাৰ পাৰত ইফালে সিফালে সকলোবিধৰ খোৱা গুটিৰ গছ হ'ব, সেইবোৰৰ পাত জঁয়
নপৰিব আৰু গুটি নুঢুকাব; জলসমূহ ধৰ্ম্মধামৰ পৰা ওলোৱাৰ কাৰণে সেইবোৰত মাহে মাহে নতুন নতুন গুটি ধৰিব; আৰু সেইবোৰৰ গুটি
আহাৰৰ নিমিত্তে, আৰু সেইবোৰৰ পাত সুস্থ কৰিবৰ নিমিত্তে হ'ব। 13প্ৰভূ যিহোৱাই এই কথা কৈছে, যি সীমাৰ ভিতৰত তোমালোকে ইস্রায়েলৰ
বাৰ ফৈদ অনুসাৰে আধিপত্যৰ নিমিত্তে দেশ ভাগ বাঁটবা, সেই সীমা এই; যোচেফে দুভাগ পাব। 14আৰু মই তোমালোকৰ পূৰ্ব্ব-পুৰুষবিলাকক
দিবলৈ যি দেশৰ বিষয়ে হাত দাঙি শপত কৰিছিলোঁ, সেই দেশ তোমালোকে সমানে আধিপত্যস্বৰূপে ল'বা; সেই দেশ আধিপত্যস্বৰূপে
তোমালোকৰ হ'ব।

15আৰু দেশৰ সীমা এই হ'ব। উত্তৰফালে মহাসমূদ্ৰৰ পৰা হিতলোনৰ বাটেদি চদাদৰ প্ৰৱেশ স্থানৰ ফাললৈ। 16হমাৎ, বেৰোথা, দম্মেচকৰ আৰু
হমাতৰ সীমাৰ মাজত থকা চিব্ৰয়িম, আৰু হাওৰাণৰ সীমাত থকা হাচেৰ-হত্তীকোণ। 17এইদৰে সীমাটো সমূদ্ৰৰ পৰা দম্মেচকৰ সীমাত থকা
হচৰ-ঐনোনলৈকে যাব, আৰু উত্তৰ ফালে উত্তৰদিশে হমাতৰ সীমা। 18এয়ে উত্তৰ ফাল। আৰু পূৱফাল হাওৰাণ, দম্মেচক,ও গিলিয়দ, এই
কেইটাৰে আৰু ইস্রায়েল দেশৰে মাজত থকা যৰ্দ্দন হ'ব; উত্তৰ সীমাৰ পৰা পূৱ সমূদ্ৰলৈকে তোমালোকে জুখিবা। 19এয়ে পূৱ ফাল। আৰু
দক্ষিণদিশে দক্ষিণ ফাল, তামৰৰ পৰা মৰীবোৎ-কাদেচৰ জলসমূহেদি, মিচৰ জুৰিয়েদি মহাসমূদ্ৰলৈকে হ'ব। এয়ে দক্ষিণ দিশৰ দক্ষিণ ফাল।
20আৰু দক্ষিণ সীমাৰে পৰা হমাতৰ প্ৰৱেশস্থানৰ সন্মূখলৈকে পশ্চিমফাল মহাসাগৰ হ'ব।

21এয়ে পশ্চিমফাল। এইদৰে ইস্ৰায়েলৰ ফৈদ অনুসাৰে তোমালোকে এইদেশ তোমালোকৰ নিমিত্তে ভাগ বাঁটিবা। 22তোমালোকে নিজৰ নিজৰ
নিমিত্তে, আৰু বিদেশী লোকবিলাকে তোমালোকৰ মাজত প্ৰবাস কৰি তোমালোকৰ মাজত সন্তান উৎপন্ন কৰিব, সিহঁতৰ নিমিত্তেও তাক
আধিপত্যৰ অৰ্থে চিঠী-খেলেৰে বাগ বাঁটিবা; আৰু সিহঁত ইস্ৰায়েলেৰে সন্তানবিলাকৰ মাজত তোমালোকৰ বিবেচনাত স্বজাতীয় যেন হ'ব;
সিহঁতে ইস্ৰায়েলৰ ফৈদবিলাকৰ মাজত তোমালোকৰ লগত আধিপত্য পাব। 23আৰু প্ৰভু যিহোৱাই কৈছে, যি ফৈদৰ মাজত বিদেশীয়ে বাস
কৰিব, তাতেই তোমালোকে তাৰ আধিপত্য দিবা।

### নতুন ইস্ৰায়েল দেশ বাগ বাঁটি দিয়া।

## Chapter 48

1ফৈদবিলাকৰ এই এই নাম। একেবাৰে মূৰত উত্তৰ ফালে হিতলোনৰ বাটৰ কাষেদি হমাতৰ প্ৰৱেশস্থানলৈকে দম্মেচকৰ সীমাত থকা হচৰ-
ঐননলৈকে, উত্তৰফালে হমাতৰ কাষত পূব আৰু পশ্চিমলৈ দানে এক অংশ পাব। 2আৰু দানৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ
আচেৰে এক অংশ পাব। 3আৰু আচেৰৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ নপ্তালীয়ে এক অংশ পাব। 4আৰু নপ্তালীৰ সীমাৰ
কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ মনচিয়ে এক অংশ পাব। 5আৰু মনচিৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ ইফ্ৰয়িমে এক
অংশ পাব। 6আৰু ইফ্ৰয়িমৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ ৰূবেণে এক অংশ পাব। 7আৰু ৰূবেণৰ সীমাৰ কাষেদি পূব ফালৰ
পৰা পশ্চিম ফাললৈ যিহূদাই এক অংশ পাব।

8আৰু যিহূদাৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ, পঁচিশ হাজাৰ হাত বহল আৰু দীঘলে পূব ফালৰ পৰা পশ্চিম ফাললৈ আন
অংশবোৰৰ এক অংশ সমান তোমালোকে দিব লগা উপহাৰ ভূমি হ'ব; আৰু ধৰ্ম্মধাম তাৰ মাজত হ'ব। 9যিহোৱাৰ উদ্দেশ্যে তোমালোকে দিব
লগা উপহাৰ ভূমি পঁচিশ হাজাৰ হাত দীঘল, আৰু দহ হাজাৰ হাত বহল হ'ব। 10আৰু সেই পবিত্ৰ উপহাৰ ভূমি পুৰোহিতবিলাকৰ নিমিত্তে হ'ব।
সেয়ে উতত্তৰ ফালে পঁচিশ হাজাৰ হাত দীঘল, পশ্চিম ফালে দব হাজাৰ হাত বহল, পূব ফালে দহ হাজাৰ হাত বহল, আৰু দক্ষিণ ফালে পঁচিশ
হাজাৰ হাত দীঘল হ'ব; তাৰ মাজ ঠাইত যিহোৱাৰ ধৰ্ম্মধাম থাকিব। 11ইস্ৰায়েলৰ সন্তানবিলাক বিপথে যোৱা সময়ত লেবীয়াবিলাকে বিপথে
যোৱাৰ নিচিনাকৈ বিপথে নোযোৱা মোৰ ৰক্ষমীয় ৰক্ষা কৰা চাদোকৰ সন্তানবিলাকৰ মাজৰ পবিত্ৰীকৃত পুৰোহিত বিলাকৰ নিমিত্তে সেয়ে হ'ব।
12সেয়ে তেওঁবিলাকৰ পক্ষে, দেশৰ উপহাৰ ভূমিৰ পৰা লোৱা, লেবীয়াবিলাকৰ সীমাৰ কাষত এক অতি পবিত্ৰ উপহাৰ হ'ব।

13আৰু লেবীয়াবিলাকে পুৰোহিতবিলাকৰ সীমাৰ সন্মুখত দীঘলে পঁচিশ হাজাৰ হাত আৰু বহলে দহ হাজাৰ হাত এডোখৰ ভূমি পাব; তাৰ
গোটেই দৈৰ্ঘ্য পঁচিশ হাজাৰ হাত আৰু প্ৰস্থ দহ হাজাৰ হাত। 14তেওঁবিলাকে ইয়াৰ অলপো সলনি নকৰিব, নাইবা দেশৰ প্ৰথম ফল হস্তান্তৰ
নকৰিব; কিয়নো এয়ে যিহোৱাৰ উদ্দেশ্যে পবিত্ৰ।

15আৰু পঁচিস হাজাৰ হাতৰ সন্মুখৰ বহলৰ বাকী পাঁচ হাজাৰ হাত সাধাৰণ হ'ব; সেয়ে নগৰখন বসতিস্থান আৰু চাৰিওফালৰ মুকিল ঠাইৰ
নিমিত্তে হ'ব; নগৰখন তাৰ মাজ ঠাইত হ'ব। 16তাৰ পৰিমাণ এইবোৰ; উত্তৰফাল চাৰি হাজাৰ পাঁচশ হাত, দক্ষিণ ফাল চাৰি হাজাৰ পাঁচশ হাত,
পূব ফাল চাৰি হাজাৰ পাঁচ শ হাত, আৰু পশ্চিম ফাল চাৰি হাজাৰ পাঁচ শ হাত; 17আৰু নগৰখনৰ চাৰিওফালে মুকলি ঠাই থাকিব; উত্তৰ দিশে
দুশ পঞ্চাশ হাত, দক্ষিণ দিশে দুশ পঞ্চাশ হাত পূব দিশে দুশ পঞ্চাশ হাত আৰু পশ্চিম দিশে দুশ পঞ্চাশ হাত। 18আৰু পবিত্ৰ উপহাৰ ভূমিৰ
সন্মুখৰ দীঘলৰ বাকী ভাগ পূব দিশে দহ হাজাৰ হাত আৰু পশ্চিম দিশে দহ হাজাৰ হাত হ'ব, আৰু এয়ে পবিত্ৰ উপহাৰ ভূমিৰ আগত হ'ব;
আৰু তাৰ উৎপন্ন শস্য নগৰখনত কাম কৰোঁতা লোকবিলাকৰ আহাৰৰ নিমিত্তে হ'ব। 19আৰু ইস্ৰায়েলৰ আটাই ফৈদৰ মাজৰ যি লোকবিলাকে
নগৰখনত কাম কৰে, তেওঁবিলাকে তাক চহাব। 20গোটেই উপহাৰ ভূমি দীঘলে পঁচিশ হাজাৰ হাত আৰু বহলে পঁচিশ হাজাৰ হাত হ'ব;
তোমালোকে নগৰখনৰ অধিকৃত অংশই সৈতে সেই পবিত্ৰ উপহাৰ ভূমি চাৰি-চুকীয়া কৰি উৎসৰ্গ কৰিবা। 21পবিত্ৰ উপহাৰ ভূমিৰ আৰু
নগৰখনৰ অধিকৃত অংশৰ ইপালৰ সিফালৰ অৱশিষ্ট ভাগ অধিপতিজনৰ নিমিত্তে হ'ব; পূব সীমাৰ ফালে উপহাৰ ভূমিৰ পঁচিশ হাজাৰ হাতৰ
সন্মুখৰ, আৰু পশ্চিম দিশে পশ্চিম সীমাৰ ফাললৈ পঁচিশ হাজাৰ হাতৰ সন্মুখৰ অংশবোৰৰ কাষৰ ভাগ অধিপতিজনৰ নিমিত্তে হ'ব; আৰু
পবিত্ৰ উপহাৰ ভূমি ও গৃহটিৰ ধৰ্ম্মধাম তাৰ মাজ ঠাইত হ'ব। 22অধিপতিজনৰ অংশৰ মাজ ঠাইত থকা যি ভাগ লেবীয়াবিলাকৰ অধিকৃত
অংশৰ আৰু নগৰ খনৰ অধিকৃত অংশৰ বাহিৰে যিহূদা আৰু বিন্যামীনৰ সীমাৰ মাজত হ'ব সেয়ে অধিপতিজনৰ হ'ব।

23আৰু অৱশিষ্ট ফৈদবিলাকৰ এই এই অংশ হ'ব; পূব ফালৰ পৰা পশ্চিম ফাললৈ বিন্যামীনে এক অংশ পাব; 24আৰু বিন্যামীনৰ সীমাৰ
কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ চিমিয়োনে এক অংশ পাব; 25আৰু চিমিয়োনৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ
ইচাখৰে এক অংশ পাব; 26আৰু ইচাখৰৰ সীমাৰ কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ জবুলূনে এক অংশ পাব; 27আৰু জবুলূনৰ সীমাৰ
কাষেদি পূব ফালৰ পৰা পশ্চিম ফাললৈ গাদে এক অংশ পাব। 28গাদৰ সীমাৰ কাষেদি দক্ষিণ ফালে দক্ষিণ দিশে তামৰৰ পৰা মৰীবৎ-কাদেচৰ
জলসমূহৰ মাজেদি, মিচৰ জুৰিয়েদি মহাসমূদ্ৰলৈ সীমা হ'ব। 29প্ৰভু যিহোৱাই কৈছে, আধিপত্যৰ অৰ্থে ইস্ৰায়েলৰ ফৈদবিলাকৰ নিমিত্তে
তোমালোকে চিঠী-খেলেৰে বাগ বাঁটিব লগা দেশ এয়ে, আৰু এইবোৰেই তেওঁবিলাকৰ অংশ।

30আৰু নগৰখন, চাৰিওফালৰ সীমা এইবোৰ। উত্তৰ ফালে চাৰিহাজাৰ পাঁচশ হাত। আৰু 31নগৰখনৰ দুৱাৰবোৰ ইস্ৰায়েলৰ ফৈদৰ নাম
অনুসাৰে হ'ব; উত্তৰ ফালে তিনিখন দুৱাৰ, ৰূবেণৰ এখন, যিহূদাৰ এখন, আৰু লেবীৰ এখন। 32আৰু পূব ফালে চাৰি হাজাৰ পাঁত শ হাত,

আৰু তিনিখন দুৱাৰ, যোচেফৰ এখন, বিন্যামীনৰ এখন আৰু দানৰ এখন।
33আৰু দক্ষিণ ফালে চাৰি হাজাৰ পাঁচ শ হাত, আৰু তিনিখন
দুৱাৰ, চিমিয়োনৰ এখন, ইচাখৰৰ এখন, আৰু জবুলূনৰ এখন।
34আৰু পশ্চিম ফালে চাৰি হাজাৰ পাঁচ শ হাত, আৰু তাৰ তিনিখন দুৱাৰ,
গাদৰ এখন, আচেৰৰ এখন, আৰু নপ্তালীৰ এখন।
35চাৰিওফালে ওঠৰ হাজাৰ হাত হ'ব; আৰু সেই দিনৰ পৰা নগৰখন "যিহোৱা সৌ তাত
আছে", এই নামেৰে প্ৰখ্যাত হ'ব।

# অবদানকারী

## Assamese Unlocked Literal Bible অবদানকারী

Ajit Kumar Singha
Antoney Raj
Basanta Kumar Sarma
Cdr. Thomas Mathew
Dr. Bobby Chellappan
Hinal Prakash
Jobby Prasannan
Jumi Devi
Kanika Dhar
Kavita Bora
Merlyn Easa
Numali Tara
Rev. Tarun Singha
Rinu John
Sangeet Momin
Shojo John
Door43 World Missions Community

## Tischendorf Greek New Testament 8th edition অবদানকারী

eBible.org
Clint Yale
Dr. Maurice A. Robinson
Ulrik Sandborg-Petersen
Door43 World Missions Community